
১-১৫ মাৰ্চ ১৯৯৩ মূল্য সাত টকা



অসমৰ চিন্তাজগতত সন্ত্ৰাস

# ৰজাঘৰৰ সংবাদ
## বনাম
# ৰাইজৰ সংবাদ

OKDISCD

# সোণকণিৰ স্বাস্থ্য ভালে ৰাখিব কেনেকৈ ?



## কেয়ো-কাৰ্পিন বেবী অয়েলৰ মেছেজ আৰু আপোনাৰ মৰমভৰা আদৰেৰে

ভিটামিন এ· ডি আৰু ই-ৰ উপকাৰিতা মিহলোৱা কেয়ো-কাৰ্পিন বেবী অয়েলৰে আপোনাৰ ল'ৰা-ছোৱালীক মালিচ কৰক-চাব সিহঁত কেনে সুস্থ-সৱল ৰূপে বাঢ়ি উঠিব।

**কেয়ো-কাৰ্পিন বেবী অয়েলে আপোনাৰ সন্তানক ৰিকেটৰ পৰা ৰক্ষা কৰে**

নিতৌ কেয়ো-কাৰ্পিন বেবী অয়েলৰে মালিচ কৰিলে ভিটামিন ডি-ৰ অভাৱত হাড়ত জন্মা অস্বাভাৱিকতাৰ পৰা আপোনাৰ সন্তান সম্পূৰ্ণ সুৰক্ষিত থাকিব।

**কেয়ো-কাৰ্পিন বেবী অয়েলে ভিটামিন ই-ৰ অভাৱ হবলৈ নিদিয়ে**

ভিটামিন ই-ৰ অভাৱ হলে "মাচকুলাৰ ডিচ্‌ট্ৰোফি" জাতীয় অসুখ দেখা দিয়ে। সেয়ে নিতৌ আপোনাৰ সন্তানক কেয়ো-কাৰ্পিন বেবী অয়েলৰে মালিচ কৰিলে সেই ভয় আঁতৰিব।




**কেয়ো-কাৰ্পিন বেবী অয়েলে ভিটামিন এ-ৰ অভাৱ ৰোধ কৰে**

শৰীৰত ভিটামিন এ-ৰ অভাৱ হলে শিশু আৰু বাঢ়ি অহা সৰু সৰু ল'ৰা-ছোৱালীৰ গাত নানান ধৰণৰ চৰ্মৰোগ দেখা দিব পাৰে। কিন্তু নিতৌ কেয়ো-কাৰ্পিন বেবী অয়েল মালিচ কৰিলে ভিটামিন এ-ৰ চাহিদা পূৰণ হোৱাই নহয় চৰ্মৰোগজাতীয় বেমাৰৰ পৰাও হাত সাৰিব পাৰি।

**কেয়ো-কাৰ্পিন বেবী অয়েল চন্দন আৰু নিম তেলৰ গুণেৰেও ভৰপূৰ**

চন্দন, নিমতেল আৰু আন আন উপাদানৰ গুণেৰে কেয়ো-কাৰ্পিন বেবী অয়েল ভৰপূৰ বুলিয়ে, শিশু আৰু বাঢ়ি অহা সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে ই অতি আৱশ্যকীয়। আজিয়েই এবটল কিনি আনি ব্যৱহাৰ কৰকচোন। চাব আপোনাৰ সন্তান গোটেই বছৰটো কেনে সুস্থ শৰীৰেৰে থাকে!

**কেয়ো-কাৰ্পিন বেবী অয়েল**

Dey's দে'জ মেডিকেল
যি সকলৰ যত্নই আপোনাৰ আস্থা

* ই কোনো প্ৰসাধন সামগ্ৰী নহয়

সূচী

# পষেক

১৭ ফাগুন–১ চ'ত ১৯১৪–১৫ শক ▫ ১–১৫ মাৰ্চ ১৯৯৩ চন ▫ দ্বিতীয় বছৰ বিংশতি সংখ্যা

৪ চিঠি

৬ ভাৰতীয় ৰস



**প্ৰচ্ছদ নিবন্ধ**

৭ সংবাদপত্ৰৰ ঐতিহাসিক ভূমিকা ▫ ডঃ অপূৰ্ব কুমাৰ বৰুৱা

১০ অসমৰ ডেৰশ বছৰীয়া সংবাদপত্ৰৰ ইতিহাস ▫ ডাঃ ধ্ৰুৱজ্যোতি বৰা

১২ বিপদাপন্ন সংবাদমাধ্যমৰ স্বাধীনতা ▫ ধ্ৰুৱ মহন্ত

১৪ ৰাজনীতি আৰু সংবাদপত্ৰ ▫ দুলাল বৰুৱা ▫ হেমেন দাস ▫ গোলাম ওচমানি ▫ বৃন্দাবন গোস্বামী

**অল্পমতিৰ পৰাকাষ্ঠা**

১৬ যুৱক প্ৰজন্মৰ প্ৰতিভূ পৰাগ ▫ দেৱব্ৰত দাস

**কবিতা**

১৮ মুকুল পাটৰ ▫ তুলতুল বৰুৱা ▫ অৰূপা বৰুৱা ▫ প্ৰদীপ শৰ্মা ▫ ৰাজেন কাকতি ▫ ৰাজীৱ কুমাৰ দত্ত

**চলচ্চিত্ৰ**

৪৫ হলিউডৰ ৰাজকুমাৰী অড্ৰে হেপ্‌বাৰ্ণ ▫ ৰূপকাৰ চিনে এণ্টাৰপ্ৰাইজ

৫০ পঞ্চাশখন উল্লেখযোগ্য হিন্দী ছবি

৫ সম্পাদকীয়

**হাস্য-ব্যংগ**

২০ ক'ব জনাৰ মুখ চিলচিলীয়া ▫ ভদ্ৰ বৰা

**বিশ্ব ৰাজনীতি**

২২ হোৱাইট হাউছত ক্লিণ্টন ঃ গণৰাজ্য দিৱসত মেজৰ ▫ ধৈৰ্য হাজৰিকা

**গাঁও-চহৰ**

২৫ নলৰ পৰা নলনী ▫ ৰবীন মৰাণ

**ভ্ৰমণ**

২৮ মেৰিনাৰ মৰমেৰে মাদ্ৰাজ ▫ ৰাণু বৰুৱা

**গল্প**

৩০ বিৱৰ্তন ▫ অৰ্পণ শইকীয়া

**ধাৰাবাহিক উপন্যাস**

৩৩ পয়াণ ▫ অৰুণ গোস্বামী

৩৭ যদিও ব্যক্তিগত

**মহিলা**

৩৯ পৰিয়ালটোৰ বাবে আটাইখিনি কৰি তাৰ বিনিময়ত কিমানখিনি পায় ?

৪২ আয়ুৰ্বেদিক বিধানত ৰূপচৰ্চা আৰু শৰীৰ চৰ্চা

৫৬ মনে মনে ▫ ৰসেশ্বৰ হাজৰিকা

৫৮ পষেকটোৰ ঘটনা

সম্পাদক অজিত কুমাৰ ভূঞা

সহকাৰী সম্পাদক মনোজ বৰপূজাৰী বেটুপাত, অলংকৰণ চন্দন চুতীয়া আলোকচিত্ৰ সন্দীপন পাঠক

BRANCH OFFICES : ● BOMBAY : M/s Tuhina Mitra, 12, Shankar Jyoti, 10th Road, Chembur, Bombay- 400 071, Ph : 566-4491
● CALCUTTA : 7/1C, Lindsay Street, 1st Floor, Calcutta- 700 005, Ph : 24-1221/8574/9383 ● DELHI : 15/10, Kalkaji, 1st Floor, New Delhi- 110 019, Ph : 645-3042, 640-0776

কাৰ্যালয়ঃ মণিৰাম দেৱান ৰোড, চান্দমাৰী, গুৱাহাটী- ৭৮১ ০০৩, ফোন ঃ ৪৩৪২০ ভাস্কৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰিন্টিং উদ্যোগ, গুৱাহাটী-২১৩ মুদ্ৰিত।




## বিশেষ গল্প সংখ্যা

১–১৫ ফেব্রুৱাৰীৰ বিশেষ গল্প সংখ্যাৰ সম্পাদকীয় 'বিচাৰ কৰাৰ সময়' সঁচাকৈ সময়োচিত হৈছে। জাতীয় অনুষ্ঠান সাহিত্য সভাৰ বৰ্তমান কাৰ্যকলাপ বিশ্লেষণ কৰিলে মাথোন ডাঙৰ ডাঙৰ শূন্যহে পোৱা যাব। অৱশ্যে চৰকাৰী পৃষ্ঠপোষকতাত সাহিত্য সভা অনুষ্ঠিত হোৱা ঠাইখনৰ বাট-পথবোৰ অলপ উন্নত হ'ব পাৰে। তাৰ বাদে লাভ হ'ব চহৰীয়া মধ্যবিত্ত শ্ৰেণী আৰু এচাম বুদ্ধিজীৱীৰ। বাকী আমিবোৰ সদায়ে একেদৰেই থাকিব লাগিব। স্বনামধন্য ড° ভুপেন হাজৰিকাই ৰজাঘৰীয়া সাহিত্য সভাৰ কাৰ্যকলাপৰ কিনো পৰিবৰ্তন আনিব পাৰে সেয়া সকলোৱে বুজিব। বৰ্তমানৰ স্বৰ্গদেউ যাৰ পক্ষত থাকে সেই পক্ষই যে প্ৰকৃত জনগণৰ হকে মাত মাতিব সি কল্পনাতীত।

**বুদ্ধেশ্বৰ ৰাজবংশী**
**বকলীয়া ঘাট, কাৰ্বি আংলং**

কেইবাজনো পুৰুষ বন্ধু সলনি কৰা এগৰাকী আধুনিকা কেৰিয়াৰিষ্ট মহিলা, যাৰ নিজে ওখ হৈ গৈ থাকিলে চৌদিশৰ মানুহবোৰ চাপৰ হৈ গৈ থকা জাতীয় ভাবপ্ৰৱণতা সহজাত তেনে এগৰাকী ভাৰতীৰ আত্মস্বীকাৰোক্তি দাঙি ধৰিলে জ্যোতিষ শিকদাৰে তেওঁৰ গল্প 'অনুৰণন'ৰ যোগেদি। গল্পটোত গাভৰু বয়সৰ আগৰে পৰা ভাৰতীৰ ঘৰত ৰন্ধা-বঢ়া কাম কৰা নিৰ্মালীৰ ভাৰতী সম্বন্ধে ব্যক্তিগত উপলব্ধিসমূহকো গল্পকাৰে গুৰুত্ব দিয়া হ'লে আৰু অধিক মনোজ্ঞ হ'লহেঁতেন।

একেদৰে এসময়ৰ নক্সালপন্থী আন্দোলনৰ বিপ্লৱী নূপুৰ বৰ্তমানে ঠানবান হৈ যোৱা সংগঠনটোৰ পৰা আঁতৰি সম্ভাৱনাপূৰ্ণ, বস্তুবাদী হৈ পৰোতে যেতিয়া নিসংগভাবে, পিন্ধনত সাধাৰণ চাৰ্ট, মলিয়ন পায়জামাৰে সমুখত একাপ ধূমায়িত চাহ লৈ ক্লান্ত দৃষ্টিৰে সিহঁতৰ এসময়ৰ নেতা বিপুলদাক বহি থকা দেখে তেতিয়া চৰম সাহসহীনতা আৰু আত্মগ্লানিত ভুগি নিজকে শেষ কৰি দিব খোজে কিন্তু নিকটৱৰ্তী মৰমলগা অপুমণিৰ 'মামা... মোৰ চকলেট' লৈ মনত পৰি সহজেই স্বীকাৰ কৰি দিয়ে জীৱনটো সেউজ-সঁচা শইচ উক্ত বিষয়বস্তুৰে মনোজ কুমাৰ গোস্বামীৰ 'মানুহে আত্মহত্যা নকৰে কিয় ?' গল্পটিও এই সংখ্যাটোৰ এক অনন্য কলাত্মক গল্প। গল্পটোত 'হাত মেলিলেই সি ঢুকি পাই ইলেক্ট্ৰিক তাঁৰকেইডাল, কেইবাশ ভল্টৰ বিদ্যুৎ বৈ আছে......... ৰতাহত মৃত বাদুলীটো লৰিছে, তাৰ সামান্য মেলখোৱা ক্লান্ত পাখি জাতীয় প্ৰতীক ভাৱপ্ৰৱণতাৰে গল্পটো উচ্চশাৰীলৈ উঠিছে যদিও দুপৰীয়াৰ নীলা নিৰ্বিকাৰ আকাশত উৰা নিকটৱৰ্তী মানুহকেইঘৰৰ ল'ৰা-ছোৱালীকেইটাই উৰোৱা চিলাৰ দৰে নিজৰ চিলাৰূপী জীৱনটোক পাঠকক প্ৰদান কৰাত শেষলৈ সফল নহ'ল।

এটা নীলাজ গল্প, গ্ৰাহক আদিৰ গল্পকাৰ মৃদুল কুমাৰ বৰাৰ 'প্ৰতিপক্ষত ডেকা গল্পকাৰ আৰু ষ্টেফিগ্ৰাফ, ফেন্টাচী ইত্যাদি' গল্পটিও এই সংখ্যাটিৰ আন এটা সুখকৰ গল্প। আউটডেটেড হৈ যোৱা দাদাগিৰিৰ কবলত পৰি আপোনভোলা ৰেৱ কলিতা আঘাতপ্ৰাপ্ত হৈ তিনিদিন হাস্পতালত পৰি থাকি তীব্ৰ ক্ষোভেৰে 'তুমি দেখোন মোৰ ঘটনাটোৰ ওপৰত গল্প এটা লিখিব পাৰা' মন্তব্য দিয়া মানুহটোৱে দলবদ্ধ আক্ৰমণকাৰীৰ দলৰ নেতাজনে ক্ষমা খোজাৰ লগে লগে সহজ হৈ প্ৰকাশ কৰিলে 'নেলাগে দিয়া। মিছাতে সিহঁতৰ বদনামহে হ'ব। মই কেছটো উঠাই ল'ম কিজানি।' অথচ মণিৰ প্ৰেমত পৰা গল্পকাৰে ষ্টেফিগ্ৰাফৰূপী পংখী বৰুৱাকো বুকুত প্ৰেমিকা হিচাপে থিতাপি কৰিবলৈ গৈ 'ছোৱালীজনীৰ বিয়া। মাৰ্চৰ ভিতৰতে শেষ হ'ব ল'গা পৰীক্ষাটোৰ পিচতে হ'ব বোলে' খবৰটো শুনাৰ পাচত 'ৰেৱৰ নাথাকিল বুলি মোৰো ক্ষোভ নাথাকিব' জাতীয় ভাবেৰে সুন্দৰকৈ self discussion কৰিছে 'প্ৰতিপক্ষত ডেকাগল্পকাৰ...ত। গল্পটোত আৰম্ভণিৰ পৰা শেষলৈ বৰ্তি থকা সাৱলীল প্ৰকাশভংগীৰ বাবেই নিঃসন্দেহে এটা কলাত্মক গল্প হ'ব বুলি আমাৰ বিশ্বাস কিন্তু 'মই ক'ৰবালৈ গ'লে নবৌ ঘৰত নাথাকে। অকলে থাকিবলৈ ভাল নাপায়।' প্ৰসংগটোৰহে প্ৰাসংগিকতা নুবুজিলো। সাহিত্য সভাৰ বতৰত পাঠকলৈ 'পষেকে' নিৰ্বাচিত এঘাৰজন গল্পকাৰৰ 'বিশেষ গল্প সংখ্যা'টোৰ জৰিয়তে নতুন আংগিকৰ গল্প উপহাৰ দিয়াৰ বাবে নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

**ধীৰেণ শইকীয়া**
**বৰদৌলগুৰি, ছিপাঝাৰ**

## প্ৰকৃত সত্য

'পষেক' প্ৰথম সংখ্যাৰ পৰাই নিয়মিতভাবে পঢ়ি আছো। কিন্তু এতিয়া 'পষেক' পঢ়াৰ ক্ষেত্ৰত অলপ চিন্তা কৰিবলগীয়া হৈছে। অসমীয়া জাতি তথা সমগ্ৰ অসমখনৰেই অস্তিত্ব ৰক্ষাৰ এই সন্ধিক্ষণত আপোনালোকে কেৱল শীতৰ খবৰ, চলচ্চিত্ৰ মহোৎসৱৰ খবৰ আদিৰে পষেককেইখন ভৰাই আমালৈ পঠাই থাকিলে, 'পষেক'ৰ জাতিৰ বাবে, সমাজৰ বাবে দায়বদ্ধতা থাকিব জানো ? আমাক এখন তথ্যভিত্তিক, বিশ্লেষণাত্মক তথা গঠনমূলক লেখনিৰে সমৃদ্ধ আলোচনী লাগে। 'পষেক'ৰ কিছুমান সংখ্যাই এনে লেখনি দিছিল। প্ৰথম সংখ্যাৰ সম্পাদকীয় 'আৰু এখন আলোচনী কিয় ?'ত কোৱা সকলোবোৰ কথাই আখৰে আখৰে পালন কৰাটো আমি বিচাৰো। কিন্তু বৰ্তমান আমাৰ সন্ধিক্ষণত সম্পাদকীয়টোৰ এটা কথাৰ মূল্যায়ন বাৰুকৈয়ে অনুভৱ কৰিছো, সেইটো হৈছে '...... বিশ্বৰ সকলোবিধৰ উল্লেখনীয় ঘটনাক 'পষেকে' আদৰাৰ চেষ্টা যদিও কৰিব, তথাপি ই কিন্তু মূলতঃ হ'ব এখন 'অসমৰ আলোচনী'। বৃহত্তৰ জাতীয় জীৱন গঢ়াৰ স্বাৰ্থত সংখ্যাগৰিষ্ঠ জনগণৰ সেৱাৰ স্বাৰ্থত আৰু জাতীয় জীৱনক সবল-সুঠাম কৰাৰ স্বাৰ্থত 'পষেক' বিশেষভাবে মনোযোগী হ'ব।' প্ৰকৃত সত্যক সাহসেৰে উদঙাই দি 'পষেকে' আপুনি কোৱা সেই মুষ্টিমেয় শ্ৰেণীটোক ভেটা দিবৰ চেষ্টা কৰিছে বাবেই মই 'পষেক'ক আদৰিছোঁ। চেষ্টা অব্যাহত থাকিলে ভাল পাম।

**ৰাণা শৰ্মা**
**জামুগুৰিহাট**





# পৰিস্থিতি সলনি হৈছে




চাৰিওফালে এক অসহ্যকৰ পৰিবেশ দেখি সচেতন মহল স্বাভাৱিকতে চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিছে। কিন্তু একে সময়তে সুখৰো খবৰ যে অন্যায় আৰু অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিবাদো গঢ়ি উঠিছে। চৰকাৰখন বেপৰোৱা হৈ পৰিছে। হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে। এই কথা এতিয়া পৰিষ্কাৰ হৈ পৰিছে যে বিৰোধী ৰাজনৈতিক দল, নানান গণতান্ত্ৰিক সংগঠন, সাংবাদিক-বুদ্ধিজীৱী আদিয়ে নিজৰ নিজৰ ভূমিকা সঠিকভাবে পালন নকৰা বা কৰিব নোৱাৰাৰ বাবেই চৰকাৰখনে আজি ফেচিষ্ট ৰূপ ধাৰণ কৰিবলৈ সুবিধা পাইছে। মানুহৰ বাক্-স্বাধীনতাৰ ওপৰত কুঠাৰঘাত কৰিছে। গণতান্ত্ৰিকভাবে দাবী সাব্যস্ত কৰিব খোজা বয়োজ্যেষ্ঠ, সন্মানিত নাগৰিকৰ ওপৰতো পুলিচে লাঠীচালনা কৰিছে। কিন্তু চৰকাৰে জানি থওক যে পৰিস্থিতি সলনি হৈছে। বাক্-স্বাধীনতাৰ প্ৰশ্নত যিদৰে প্ৰতিবাদ গঢ়ি উঠিছে তাত আমি উৎসাহিত হৈছো। বাক্-স্বাধীনতা মানে ৰাইজৰ কথা কোৱাৰ অধিকাৰ, চিন্তা কৰাৰ অধিকাৰ। তাৰ ভিত্তিতে সংবাদপত্ৰই কেৱল জনগণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰে। চৰকাৰে আজি জানে যে জনগণৰ সমস্যা সমাধান কৰিবলৈ তেওঁলোক অপাৰগ। জনগণক তেওঁলোকে কেৱল প্ৰতাৰণা আৰু প্ৰবঞ্চনা কৰিছে। জনগণক কেৱল আতংকিত কৰাৰ লক্ষ্য লৈয়ে চৰকাৰে বন্দুক-বেয়নেটৰ ৰাজ কায়েম কৰিছে। চৰকাৰৰ ভয় যিহেতু জনগণে পৰিবৰ্তন বিচাৰিছে। নতুন চিন্তা-চেতনাই মানুহক উদ্বুদ্ধ কৰিছে। আৰু সেই ধাৰাটোকে একাংশ কাকতে প্ৰতিনিধিত্ব কৰিছে, কেতবোৰ ৰাজনৈতিক শক্তিয়ে তেওঁলোকৰ কামকাজত জনগণৰ ইচ্ছাকেই প্ৰতিফলিত কৰিছে। শাসক আজি সেয়ে আতংকিত হৈ পৰিছে। পৰিবৰ্তনমুখী ধাৰাটো যাতে আগনাবাঢ়ে তাৰ বাবে বাক্-স্বাধীনতাৰ ওপৰত আক্ৰমণ তীব্ৰ কৰি তুলিছে। শাসকৰ কথা মতে চলা; অন্য চিন্তা-ভাৱনা একো নকৰিবা !

আমি আকৌ কৈছো যে পৰিস্থিতি সলনি হৈছে। বাক্-স্বাধীনতা ৰক্ষাৰ বাবে আজি অসমৰ সকলো ৰাজনৈতিক দল, অজস্ৰ গণতান্ত্ৰিক সংগঠন, ছাত্ৰ-যুৱকসকল প্ৰতিবাদত মুখৰ হৈ পৰিছে। সকলোৱে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰিয়েই ঐক্যবদ্ধ আন্দোলনৰ সূচনা কৰিছে। পুলিচী অত্যাচাৰ মূৰ পাতি লৈছে। আৰু সেয়ে চৰকাৰে ভয় খাইছে। আতংকিত হৈয়ে লাঠী ব্যৱহাৰ কৰিছে। আনহাতেদি চৰকাৰখনে সদায় গাই ফুৰিছে যে অসমত শান্তি বিৰাজ কৰিছে, সকলো সমস্যাৰে সমাধান হৈছে। মুখ্যমন্ত্ৰীৰ মতে আলফা শেষ, বড়ো সমস্যা শেষ, কাৰ্বি সমস্যা শেষ, আৰ্থিক দিশতো ৰাজ্যখনৰ কোনো সংকট নাই ইত্যাদি। তেনেহ'লে সামান্য সমদল এটাক ৰাজপথলৈ ওলাবলৈ দিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ভয় কৰিছে কিয় ? আচল ভয় তেওঁৰ ক'ত ? আচলতে তেওঁ ৰাইজক মূৰ্খ বুলি ভাবিছিল। একাংশ কাকত আৰু বুদ্ধিজীৱীৰ সমৰ্থনতে জীয়াই থাকিব পাৰিম বুলি ভাবি লৈ এতিয়া বিপাঙত পৰিছে। কাৰণ সংখ্যাগৰিষ্ঠ ৰাইজে তেওঁক নাকচ কৰিছে।

বাক্-স্বাধীনতা ৰাইজে জন্মসূত্ৰে লাভ কৰা এক অধিকাৰ। যিকোনো মূল্যৰে আমি আমাৰ এই অধিকাৰ ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। চৰকাৰে আজি দুৰ্নীতিৰ পোহাৰ মেলিছে, মিছা কথাৰে শাসন চলাইছে, ক'লা আইন আৰু সামৰিক বাহিনীৰ সহায়ত গাদী ৰক্ষা কৰিছে, অপসংস্কৃতিৰ পৃষ্ঠপোষকতা কৰিছে আৰু বিচাৰিছে ৰাইজে এইবোৰ নিৰ্বিবাদে মানি লওক, লুটপাত চলাই যাবলৈ অনুমতি দিয়ক। কিন্তু শাসকৰ এই ইচ্ছাৰ বিপৰীতে আজি অসমত এক সবল প্ৰতিবাদৰ সূচনা হৈছে। সুস্থ আৰু সভ্য জাতি এটাৰ বাবে ই শুভলক্ষণ। কোনো কোনোৱে কৈছে মুখ্যমন্ত্ৰীয়ে দুখ প্ৰকাশ কৰা উচিত, ক্ষমা খোজা উচিত। এজন ফেচিষ্টৰ পৰা তেনে আশা কৰা মূৰ্খামি। ইমানৰ পিচতো শইকীয়াই বৰং কৈছেহে যে বেছি কৰিলে সকলোকে টাডা লগোৱা হ'ব ! গতিকে তেওঁ তেওঁৰ চৰিত্ৰ উদঙাই দিছে। আশা কৰিবলৈ আৰু কি আছে ? পুলিচ আৰু দুৰ্নীতিপৰায়ণ বিষয়াই তেওঁৰ জীৱনত একমাত্ৰ ভৰসা।

আকৌ বাক্-স্বাধীনতাৰ কথালৈ ঘূৰি আহিছো। বড়োগোষ্ঠীৰ জনগণে বহু আশা-আকাংক্ষা লৈ আন্দোলনত অৱতীৰ্ণ হৈছিল। কিন্তু সেই আন্দোলনক পুলিচ-মিলিটেৰীৰে ধ্বংস কৰাৰ ষড়যন্ত্ৰ চলিল। আজি কিন্তু চৰকাৰে বড়ো নেতৃত্বৰ সতে এখন চুক্তি স্বাক্ষৰ কৰিলে আৰু তাৰ জৰিয়তে মানি ল'লে যে আন্দোলনটো গণতান্ত্ৰিক আৰু বৈধ আছিল। তেনেহ'লে ইমান ৰাষ্ট্ৰসন্ত্ৰাস কিয় ? এই প্ৰসঙ্গতে দুটামান কথা উল্লেখ কৰিব খুজিছো। আনন্দ-উৎসৱৰ মাজত বড়ো নেতৃত্বই যেন পাহৰি নাযায়– দোষীয়ে উপযুক্ত শাস্তি পাব লাগিব ! সেয়ে ৰাষ্ট্ৰসন্ত্ৰাসৰ এক উচিত তদন্ত হ'ব বুলি আমি আশা কৰিছো আৰু সেইমতে নিৰীহ ৰাইজৰ বিৰুদ্ধে অত্যাচাৰ চলোৱাসকলে শাস্তি পাব বুলি ভাবিছো। আমি ভাবিছো যে বড়োগোষ্ঠী জনগণৰ আন্দোলনৰ এটা অধ্যায়ৰ সামৰণি পৰিছে। স্বায়ত্তশাসিত পৰিষদে নিপীড়িত বড়ো ৰাইজৰ মৌলিক সমস্যা সমাধান কৰিব বুলি স্বাভাৱিকতে আশাৰ সঞ্চাৰ হ'ব। কিন্তু দেশৰ বৰ্তমান যি অৰ্থনৈতিক অৱস্থা তাৰ পৰিপ্ৰেক্ষিতত স্বায়ত্তশাসিত ব্যৱস্থাই বড়ো ৰাইজক কি দিব পাৰিব গভীৰভাবে চিন্তা কৰিব লাগিব। দিছপুৰো এক স্বায়ত্তশাসিত ব্যৱস্থা। কিন্তু নিপীড়িত ৰাইজৰ মৌলিক সমস্যা আজিও সমস্যা হৈয়ে আছে। বড়ো নেতৃত্বই চুক্তি স্বাক্ষৰ কৰাৰ পিচত ক্ষমতাত বহি নিশ্চয় অভিজ্ঞতা অৰ্জন কৰিব আৰু তাৰ ভিত্তিতে নিপীড়িত বড়ো ৰাইজৰ মৌলিক সমস্যাৰ বিষয়টো চিন্তা কৰিব বুলি আমি আশা ৰাখিছো। আমি আশা কৰিম যে বড়োগোষ্ঠীৰ জনগণে নতুন পৰিস্থিতিত গণতন্ত্ৰ, বাক্-স্বাধীনতা সম্পূৰ্ণৰূপে উপভোগ কৰিবলৈ পাব। গৃহভূমিত নিজৰ অধিকাৰ বিচৰাৰ সুযোগ নিশ্চয় হেৰুৱাব নালাগিব।





OKDISCO

## প্ৰেমৰ দুৰ্গতি

বিচিত্ৰ ভাৰতবৰ্ষত বিচিত্ৰ ঘটনা কিছুমান ঘটি থাকে। অলপতে 'কো-এড' কলেজত এনেধৰণৰ বিচিত্ৰ ঘটনা এটা ঘটে। এই কলেজৰ ছাত্ৰ-ছাত্ৰী এহালে হেনো কলেজলৈ আহি এদিনো শ্ৰেণীত নবহে। অনবৰত প্ৰেম-পীৰিতি কৰি থাকে। কলেজ কৰ্তৃপক্ষই ল'ৰা-ছোৱালীহালৰ এই কামটো বৰ ভাল নাপালে। তেওঁলোক দুয়োটাৰে মাক-দেউতাকক কলেজলৈ মাতি আনি কথাষাৰ ক'লে। সিমানতো সিহঁতহালৰ পৰিবৰ্তন নহ'ল। তাৰপিচত উপায় নাপাই কলেজ কৰ্তৃপক্ষই দুয়োটাকে কলেজৰ পৰা বহিষ্কাৰ কৰি দিয়ে। ফল কিন্তু বিপৰীত হ'ল। সকলো ছাত্ৰ-ছাত্ৰী, ল'ৰা-ছোৱালীহালৰ পক্ষত থিয় দিলে। তেওঁলোকে ছাত্ৰ-ছাত্ৰী দুগৰাকীক বৰ্খাস্ত কৰা কাৰ্যক প্ৰতিবাদ কৰিলে আৰু ছাত্ৰ-ছাত্ৰী দুজনক কলেজলৈ আহিবলৈ নিদিয়া পৰ্যন্ত অনিৰ্দিষ্ট কাললৈকে কলেজ বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। সেই অনুযায়ী বৰ্তমানলৈ কলেজ বন্ধ হৈ আছে বুলি জানিব পৰা গৈছে।



## কন্যা সন্তান

মেদিনীপুৰৰ দেৱব্ৰত মিৰ্দ্ধা এজন দুখীয়া মানুহ। কোনোমতে পেটে-ভাতে খাই আছে। বেচেৰাই এটা পুত্ৰ সন্তানৰ বৰ আশা কৰিছিল। কিন্তু দুৰ্ভাগ্য, তেওঁৰ মানুহজনীয়ে ছোৱালী এজনীহে জন্ম দিলে। ঘটনাটোত তেওঁ বৰ মৰ্মাহত হ'ল। কাৰণ ছোৱালী এজনী ডাঙৰ-দীঘল কৰি বিয়া দিব পৰাকৈ তেওঁৰ সা-সম্পত্তি নাই। অন্ধকাৰ ভৱিষ্যতৰ কথা ভাবি তেওঁ পাঁচমহীয়া ছোৱালীজনীক হত্যা কৰি ধাননি পথাৰত পুতি থ'লে। গাঁৱৰ মানুহে কথাটো গম পাই পুলিচক খবৰ দিয়ে। পুলিচে আহি মিৰ্দ্ধা আৰু তেওঁৰ পত্নী দুয়োগৰাকীকে গ্ৰেপ্তাৰ কৰে।




## পিতৃ!

দুৰ্ঘটনাবোৰ আকস্মিক-ভাবেই ঘটে। জামছেদপুৰৰ এটা ঘটনা। শত্ৰুঘ্ন সিন্‌হা নামৰ মানুহ এজনে যোৱা ২২ তাৰিখে খুব বেছিকৈ মদ খায়। মদৰ নিচাত তেওঁ সেইদিনা সুস্থ অৱস্থাত নাছিল। এনেতে ঘৰত পুতেকে হুলস্থুল কৰে। মদৰ ৰাগীত থকা দেউতাকে সহ্য কৰিব নোৱাৰি লাঠী এডালেৰে পুতেকক খুব মৰিয়ায়। অৱশেষত মাৰৰ কোবত ল'ৰাজন মৰি থাকে। মদৰ নিচা এৰাৰ পিচত মানুহজন এতিয়া পুত্ৰশোকত পগলা হৈ গৈছে। অৱশ্যে পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰিছে।

## ৩৬ দিন

হোজাই বিষ্ণুপল্লীৰ সবুজৰঞ্জন দাসে অসম সচিবালয়ৰ নিম্ন সহায়কৰ পদ এটাৰ বাবে আবেদন কৰিছিল। সেইমৰ্মে তেওঁৰ সাক্ষাৎকাৰৰ দিন আছিল যোৱা ২৩ জানুৱাৰীত। বেচেৰা সবুজৰঞ্জনে কিন্তু সাক্ষাৎকাৰলৈ আহিব নোৱাৰিলে। কাৰণ তেওঁক সাক্ষাৎকাৰলৈ মতা পত্ৰখন তেওঁ ২৫ জানুৱাৰীতহে পায়। অথচ হোজাইৰ পৰা দিছপুৰৰ দূৰত্ব মাত্ৰ ১৩৬ কিলোমিটাৰ। ১৩৬ কিলোমিটাৰ দূৰত্বৰ চিঠি এখন গৈ পাবলৈ সময় লয় ৩৬ দিন। এতিয়া এই নিবনুৱা যুৱকজনৰ কি দশা হ'ব সেই লৈ তেওঁ চিন্তাত পৰিছে।








# সংবাদপত্ৰৰ ঐতিহাসিক ভূমিকা

ড° অপূৰ্ব কুমাৰ বৰুৱা

আধুনিক বিশ্বৰ ৰাজনৈতিক, বৌদ্ধিক আৰু সামাজিক প্ৰক্ৰিয়াত যে সংবাদপত্ৰসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। আজিৰ বিশ্বৰ প্ৰায় সকলো উল্লেখযোগ্য সংগঠনেই নিজাববীয়াকৈ অন্ততঃ একোখন সংবাদপত্ৰ বা আলোচনী প্ৰকাশ কৰাৰ চেষ্টায়েই এই মাধ্যমটোৰ গুৰুত্ব সাব্যস্ত কৰে। আক্ষৰিক শিক্ষাৰ প্ৰসাৰৰ ফলত আৰু ১৫ শতিকাত ছপাশালৰ আৱিষ্কাৰৰ পিচৰে পৰা ছপা আখৰে মানুহৰ মানসিক জগতত প্ৰচণ্ড প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিলে। শিক্ষিত মানুহৰ ধ্যান-ধাৰণা, বিশেষকৈ সমসাময়িক ঘটনাৱলী সম্পৰ্কত তেওঁলোকৰ অভিমত গঠনত এক অনিবাৰ্য ভূমিকা পালন কৰিবলৈ ল'লে সংবাদপত্ৰই। কাৰণ সংবাদেই হৈছে জ্ঞানৰ আধাৰ। সংবাদ হৈছে তথ্য। আৰু তথ্যৰ বিশ্লেষণৰ পৰাহে জ্ঞান বা বোধৰ উদয় হয়। তথ্যৰ অবিহনে, খবৰৰ অবিহনে, বিশ্লেষণ অসম্ভৱ আৰু বিশ্লেষণ ব্যতিতে জ্ঞান অনুপস্থিত। অৱশ্যে আধুনিক সংবাদপত্ৰসমূহে তথ্যৰ লগতে ভাব আৰু চিন্তাও প্ৰকাশ কৰিবলৈ লোৱাৰ ফলত সংবাদপত্ৰ কেৱল জ্ঞান সৃষ্টিকাৰী তথ্যৰ বাহক হৈ নাথাকি জ্ঞানৰ বাহকতো পৰিণত হৈছে।

সংবাদপত্ৰৰ ঐতিহাসিক ভূমিকা আলোচনা কৰিবলৈ যাওঁতে সংবাদপত্ৰৰ ইতিহাসক আওকাণ কৰিব নোৱাৰি। চীন দেশত খ্ৰীষ্টীয় সপ্তম আৰু অষ্টম শতিকাতে কাঠৰ শালত ছপা হোৱা খবৰ কাগজ প্ৰকাশিত হৈছিল। এনে সংবাদপত্ৰৰ প্ৰচলন সংখ্যা আছিল তাকৰ। পাচে ১৫ শতিকাত ধাতুৰে তৈয়াৰী আখৰ সম্বলিত ছপাশাল আৱিষ্কাৰ হোৱাৰ লগে লগে সংবাদপত্ৰৰ বিকাশৰ পথ সূচল হৈ পৰিল। আধুনিক বহুল প্ৰচলিত সংবাদপত্ৰসমূহৰ লেখিয়া প্ৰথম খবৰ কাগজ প্ৰকাশিত হৈছিল উত্তৰ জাৰ্মেনীত। ১৬০৯ চনত। নাম আছিল কৰেণ্টজ (Corantos)। এই কাগজখনত আন দেশত ঘটা ঘটনাৱলী প্ৰকাশ হৈছিল। সংবাদপত্ৰৰ প্ৰকাশ আৰম্ভ হোৱা সত্ত্বেও সেই সময়ৰ বিশ্বত 'সংবাদ' বা এনে অৰ্থবাহক শব্দ এটাৰ সৃষ্টি হোৱা নাছিল। ইংৰাজী News শব্দটোও ১৭ শতিকাৰ শেহলৈহে গঢ় লৈ উঠিছিল। কৰেণ্টজ প্ৰকাশ হোৱাৰ দুটা দশকৰ ভিতৰতে ফ্ৰেংফুৰ্ট, বাৰ্লিন, হেমবুৰ্গ, ভিয়েনা, এমষ্টাৰদাম আদি ঠাইত সংবাদপত্ৰ প্ৰকাশ হ'বলৈ লয়। লণ্ডনত ১৬২১ চনত, পেৰিচত ১৬৩১ চনত। ১৭ শতিকাৰ ইংলণ্ডত বাতৰিকাকতৰ ওপৰত নানাধৰণৰ বাধানিষেধ আছিল। ৰজা চাৰ্লছৰ প্ৰশাসনে কঠোৰভাৱে সংবাদ নিয়ন্ত্ৰণ কৰিছিল। ক্ৰমওৱেলৰ দিনতো এই নিয়ন্ত্ৰণ অব্যাহত আছিল। কিন্তু ১৬৫০ চনৰ পৰা এনে নিয়ন্ত্ৰণ ক্ৰমে শিথিল হৈ পৰিবলৈ ধৰে। ইংলণ্ডত প্ৰথমখন দৈনিক কাগজ প্ৰকাশ হৈছিল ১৭০২ চনত। নাম আছিল Daily Courent।

আমেৰিকাত ১৮ শতিকাৰ মধ্যভাগতহে খবৰ কাগজৰ প্ৰকাশ আৰম্ভ হয়। অৱশ্যে ১৭৭৫ চনলৈ কাগজৰ সংখ্যা বাঢ়ি ৪৮খন হয়গৈ। ১৮৩০ চনমানলৈকে এই কাগজসমূহে ব্যৱসায় সংক্ৰান্ত আৰু ৰাজনৈতিক খবৰ-বাতৰি প্ৰকাশ কৰিছিল। ১৮৩৩ চনত বেঞ্জামিন হেনৰী ডেই 'নিউইয়ৰ্ক চান' নামৰ কাকত প্ৰকাশ কৰি বাতৰিৰ সংজ্ঞাক বিস্তৃত কৰি অপৰাধ, হিংসা, আমোদ-প্ৰমোদৰ খবৰ আৰু লগতে গল্প আদিও প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। একে সময়তে প্ৰায়বোৰ পশ্চিমীয়া দেশ আৰু পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰ ঘটা প্ৰাচ্যৰ দেশসমূহতো এই নতুন আৰ্হিৰ সংবাদপত্ৰৰ প্ৰকাশ আৰম্ভ হয়। সংবাদ সেৱা এক প্ৰফেশ্যনত পৰিণত হ'ল। বৃদ্ধি পালে সংবাদপত্ৰৰ জনপ্ৰিয়তা। এই বহুল প্ৰচাৰ আৰু জনপ্ৰিয়তাৰ ফলতে সংবাদপত্ৰসমূহ জনসাধাৰণৰ অভাৱ-অভিযোগ প্ৰকাশৰ মাধ্যম হৈ পৰিল। বিশ্বত গণতন্ত্ৰৰ প্ৰসাৰৰ লগে লগে সাধাৰণ মানুহৰ মতামত আৰু ৰাজনৈতিক শক্তিসমূহৰ বাবে এনে মতামতৰ



OKDISC

মূল্য বৃদ্ধি পালে প্ৰচুৰ। সংবাদ আৰু মত প্ৰকাশৰ মাধ্যম হিচাপে সংবাদপত্ৰসমূহ হৈ পৰিল জনমত গঠনৰ এক মহান মাধ্যম। সংবাদ আৰু মতৰ প্ৰচাৰৰ জৰিয়তে সংবাদপত্ৰসমূহে ৰাজনীতিত এনে এক ক্ষমতাৰ অধিকাৰী হ'ল যে সময়ে সময়ে ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ মাধ্যমে হৈ পৰিবলৈ ল'লে। কেতিয়াবা সংবাদপত্ৰত প্ৰকাশিত খা-খবৰে সংস্কাৰৰ জোৱাৰ আনিছে। কেতিয়াবা কোনো চৰকাৰক গাদীচ্যুত কৰিছে। আনকি কেতিয়াবা বিপ্লৱী সামাজিক পৰিবৰ্তনৰ অস্ত্ৰত পৰিণত হৈছে একোখন সংবাদপত্ৰ।

১৯ শতিকাৰ পৰা স্বাধীন বা স্বতন্ত্ৰীয়া সংবাদপত্ৰসমূহ এনে এক ভাব প্ৰকাশৰ মাধ্যমত পৰিণত হৈছে যাৰ যোগেদি ৰাজনৈতিক আৰু সামাজিক ভাব আৰু চিন্তা প্ৰসাৰিত হ'বলৈ ধৰিলে। জনগণৰ চেতনাক প্ৰভাৱিত কৰিব পৰা বাবে আৰু ৰাজহুৱা জীৱনত সক্ৰিয় লোকসকলৰ একোটা ভাৱমূৰ্তি জনগণৰ মাজত গঢ় দিব পৰা বাবে সংবাদপত্ৰ হৈ পৰিল এক ৰাজনৈতিকভাৱে ক্ষমতাশালী অস্ত্ৰ। সংবাদ, বিজ্ঞাপন আৰু ৰসৰ সমন্বয়েৰে পুষ্ট সংবাদপত্ৰই শিক্ষিত মানুহৰ মূল্যবোধ আৰু সেইবাবে সমাজৰ মূল্যবোধ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইংলণ্ড আৰু আমেৰিকাৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত এই সংব দপত্ৰসমূহে পালন কৰা ঐতিহাসিক ভূমিকা সুধী সমাজত সুবিদিত। বৃটেইনৰ Pall Mall Gazzette নামৰ কাকতত W. T. Steadএ নাৰীদেহৰ ব্যৱসায়ৰ ওপৰত প্ৰকাশ কৰা এলানি প্ৰতিবেদন পিচলৈ The Maiden Tribute to Modern Babylon নামেৰে প্ৰকাশিত হৈছিল। এই প্ৰতিবেদনসমূহত তেওঁ দেখুৱাইছিল কিদৰে লণ্ডনত যুৱতী বিক্ৰীৰ ব্যৱসায় চলিছিল। তেওঁৰ অভিযোগ প্ৰমাণ কৰিবলৈ গৈ Steadএ নিজেই এগৰাকী যুৱতী কিনি আনিছিল। ফলত যুৱতী ক্ৰয়ৰ দায়ত জেললৈ গৈছিল Stead। কিন্তু এই সত্যসন্ধানী সাংবাদিকজনৰ এইখন যুদ্ধৰ ফলতে ১৮৮৫ চনত ইংলণ্ডৰ অপৰাধ আইন সংশোধিত হৈছিল। ফ্ৰান্সত Emile Zolaই উন্মোচন কৰা Dreyfus affair ৰাজনৈতিক জগতত তোলপাৰ লগাইছিল। J'accuseত জোলাই সেই সময়ৰ ফৰাচী ৰাজনৈতিক বাস্তৱ কদাকাৰ ৰূপ এনেদৰে উদঙাই দিছিল যে সি সমগ্ৰ দেশতে এক জাতীয় বিতৰ্কৰ সৃষ্টি কৰিছিল। জোলাক অপপ্ৰচাৰৰ দোষত দোষী সাব্যস্ত কৰা হৈছিল আৰু তেওঁ দেশত্যাগী হ'ব লগা হৈছিল।

১৯ শতিকাৰ আমেৰিকাত Hearst, Pulitzer আৰু Ida Tarbel আদি সাংবাদিকসকলে দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। উদঙাই দিছিল সুযোগসন্ধানী দুৰ্নীতিপৰায়ণ ৰাজনীতিবিদ আৰু বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ দায়িত্বহীন আৰু সমাজবিৰোধী ৰূপ। Ida Tarbellএ Standard Oil Company শীৰ্ষক একচেটিয়া পুঁজিৰ কুকৰ্মৰ বিষয়ে সুদীৰ্ঘ প্ৰতিবেদন প্ৰকাশ কৰিছিল। Sin Clair-এ মাংসৰ পেকেট প্ৰস্তুত কৰা কোম্পানীৰ দুষ্কৃতিৰ বিষয়ে প্ৰকাশ কৰা প্ৰতিবেদন ১৯০৫ চনত Jungle নামৰ কিতাপ হৈ প্ৰকাশ পাইছিল। এনে সংবাদ সেৱাৰ ফলতে আমেৰিকাত Anti Trust Legislation আৰু Pure food laws আদি আইন-কানুনৰ সৃষ্টি হৈছিল। এই সাংবাদিকতা ইমানেই প্ৰভাৱশালী আছিল যে যুক্তৰাষ্ট্ৰৰ ইতিহাসত এই লেদেনা ওকটা সাংবাদিক বা Muck Raker সকলৰ ভূমিকাক গুৰুত্ব সহকাৰে সন্নিবিষ্ট কৰিব লগা হৈছিল। Muck Raking-ৰ ফলতে ছিনেটলৈ জনপ্ৰিয় নিৰ্বাচনো অনুষ্ঠিত কৰিব লগা হৈছিল। ১৮৪১ চনত প্ৰকাশিত New Tribune কাকতে শ্ৰমিক আৰু নাৰীৰ অধিকাৰৰ সপক্ষে মাত মতাৰ লগতে দাস প্ৰথাৰ বিৰুদ্ধে যুঁজিছিল। আধুনিক কালৰ আমেৰিকাত সংবাদপত্ৰই ৰাজনীতিত অনা আটাইতকৈ উল্লেখ-যোগ্য পৰিবৰ্তন আছিল ৱাটাৰগেট কেলেংকাৰীৰ লগত জড়িত। এই কুখ্যাত ৰাজনৈতিক অপকৰ্ম বাতৰিকাকতত প্ৰকাশ হোৱাৰ ফলতে প্ৰেছিডেন্ট নিক্সনে পদত্যাগ কৰিব লগা হৈছিল।

এনেধৰণৰ সমাজ পৰিবৰ্তনকাৰী সংস্কাৰৰ মাধ্যম হৈ পৰাৰ উপৰিও সংবাদপত্ৰই বিপ্লৱী ৰাজনীতিতো গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়। তাহানি বিপ্লৱপূৰ্ব ৰুছিয়াত ISKRA-ৰ জৰিয়তে লেনিনে দ্বিধাবিভক্ত ৰুছ বুদ্ধিজীৱীসকলক একত্ৰিত কৰিব পাৰিছিল কমিউনিষ্ট দলৰ অধীনত। ভাৰততো তিলক, গান্ধী আদি নেতাসকলে সংবাদপত্ৰৰ মাধ্যমেৰে বৃটিছবিৰোধী স্বাধীনতাপ্ৰেমী চিন্তাধাৰাৰ প্ৰচাৰ চলাইছিল। বিশ্বৰ ইতিহাসত সংবাদপত্ৰৰ ভূমিকালৈ মন কৰিলে দেখা যায় যে সংবাদ আৰু অভিমতৰ ব্যাপক প্ৰচাৰৰ জৰিয়তে গণচেতনা জাগ্ৰত কৰাৰ ই এক সাৰ্থক মাধ্যমৰূপে কাম কৰি আহিছে। এনে এক জাগ্ৰত চেতনাৰে উদ্বুদ্ধ জনগণ পৰিবৰ্তনকামী ৰাজনৈতিক কৰ্মৰ বাবে প্ৰস্তুত হৈ পৰে, অন্যায়-অত্যাচাৰ, দমন-পীড়নৰ বিৰুদ্ধে ব্যৱস্থা ল'বৰ বাবে তৎপৰ হৈ পৰে। এনে অৱস্থাত এক উত্তপ্ত ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হয়। সংবাদপত্ৰৰ এনে ৰাজনীতি অৱশ্যেই বৌদ্ধিক ক্ষেত্ৰত সীমিত থাকে। সৰহভাগ স্বাধীন সংবাদপত্ৰৰে নিজা ৰাজনৈতিক সংগঠন নাথাকে। গতিকে সংবাদপত্ৰসমূহে বৌদ্ধিক জগতত আলোড়নৰ সৃষ্টি কৰি ৰাজনৈতিক পৰিবৰ্তনৰ বাবে সুযোগৰ সৃষ্টি কৰিব পাৰে। কিন্তু এনে সুযোগক সাংগঠনিক সক্ৰিয়তাৰে প্ৰকৃত ৰাজনৈতিক পৰিবৰ্তনৰ ৰূপ দিয়াৰ কাম পৰিবৰ্তনকামী ৰাজনৈতিক সংগঠনৰহে। 'ইস্ক্ৰা'ই সৃষ্টি কৰি দিয়া বৌদ্ধিক আৱহাৱাক লেনিনে বাস্তৱিক ৰাজনীতিৰ ৰূপ দিব পাৰিছিল কমিউনিষ্ট পাৰ্টিৰ সংগঠনৰ জৰিয়তেহে। বা আমেৰিকাতো Muck Rakerসকলে সৃষ্টি কৰা দুৰ্নীতিবিৰোধী আৱহাৱাক বাস্তৱিক ৰাজনৈতিক কৰ্মলৈ পৰিবৰ্তিত কৰিছিল সংস্কাৰবাদী আন্দোলনেহে। ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰকৃত ৰাজনৈতিক বা সামাজিক পৰিবৰ্তন অনাত সংবাদপত্ৰসমূহ সফল নহ'ব। সংবাদপত্ৰই যিহেতু শিক্ষিত মানুহৰ চিন্তাধাৰাক প্ৰভাৱিত কৰিব পাৰে সেইবাবে সি সমগ্ৰ সমাজখনৰে ধ্যান-ধাৰণাক প্ৰভাৱিত কৰিব পাৰে। কাৰণ আধুনিক বিশ্বত শিক্ষিত জনসমষ্টিয়ে নিজ নিজ সমাজত এক আধিপত্যশালী ভূমিকা পালন কৰে। এনে আধিপত্যৰ বলতে বৃহৎ সমাজখনৰ ধ্যান-ধাৰণাও শিক্ষিত সমাজৰ প্ৰধান ধাৰণাসমূহৰ দ্বাৰা প্ৰভাৱিত হয়। এই দিশৰ পৰা চালে সংবাদপত্ৰসমূহক গুৰুত্বপূৰ্ণ ৰাজনৈতিক হাতিয়াৰ বুলিব পাৰি।

সংবাদপত্ৰই যে সদায় সুস্থ ৰাজনীতি আৰু সমাজনীতিৰ প্ৰচাৰ কৰে এনে নহয়। ইতিহাসত কেৱল সাময়িক উত্তেজনা সৃষ্টি কৰা চাঞ্চল্যকাৰী সংবাদ সেৱাৰ বাহন হৈ পৰা সংবাদপত্ৰৰ নজীৰ অলেখ। ভুৱা খবৰেৰে দৃষ্টি আকৰ্ষণ কৰাৰ উদাহৰণো কম নহয়। তদুপৰি স্থিতাৱস্থা, দুৰ্নীতি আৰু অন্যায়ৰ সপক্ষে থিয় দিয়া সংবাদপত্ৰৰ সংখ্যাও তাকৰ নহয়। একোখন সংবাদপত্ৰৰ ৰাজনৈতিক স্থিতি ঘাইকৈ নিৰ্ভৰ কৰে ইয়াৰ পৰিচালকমণ্ডলীৰ স্বাৰ্থ আৰু আদৰ্শৰ ওপৰত। স্থিতাৱস্থাপন্থী, দুৰ্নীতিপৰায়ণ পৰিচালকে তেওঁৰ সংবাদপত্ৰক অসৎ উদ্দেশ্যত প্ৰয়োগ কৰিবই। কিন্তু সংবাদপত্ৰৰ প্ৰকাশ যিহেতু সংবাদসেৱীসকলৰ ওপৰত ভালেখিনি নিৰ্ভৰশীল সেইবাবে সংবাদ সেৱাৰ জগতত প্ৰাধান্য লাভ কৰা ৰাজনৈতিক আৰু সামাজিক আদৰ্শৰ দ্বাৰা সংবাদপত্ৰৰ আদৰ্শ ভালেখিনি প্ৰভাৱিত হয়। সংবাদসেৱীসকলৰ ধ্যান-ধাৰণা আকৌ সামাজিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল হয়। সেইবাবে একোটা ৰাজনৈতিক বাস্তৱৰ আৰ্থ-সামাজিক ভেটিৰ ওপৰতে নিৰ্ভৰ কৰিব সেই বাস্তৱৰ সংবাদপত্ৰসমূহৰ বিভিন্ন ভূমিকা।

আমাৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিত সংবাদপত্ৰসমূহে এক সুদূৰপ্ৰসাৰী ভূমিকা পালন কৰিব পাৰে। আজি যিকোনো সংবাদপত্ৰই হয় জনতাৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰি পৰিবৰ্তনকামী, প্ৰতিবাদী ৰাজনীতিৰ অংশ হৈ পৰিব, ন্যায় আৰু সত্যৰ হকে, গণতন্ত্ৰৰ হকে মাত মাতিব, নহয় অসত্য, অনাচাৰৰ পক্ষ লৈ স্থিতাৱস্থাৰ অংশ হৈ পৰিব। নিৰ্লিপ্ততা, নিৰপেক্ষতাৰ মুখা পিন্ধা সংবাদপত্ৰসমূহে অৱশ্যে বৰ্তমানৰ অন্যায় ব্যৱস্থাটোক টিকি থকাৰ সুবিধা দি দুৰ্নীতিপৰায়ণ আৰু অগণতান্ত্ৰিক শক্তিসমূহৰ হাতিয়াৰ হৈয়ে থাকিব। আজিৰ সংবাদসেৱীসকল সেইবাবে কেৱল কৰ্মচাৰী নহয়। সংবাদসেৱা কেৱল এক বৃত্তি নহয়। ই এক ৰাজনীতি। জাতিৰ, সমাজৰ, দেশৰ ভৱিষ্যত নিৰ্দ্ধাৰক এক কৰ্মপন্থা। সংবাদপত্ৰ আৰু সংবাদসেৱীৰ ঐতিহাসিক গুৰুত্ব আজি অসীম। ❑




বাক্-স্বাধীনতা খৰ্ব কৰাৰ প্ৰতিবাদত সমূহীয়া মুণ্ডন : দীপাংকৰ দেৱশৰ্মা, সঞ্জীৱ থাপা আৰু আস্মা চৌধুৰী



আলোকচিত্ৰ সন্দীপন পাঠক

সাংবাদিক গ্ৰেপ্তাৰৰ প্ৰতিবাদ আৰু ক'লা আইন প্ৰত্যাহাৰৰ দাবীত বুদ্ধিজীৱী-সাহিত্যিক-সাংবাদিক-ছাত্ৰ-শিক্ষক-শিল্পীৰ শোভাযাত্ৰাত আৰক্ষীৰ বাধা প্ৰদান

মূল্য বৃদ্ধি পালে প্ৰচুৰ। সংবাদ আৰু মত প্ৰকাশৰ মাধ্যম হিচাপে সংবাদপত্ৰসমূহ হৈ পৰিল জনমত গঠনৰ এক মহান মাধ্যম। সংবাদ আৰু মতৰ প্ৰচাৰৰ জৰিয়তে সংবাদপত্ৰসমূহে ৰাজনীতিত এনে এক ক্ষমতাৰ অধিকাৰী হ'ল যে সময়ে সময়ে ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ মাধ্যমে হৈ পৰিবলৈ ল'লে। কেতিয়াবা সংবাদপত্ৰত প্ৰকাশিত খা-খবৰে সংস্কাৰৰ জোৱাৰ আনিছে। কেতিয়াবা কোনো চৰকাৰক গাদীচ্যুত কৰিছে। আনকি কেতিয়াবা বিপ্লৱী সামাজিক পৰিবৰ্তনৰ অস্ত্ৰত পৰিণত হৈছে একোখন সংবাদপত্ৰ।

১৯ শতিকাৰ পৰা স্বাধীন বা স্বতন্ত্ৰীয়া সংবাদপত্ৰসমূহ এনে এক ভাব প্ৰকাশৰ মাধ্যমত পৰিণত হৈছে যাৰ যোগেদি ৰাজনৈতিক আৰু সামাজিক ভাব আৰু চিন্তা প্ৰসাৰিত হ'বলৈ ধৰিলে। জনগণৰ চেতনাক প্ৰভাৱিত কৰিব পৰা বাবে আৰু ৰাজহুৱা জীৱনত সক্ৰিয় লোকসকলৰ একোটা ভাৱমূৰ্তি জনগণৰ মাজত গঢ় দিব পৰা বাবে সংবাদপত্ৰ হৈ পৰিল এক ৰাজনৈতিকভাৱে ক্ষমতাশালী অস্ত্ৰ। সংবাদ, বিজ্ঞাপন আৰু ৰসৰ সমন্বয়েৰে পুষ্ট সংবাদপত্ৰই শিক্ষিত মানুহৰ মূল্যবোধ আৰু সেইবাবে সমাজৰ মূল্যবোধ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইংলণ্ড আৰু আমেৰিকাৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত এই সংব দপত্ৰসমূহে পালন কৰা ঐতিহাসিক ভূমিকা সুধী সমাজত সুবিদিত। বৃটেইনৰ Pall Mall Gazzette নামৰ কাকতত W. T. Steadএ নাৰীদেহৰ ব্যৱসায়ৰ ওপৰত প্ৰকাশ কৰা এলানি প্ৰতিবেদন পিচলৈ The Maiden Tribute to Modern Babylon নামেৰে প্ৰকাশিত হৈছিল। এই প্ৰতিবেদনসমূহত তেওঁ দেখুৱাইছিল কিদৰে লণ্ডনত যুৱতী বিক্ৰীৰ ব্যৱসায় চলিছিল। তেওঁৰ অভিযোগ প্ৰমাণ কৰিবলৈ গৈ Steadএ নিজেই এগৰাকী যুৱতী কিনি আনিছিল। ফলত যুৱতী ক্ৰয়ৰ দায়ত জেললৈ গৈছিল Stead। কিন্তু এই সত্যসন্ধানী সাংবাদিকজনৰ এইখন যুদ্ধৰ ফলতে ১৮৮৫ চনত ইংলণ্ডৰ অপৰাধ আইন সংশোধিত হৈছিল। ফ্ৰান্সত Emile Zolaই উন্মোচন কৰা Dreyfus affair ৰাজনৈতিক জগতত তোলপাৰ লগাইছিল। J'accuseত জোলাই সেই সময়ৰ ফৰাচী ৰাজনৈতিক বাস্তৱ কদাকাৰ ৰূপ এনেদৰে উদঙাই দিছিল যে সি সমগ্ৰ দেশতে এক জাতীয় বিতৰ্কৰ সৃষ্টি কৰিছিল। জোলাক অপপ্ৰচাৰৰ দোষত দোষী সাব্যস্ত কৰা হৈছিল আৰু তেওঁ দেশত্যাগী হ'ব লগা হৈছিল।

১৯ শতিকাৰ আমেৰিকাত Hearst, Pulitzer আৰু Ida Tarbel আদি সাংবাদিকসকলে দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। উদঙাই দিছিল সুযোগসন্ধানী দুৰ্নীতিপৰায়ণ ৰাজনীতিবিদ আৰু বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ দায়িত্বহীন আৰু সমাজবিৰোধী ৰূপ। Ida Tarbellএ Standard Oil Company শীৰ্ষক একচেটিয়া পুঁজিৰ কুকৰ্মৰ বিষয়ে সুদীৰ্ঘ প্ৰতিবেদন প্ৰকাশ কৰিছিল। Sin Clair-এ মাংসৰ পেকেট প্ৰস্তুত কৰা কোম্পানীৰ দুষ্কৃতিৰ বিষয়ে প্ৰকাশ কৰা প্ৰতিবেদন ১৯০৫ চনত Jungle নামৰ কিতাপ হৈ প্ৰকাশ পাইছিল। এনে সংবাদ সেৱাৰ ফলতে আমেৰিকাত Anti Trust Legislation আৰু Pure food laws আদি আইন-কানুনৰ সৃষ্টি হৈছিল। এই সাংবাদিকতা ইমানেই প্ৰভাৱশালী আছিল যে যুক্তৰাষ্ট্ৰৰ ইতিহাসত এই লেদেনা ওকটা সাংবাদিক বা Muck Raker সকলৰ ভূমিকাক গুৰুত্ব সহকাৰে সন্নিবিষ্ট কৰিব লগা হৈছিল। Muck Raking-ৰ ফলতে ছিনেটলৈ জনপ্ৰিয় নিৰ্বাচনো অনুষ্ঠিত কৰিব লগা হৈছিল। ১৮৪১ চনত প্ৰকাশিত New Tribune কাকতে শ্ৰমিক আৰু নাৰীৰ অধিকাৰৰ সপক্ষে মাত মতাৰ লগতে দাস প্ৰথাৰ বিৰুদ্ধে যুঁজিছিল। আধুনিক কালৰ আমেৰিকাত সংবাদপত্ৰই ৰাজনীতিত অনা আটাইতকৈ উল্লেখযোগ্য পৰিবৰ্তন আছিল ৱাটাৰগেট কেলেংকাৰীৰ লগত জড়িত। এই কুখ্যাত ৰাজনৈতিক অপকৰ্ম বাতৰিকাকতত প্ৰকাশ হোৱাৰ ফলতে প্ৰেছিডেণ্ট নিক্সনে পদত্যাগ কৰিব লগা হৈছিল।

এনেধৰণৰ সমাজ পৰিবৰ্তনকাৰী সংস্কাৰৰ মাধ্যম হৈ পৰাৰ উপৰিও সংবাদপত্ৰই বিপ্লৱী ৰাজনীতিতো গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়। তাহানি বিপ্লৱপূৰ্ব ৰুছিয়াত ISKRA-ৰ জৰিয়তে লেনিনে দ্বিধাবিভক্ত ৰুছ বুদ্ধিজীৱীসকলক একত্ৰিত কৰিব পাৰিছিল কমিউনিষ্ট দলৰ অধীনত। ভাৰততো তিলক, গান্ধী আদি নেতাসকলে সংবাদপত্ৰৰ মাধ্যমেৰে বৃটিছবিৰোধী স্বাধীনতাপ্ৰেমী চিন্তাধাৰাৰ প্ৰচাৰ চলাইছিল। বিশ্বৰ ইতিহাসত সংবাদপত্ৰৰ ভূমিকালৈ মন কৰিলে দেখা যায় যে সংবাদ আৰু অভিমতৰ ব্যাপক প্ৰচাৰৰ জৰিয়তে গণচেতনা জাগ্ৰত কৰাৰ ই এক সাৰ্থক মাধ্যমৰূপে কাম কৰি আহিছে। এনে এক জাগ্ৰত চেতনাৰে উদ্বুদ্ধ জনগণ পৰিবৰ্তনকামী ৰাজনৈতিক কৰ্মৰ বাবে প্ৰস্তুত হৈ পৰে, অন্যায়-অত্যাচাৰ, দমন-পীড়নৰ বিৰুদ্ধে ব্যৱস্থা ল'বৰ বাবে তৎপৰ হৈ পৰে। এনে অৱস্থাত এক উত্তপ্ত ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হয়। সংবাদপত্ৰৰ এনে ৰাজনীতি অৱশ্যেই বৌদ্ধিক ক্ষেত্ৰত সীমিত থাকে। সৰহভাগ স্বাধীন সংবাদপত্ৰৰে নিজা ৰাজনৈতিক সংগঠন নাথাকে। গতিকে সংবাদপত্ৰসমূহে বৌদ্ধিক জগতত আলোড়নৰ সৃষ্টি কৰি ৰাজনৈতিক পৰিবৰ্তনৰ বাবে সুযোগৰ সৃষ্টি কৰিব পাৰে। কিন্তু এনে সুযোগক সাংগঠনিক সক্ৰিয়তাৰে প্ৰকৃত ৰাজনৈতিক পৰিবৰ্তনৰ ৰূপ দিয়াৰ কাম পৰিবৰ্তনকামী ৰাজনৈতিক সংগঠনৰহে। 'ইস্ক্ৰা'ই সৃষ্টি কৰি দিয়া বৌদ্ধিক আৱহাৱাক লেনিনে বাস্তৱিক ৰাজনীতিৰ ৰূপ দিব পাৰিছিল কমিউনিষ্ট পাৰ্টিৰ সংগঠনৰ জৰিয়তেহে। বা আমেৰিকাতো Muck Rakerসকলে সৃষ্টি কৰা দুৰ্নীতিবিৰোধী আৱহাৱাক বাস্তৱিক ৰাজনৈতিক কৰ্মলৈ পৰিবৰ্তিত কৰিছিল সংস্কাৰবাদী আন্দোলনেহে। ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰকৃত ৰাজনৈতিক বা সামাজিক পৰিবৰ্তন অনাত সংবাদপত্ৰসমূহ সফল নহ'ব। সংবাদপত্ৰই যিহেতু শিক্ষিত মানুহৰ চিন্তাধাৰাক প্ৰভাৱিত কৰিব পাৰে সেইবাবে সি সমগ্ৰ সমাজখনৰে ধ্যান-ধাৰণাক প্ৰভাৱিত কৰিব পাৰে। কাৰণ আধুনিক বিশ্বত শিক্ষিত জনসমষ্টিয়ে নিজ নিজ সমাজত এক আধিপত্যশালী ভূমিকা পালন কৰে। এনে আধিপত্যৰ বলতে বৃহৎ সমাজখনৰ ধ্যান-ধাৰণাও শিক্ষিত সমাজৰ প্ৰধান ধাৰণাসমূহৰ দ্বাৰা প্ৰভাৱিত হয়। এই দিশৰ পৰা চালে সংবাদপত্ৰসমূহক গুৰুত্বপূৰ্ণ ৰাজনৈতিক হাতিয়াৰ বুলিব পাৰি।

সংবাদপত্ৰই যে সদায় সুস্থ ৰাজনীতি আৰু সমাজনীতিৰ প্ৰচাৰ কৰে এনে নহয়। ইতিহাসত কেৱল সাময়িক উত্তেজনা সৃষ্টি কৰা চাঞ্চল্যকাৰী সংবাদ সেৱাৰ বাহন হৈ পৰা সংবাদপত্ৰৰ নজীৰ অলেখ। ভুৱা খবৰেৰে দৃষ্টি আকৰ্ষণ কৰাৰ উদাহৰণো কম নহয়। তদুপৰি স্থিতাৱস্থা, দুৰ্নীতি আৰু অন্যায়ৰ সপক্ষে থিয় দিয়া সংবাদপত্ৰৰ সংখ্যাও তাকৰ নহয়। একোখন সংবাদপত্ৰৰ ৰাজনৈতিক স্থিতি ঘাইকৈ নিৰ্ভৰ কৰে ইয়াৰ পৰিচালকমণ্ডলীৰ স্বাৰ্থ আৰু আদৰ্শৰ ওপৰত। স্থিতাৱস্থাপন্থী, দুৰ্নীতিপৰায়ণ পৰিচালকে তেওঁৰ সংবাদপত্ৰক অসৎ উদ্দেশ্যত প্ৰয়োগ কৰিবই। কিন্তু সংবাদপত্ৰৰ প্ৰকাশ যিহেতু সংবাদসেৱীসকলৰ ওপৰত ভালেখিনি নিৰ্ভৰশীল সেইবাবে সংবাদ সেৱাৰ জগতত প্ৰাধান্য লাভ কৰা ৰাজনৈতিক আৰু সামাজিক আদৰ্শৰ দ্বাৰা সংবাদপত্ৰৰ আদৰ্শ ভালেখিনি প্ৰভাৱিত হয়। সংবাদসেৱীসকলৰ ধ্যান-ধাৰণা আকৌ সামাজিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল হয়। সেইবাবে একোটা ৰাজনৈতিক বাস্তৱৰ আৰ্থ-সামাজিক ভেটিৰ ওপৰতে নিৰ্ভৰ কৰিব সেই বাস্তৱৰ সংবাদপত্ৰসমূহৰ বিভিন্ন ভূমিকা।

আমাৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিত সংবাদপত্ৰসমূহে এক সুদূৰপ্ৰসাৰী ভূমিকা পালন কৰিব পাৰে। আজি যিকোনো সংবাদপত্ৰই হয় জনতাৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰি পৰিবৰ্তনকামী, প্ৰতিবাদী ৰাজনীতিৰ অংশ হৈ পৰিব, ন্যায় আৰু সত্যৰ হকে, গণতন্ত্ৰৰ হকে মাত মাতিব, নহয় অসত্য, অনাচাৰৰ পক্ষ লৈ স্থিতাৱস্থাৰ অংশ হৈ পৰিব। নিৰ্লিপ্ততা, নিৰপেক্ষতাৰ মুখা পিন্ধা সংবাদপত্ৰসমূহে অৱশ্যে বৰ্তমানৰ অন্যায় ব্যৱস্থাটোক টিকি থকাৰ সুবিধা দি দুৰ্নীতিপৰায়ণ আৰু অগণতান্ত্ৰিক শক্তিসমূহৰ হাতিয়াৰ হৈয়ে থাকিব। আজিৰ সংবাদসেৱীসকল সেইবাবে কেৱল কৰ্মচাৰী নহয়। সংবাদসেৱা কেৱল এক বৃত্তি নহয়। ই এক ৰাজনীতি। জাতিৰ, সমাজৰ, দেশৰ ভৱিষ্যত নিৰ্দ্ধাৰক এক কৰ্মপন্থা। সংবাদপত্ৰ আৰু সংবাদসেৱীৰ ঐতিহাসিক গুৰুত্ব আজি অসীম। ❑



বাক্-স্বাধীনতা খৰ্ব কৰাৰ প্ৰতিবাদত সমূহীয়া মুণ্ডন : দীপাংকৰ দেৱশৰ্মা, সঞ্জীৱ থাপা আৰু আত্মা চৌধুৰী



আলোকচিত্ৰ সন্দীপন পাঠক

সাংবাদিক গ্ৰেপ্তাৰৰ প্ৰতিবাদ আৰু ক'লা আইন প্ৰত্যাহাৰৰ দাবীত বুদ্ধিজীৱী-সাহিত্যিক-সাংবাদিক-ছাত্ৰ-শিক্ষক-শিল্পীৰ শোভাযাত্ৰাত আৰক্ষীৰ বাধা প্ৰদান

# অসমৰ ডেৰশ বছৰীয়া সংবাদপত্ৰৰ ইতিহাস অসমীয়া জাতীয়তাবাদ আৰু জাতিগঠনৰ লগত বৰ নিবিড়ভাৱে জড়িত

ডাঃ ধ্ৰুৱজ্যোতি বৰা

অসমীয়া জাতীয় জীৱনৰ বিভিন্ন গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসমৰ সংবাদপত্ৰই যেনেকৈ এহাতে অতি যুগান্তকাৰী ভূমিকা পালন কৰি আহিছে আনহাতে আকৌ সংবাদপত্ৰৰ ইতিহাসত বহুখিনি কালিমাময় অধ্যায়ো আছে। অৱশ্যে হয়তো ইয়েই স্বাভাৱিক, উত্থান আৰু পতনৰ কাহিনীতো ইতিহাসত থাকিবই।

সংবাদপত্ৰ বুলিলে আমি কেৱল আজিৰ বাতৰিকাকতকেই বুজিলে নহ'ব, বৰঞ্চ অৰুণোদইৰ যুগৰ পৰা কাকত-আলোচনীক লৈ সকলোখিনি প্ৰকাশনকেই বুজিব লাগিব। এটা সময়ত, যেতিয়া বাতৰিকাকতৰ পয়োভৰ তেনেকৈ নাছিল, তেতিয়া অসমৰ আলোচনীবোৰেই ৰাজ্যখনৰ ভাষা-সংস্কৃতিৰ পুনৰুদ্ধাৰ, বিকাশ আৰু জনমত গঠনৰ কামত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। বাঁহী, জোনাকী, ৰামধেনুৰ যুগ অসমীয়াৰ মনত আজিও সজীৱ আৰু সতেজ হৈ আছে। আজিও জনমত গঠনৰ ক্ষেত্ৰত দৈনিক বাতৰিকাকততকৈ সাপ্তাহিক বাতৰিকাকতে হয়তো অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। দৈনিক কাকতবোৰতকৈ একো একোখন সাপ্তাহিকৰ প্ৰচাৰসংখ্যা আৰু পাঠকসংখ্যা বহুগুণে বেছি আৰু এক দীঘলীয়া সময়জুৰি এনে সাপ্তাহিক আৰু পষেকীয়া কাকতবোৰে একো একোটা বিষয়ৰ ওপৰত গভীৰভাৱে আলাপ-আলোচনা কৰিব পাৰে আৰু অধিক নিৰ্দিষ্টভাৱে জনমত গঠন কৰিব পাৰে। এই কথাযাৰ বোধকৰো শাসকসকলেও ভালদৰে বুজি পায়। সেয়ে সাম্প্ৰতিককালত চৰকাৰী যন্ত্ৰ বিৰোধী দৈনিক কাকততকৈ সাপ্তাহিক কাকতবোৰৰ ওপৰত অধিক খড়্গহস্ত হৈ পৰাটো মন কৰিবলগীয়া।

অসমীয়া জাতিগঠন আৰু জাতীয়তাবাদৰ বিকাশত সংবাদপত্ৰসমূহৰ এক ডাঙৰ ভূমিকা আছে। অসমীয়া মধ্যবিত্তশ্ৰেণীৰ উদ্ভৱৰ সময়ৰ পৰাই এই শ্ৰেণীটোৱে বিভিন্ন ধৰণৰ সংবাদপত্ৰ আৰু আলোচনীৰ জৰিয়তেই নিজস্ব ধ্যান-ধাৰণা আৰু বিশেষকৈ অসমীয়া জাতীয়তাবাদী ধাৰণা প্ৰচাৰ কৰাত উদ্যোগ লৈ আহিছে। অলপ গভীৰভাৱে চালেই অতীজৰ পৰা বৰ্তমানলৈকে প্ৰতিখন অসমীয়া বাতৰিকাকত, বাৰ্তালোচনী আৰু আলোচনীৰ মাজত প্ৰচ্ছন্নভাৱে লুকাই থকা জাতীয়তাবাদী ধাৰাটো ধৰিব পাৰি। অসমীয়া মধ্যবিত্তশ্ৰেণীয়ে নিজৰ অৰ্থনৈতিক স্বাৰ্থ আৰু সামাজিক প্ৰতিপত্তি সুৰক্ষিত কৰিবলৈ জাতীয়তাবাদক এক ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰি আহিছে। অৱশ্যে মধ্যশ্ৰেণীৰ চৰিত্ৰই এনেকুৱা। অকল অসমতেই নহয়, পৃথিৱীৰ সকলো ঠাইতেই জাতীয়তাবাদ মধ্যশ্ৰেণীৰ ৰাজনৈতিক হাতিয়াৰ হয়। আমাৰ বিচাৰ্য বিষয় হ'ল অসমীয়া সংবাদমাধ্যমে যি জাতীয়তাবাদৰ ধ্বজা বহন কৰি আনিছে, যি ধৰণৰ জাতীয়তাবাদ গঢ়ি তুলিছে, সেই জাতীয়তাবাদৰ চৰিত্ৰ কেনেকুৱা? মনত ৰখাটো ভাল যে অসমীয়া জাতীয়তাবাদৰ মূল উপাদান হ'ল ভাষিক জাতীয়তাবাদ। নৃগোষ্ঠীগত বা 'এথ্‌নিক' দিশবোৰ ইয়াত বৰ প্ৰবল নহয়। ইয়াৰ কাৰণো আছে। অসমীয়া জাতিসত্তা যিহেতু বহুতো নৃগোষ্ঠীগত লোকৰ সমষ্টি, গতিকে স্বাভাৱিকতেই অসমীয়া জাতীয়তাবাদত নৃগোষ্ঠীগত দিশটোক অগ্ৰাধিকাৰ দিয়া নাযায়। বা আনধৰণে ক'বলৈ গ'লে অসমীয়া জাতি বা জাতিসত্তা যিহেতু একক নৃগোষ্ঠীয় আধাৰৰ ওপৰত প্ৰতিষ্ঠিত নহয়, গতিকে নৃগোষ্ঠীগত দিশটোৱে জাতীয়তাবাদী আন্দোলনৰ মাজত প্ৰাধান্য পাব নোৱাৰে। অসমীয়া জাতীয়তাবাদ সেয়েই মূলতে ভাষাৰ নিচিনা স্পৰ্শকাতৰ বিষয় এটাৰ ওপৰত প্ৰধানতঃ নিৰ্ভৰশীল।

অসমীয়া জাতীয়তাবাদৰ চৰিত্ৰ নিৰ্ণয় এই লিখাৰ মূল কথা নহয়। কিন্তু অসমৰ সংবাদপত্ৰসমূহৰ সামাজিক ভূমিকা আমি যেতিয়া পৰীক্ষা কৰি চাব খুজিছো, তেতিয়া স্বাভাৱিকতেই অসমৰ সংবাদপত্ৰৰ মূল আদৰ্শাত্মক ভিত্তি 'অসমীয়া জাতীয়তাবাদী' চিন্তা-চেতনাকো গভীৰভাৱে পৰীক্ষা কৰিবলগীয়া হৈছে। অসমীয়া জাতীয়তাবাদক তুলি ধৰাৰ সময়ত সংবাদপত্ৰবোৰে প্ৰকৃততে কেনেধৰণৰ জাতীয়তাবাদক প্ৰোৎসাহন দি আহিছে সেই কথাটোও গভীৰভাৱে চাব লাগিব।

অসমৰ সংবাদপত্ৰৰ জগতে যি ধৰণৰ অসমীয়া জাতীয়তাবাদক অতীজৰ পৰা আজিলৈকে লালন-পালন কৰি আহিছে, সেই জাতীয়তাবাদ মূলতেই অতি আৱেগিক। ভাষাৰ প্ৰশ্নটোত আৱেগ সৃষ্টি কৰি এই জাতীয়তাবাদক প্ৰথমখিনি সময়ত গঢ়ি তোলা হ'ল। পিচলৈকো ভাষাৰ দিশটো বাদ দিলেও এই জাতীয়তাবাদৰ চৰিত্ৰ মূলতেই কিন্তু আৱেগপ্ৰধান হৈ থাকিল। অসমৰ সমাজবাস্তৱৰ গভীৰ অধ্যয়ন কৰি জাতীয়তাবাদী ভাবাদৰ্শ তথা জাতীয়তাবাদৰ এটা দৃঢ় ভেটি নিৰ্মাণ কৰাত সহায় কৰিবলৈ অসমীয়া সংবাদপত্ৰ এতিয়ালৈকে বৰ সফল হৈছে বুলি ক'ব নোৱাৰি। আৱেগপ্ৰাধান্যতা, সময়ত যুক্তিবৰ্জিত আৱেগিকতা আৰু চাঞ্চল্যজীৱিতা ইয়াৰ এক প্ৰধান দিশ হৈ আছে। স্বাভাৱিকতেই অসমীয়া সংবাদপত্ৰই তুলি ধৰা অসমীয়া জাতীয়তাবাদৰ চৰিত্ৰও অত্যন্ত তৰাং।

জাতীয়তাবাদী ভাবধাৰাৰ ক্ষেত্ৰত অসমীয়া সংবাদপত্ৰৰ আৰু এক লক্ষ্যণীয় দিশ আছে। সি হ'ল সময়ত লুকাই-চুৰকৈ, সময়ত প্ৰকাশ্যভাৱে ইয়াৰ মাজত থকা উগ্ৰজাতীয়তাবাদী ধাৰা। অসমীয়া সংবাদপত্ৰ মূলতেই অসমৰ সমাজবাস্তৱৰ অধ্যয়নৰ ক্ষেত্ৰত শোচনীয়ভাৱে ব্যৰ্থ হোৱাৰ ইও এক প্ৰমাণ। এই উগ্ৰজাতীয়তাবাদৰ প্ৰকাশ সংবাদপত্ৰৰ মাজত ঘটিছে দুই ধৰণে, প্ৰথমে বঙালী বিৰোধিতা : বঙালী ষড়যন্ত্ৰৰ বিভিন্ন কাল্পনিক বাতৰি অতিৰঞ্জিতভাৱে সময়ে সময়ে প্ৰকাশ পাই থকাটোৱেই ইয়াৰ প্ৰমাণ। (সুখৰ কথা আজি কিছুদিনৰ পৰা সংবাদপত্ৰত এনেধৰণৰ বা-বাতৰি বৰকৈ চকুত পৰা নাই।) আৰু দ্বিতীয়তে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাৰ প্ৰতি অৱহেলা আৰু বিৰোধিতা। আনকি খিলঞ্জীয়া জনজাতীয় গোষ্ঠীবোৰৰ ভাষা, লিপি, স্বায়ত্তশাসন আদিৰ প্ৰশ্নত অসমীয়া বা অসমৰ সংবাদপত্ৰই (অসমীয়া মালিকানাধীন ইংৰাজী সংবাদপত্ৰই) সময়ে সময়ে অৱজ্ঞা, কেতিয়াবা বিৰোধিতা আকৌ কেতিয়াবা মুকলিকৈ এই আন্দোলনবোৰৰ ওপৰত চৰকাৰী দমন, পীড়ন আৰু ৰাষ্ট্ৰসন্ত্ৰাসক সমৰ্থন কৰি আহিছে। তথাকথিত অসমীয়া জাতীয়তাবাদী চৰকাৰ, প্ৰফুল্ল মহন্তৰ নেতৃত্বাধীন অসম গণ পৰিষদ চৰকাৰে, বড়ো আন্দোলনক দমন কৰিবলৈ কুখ্যাত 'টাডা' আইন প্ৰয়োগ কৰাৰ সময়ত অসমৰ সংবাদপত্ৰৰ বেছিভাগেই কিন্তু ভালদৰে বিৰোধিতা কৰা নাছিল। অসমৰ সংবাদপত্ৰৰ এনে ভূমিকাই অসমীয়া সমাজ আৰু অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াৰ পৰা অসমৰ খিলঞ্জীয়া জনগোষ্ঠীবোৰক দূৰলৈ ঠেলি দিছিল। কেৱল কাৰবি আন্দোলনৰ বেলিকা এই লিখকৰ লগতে বহুকেইজন ডেকা সাংবাদিকে কষ্ট কৰি কাৰবি পাহাৰে পাহাৰে ঘূৰি এই আন্দোলনৰ এখন প্ৰকৃত ছবি সংবাদপত্ৰৰ মাধ্যমেৰেই অসমৰ ৰাইজৰ আগত তুলি ধৰাৰ লগতে এই গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি অসমৰ গণতান্ত্ৰিক মহলৰ সহায়-সমৰ্থনো আদায় কৰিবলৈ সক্ষম হৈছিল। বড়ো আন্দোলনৰ ন্যায্যতাৰ বিষয়েও অসমৰ এখন-দুখন সংবাদপত্ৰই, মূলতে সাপ্তাহিক কাকতে, জনমত গঠনৰ সুস্থ প্ৰয়াস চলাইছিল। বাওঁপন্থী, প্ৰগতিশীল আৰু গণতান্ত্ৰিক চিন্তাধাৰাৰ অবিৰত হেঁচাত অসমৰ সংবাদপত্ৰ- জগতৰ এচামৰ মাজত অসমৰ বিভিন্ন জনগোষ্ঠীগত আন্দোলন (যিবোৰো মূলতেই জাতীয় চেতনাৰ আন্দোলনেই) সম্পৰ্কে সুস্থ চিন্তাধাৰা আৰু দৃষ্টিভংগী গ্ৰহণ কৰাটো লক্ষ্যণীয়। কিন্তু এতিয়াও অসমৰ সংবাদপত্ৰ প্ৰকাশনৰ প্ৰধান ধাৰাটো এইবোৰ ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ প্ৰশ্ন সম্পৰ্কে সংবেদনহীন হৈয়েই আছে। ই নিশ্চয় দুখৰ কথা। এইক্ষেত্ৰত মালিকসকলতকৈও সম্পাদকসকলৰ মনোভাৱ, অধ্যয়নহীনতা আৰু অসমৰ সামাজিক সমস্যাৰাজিৰ প্ৰতি উপলব্ধিৰ অভাৱ অধিক জগৰীয়া।

সংবাদপত্ৰসমূহে পোষকতা কৰা জাতীয়তাবাদী ধাৰাৰ অন্যতম এক প্ৰধান দিশ হ'ল বাওঁ মতাদৰ্শ আৰু প্ৰগতিশীল ধাৰণাৰ প্ৰতি ইয়াৰ অসহিষ্ণুতা বা বিৰোধিতা। ইও কাকতীয় অসমীয়া জাতীয়তাবাদৰ এক আত্মধ্বংসী দুৰ্বলতা। অসমীয়াৰ দৰে নিপীড়িত, ক্ষুদ্ৰ জাতিৰ জাতীয়তাবাদে বাওঁ শক্তিবোৰক বাদ দি নহয় বৰঞ্চ বাওঁ শক্তিবোৰৰ সক্ৰিয় সহযোগিতা লাভ কৰিলেহে ব্যাপক জনসাধাৰণক ঐক্যবদ্ধ কৰি জাতিগঠনত অগ্ৰসৰ হ'ব পাৰে। ইয়াৰ বিকল্প আন একো নাই। এই সাধাৰণ সত্যটো অসমৰ বাতৰিকাকতৰ বেছিভাগ 'সবজান্তা' হৈ থকা সম্পাদক, সাংবাদিক আৰু মালিকে যিমান সোনকালে বুজি পায়, সিমানেই মংগল। নহ'লে অসমীয়া জাতীয়তাবাদ আৰু জাতিগঠনৰ প্ৰক্ৰিয়া বৰ্তমানৰ পঁয়ালগা অৱস্থাৰ পৰা ওপৰলৈ নুধাব কাহানিও।

ডেৰশ বছৰীয়া অসমৰ সংবাদপত্ৰৰ ইতিহাস যে বহুলাংশে অসমীয়া জাতীয়তাবাদ আৰু জাতিগঠনৰ ইতিহাসৰ লগত নিবিড়ভাৱে জড়িত সেই কথা আমি ভালদৰে উপলব্ধি কৰাটো প্ৰয়োজন। তেতিয়াহে এই ইতিহাসৰ এক সাৰ্থক মূল্যায়ন সম্ভৱপৰ হ'ব আৰু সংবাদপত্ৰৰ লগতে এই প্ৰক্ৰিয়াটোৰ সবলতা দুৰ্বলতাবোৰো আমি ভালদৰে বুজিব পাৰিম। এই চমু লিখাটোৰ পৰিসৰত তথ্য, প্ৰমাণ, উদ্ধৃতিসহ এই বিষয়টো আলোচনা কৰাৰ অৱকাশ স্বাভাৱিকতেই নাই। সেয়ে সামাজিকভাৱে গুৰুত্বপূৰ্ণ এই বিষয়টোৰ প্ৰতি ইয়াত মাত্ৰ উল্লেখহে কৰা হ'ল। আশাকৰো চৰকাৰী উদ্যোগত ঢাকঢোল কোবাই সংবাদপত্ৰৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী পালন কৰাৰ বেলিকা কাণতাল মৰা, চকুত চমক লগোৱা বাহ্যিক কাৰবাৰবোৰ চলি থকাৰ সময়ত কোনো অনুসন্ধিৎসু সাংবাদিক, লিখক, সমাজবিজ্ঞানী বা গৱেষকে এই দিশটোৰ ওপৰতো গভীৰভাৱে চিন্তাচৰ্চা আৰু লিখামেলা কৰিব।



উঁমেহতীয়া দাবীত সংবাদজগত আৰু বিৰোধী ৰাজনৈতিক দলৰ সদস্যসকলৰ প্ৰতীকী ধৰ্মঘট

আজিৰ অসমৰ সাংবাদিকতাৰ জগতত তাৰুণ্যৰ পয়োভৰ। যৌৱনৰ প্ৰাণশক্তিৰে সাংবাদিকতাৰ জগত তগ্‌বগ্ কৰি আছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। কিন্তু, এই প্ৰচণ্ড সম্ভাৱনাময় প্ৰাণশক্তি উচিতভাৱে সকলো সময়তে ব্যৱহাৰ হোৱা নাই যেন সন্দেহ হয়। চাঞ্চল্যজীৱিতা, সহজ প্ৰতিষ্ঠাৰ মোহ, সুবিধাবাদ, আপোচকামিতা আৰু আনকি সহজ জনপ্ৰিয়তাৰ বাবে অতিৰঞ্জিত বা সত্যাসত্য নিৰূপণ নকৰাকৈ মিছা বাতৰি পৰিবেশন কৰা আদি কামৰ উদাহৰণ নোহোৱা নহয়। সংবাদ পৰিবেশন আৰু বিশ্লেষণৰ ক্ষেত্ৰত অধ্যয়নৰ সীমাবদ্ধতা সদায় শ্লোগানধৰ্মী হেড্‌লাইনেৰে লুকুৱাই ৰাখিব নোৱাৰি। এনেধৰণৰ কাৰ্যকলাপে কিন্তু বাতৰিকাকতৰ 'ছপা আখৰৰ' প্ৰতি থকা জনগণৰ আস্থা ক্ৰমে নাইকিয়া কৰি পেলাব। সংবাদসেৱাৰ দুৰ্নাম হোৱাই নহয়, ইয়াৰ সামাজিক কাৰ্যকাৰিতাও ক্ৰমে নাইকিয়া হৈ আহিব। সাংবাদিকসকলে এই দিশবোৰৰ প্ৰতি সাৱধান হোৱাটো ভাল কাৰণ তেওঁলোক নিজকে নিজে নুশুধাৰলে শুধৰাই দিওঁতা কোনো নাই। আমি বহুতেই হয়তো পাহৰি পেলাইছো যে বাংলাদেশৰ যুদ্ধৰ সময়ত পূব-পাকিস্তানত থকা পাকিস্তানী জেনেৰেল টিক্কা খানৰ হত্যাৰ মিছা বাতৰি গুৱাহাটীৰ পৰাই পৰিবেশিত হৈছিল। এইটো এটা অসমৰ সাংবাদিকতাৰ নিম্নতম পৰ্যায়– ল'পইণ্ট। সাম্প্ৰতিক কিছুমান কাকতত কোনোবা আত্মগোপনকাৰী নেতাৰ মৃত্যুৰ মিছা বাতৰি বাৰে বাৰে প্ৰকাশ পাইছে। এনেবোৰ ঘটনাই সাংবাদিকতাৰ দুৰ্নাম আনে। শাসকশ্ৰেণীৰ দালালি কৰা সাংবাদিক-সম্পাদকৰ কথা নক'লোৱেইবা। বৰ্তমান কিন্তু সম্পাদকসকলৰো সম্পাদনাৰ ক্ষেত্ৰত যথেষ্ট ঘাটি, সীমাবদ্ধতা আৰু শিথিলতা দেখিবলৈ পোৱা গৈছে। সেয়ে বাতৰি পৰিবেশনৰ আৰু ঘটনাৰাজি বিশ্লেষণৰ বেলিকাও সঘনেই ত্ৰুটি-বিচ্যুতি হোৱাটো চকুত পৰিছে। সাধাৰণ পাঠক হিচাপে আমি আশা কৰো যে এনেধৰণৰ দুৰ্বলতাবোৰ সোনকালেই আঁতৰ হ'ব।

অসমীয়া সাংবাদিকতাৰ যি ডেৰশ বছৰীয়া ইতিহাস, সি স্বাভাৱিকতেই ভাৰতীয় সাংবাদিকতাৰ জগতত এক গৌৰৱোজ্জ্বল আৰু দীঘলীয়া পৰম্পৰাৰ ইতিহাস। এতিয়াও অসমৰ সমাজত, অসমীয়া জাতিগঠনৰ ক্ষেত্ৰত সংবাদপত্ৰই এক ইতিবাচক ভূমিকা পালন কৰাৰ অৱকাশ আছে। এই কথাষাৰ মনত ৰাখি অসমৰ সাংবাদিকতাৰ লগত জড়িত ব্যক্তিসকল ভৱিষ্যতে অগ্ৰসৰ হোৱাটো প্ৰয়োজন। ❑

# বিপদাপন্ন সংবাদমাধ্যমৰ স্বাধীনতা

ধ্ৰুৱ মহন্ত

অৱশেষত আকৌ এবাৰ স্বেচ্ছাচাৰী শাসকে জনগণৰ সন্মুখত মূৰ দোঁৱাবলৈ বাধ্য হ'ল। প্ৰবল জনমতৰ সন্মুখত চৰকাৰে যোৱা চৈধ্য ফেব্ৰুৱাৰীত কুখ্যাত টাডা আইনত গুৱাহাটী প্ৰেছ ক্লাবৰ পৰা গ্ৰেপ্তাৰ কৰা 'আজিৰ বাতৰি'ৰ ষ্টাফ ৰিপ'ৰ্টাৰ অতনু ভুঞাক চৰ্তহীনভাৱে মুকলি কৰি দিয়াৰ সিদ্ধান্ত ল'বলৈ বাধ্য হ'ল। আৰু অতনু ভুঞাৰ মুক্তিৰ সিদ্ধান্তই স্বেচ্ছাচাৰী অগণতান্ত্ৰিক হিতেশ্বৰ শইকীয়া চৰকাৰৰ বিৰুদ্ধে জনগণৰ নৈতিক বিজয়কেই সাব্যস্ত কৰিলে।

অৱশ্যে সামগ্ৰিক পৰিস্থিতি বিচাৰ কৰি চালে অতনু ভুঞাৰ মুক্তিৰ সিদ্ধান্তক লৈ আমি আশ্বস্ত হোৱাৰ মুঠেও থল নাই। কাৰণ শইকীয়া চৰকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ আখ্যায়িত সংবাদমাধ্যমৰ স্বাধীনতাৰ প্ৰতি সৃষ্টি কৰা ভাবুকি এতিয়াও অব্যাহত আছে। তদুপৰি টাডা আইনত গ্ৰেপ্তাৰ কৰা 'বুধবাৰ'ৰ সম্পাদক পৰাগ কুমাৰ দাস, প্ৰকাশক কৃষ্ণ বৰুৱা আৰু মুদ্ৰক নৃপেন শৰ্মাক চৰকাৰে এতিয়াও মুকলি কৰি দিয়া নাই। উল্লেখযোগ্য যে যোৱা আঠ ফেব্ৰুৱাৰীত আৰক্ষীয়ে পৰাগ কুমাৰ দাস আৰু আন দুজনক টাডাত গ্ৰেপ্তাৰ কৰিছিল। এই গ্ৰেপ্তাৰ সম্পৰ্কত চৰকাৰৰ বক্তব্য পৰাগ দাসে শইকীয়া চৰকাৰক সমালোচনা কৰি সম্পাদকীয় লিখিছিল, 'বুধবাৰ'ত আলফা নেতাৰ সাক্ষাৎকাৰ প্ৰকাশ পাইছিল, ইত্যাদি।

এই গ্ৰেপ্তাৰ কাৰ্যৰ প্ৰতিবাদত চৈধ্য ফেব্ৰুৱাৰীত গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিক কৰ্ম পৰিষদে এখন প্ৰতিবাদ সভা আহ্বান কৰিছিল। কিন্তু আমাৰ বহুঘোষিত সংবাদমাধ্যমৰ স্বাধীনতাক বুঢ়া আঙুলি দেখুৱাই সেইদিনা মহানগৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত অহা আৰক্ষীৰ দল এটাই সভাস্থলীৰ পৰাই অতনু ভুঞাক টাডা আইনত গ্ৰেপ্তাৰ কৰি নিয়ে। ভুঞাক গ্ৰেপ্তাৰ কৰাৰ সময়ত আৰক্ষীয়ে উপস্থিত বুদ্ধিজীৱী-সাংবাদিকসকলক অশালীন ব্যৱহাৰ কৰাৰ লগতে শাৰীৰিকভাৱেও আঘাত কৰে। অতনু ভুঞাৰ বিৰুদ্ধে চৰকাৰৰ অভিযোগ তেওঁ অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনত সশস্ত্ৰ আলফা সদস্য ঘূৰি ফুৰা বুলি লিখিছিল।

অৱশ্যে সংবাদমাধ্যমৰ ওপৰত চৰকাৰে আৰম্ভ কৰা এনে ঘৃণনীয় আক্ৰমণে দেশজোৰা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমগ্ৰ অসমৰ লগতে কলিকতা, দিল্লী আদিতো অসম চৰকাৰৰ এনে জঘন্য স্বেচ্ছাচাৰী কাৰ্যকলাপৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ ধ্বনিত হৈছে। স্বাভাৱিকতেই জনগণৰ এনে সৰ্বাত্মক প্ৰতিবাদৰ সন্মুখত চৰকাৰৰ থৰকাচুতি হেৰাল, মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই পুনৰ আৰম্ভ কৰিলে আৰক্ষী আতিশয্যৰ জৰিয়তে জনগণৰ মুখ বন্ধ ৰখাৰ ষড়যন্ত্ৰ।

সংবাদমাধ্যমৰ ওপৰত ক্ৰমবৰ্দ্ধিত চৰকাৰী আক্ৰমণৰ প্ৰতিবাদত যোৱা বিশ ফেব্ৰুৱাৰীত নৱগঠিত বাক্-স্বাধীনতা সুৰক্ষা সমিতিয়ে গুৱাহাটী প্ৰেছ ক্লাবৰ পৰা ৰাজভৱনলৈ আয়োজন কৰিছিল এক প্ৰতিবাদ সমদলৰ। সমদলত অংশ লোৱাৰ উদ্দেশ্যেৰে সেইদিনা সাংবাদিকৰ লগতে প্ৰেছ ক্লাব চৌহদত সমবেত হৈছিলহি বুদ্ধিজীৱী, বিভিন্ন সংগঠন আৰু ৰাজনৈতিক দলৰ সহস্ৰাধিক প্ৰতিনিধি। কিন্তু সমদল আৰম্ভ হোৱাৰ পূৰ্বেই আৰক্ষীয়ে ঘেৰি ধৰিলেহি প্ৰেছ ক্লাব চৌহদ, 'শান্তিৰক্ষক' পুলিচ, চি-আৰ-পি-এফ বাহিনীয়ে গণতন্ত্ৰৰ পক্ষে থিয় হোৱা জনগণৰ ওপৰত প্ৰেছ ক্লাবৰ ভিতৰতেই আৰম্ভ কৰিলে নৃশংস আক্ৰমণ। বাক্-স্বাধীনতাৰ প্ৰশ্নত এটা শান্তিপূৰ্ণ সমদলৰ সন্মুখীন হোৱাৰো সাহস নথকা হিতেশ্বৰ শইকীয়া চৰকাৰৰ পোহনীয়া গুণ্ডাবাহিনীৰ আক্ৰমণত সেইদিনা অৰূপা বৰুৱা, অদীপ ফুকন, ৰমণী বৰ্মণ, ভোগেশ্বৰ দত্ত আদি গুৰুতৰভাৱে আহত হয়। লগতে পাচুগোপাল বৰুৱা, ধীৰেণ বেজবৰুৱা, ড° হীৰেণ গোহাঁই, শৰৎ চন্দ্ৰ সিংহ আদিকে ধৰি মুঠ পঞ্চাশজনৰো অধিক লোক আঘাতপ্ৰাপ্ত হয়।

স্বাভাৱিকতেই এই সমগ্ৰ পৰিস্থিতিটোৱে চৰকাৰক বাৰুকৈয়ে বিপাঙত পেলালে। শেষত জনমতৰ হেঁচাত চৰকাৰে অতনু ভুঞাক চৰ্তহীনভাৱে মুক্তি দিয়াৰ সিদ্ধান্ত ঘোষণা কৰিবলৈ বাধ্য হ'ল। কিন্তু এইক্ষেত্ৰতো চৰকাৰে আশ্ৰয় ল'লে এক ঘৃণনীয় কৌশলৰ। শিৱসাগৰ জিলা কাৰাগাৰত বন্দী হৈ থকা ভুঞাই কাৰাগাৰ অধীক্ষকলৈ লিখা চিঠি এখনৰ বিকৃত ব্যাখ্যা দাঙি ধৰি চৰকাৰে ৰাইজক বুজাবলৈ চেষ্টা কৰিলে যে সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনত আলফা সদস্যৰ উপস্থিতি সম্পৰ্কীয় বাতৰিটোৰ বাবে দুখ প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিততহে ভুঞাক মুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। লক্ষ্যণীয়ভাৱে, আৰক্ষীয়ে বলপূৰ্বক লিখোৱা এই স্বীকাৰোক্তি পত্ৰখনতো কিন্তু অতনু ভুঞাই স্পষ্টভাৱে কৈছে যে সাহিত্য সভাৰ অধিৱেশনস্থলীৰ গ্ৰীণৰুমত চাৰিজন আলফা সদস্যই প্ৰচাৰপত্ৰ বিলাই থকা তেওঁ দেখিছিল আৰু ইয়াৰে এজনৰ কঁকালৰ বেল্টৰ তলত ৰিভলভাৰ গুজি থোৱা আছিল। অৱশ্যে এই বিষয়টোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বাবে ভুঞাই পঢ়ুৱৈ আৰু অন্যান্যসকলৰ ওচৰত দুখ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ভুঞাৰ এই চিঠিখন আদালতৰ বাবেও কোনো প্ৰামাণিক তথ্য নহয় আৰু উত্থাপিত অভিযোগ অনুসৰি ভুঞাৰ হতুৱাই জোৰকৈহে আৰক্ষীয়ে এই স্বীকাৰোক্তিপত্ৰখন লিখাই লৈছিল। তৎসত্ত্বেও ভুঞাই নিজৰ স্থিতিৰ পৰিবৰ্তন নঘটোৱাত স্বীকাৰোক্তি পত্ৰখনৰ বিকৃত ব্যাখ্যা আগবঢ়াই চৰকাৰে জনসাধাৰণক বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ চলাইছে। অতনু ভুঞাই স্বীকাৰোক্তি পত্ৰখনত কোৱা নাই যে তেওঁ ভুল বাতৰি পৰিৱেশন কৰিছিল। বৰং তেওঁ স্পষ্টভাৱে কৈছে যে গ্ৰীণৰুমত সশস্ত্ৰ আলফা সদস্যই প্ৰচাৰপত্ৰ বিতৰণ কৰি থকা দেখিছিল। আৰু সাহিত্য সভাৰ অধিৱেশনস্থলীৰ গ্ৰীণৰুমটো আমি নিশ্চয় নিষিদ্ধ এলেকা নহয়, মুকলি ঠাই বুলিয়েই বিবেচনা কৰিম।

সবাতোকৈ গুৰুতৰ বিষয় হৈছে, অতনু ভুঞাক মুক্তি দিয়াৰ সিদ্ধান্ত সম্পৰ্কীয় বিজ্ঞাপন এটাত অসম চৰকাৰে সংবাদমাধ্যমলৈ এক ভয়ানক ভাবুকি দিছে। বিজ্ঞাপনটোত কোৱা হৈছে যে সাংবাদিকে কোনো ব্যক্তিয়ে হাতত পিষ্টল-ৰিভলভাৰ লৈ ঘূৰা বুলি লিখিলে তেওঁৰ বিৰুদ্ধে টাডা আইন প্ৰযোজ্য আৰু তেনেক্ষেত্ৰত সাংবাদিকজনক টাডাত গ্ৰেপ্তাৰ কৰা হ'ব পাৰে। চৰকাৰৰ স্বেচ্ছাচাৰিতাৰ ইয়াতকৈ জঘন্য উদাহৰণ আৰু কি হ'ব পাৰে? চৰকাৰে পিষ্টল-ৰিভলভাৰ লোৱাজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা নলয়, অথচ সেই সম্পৰ্কে লিখাজনকহে টাডাত গ্ৰেপ্তাৰ কৰিব ই চৰকাৰৰ কেনেধৰণৰ স্থিতিক সূচায়? অতনু ভুঞাৰ ক্ষেত্ৰত ইতিমধ্যেই তেনে ঘটনা ঘটিছে। যোৱা সাত ফেব্ৰুৱাৰীত সাহিত্য সভাৰ অধিৱেশনস্থলীত আলফা সদস্যৰ উপস্থিতি সম্পৰ্কীয় বাতৰিটো প্ৰকাশ পোৱাৰ দিনাই শিৱসাগৰ আৰক্ষীয়ে চাৰিজন সন্দেহযুক্ত আলফা সদস্যক সংগঠনটোৰ প্ৰচাৰপত্ৰ আৰু সাতাইশ হাজাৰ নগদ টকাসহ দিখৌ দলঙৰ ওচৰত গ্ৰেপ্তাৰ কৰিছিল। কিন্তু পিচদিনাই তেওঁলোকক জামিনত এৰি দিয়া হ'ল। আৰু ইয়াৰ বিপৰীতে অতনু ভুঞাক গ্ৰেপ্তাৰ কৰা হ'ল টাডাত। প্ৰশ্ন হৈছে, আলফা সম্পৰ্কীয় এটা বাতৰি পৰিৱেশন কৰাৰ বাবেই যদি অতনু ভুঞাক দোষী সাব্যস্ত কৰি গ্ৰেপ্তাৰ কৰা হয়, তেন্তে আলফাৰ সৈতে অবাধ হলিগলি কৰা, মেল-মিটিং পাতি ফুৰা আৰু আলফা সদস্যৰ মাজত টকা-মাৰুতী বিলাই ফুৰা মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰা হোৱা নাই কিয়?

অসম চৰকাৰৰ আচৰণৰ পৰা আজি এই কথা তেনেই স্পষ্ট হৈ পৰিছে যে সংবাদমাধ্যমৰ স্বাধীনতা এতিয়া অসমত এক অৰ্থহীন শ্লোগানৰ বাহিৰে আন একো নহয়। সংবাদমাধ্যমৰ স্বাধীনতাই এতিয়া কেৱল চৰকাৰৰ সপক্ষে লিখাৰ 'স্বাধীনতা'কহে সূচায়। কোনোবাই এই স্থিতি গ্ৰহণ নকৰিলেই চৰকাৰে তেওঁৰ বিৰুদ্ধে প্ৰয়োগ কৰিব পাৰে টাডা,



সংবাদমাধ্যমৰ অধিকাৰক পদদলিত কৰি প্ৰশাসনে গ্ৰেপ্তাৰ কৰা তৰুণ সাংবাদিক অতনু ভুঞা

এন-এছ-এ জাতীয় অস্ত্ৰ, আৰক্ষীৰ হতুৱাই তেওঁক মাধমাৰ দিয়াব পাৰে। আশাৰ বিষয় এয়ে যে এনে চৰকাৰী সন্ত্ৰাসৰ বিৰুদ্ধে অসমৰ ৰাইজ আজি দৃঢ়ভাৱে আগবাঢ়ি আহিছে, বাক্-স্বাধীনতাৰ সুৰক্ষাৰ প্ৰশ্নত ৰাইজে চৰকাৰক মুকলিভাৱে প্ৰত্যাহ্বান জনাইছে।

আজি বিভিন্ন ক'লা আইনৰ জৰিয়তে সংবাদমাধ্যমৰ মুখ চেপি ধৰিবলৈ ষড়যন্ত্ৰ চলোৱা হিতেশ্বৰ শইকীয়া চৰকাৰে কিন্তু বিভিন্ন সাম্প্ৰদায়িক শক্তিসমূহৰ কাৰ্যকলাপৰ ক্ষেত্ৰত বেছ এৰা-ধৰাৰ মনোভাৱেই প্ৰদৰ্শন কৰিছে। যোৱা ঐকেশ ফেব্ৰুৱাৰীত এই চৰকাৰৰ অনুমতিক্ৰমেই ভাৰতীয় জনতা পাৰ্টিয়ে গুৱাহাটীৰ জজ খেলপথাৰত গণসমাবেশ অনুষ্ঠিত কৰিলে। কংগ্ৰেছ (ই)ৰ একাংশ মন্ত্ৰী-বিধায়কৰ উদ্যোগতেই যোৱা সোতৰ ফেব্ৰুৱাৰীৰ পৰা জলেশ্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ গ'ল সংখ্যালঘু অভিৱৰ্তন। অথচ এই একেখন চৰকাৰেই সাংবাদিক-বুদ্ধিজীৱীসকলক বাক্-স্বাধীনতাৰ প্ৰশ্নত ৰাজ্যপালক এখন স্মাৰকপত্ৰ প্ৰদানৰ অনুমতি দিবলৈও সাহস নকৰে, বৰং আৰক্ষী আতিশয্যৰ বৰ্বৰতাৰে তেওঁলোকৰ মুখ বন্ধ ৰখাৰ ষড়যন্ত্ৰ চলায়। কিন্তু ইতিমধ্যেই বহু কিবাকিবি হেৰুওৱা অসমৰ ৰাইজে চৰকাৰৰ স্বেচ্ছাচাৰিতা আৰু বৰ্বৰতাৰ ওচৰত নিজৰ ন্যূনতম অধিকাৰখিনিও বিসৰ্জন দিবলৈ সাজু নহয়। বৰং বাক্-স্বাধীনতাৰ প্ৰশ্নত অসমৰ ৰাইজ আজি এক দীঘলীয়া সংগ্ৰামৰ বাবেই সাজু হৈছে। সবাতোকৈ তাৎপৰ্যপূৰ্ণ দিশ হৈছে, বাক্-স্বাধীনতাৰ সুৰক্ষাৰ দাবীত অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণ আজি ঐক্যবদ্ধ হৈছে আৰু সেয়েহে স্বেচ্ছাচাৰী অগণতান্ত্ৰিক শাসকৰ কোনো ষড়যন্ত্ৰই আজি ৰাইজক নিজৰ লক্ষ্যৰ পৰা বিচ্যুত কৰিব নোৱাৰে। ■


# ৰাজনীতি আৰু সংবাদপত্ৰ

প্ৰচলিত ব্যৱস্থাটোত সংবাদপত্ৰৰ স্বাধীনতা কিমান ? এখন বুৰ্জোৱা ৰাষ্ট্ৰত ৰাজনীতি বুলি ক'লে আমি কেনেধৰণৰ ৰাজনীতিক বুজো ? এই ৰাজনীতি মানৱ অধিকাৰ, গণতন্ত্ৰ আৰু বাক্‌স্বাধীনতাৰ সপক্ষে নে ? সংবাদপত্ৰৰ ওপৰত ৰাষ্ট্ৰৰ আগ্ৰাসী ভূমিকাই গণতান্ত্ৰিক ব্যৱস্থা এটাৰ পৰিচয় দিয়েনে ? এজন ব্যক্তিক কেনেধৰণৰ কাৰ্যকলাপে তেওঁক ৰাষ্ট্ৰদ্ৰোহী বুলি প্ৰতিপন্ন কৰে ? সকলোধৰণৰ সংবাদপত্ৰই জনগণৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিছেনে ? এই প্ৰশ্নবিলাকে সাম্প্ৰতিক অসমত প্ৰাসংগিকতা লাভ কৰিছে। মুকলি বজাৰ অৰ্থনীতিৰে দেশৰ সমস্যাবিলাক সমাধা কৰিব নোৱাৰি সকলো প্ৰতিবাদী কণ্ঠক ৰাষ্ট্ৰই এতিয়া ৰুদ্ধ কৰি ৰাখিব বিচাৰিছে। জন্মসূত্ৰে লাভ কৰা মানুহৰ কথা কোৱাৰ অধিকাৰ আৰু চিন্তা কৰাৰ স্বাধীনতাক হৰণ কৰাৰ আয়োজন চলিছে অসমত। গণতন্ত্ৰ পৰ্যবসিত হৈছে স্বেচ্ছাচাৰিতালৈ ৰাজনীতি মানেই এতিয়া ৰাষ্ট্ৰৰ বাহকসকলৰ অসীম কৰ্তৃত্ব। দেশৰ আইন, সংবিধান সকলো ব্যৱহাৰ হৈছে এচাম মুষ্টিমেয় পুঁজিপতিৰ স্বাৰ্থত। জনগণক নগ্ন কৰাৰ প্ৰস্তুতিৰেই অসংখ্য ক'লা আইন জাপি দিয়া হৈছে। স্বেচ্ছাচাৰী শাসকৰ পৈশাচিক কাৰ্যকলাপৰ বিৰোধিতা কৰা বাবেই অসমৰ সংবাদপত্ৰৰ ওপৰত ৰাষ্ট্ৰৰ কোপদৃষ্টি পৰিছে আৰু ইয়াৰ প্ৰথম চিকাৰ হৈছে 'বুধবাৰ' কাকতৰ সম্পাদক পৰাগ কুমাৰ দাস। সংবাদমাধ্যমৰ ওপৰত ৰাষ্ট্ৰৰ এই আগ্ৰাসী ভূমিকাক আমি নিৰ্বিবাদে মানি লোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। সংবাদপত্ৰৰ ওপৰত ৰাষ্ট্ৰৰ এই নগ্ন আক্ৰমণক অসমৰ বিৰোধী ৰাজনৈতিক দলসমূহেনো কেনেদৰে বিবেচনা কৰিছে, এই প্ৰসংগত তেওঁলোকৰ স্পষ্ট অভিমত কি, এই বিষয়ে জানিবলৈ আমি কেইজনমান বিৰোধী দলৰ নেতাক লগ ধৰিছিলো আৰু তেওঁলোকৰ মতামতৰ ভিত্তিত এই প্ৰতিবেদন যুগুত কৰা হৈছে।



## দুলাল বৰুৱা (জনতা দল)ঃ

অসমৰ চিন্তাজগতৰ ওপৰত বিশেষকৈ সংবাদপত্ৰৰ ওপৰত ৰাষ্ট্ৰই যি নগ্ন আক্ৰমণ কৰিছে এই কাৰ্যক আমি একেমুখে নিন্দা কৰো। সাংবাদিক গ্ৰেপ্তাৰৰ প্ৰসংগটোৱে চৰকাৰৰ অগণতান্ত্ৰিক আৰু স্বৈৰাচাৰী চৰিত্ৰকে উদঙাই দেখুৱাইছে। অসমত সম্প্ৰতি জৰুৰীকালিন অৱস্থাতকৈও ভয়াবহ পৰিস্থিতিয়ে বিৰাজ কৰিছে। চৰকাৰে পৰিকল্পিতভাৱে সংবাদপত্ৰৰ কণ্ঠৰোধ কৰাৰ যি প্ৰক্ৰিয়া আৰম্ভ কৰিছে ই কেৱল এচাম মানুহৰ বাবেই নহয় সমস্ত সমাজখনৰ বাবেই প্ৰবল ভাবুকিস্বৰূপ হৈ পৰিছে। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সংবাদপত্ৰই হৈছে জনমত গঠনৰ উৎকৃষ্ট মাধ্যম। গতিকে সংবাদপত্ৰক অৱমাননা কৰি কোনো চৰকাৰেই টিকি থাকিব নোৱাৰে। শইকীয়া চৰকাৰে এতিয়া নিজৰ জনস্বাৰ্থবিৰোধী চৰিত্ৰক ঢাকি ৰাখিবৰ বাবেই প্ৰৰিকল্পিতভাৱে সংবাদপত্ৰৰ ওপৰত বৰ্বৰভাৱে আক্ৰমণ কৰিছে। এনে কাৰ্যকলাপ অবিৰতভাৱে চলি থাকিলে ভৱিষ্যতে ৰাজ্যখনে এক ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। ২৮ শতাংশ ভোটাৰৰ মুখ্যমন্ত্ৰী শইকীয়াই আলফাৰ বিদ্ৰোহৰ পৰা আৰম্ভ কৰি কৰ্মচাৰীৰ আন্দোলনলৈকে এটাও সমস্যা সমাধা কৰিব পৰা নাই। বৰং সমস্যাবোৰ জটিলহে কৰি তুলিছে। অসমলৈ সেনাবাহিনী আনি বৰ্বৰ সন্ত্ৰাসৰ সৃষ্টি কৰি গোটেই নতুন প্ৰজন্মটোক পংগু কৰি দিয়াৰ জঘন্য ষড়যন্ত্ৰত লিপ্ত হৈছে। মুখ্যমন্ত্ৰী শইকীয়া আৰু এই ষড়যন্ত্ৰৰ এক নমুনা হৈছে 'বুধবাৰ' কাকতৰ সম্পাদক পৰাগ দাসৰ গ্ৰেপ্তাৰ। চৰকাৰৰ অবাধ দুৰ্নীতি, অন্যায়, অপচয়ক দুখনমান কাকতে তথ্যসহকাৰে ৰাইজৰ আদালতত উপস্থাপন কৰা বাবেই উক্ত কাকতকেইখনৰ ওপৰত চৰকাৰে এতিয়া সন্ত্ৰাস নমাই আনিছে। অসমত এতিয়া অঘোষিত জৰুৰীকালিন অৱস্থা চলিব লাগিছে। সেয়ে জনগণে এতিয়া ৰাষ্ট্ৰসন্ত্ৰাসৰ বিৰুদ্ধে একত্ৰিতভাৱে সংগ্ৰাম কৰিব লাগিব। নহ'লে পৰিস্থিতিৰ কোনো সলনি নহ'ব।



## হেমেন দাস (চি-পি-আই-এম)ঃ

কংগ্ৰেছ (ই)ক আমি স্বৈৰতান্ত্ৰিক দল বুলি কৈছো। চৰকাৰ গঠনৰ কিছুদিনৰ পিচৰ পৰাই তেওঁলোকৰ স্বৈৰতান্ত্ৰিক নীতি প্ৰকটভাৱে দেখা দিছে। জনসাধাৰণে আন্দোলন কৰিলেই পুলিচৰ পৈশাচিক অত্যাচাৰৰ মুখামুখি হ'বলগা হয়। যোৱা বছৰ মে' মাহত মূল্যবৃদ্ধিৰ প্ৰতিবাদ কৰোতে ভালেকেইজন প্ৰবীণ বাওঁপন্থী নেতা আৰু বিধায়কক জনতা ভৱনৰ সন্মুখতে চৰকাৰী ভেৰোণীয়া বাহিনীয়ে বেয়াকৈ মাৰধৰ কৰে। ৰাজ্যখনৰ কোনো ঠাইতেই এতিয়া সভা-সমিতি অনুষ্ঠিত কৰিব নোৱাৰি। সভা-সমিতি অনুষ্ঠিত কৰাটো চৰকাৰে নিজস্ব স্বাৰ্থতে এতিয়া সম্পূৰ্ণৰূপে বন্ধ ৰাখিছে। আনকি গণৰাজ্য দিৱসৰ দিনা সভা অনুষ্ঠিত কৰোতেও পুলিচে গ্ৰেপ্তাৰ কৰিছে। উপৰ্যুপৰি সংবাদপত্ৰৰ ওপৰত চৰকাৰী আক্ৰমণ হোৱা দেখা গৈছে। কেইমাহমানৰ আগতে পৰাগ কুমাৰ দাস, অজিত কুমাৰ ভুঞা আৰু নিলয় দত্তক বিনাদোষত চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। কিন্তু পিচত প্ৰবল জনমতৰ হেঁচাত পৰাজিত হৈ তিনিওজন ব্যক্তিকে চৰকাৰে মুক্তি দিবলৈ বাধ্য হয়। কিন্তু মুক্তি পোৱাৰ পিচতো চৰকাৰৰ লগত আপোচ নকৰাৰ বাবেই পৰাগ দাসক যোৱা ৮ ফেব্ৰুৱাৰী তাৰিখে পুনৰ গ্ৰেপ্তাৰ কৰা হয় আৰু ১৪ ফেব্ৰুৱাৰী তাৰিখে ৰাজহুৱা স্থানৰ পৰাই সাংবাদিক অতনু ভুঞাকো চৰকাৰে গ্ৰেপ্তাৰ কৰে। সাংবাদিকৰ ওপৰত চৰকাৰৰ এই ঘৃণনীয় আক্ৰমণে চৰকাৰৰ স্বৈৰতান্ত্ৰিক চৰিত্ৰক অধিক স্পষ্ট কৰি দেখুৱালে। চৰকাৰৰ দৃষ্টিত পৰাগ দাসৰ অপৰাধ হ'ল পৰাগ দাসে স্পষ্টভাৱে অকণো দ্বিধাবোধ নোহোৱাকৈ চৰকাৰৰ জনস্বাৰ্থবিৰোধী চৰিত্ৰক ৰাইজৰ আগত দাঙি ধৰিছিল। পৰাগ দাসে শইকীয়াৰ নিৰ্দেশত কলম চলাবলৈ মান্তি হোৱা নাছিল। গতিকে চৰকাৰৰ এই ক্ৰমবৰ্দ্ধমান স্বৈৰতান্ত্ৰিক কাৰ্যকলাপৰ বিৰুদ্ধে জনগণে একত্ৰিতভাৱে সংগ্ৰাম কৰাটো এতিয়া অতিকৈ জৰুৰী হৈ পৰিছে। ঐক্যবদ্ধ গণআন্দোলনৰ অবিহনে চৰকাৰী স্বেচ্ছাচাৰিতাক পৰাস্ত কৰাটো সম্ভৱ নহ'ব।



## গোলাম ওচমানি (ইউ-এম-এফ)ঃ

সংবাদমাধ্যমৰ ওপৰত চৰকাৰী সন্ত্ৰাসক আমি গৰিহণা দিছো। বাক্‌স্বাধীনতা হৰণ কৰাৰ চক্ৰান্ত কৰি চৰকাৰে গণতন্ত্ৰক বিপদাপন্ন কৰি তুলিছে। বাক্‌স্বাধীনতা লুপ্ত হ'লে সমাজৰ বিভিন্ন শক্তিসমূহৰ মতামত ব্যক্ত কৰাৰ কোনো পথ নাথাকিব। ফলত সমস্যা সমাধা হোৱাতকৈ অধিক জটিলহে হৈ পৰিব। পৰাগ দাসক চৰকাৰে সন্ত্ৰাসবাদী সজাই গ্ৰেপ্তাৰ কৰিছে। কিন্তু পৰাগ দাসক কেতিয়াও সন্ত্ৰাসবাদী বুলি ক'ব নোৱাৰি। কাৰণ পৰাগ দাসে বিপ্লৱৰ কথা ঘোষণা কৰিলেও সন্ত্ৰাসবাদক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছে। প্ৰকৃততে চৰকাৰৰ জনবিৰোধী চৰিত্ৰক 'বুধবাৰে' মুকলিকৈ স্পষ্টভাৱে উপস্থাপন কৰা বাবেই যে চৰকাৰে দাসক গ্ৰেপ্তাৰ কৰিছে সেই কথা আৰু এতিয়া লুকাই থকা নাই। চৰকাৰৰ ওচৰত দাসৰ বিৰুদ্ধে কোনো স্পষ্ট অভিযোগ নাই। অভিযোগ থকা হ'লে বিষয়টো প্ৰেছ কাউন্সিললৈ প্ৰেৰণ কৰি চৰকাৰে সাংবিধানিকভাৱেই বিচাৰ কৰাৰ সাহস গোটাব পাৰিলেহেঁতেন। কিন্তু চৰকাৰৰ ওচৰত কোনো স্পষ্ট অভিযোগ নথকাৰ বাবেই চৰকাৰে 'টাডা'ৰ দৰে ঘৃণনীয় আইনৰ আশ্ৰয় লৈছে। কিন্তু চৰকাৰ সফল নহ'ব। শীঘ্ৰেই দাসক মুক্তি দিব লাগিব। প্ৰতিবাদ ইতিমধ্যে আৰম্ভ হৈছে। ৰজাঘৰৰ সন্ত্ৰাসে কাহানিও ৰাইজৰ কণ্ঠৰোধ কৰি ৰাখিব পৰা নাই আৰু নোৱাৰেও। ৰাইজৰ কাকত ৰাইজেই জীয়াই ৰাখিব।



## বৃন্দাবন গোস্বামী (ন-অ-গ-প)ঃ

বাতৰিকাকতসমূহে চৰকাৰৰ অগণতান্ত্ৰিক, বৰ্বৰ চৰিত্ৰক উন্মোচন কৰা বাবেই বাতৰিকাকতৰ ওপৰত চৰকাৰী সন্ত্ৰাস আৰম্ভ হৈছে। অৱশ্যে মই সকলো বাতৰিকাকতৰ কথা কোৱা নাই। কেইখনমান বাতৰিকাকতেহে ৰাইজৰ পক্ষত থিয় দিছে। আৰু যিকেইখন বাতৰিকাকতে ৰাইজৰ পক্ষত থিয় দিছে সেইকেইখন বাতৰিকাকত এতিয়া শইকীয়াৰ দৃষ্টিত ৰাষ্ট্ৰদ্ৰোহীত পৰিণত হৈছে। শইকীয়া চৰকাৰৰ ঘৃণনীয় কাৰ্যকলাপক পৰাগ দাস সম্পাদিত 'বুধবাৰ' কাকতখনে কঠোৰ ভাষাৰে সমালোচনা কৰি আহিছে। যিটো শইকীয়াই সমূলি ভাল পোৱা নাই। শইকীয়াই শান্তি স্থাপনৰ প্ৰতিশ্ৰুতিৰে আসনত বহিছিল। কিন্তু তেওঁ শান্তি স্থাপনটো দূৰৈৰে কথা বৰং কেতবোৰ নতুন সমস্যাৰ সৃষ্টি কৰি অসমক ভয়াবহ পৰিস্থিতিৰ মুখলৈহে ঠেলি দিলে। মেডিকেলৰ সমস্যাটো সম্পূৰ্ণৰূপে শইকীয়াৰ নিজৰ সৃষ্টি। প্ৰলোভনৰ জালেৰে একাংশ ভুৱা আলফাৰ সৃষ্টি কৰি গোটেই আলফা সমস্যাটোক শইকীয়াই অধিক জটিল কৰি তুলিলে। দমন, প্ৰলোভন আৰু বিভাজনেই হৈছে শইকীয়াৰ শাসন পৰিচালনাৰ মূল নীতি। পৰাগ দাসে শইকীয়াৰ ঘৃণনীয় ৰাজনীতিক সমৰ্থন দিব পৰা নাছিল। তেওঁ আৰম্ভণিৰ পৰাই এক নিৰ্দিষ্ট দৃষ্টিকোণেৰে গোটেই ৰাজনৈতিক দৃশ্যপটৰ পৰ্যালোচনা কৰি আহিছিল। পৰাগ দাসে শইকীয়াৰ প্ৰলোভনৰ জালত ভৰি নিদিয়াৰ বাবেই তেওঁক কাৰাগাৰৰ অন্ধকূপলৈ নিক্ষেপ কৰা হ'ল। সেয়ে আমি সকলো গণতন্ত্ৰপ্ৰেমী ৰাইজলৈ শইকীয়া চৰকাৰৰ দমন, প্ৰলোভন আৰু বিভাজন নীতিৰ বিৰুদ্ধে তীব্ৰ গণআন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনাইছো। ❑

সাক্ষাৎগ্ৰহণঃ ধৈৰ্য হাজৰিকা



# যুৱক প্ৰজন্মৰ প্ৰতিভূ পৰাগ

দেৱব্ৰত দাস

যোৱাকালি কেব্‌ল টিভিৰ হিন্দী কাৰ্যসূচীত এখন তৰ্কযুদ্ধ চালোঁ। বিনোদ দুআৰ কাৰ্যক্ৰম। নাম চক্ৰব্যূহ। প্ৰগ্ৰেমটোলৈ দুই ধৰণৰ অতিথিক আমন্ত্ৰণ কৰি অনা হৈছে। ষাঠিৰ দশকৰ যুৱ-প্ৰজন্মৰ প্ৰতিনিধি আৰু নৈৱৰ দশকৰ যুৱ-প্ৰজন্মৰ প্ৰতিনিধি। তৰ্কৰ বিষয় বুলিবলৈ একো নাছিল। মাথো এটা প্ৰজন্মই আনটো প্ৰজন্মক বুজিব পৰাৰ ধৰণে পাৰস্পৰিক ভাৱধাৰাৰ আদান-প্ৰদানৰ বাবে এটা সুবিধা কৰি দিয়া হৈছিল। বিনোদ দুআই পোনতে আগকথাত ক'লে যে সাধাৰণতে এটা ধাৰণা কৰা হয় যে ষাঠিৰ দশকৰ প্ৰজন্ম আছিল প্ৰতিবাদৰ প্ৰজন্ম। কেম্পাচ প্ৰটেষ্ট, ভিয়েটনাম মাৰ্চ অথবা নক্সাল আন্দোলনৰ প্ৰজন্ম। নৈৱৰ দশকৰ প্ৰজন্মক সেই স্থলত এম-টি-ভি প্ৰজন্ম বুলি ক'ব পাৰি।

ষাঠিৰ দশকত আমেৰিকান ঔপনিবেশবাদে বৰকৈ মূৰ তুলি উঠিছিল। কিউবাত নিজৰ পৰাক্ৰম দেখুৱাই ভিয়েটনামকো বশৱৰ্তী কৰাৰ চেষ্টাত আমেৰিকাৰ চৰকাৰে তেতিয়াৰ যুৱ-প্ৰজন্মটোক বেছিভাগকেই ইচ্ছাৰ বিৰুদ্ধে যুদ্ধযাত্ৰাৰ বাবে সেনাবাহিনীত ভৰ্তি হ'বলৈ বাধ্য কৰাইছিল। এনেবোৰ বাধ্যবাধকতাৰ বিৰুদ্ধে য'তে-ত'তে বিক্ষোভত ফাটি পৰিছিল যুৱক-প্ৰজন্ম এটা। আমেৰিকাত প্ৰচলিত কেপিটেলিষ্ট আদৰ্শৰ বিপৰীতে বাওঁপন্থী আদৰ্শৰ প্ৰতি বেছিভাগেই অনুৰক্ত হৈ পৰিছিল। ফ্ৰান্স দেশত অনুৰূপভাৱে ছাত্ৰ আন্দোলনে দ্যগল চৰকাৰৰ ভেঁটি কঁপাই তুলিব পাৰিছিল একে ভাৱধাৰাৰে উদ্দীপ্ত হৈ। ভাৰতবৰ্ষৰ দৰে দুখীয়া অনগ্ৰসৰ দেশতো অতি বাওঁপন্থী ভাৱধাৰা হঠাতে জনপ্ৰিয় হৈ উঠিছিল সদ্য যুৱক নিষ্পাপ যুৱক-যুৱতীসকলৰ মাজত। মূলতঃ এওঁলোকৰ সক্ৰিয় যোগদানেই নক্সালবাৰীৰ সেই অদমনীয় অনমনীয় সাহসী আন্দোলন বহুদূৰ পৰ্যন্ত সফল হৈ উঠিছিল।

ইয়াৰ বিপৰীতে নৈৱৰ দশকত কি ঘটিছে। চক্ৰব্যূহৰ সেই অনুষ্ঠানটোত বোম্বাই চহৰৰ বিভিন্ন কলেজৰ কিছু কমবয়সৰ ছাত্ৰ-ছাত্ৰীৰ সমাবেশ ঘটিছিল। এওঁলোককেই বিনোদ দুআই এম-টি-ভি প্ৰজন্ম বুলি বিভূষিত কৰে। এম-টি-ভি হ'ল বিদেশী টি-ভি ষ্টাৰ চেনেল গ্ৰুপৰ এটা চেনেল য'ত চৌবিশ ঘণ্টাই কেৱল বিদেশী আধুনিক পপ্-ৰক বা ৰেগে'-ৰেপ্ সংগীত প্ৰদৰ্শিত হৈ থাকে। ইয়াৰ প্ৰতিটো কাৰ্যক্ৰমতেই সংগীত শিল্পীসকলে অত্যাধুনিক সাজপাৰ পিন্ধি উৎকৃষ্ট দৃশ্যাৱলীৰ মাজত নিজা নিজা সংগীত পৰিৱেশন কৰি থাকে। ইমান ৰং-চঙীয়া প্ৰদৰ্শনীৰ মাজত কোৱা বাহুল্য যে সংগীতে তিমান প্ৰাধান্য নেপায় যিমান প্ৰাধান্য লভে সংগীত শিল্পীসকলৰ প্ৰদৰ্শন-কামিতাই। এনেধৰণৰ সংগীতৰ সম্মোহন শক্তি অসীম।

যিজনেই এনে এম-টি-ভি জাতীয় সংগীতৰ অনুৰাগী হৈ পৰে যদি তেওঁ Impressionable যুৱক হয় তেনেহ'লে অতি সহজে নিচাসক্তৰ দৰে কেব্‌ল এম-টি-ভিৰ অনুষ্ঠানৰ ভক্ত হৈ পৰে। ফলত পাশ্চাত্যৰ য'ত আধুনিকতম পছন্দ-অপছন্দ ফেশ্বন আদি এম-টি-ভিত প্ৰদৰ্শিত হৈ থাকে তাক সহজে সমগ্ৰ বিশ্বৰ এইসকল নিচাগ্ৰস্ত যুৱক-যুৱতীয়ে আপোন কৰি ল'ব ধৰে। অৱশ্যে সকলোকেই এইদৰে ভাৱনা-চিন্তা ৰহিত কিছুমান পুতলাৰ দৰে যুৱক-যুৱতী বুলিলে ভুল কৰা হ'ব তথাপি এই কথা ঠিক যে বৰ্তমানৰ প্ৰজন্মই পূৰ্বসুৰীসকলৰ দৰে কেৱল কিতাপ বা বাতৰিকাকতৰ পৰাই নিজৰ জ্ঞান আহৰণ নকৰে এতিয়া। ইলেক্ট্ৰনিক মাধ্যমটো যিমানে বলশালী হৈ গৈ আছে টেলিভিশ্যনো সিমানে বেছিকৈ জনমানসত প্ৰভাৱ পেলাব পৰা এক ওজনদাৰ শক্তি হৈ গৈ আছে।

যোৱাকালিৰ তৰ্কযুদ্ধখনতো আনন্দ পট্টবৰ্দ্ধনে (এখেত ষাঠিৰ দশকৰ যুৱক বৰ্তমান প্ৰতিবাদী ডকুমেণ্টৰী ফিল্ম নিৰ্মাণত ৰত) তাকেই কয়। তেখেতৰ মতে ষাঠিৰ দশকত ৰাইজে যিমান কিতাপ-পত্ৰ পঢ়িছিল আজি তেনেই নপঢ়ে। আগৰ দিনত যুৱকসকলৰ সকলো কথা চালিজাৰি, ভাবি-গুণি চোৱাৰ প্ৰৱণতা আছিল। আজি তেনেকৈ নাই। আজি সকলোৱেই আজৰি সময়ত টি-ভি চোৱাত ব্যস্ত।

নৈৱৰ দশকৰ যুৱক এজনে এইখিনিতে হস্তক্ষেপ কৰে এইবুলি যে এতিয়াৰ যুৱকসকলে পঢ়াশুনা কমকৈ কৰে যদিও কেব্‌ল টিভিৰ জৰিয়তে বিশ্বৰ ক'ত কি ঘটি আছে তাৰ বিষয়েও সকীয়ান হৈ থাকে। চি-এন-এন বা বি-বি-চিৰ কাৰ্যক্ৰমবোৰে বিশ্বৰ ৰাজনৈতিক সাম্প্ৰতিক পৰিস্থিতিবোৰৰ সম্যক জ্ঞান সদায়েই দি থাকে।

এইখিনিতে/প্ৰশ্ন উঠে যে এই বিদেশী টি-ভি চেনেলবোৰে যিবোৰ বাতৰি বা তৎসম্পৰ্কীয় পৰ্যালোচনা দাঙি ধৰে তাৰ কিমানখিনি তৃতীয় বিশ্বৰ দৰিদ্ৰ ৰাষ্ট্ৰসমূহৰ উদ্দেশ্যে পৰিবেশিত হয় অথবা সেইবোৰ আমেৰিকা, ইংলেণ্ড আদি ধনী পুঁজিপতি ৰাষ্ট্ৰৰ স্বাৰ্থৰক্ষণাৰ্থে পৰিবেশিত হয় নে নহয়? আৰু যদি হয় তেনেহ'লে আমাৰ ভাৰতবৰ্ষৰ দৰে দৰিদ্ৰ ৰাষ্ট্ৰৰ যুৱক-যুৱতীসকলে এনে কাৰ্যক্ৰম চাই এক বিশেষ দৃষ্টিকোণেৰে উপস্থাপিত খবৰ বা পৰ্যালোচনাকেই নিৰপেক্ষ বুলি গ্ৰহণ কৰাটো উচিত হ'বনে?

দুজনমান যুৱক-যুৱতীয়ে এইখিনিতে প্ৰশ্ন তোলে যে ষাঠিৰ দশকত মাৰ্ক্সিজিম্ বা সমাজবাদকেই একমাত্ৰ শুদ্ধ মতবাদ বুলি গ্ৰহণ কৰাটো ফেশ্বনৰ দৰে হৈ পৰিছিল ঠিক সেইদৰে বৰ্তমান মুক্ত অৰ্থনীতি বা পুঁজিবাদকেই একমাত্ৰ শুদ্ধ মতবাদ বুলি গ্ৰহণ কৰি লোৱাটো একধৰণৰ ফেশ্বন হৈ পৰিছে। তাৰ কাৰণ হৈছে যুৱক-যুৱতীসকলৰ মাজত গভীৰ চিন্তাবোধৰ অভাৱ। বৰ্তমান বিশ্বৰ পৰিস্থিতি বা সামগ্ৰিক সামাজিক অৱস্থিতিৰ বিষয়ে সম্যক জ্ঞান লাভৰ বাবে একধৰণৰ সামুহিক অনীহা। চিন্তা-চৰ্চাৰ প্ৰতি অনাস্থা আনপিনে একধৰণৰ বিলাসী গড্ডালিকা-প্ৰবাহৰ প্ৰতি সহজ স্পৃহা।

আন এজন উপস্থিত ব্যক্তিয়ে আপত্তি তোলে যে বৰ্তমান যুৱ-প্ৰজন্মকএনেদৰে তেনেই ভাৱনা-চিন্তা শূন্য বুলি অভিহিত কৰাটো ভুল হ'ব। বৰ্তমান যুৱক-যুৱতীৰ মাজতো এনে যথেষ্টসংখ্যক আছে যিসকলে পলিউশ্যন (প্ৰদূষণ), গ্ল'বেল ৱাৰ্মিং (পৃথিৱীৰ বৰ্দ্ধীয়মান উষ্মতা) তথা এনাৰ্জী ক্ৰাইচিচ (শক্তিৰ অভাৱজনিত সমস্যা) বোৰৰ বিষয়েও যথেষ্ট উদ্বিগ্ন। আচল কথা হৈছে ষাঠিৰ দশকত যিবোৰ মৌলিক প্ৰশ্ন অস্তিত্বৰ সৈতে অংগাংগীভাৱে জড়িত আছিল এতিয়া ঠিক তেনেকৈ নাই তাৰ ঠাইত আনধৰণৰ কিছুমান মৌলিক প্ৰশ্ন আহি পৰিছে বিশেষকৈ ভাৰতবৰ্ষৰ বৰ্তমান পৰিপ্ৰেক্ষিতত। সাম্প্ৰদায়িক সংঘৰ্ষ বা মূল্যবৃদ্ধি বা মণ্ডল আয়োগৰ পৰামৰ্শাৱলী।

* * * * * *

কেব্‌ল টি-ভিৰ সেই কাৰ্যক্ৰমটোত বোম্বাই চহৰৰ যুৱক-যুৱতীৰ কেইগৰাকীমান প্ৰতিনিধিয়ে নৈৱৰ দশকৰ যুৱ-প্ৰজন্মটোক প্ৰতিনিধিত্ব কৰিছিল। আলোচনাৰ এঠাইত এবাৰ এজনে সুধি দিলে উপস্থিত কেইজনৰ ভিতৰত নিম্নশ্ৰেণী বা পিচপৰা জাতিৰ কেইগৰাকী ছাত্ৰ-ছাত্ৰী আছে? দেখা গ'ল এগৰাকীও তেনে অৱহেলিত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী নাই। গতিকেই এনে এক ক্ৰচ চেক্‌চনক প্ৰতিনিধিত্বমূলক বুলি অভিহিত কৰিব নোৱাৰি নিশ্চয়। তামিলনাডু, কেৰালা, বা পঞ্জাবৰ বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ধ্যান-ধাৰণা সেই কাৰ্যক্ৰমত আমন্ত্ৰিত ছাত্ৰ-ছাত্ৰীকেইগৰাকীতকৈ নিশ্চয় সম্পূৰ্ণ বেলেগ হ'ব। আমাৰ অসমৰ কথাকেই যদি ভবা যায়। অসমৰ ছাত্ৰ-ছাত্ৰী মোৰ বোধেৰে আজি আগতকৈ যথেষ্ট বেছি সজ্ঞান আৰু সক্ৰিয়। মই নিজে ষাঠি-সত্তৰৰ দোমোজাত যুৱক আছিলোঁ। মই জানো পঞ্চাশৰ দশকত যিসকল যুৱক আছিল তেওঁলোকে বি-এ পাছ কৰি স্নাতক হ'লেই অতি সহজে চৰকাৰী চাকৰি এটা পাইছিল। আমাৰ দিনত চাকৰিৰ অলপ নাটনি হৈছিল তথাপি অনুপলব্ধ নাছিল। মই নিজে ছমাহমান বেকাৰ আছিলো। তথাপি আমাৰ বয়সৰ প্ৰায় সকলোৱেই এতিয়া কিবা নহয় কিবা কৰ্মসংস্থানত যুক্ত। কিন্তু বৰ্তমানৰ যুৱ-প্ৰজন্ম? এওঁলোকৰ বেছিভাগৰেই বৰ বেছি আশা নাই। বেছিভাগেই চাকৰি এটা পাম বুলি আশা কৰিব নোৱাৰে। চাকৰিৰ সংখ্যা অভাৱনীয়ভাৱে কম। যি দুই-চাৰিটা ওলায় সিও স্বজনপ্ৰিয়তা বা দুৰ্নীতিৰ কৱলত। ঘোৰ নিৰাশাৰ মাজত প্ৰতিপালিত এই প্ৰজন্মটো স্বাভাৱিকভাৱেই খঙাল আৰু অস্থিৰ হৈ পৰিছে। অসমৰ বেছিভাগ যুৱকে বোম্বাইৰ সেই পৰিবেশিত নৈৱৰ প্ৰজন্মৰ দৰে কেব্‌ল টিভিৰ নাচ-গানৰ দ্বাৰা প্ৰতিপালিত নহয়। এওঁলোক প্ৰতিপালিত কংগ্ৰেছী কুশাসনৰ প্ৰলোভন আৰু ৰাইনো বজৰং অভিযানৰ মিলিটেৰী বুট-বেয়নেটৰ মাজত। এনেদৰে যুগৰ অগ্নিৰ মাজেৰে পাৰ হৈ যাব ধৰিছে এটা দুৰন্ত প্ৰজন্ম। জুইৰ মাজেৰে পবিত্ৰ হ'ব ধৰিছে এওঁলোকৰ চৰিত্ৰৰ বৈশিষ্ট্য। এওঁলোকৰ মাজৰ পৰাই পৰশুৰাম প্ৰতিজ্ঞাৰে কোনো ওলাই নাহিব নে সমাজৰ সকলো কেনা সকলো ত্ৰুটি সকলো লাঞ্ছনাৰ প্ৰতিবাদ হাতত লৈ?

এনে এক প্ৰতিবাদ সোচ্চাৰ কৰি অসমৰ সংবাদপত্ৰৰ জগতত এক অদ্ভুত জ্যোতিষ্কৰ অভ্যুদয় হৈছিল কিছুদিন আগেয়ে সেই সংবাদপত্ৰখনৰ নাম হ'ল 'বুধবাৰ'। এজন ডেকা সাংবাদিকে কেইজনমান তেনেই চেঙেলীয়া যুৱক-যুৱতীৰ সহায়ত এইখন সাপ্তাহিকৰ জন্ম দিছিল এক অদ্ভুত সাহসেৰে। তেওঁলোকৰ নাছিল কোনো অভিজ্ঞতা নাছিল কোনো প্ৰতিষ্ঠিত সম্পাদক নাছিল কোনো অনুৰক্ত পাঠকমণ্ডলী। তথাপি কেৱলমাত্ৰ নিজে বুজি পোৱা ধৰণেৰে ৰাইজৰ হিতাৰ্থে সমগ্ৰ সাম্প্ৰতিক ঘটনাৱলীৰ পৰ্যালোচনা নিৰ্ভীকভাৱে দাঙি ধৰি সৎসাংবাদিকতাৰ এক বিৰল নজীৰ তুলি ধৰিছিল এইসকল অকুতোভয় যুৱক সাংবাদিকে। সকলো সময়তে সকলো বিষয়তে উচিত বিজ্ঞজনৰ মতামতক সদায় সন্মতি নিদিলেও এইখন কাকতক ৰাইজে আপোন কৰি লৈছিল এইবাবেই যে ৰাইজে বুজিছিল যে আন আন বেছিভাগ কাকতৰ দৰে স্বাৰ্থপৰ শাসকশ্ৰেণীৰ বহতীয়া হ'বলৈ কোনোপধ্যেই ৰাজী নোহোৱা এইখন কাকতে কেৱলমাত্ৰ ৰাইজৰ হিতাৰ্থেহি মাত মাতি আহিছে। চৰকাৰী বিজ্ঞাপন অনুদানৰ বাবে ভ্ৰূক্ষেপ নকৰাকৈ কেৱলমাত্ৰ ৰাইজৰ স্নেহাশীষেৰেই বলীয়ান হৈ এই কাকতখন ইমান জনপ্ৰিয় হৈ উঠিছিল যে স্বাৰ্থপৰ শাসকশ্ৰেণী ভয়ত কঁপি উঠিছিল। মুখ্যমন্ত্ৰীকো যিখন কাকতে 'গণশত্ৰু' বুলি অকুতোভয়ে সম্বোধন কৰি ৰাইজৰ মাজত জনপ্ৰিয়তৰ হৈ গৈছিল সেই কাকতখনক মুখ্যমন্ত্ৰীয়ে বহু ছল-চক্ৰান্ত কৰিও বলাব নোৱাৰিলে। যুৱশক্তিৰ ওচৰত অশুভশক্তিৰ একধৰণৰ পৰাজয় বুলিয়েই বৰ্ণাব পাৰি এই অ-সম যুদ্ধখনক। অৱশেষত কুখ্যাত টাডা আইনৰ জৰিয়তে মনেসজা অপৰাধ কিছুমানৰ অছিলা লৈ (যিবোৰ এতিয়া সদৰি কৰা হোৱা নাই) চৰকাৰে 'বুধবাৰ'ৰ সম্পাদক-প্ৰকাশক আৰু মুদ্ৰকক বন্দী কৰি থৈ দিছে কাৰাগাৰত। উদ্দেশ্য অতিকে কুৎসিত আৰু জলজল-পটপট। 'বুধবাৰ' বন্ধ হওক। কংগ্ৰেছী কুশাসনৰ জয়যাত্ৰা অব্যাহত থাকক। সংবিধানপ্ৰদত্ত বাক্-স্বাধীনতা জহন্নামে যাওক। ৰাজপাটৰ জয়গান কৰা কাকত সাপ্তাহিকী-অৰ্দ্ধসাপ্তাহিকী জীয়াই থাকক। কিন্তু এনে অপকৰ্মৰ বিৰুদ্ধে সজ্ঞান ৰাইজ সক্ৰিয় হৈ উঠিছে। 'বাক্-স্বাধীনতা সুৰক্ষা সমিতি' গঠিত হৈছে। ঠায়ে ঠায়ে প্ৰতিবাদ মুখৰিত হৈ উঠিছে। হেজাৰ চেষ্টা সত্ত্বেও ৰাইজৰ দাবীক চৰকাৰে দমাই ৰাখিব পৰা নাই। এইখিনিতে কিজানি নৈৱৰ দশকৰ যুৱশক্তিয়ে আন ঠাইত নহ'লেও অসমত জয়যুক্ত হৈ উঠিব। এদিন নহয় এদিন চৰকাৰে 'বুধবাৰ'ৰ সম্পাদক পৰাগ কুমাৰ দাসক মুক্ত কৰি দিবই লাগিব। অম্লমতিত্ব হ'লেও এনেধৰণৰ অসন্তৱ যেন লগা ভৱিষ্যৎবাণী এটাৰে এইখন ৰচনা সামৰিছো। প্ৰবল আশাৰে। ❑

## গুৱাহাটী

মুকুল পাটৰ

**প্ৰস্তাৱনা ঃ**

তোমাক চাই যাওঁ বুলি আহিলো গাঁৱৰ পৰা ।

দিছপুৰৰ ৰজা, নীলাচলৰ নীলা আৰু কামাখ্যাৰ পূজাৰী
আজি বৰ ব্যস্ত আলিবাট, যাত্ৰী-দৰ্শনাৰ্থীৰ আহ-যাহ
উদুলি-মুদুলি গুৱাহাটী তোৰ গণেশগুৰিৰ গধূলি
চাই যাওঁ বুলি আহিলো জনতা ভৱন ৰাজীৱ ভৱন
সাংস্কৃতিক সঙ্কালকালয়ৰ মধুৰ সংগীত সন্ধিয়া ।

গাঁৱৰ পৰা আহিলো তোমাক চাবলে'
চোৱাচোন বন্ধু চোৱা
এয়া,
মোৰ দুভৰিত এতিয়াও লাগি আছে
গাঁৱৰ কেঁচা বোকা ।

তোমাৰ ঘৰলৈ আহিছো যেতিয়া
চাই যাওঁ বুলি ভাবিছো সংগ্ৰহালয়, সাহিত্য সভাৰ ভৱন
চাই যাওঁ জজ খেলপথাৰ, বৰঝাৰৰ বিমান কোঠ
বিশ্ববিদ্যালয়ৰ 'অফিচ কম' দূৰদৰ্শনৰ 'নিউজ ৰিডাৰ'
ঔষধবিহীন জি-এম-চি-এইচৰ চকুলো
'কটন'ৰ শ্ৰেণীকোঠা

নুনমাটিৰ শ্যাম মন্দিৰ চাম
জালুকবাৰীত কটাম প্ৰেমৰ এটা গধূলি

**প্ৰথম ছেদ ঃ**

গান গাবলৈ আহিলো গুৱাহাটী
গাঁৱৰ গান ।

ইয়াত হেনো বহুদিন ধৰি কোনোৱে গান গোৱা নাই
ইয়াত হেনো বহুযুগ ধৰি কোনোৱে কুলি চৰাই দেখা নাই
ইয়াত হেনো লহপহীয়া ফুলৰ বাগিচাবোৰত পখিলা উৰা নাই
জোনাক পৰা নাই তৰা ওলোৱা নাই
উমানন্দৰ ঘাটত যুৱক-যুৱতীয়ে একেলগে বহা নাই
বিনিময় কৰা নাই প্ৰেম, হৃদয়ৰ গোপন বতৰা

হয়নে গুৱাহাটী
তুমি হেনো বহুদিন ধৰি কবিতা পঢ়া নাই ?

**দ্বিতীয় ছেদ ঃ**

কিছুদিন থাকিম বুলি আহিলো বন্ধু

কিজানিবা মোৰো ভাগ্যত মিলে চৰকাৰৰ 'সেউজ পত্ৰ'
কিজানিবা দুটকীয়া চাউল লৈ তাকে বিক্ৰী কৰি
পোনাকণলৈ কিনি নিব পাৰো বিহুৰ চোলা
কিজানিবা আত্মসমৰ্পণৰ নামত ময়ো পাওঁ
লাখ টকাৰ অনুদান

কিছুদিন ইয়াতে কটাম বুলি ভাবিছো গুৱাহাটী
তোমাৰ সতে হাতত হাত ধৰি ফুৰিম
অ'ভাৰ ব্ৰীজৰ তলৰ অঘৰীৰ ঘৰ চাম
ফুটপাথ গচকিম
নাকত লাগিলে লাগক নৰ্দমাৰ ভেকেটা ভেকেট গোন্ধ ।

**তৃতীয় ছেদ ঃ**

ফেৰীঘাট । ফেৰীত উঠি উত্তৰ পাৰলৈ যাম দিয়া বন্ধু
অশ্বক্লান্ত মন্দিৰত কৃষ্ণ গোসাঁইৰ ঘোঁৰাৰ খোজ

এতিয়াও আছে নে চাম । যদি তাতে
দেওবাৰ হয়; দৌল গোবিন্দৰ উৎসৱ চাম
উদুলি-মুদুলি দুপৰীয়া পায়সৰ সোৱাদ ল'ম ।
যদি সুবিধা পাওঁ গাম ঃ
"পাৰ কৰা ৰঘুনাথ
সংসাৰ সাগৰ......"

**চতুৰ্থ ছেদ ঃ**

গুৱাহাটী, বেয়া নাপালে তোমাক এষাৰ কথা সোধো ঃ

ইয়াত বাৰু দ্ৰব্যৰ মূল্য বৃদ্ধি হয় কিয় ?
পুঁজিপতিৰ গুদামবোৰ বন্ধ থাকে কিয় ?

ক'বলগা ঃ প্ৰতিবাদ হওক
প্ৰতিবাদ হওক......... ।

**পঞ্চম ছেদ ঃ**

তোমাক চাবলৈ আহিলো গুৱাহাটী ।
গাঁৱৰ পৰা । আহিলো যেতিয়া
(মই) চাই যাওঁ দিয়া
জ্যোতি চিত্ৰবনৰ দুৰৱস্থা
আৰ্টছ বিল্ডিঙৰ অভাৱ
'লয়াৰ্ছ'ৰ নতুন কবিতা পুথি

**সামৰণি ঃ**

গাঁৱৰ পৰা আহিলো তোমাৰ খবৰ ল'বলে'
চোৱাচোন বন্ধু চোৱা
মোৰ দুভৰিত এতিয়াও লাগি আছে
গাঁৱৰ কেঁচা বোকা ।

আহিলো যেতিয়া
উভতাৰ বেলি চাই যাওঁ দিয়া
চহৰৰ চিৰিয়াখানা
চহৰখনেই চোন আজব চিৰিয়াখানা

গুৱাহাটী; ভালনে তোমাৰ
তোমাৰ ভালনে ? ❑

## নিজান গান শুনি

তুলতুল বৰুৱা

গান শুনি মই বৈ যাওঁ
হৃদয়ৰ নিজান গান
মই যে নিজকে হেৰুৱাওঁ
তোমাৰ গান শুনি
০ ০ ০
দুপৰ নিশা কোনে গীত গালে
নিয়ৰ টোপা-টুপে সৰিল ❑



## আকালৰ দিনৰ কবিতা

অৰূপা বৰুৱা

ইয়াত সকলো বস্তুৰে ভীষণ আকাল
এটা টুনী আছে দুটা টুনী আছে উদং ভঁৰাল

মহঙা বজাৰত পানী মেটেকাৰ দৰে ওপঙি ৰয় মানুহ
পেটৰ পৰা বুকুৱেদি বগাই গৈ মগজুত বাহ লয় ভোকে

আপেক্ষিকতাৰ তৰ্জুত চাওঁ যি আছে সকলোবোৰ
আস্থা, বিশ্বাস, প্ৰেম, সহানুভূতি আনুগত্য মূল্যবোধ
ন্যায়বিচাৰ নাইবা এই সকলোবোৰৰে অভাৱ

অধ্যাপকেও ক'ব নোৱাৰিলে আমাক
বৃত্তৰ বাহিৰত কিয় ৰৈ যায় চিৰদিন অগণন মানুহ

বা মানুহ হঠাতে কিয় বা কিদৰে ৰাজকীয় হৈ উঠে

সহজ হ'ব পৰা হ'লে জীৱনটো সুখৰ হ'লহেঁতেন
কিন্তু ওপজোতেই কাঢ়ি নিয়া হ'ল আমাৰ কণ্ঠস্বৰ

তেতিয়াৰ পৰা চকুৰ পাহি জাপ খোৱা নাই
কিজানিবা টোপনিতে কোনোবাই চুৰ কৰি নিয়ে
হাত দুখন নাইবা তামবৰণীয়া কলিজাটো ॥ ❑

## হোজাই ডবকা অযোধ্যা ইত্যাদি

ৰাজেন কাকতি

দূৰণিৰ গাঁওখন হুৱাহুৱে জ্বলিছে
ধোঁৱাই চুইছে আকাশৰ আগ
ঘৰ জ্বলা শব্দ পথাৰ পোৰা গোন্ধ

জুইকুৰাই শিশুবোৰক মাতিছে আহা
জুইকুৰাই তিৰোতাবোৰক মাতিছে জ্বলা
জুইকুৰাই মুনিহবোৰক মাতিছে জ্বলি ছাই হৈ যোৱা

আকাশ ফালি আৰ্তনাদ
এটা আজান অথবা এটা হৰিনাম
বতাহত বিৰিণা কঁপিছে

দিন দুপৰতে ওলাই আহিছে শিয়ালজাক
মুখত মৌবৰষা মাত
শগুণজাকে ছানিছে আকাশ
ঠোঁটত সানি লৈ চেঁকুৰা লগা তেজ

বঙহৰ মঙহ পোৰা জুই
মঙহত বঙহ পোৰা ছাই
বাৰুদ বিয়পে বৰদৈচিলা হৈ

চুৰীবোৰে চেলেকি চাইছে
কাৰ তেজৰ কিমান সোৱাদ
ফাঁচীকাঠত ওলমি ৰয়
ত্ৰিশংকু সময় । ❑

## অসুখৰ দৃশ্যাৱলী

প্ৰদীপ শৰ্মা

এটা দিন আছে, তৰোৱালৰ ফালৰ দৰে তীক্ষ্ণ
তোমালোকৰ ক্ৰোধত শান দিয়া
আৰু উভতাই দি থৈ যায় প্ৰথম বিদ্ৰোহৰ উত্তাপ
(এটা কাঁইটীয়া সপোন)
যাৰ লক্ষ্য আছিল স্বৰ্গৰ দুৱাৰ, প্ৰতাৰণাৰ হেজাৰ-বিজাৰ শব্দেৰে লেও দিয়া
যি আছিল ভগা বুকু আৰু শেঁতা চকুবোৰৰ সপক্ষে

এজাক বতাহ আছে, উদ্‌ভ্ৰান্ত
ধূলি আৰু ৰুক্ষতাৰ বুকুত লাহ লোৱা
আৰু সোঁৱৰাই দি থৈ যায় নিসংগতাৰ স'তে প্ৰথম পৰিচয়ৰ ক্ষণটো
ক্ষুধাৰ্তকৈয়ো যাৰ তীব্ৰতা আছিল অধিক
(হতাশ প্ৰেমিকৰ দৰে)
সকলো প্ৰতিযোগিতাৰ পৰা আঁতৰি থাকিবলৈ
যিয়ে প্ৰলুব্ধ কৰিছিল জীৱনক

এটা স্বৰ আছে, শুনানুশুনাকৈ
অচিন এটা চৰাইৰ কণ্ঠত ভৰ দি, গোপন এটা সংকেতৰ দৰে
(আচলতে এটা হেৰোৱা গান)
আৰু আকৌ এবাৰ জ্বলাই থৈ যায় প্ৰথম বিষাদৰ অনুভৱ
যাৰ জন্ম হৈছিল সন্ধ্যা জ্বলোৱা এটা জোনাকীৰ পাখিত
টিমিক-টামাক এখন গাঁৱৰ পথৰ দাঁতিত

আৰু হুমুনিয়াহৰ মাজেৰে প্ৰিয় দৃশ্যাৱলী ক্ৰমশঃ নুমাই যোৱা দেখি
যিয়ে কেৱল প্ৰসাৰিত কৰি তুলিছিল নিজৰ যন্ত্ৰণাদগ্ধ শৰীৰ ❑

## আত্মকথন অথবা এটা যৌৱনৰ কবিতা

ৰাজীৱ কুমাৰ দত্ত

তোমাৰ নিৰ্বাক মুখৰতাত সুবাসিত হোৱাৰ পিচত
মই এতিয়া বহু কথা জানো
নীলিম আকাশৰ ওঁঠত কিয় নদীবোৰ উদ্‌ভ্ৰান্ত হয়, ৰামধেনুৰ
সাতোখন উমাল হাতে কিয় আলফুলে বুটলি লয় উদ্বাস্তু পাহাৰ;
শৈশৱত কমোৱা তুলাবোৰ খেদিছিলো,
এতিয়া কমোৱা তুলাবোৰে খেদি ফুৰে মোক
কৈশোৰত নদীৰ বুকুত গান গাইছিলো,
এতিয়া নদীবোৰে মোৰ বুকুত গানৰ উৎসৱ পাতে
বসন্তৰ বাবে তৰাবোৰে কিমান বাটকুৰি বালে ? শেৱালিৰ
গান শুনি সময় কেইপল থমকি ৰ'ল, জানো ।

অথচ তোমাৰ বহু কথা মই আজিও নাজানো ।
(এই জনা-নজনাই নেকি তোমাৰ ৰং অথবা ভাষা ?) ❑



OKDISCD

বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপট এতিয়া মুঠেই সন্তোষজনক নহয়। অৰ্থনৈতিক সংকটে বিশ্বৰাজনীতিক ক্ৰমে জটিল কৰি তুলিছে। বজাৰসংকটে কেৱল তৃতীয় বিশ্বৰ দেশসমূহকে ক্ষতিগ্ৰস্ত কৰা নাই, ই উন্নত পুঁজিবাদী ৰাষ্ট্ৰসমূহকো কথাবোৰ নতুনকৈ ভাবিবলৈ বাধ্য কৰাইছে। সেয়ে এতিয়া বিশ্ব-বিন্যাসসমূহ সলনি হ'বলৈ ধৰিছে। পূৰ্বৰ দৰে আৰু আমেৰিকাৰ প্ৰতিটো হুকুম মানি চলিবলৈ বিশ্বৰ অন্যান্য ৰাষ্ট্ৰ এতিয়া মান্তি হোৱা নাই। প্ৰতিখন ৰাষ্ট্ৰই নতুন নতুন জোঁট বান্ধি বজাৰৰ সন্ধান কৰিব লাগিছে। এনে এক সন্ধিক্ষণত যোৱা ২১ জানুৱাৰী তাৰিখে আমেৰিকাৰ ৰাষ্ট্ৰক্ষমতাৰ দায়িত্বভাৰ গ্ৰহণ কৰিছে উইলিয়াম জেফাৰছন ক্লিণ্টনে। ১২ বছৰীয়া ৰিপাব্লিকান শাসনে মাৰ্কিনবাসীক হতাশ কৰাৰ পিচত ক্লিণ্টন এতিয়া মাৰ্কিন আশাৰ প্ৰতীক হৈ পৰিছে।





# হোৱাইট হাউছত ক্লিণ্টন

# গণৰাজ্য দিৱসত মেজৰ

## পৰিবৰ্তনৰ প্ৰতিশ্ৰুতিৰে ক্লিণ্টন

ধৈৰ্য হাজৰিকা

কি কৰিব ক্লিণ্টনে? মাৰ্কিনবাসীৰ আশাক বাস্তৱ ৰূপ দিব পাৰিবনে তেওঁ? বিশ্ব ৰাজনীতিত ক্লিণ্টনে কেনে ভূমিকা ল'ব? এনেধৰণৰ প্ৰশ্নবোৰ বিশ্বৰাজনীতিত এতিয়া বহুলভাবে আলোচিত হ'ব ধৰিছে। ক্লিণ্টনে অৱশ্যে দেশীয় সমস্যাবিলাকৰ ওপৰত সদ্যহতে মতামত ব্যক্ত কৰিছে যদিও বৈদেশিক নীতিৰ প্ৰসংগত বৰ্তমানলৈকে স্পষ্টকৈ একো কোৱা নাই। "সম্প্ৰতি বিদেশ নীতিতকৈ আভ্যন্তৰীণ সমস্যা চম্ভালত তেওঁ বেছি মন দিব" বুলি মন্তব্য দিছে। কাৰণ ৰিপাব্লিকান দলৰ ৰেগনৰ পৰা বুশ্বলৈকে এই ১২ বছৰীয়া শাসনে দেশৰ অৰ্থনীতিক যিদৰে বিপৰ্যস্ত কৰি তুলিলে তাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে আমেৰিকাৰ ভৱিষ্যৎ যে অন্ধকাৰ সেই কথা ক্লিণ্টনে উপলব্ধি কৰিব পাৰিছে আৰু সেয়ে তেওঁ আন্তঃৰাষ্ট্ৰীয় সমস্যাবিলাকৰ পৰিবৰ্তে এতিয়া দেশীয় সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যোৱা ১২ বছৰত আমেৰিকাৰ অৰ্থনীতি বেয়াকৈ ভাগি পৰে। বৰ্তমান আমেৰিকাৰ বিদেশী ঋণৰ পৰিমাণ হৈছে ৭০০ বিলিয়ন ডলাৰ। নিবনুৱাৰ সংখ্যা ১৯৯০ চনৰ জুনৰ পৰা বৃদ্ধি হৈ ১ দশমিক ৭ মিলিয়ন হৈছেগৈ। বাজেট ঘাটিৰ পৰিমাণ ৩০০ বিলিয়ন ডলাৰ। এই সময়ছোৱাত আমেৰিকাৰ অসংখ্য শিল্পউদ্যোগ বন্ধ হৈ যায় আৰু কিছুমান ধ্বংসপ্ৰাপ্ত হয়। কৰ্মহীন আৰু গৃহহীন লোকৰ সংখ্যা অবাধ গতিত বৃদ্ধি পোৱাত সমগ্ৰ দেশতে অপৰাধমূলক কাম-কাজৰ সংখ্যা অবিশ্বাস্য হাৰত বৃদ্ধি পায়। এই অৰ্থনৈতিক সংকটৰ পৰা দেশক উদ্ধাৰ কৰিবৰ বাবে যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে ক্লিণ্টনে এখন কঠোৰ অৰ্থনৈতিক পৰিকল্পনা দাখিল কৰে। বাজেট ঘাটি হ্ৰাস কৰিবলৈ ইয়াত সৰ্বাধিক কৰ বৃদ্ধি কৰা হৈছে। ৫০০ বিলিয়ন ডলাৰৰ কৰ আৰু ব্যয়ৰ পৰা আনকি প্ৰতিৰক্ষা বাজেটকো ৰেহাই দিয়া হোৱা নাই। প্ৰতিৰক্ষা বাজেটৰ পৰা পৰৱৰ্তী চাৰিবছৰত তেওঁ ৭৬ বিলিয়ন ডলাৰ কৰ্তন কৰাৰ প্ৰস্তাৱ ৰাখিছে। এক অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া পৰৱৰ্তী বিত্তীয় বৰ্ষত সামৰিক শিতানত ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে ২৭৭ দশমিক ৭ বিলিয়ন ডলাৰ। এই শিতানত পূৰ্বৰ জৰ্জ বুশ্বৰ শাসনকালতকৈ ৬ দশমিক ৭ বিলিয়ন ডলাৰ কৰ্তন কৰা হৈছে। তদুপৰি অৰ্থনীতিক পুনৰুজ্জীৱিত কৰিবৰ বাবে ক্লিণ্টনে ৩১ বিলিয়ন ডলাৰৰ এটা 'ষ্টিমুলাছ পেকেজো' প্ৰৱৰ্তন কৰিছে।

বৰ্তমানৰ পৰা প্ৰতি ১০ বছৰৰ পিচত আমেৰিকাৰ বাজেট ঘাটিৰ পৰিমাণ হ'ব ৬৩৫ বিলিয়ন ডলাৰ আৰু ৰাষ্ট্ৰীয় ঋণ মুঠ ঘৰুৱা উপাদানৰ ৮০ শতাংশ হ'ব। এই ঋণৰ সূদ দিয়াটো চৰকাৰৰ বাবে কঠিন হৈ পৰিব আৰু আমেৰিকা বিদেশী পুঁজিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিব লাগিব বুলি তেওঁ দেশবাসীক সতৰ্ক কৰি দিছে। দেশখনৰ এই শোচনীয় অৰ্থনৈতিক অৱস্থাৰ বাবে তেওঁ পূৰ্বৰ ৰিপাব্লিকান দলৰ শাসনকেই জগৰীয়া কৰিছে। আনহাতে ৰিপাব্লিকান দলে ক্লিণ্টনৰ অৰ্থনৈতিক পৰিকল্পনাক সমৰ্থন জনোৱা নাই। ঠিক সেইদৰে সামৰিক শিতানত ব্যয় হ্ৰাসৰ প্ৰসংগক সামৰিক প্ৰধানসকলে সহজভাবে গ্ৰহণ কৰিব পৰা নাই। প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত কংগ্ৰেছৰ অসহযোগিতাৰ বাবে পূৰ্বৰ ৰেগান আৰু বুশ্ব দুয়োজন শাসকেই যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। এইক্ষেত্ৰত ক্লিণ্টনো নিশ্চিত হ'ব পৰা নাই। কাৰণ মাৰ্কিন সামৰিক বাহিনীত সমকামীসকলৰ ভৰ্তিৰ প্ৰসংগত যি নিষেধাজ্ঞা আছে সেই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ'ব বুলি ক্লিণ্টনে নিৰ্বাচনৰ সময়ত ৰাইজক প্ৰতিশ্ৰুতি দিছিল আৰু সেই প্ৰতিশ্ৰুতি অনুযায়ী এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ লওঁতে তেওঁ কংগ্ৰেছৰ সদস্যসকলৰ বাধাৰ সন্মুখীন হয়। ফলত উপায়বিহীন হৈ ক্লিণ্টনে কংগ্ৰেছৰ লগত এটা আপোচত আহি এই বিষয়ৰ চূড়ান্ত সিদ্ধান্তৰ দিন অহা ১৬ জুলাইলৈকে স্থগিত ৰাখে। নতুনকৈ কাৰ্যভাৰ গ্ৰহণ কৰি প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত ক্লিণ্টনে সমকামীসকলক লৈ প্ৰথমটো উজুটি খালে। ইয়াৰ দ্বাৰা তেওঁ নিশ্চয় নিৰ্বাচনী প্ৰতিশ্ৰুতি আৰু প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত থকা ব্যৱহাৰিক সীমাবদ্ধতাৰ পাৰ্থক্যক উপলব্ধি কৰিব পাৰিছে।

নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰিবলৈ ক্লিণ্টন এতিয়া তৎপৰ হৈ পৰিছে। পত্নী হিলাৰীৰ লগত আলোচনামৰ্মে ইতিমধ্যে এদল সুদক্ষ লোকক লৈ তেওঁৰ প্ৰশাসনিক ব্যৱস্থাটো তৈয়াৰ কৰিছে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল তেওঁৰ এই কেবিনেট আৰু উপদেষ্টা মণ্ডলীত ৯জন বৃহৎ পুঁজিপতি অন্তৰ্ভুক্ত হৈছে, যিটো পৰিমাণে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে। গতিকে সৰহসংখ্যক পুঁজিপতিৰে পৰিপুষ্ট তেওঁৰ প্ৰশাসনিক ব্যৱস্থাটোৱে সাধাৰণ ৰাইজৰ আশা-আকাংক্ষাক কিমানদূৰ প্ৰতিফলিত কৰিব অনাগত দিনত সেইটো লক্ষ্যণীয় বিষয় হৈ ৰ'ব।

বিশ্ব কমিউনিষ্ট আন্দোলনত অহা পৰা বিপৰ্যয় আৰু শীতল যুদ্ধৰ পিচৰ পৃথিৱীত মাৰ্কিন প্ৰশাসনে বিশ্ব ৰাজনীতিত কি ভূমিকা লয় সেইটো এতিয়া গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। আভ্যন্তৰীণ সমস্যাসমূহৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি ক্লিণ্টনে ঘোষণা কৰিলেও বুশ্ব প্ৰশাসনৰ পৰা উত্তৰাধিকাৰসূত্ৰে যিবিলাক আন্তঃৰাষ্ট্ৰীয় সমস্যা ক্লিণ্টনে মূৰ পাতি লৈছে সেইবোৰৰ ক্ষেত্ৰত তেওঁ গুৰুত্ব নিদিয়াকৈ থাকিব নোৱাৰিব। বিশেষকৈ ইৰাক আৰু ব'ছনিয়াৰ সমস্যাসমূহ, কানাডা আৰু মেক্সিকোৰ লগত মুক্ত বাণিজ্য অঞ্চল স্থাপন, দুৰ্ভিক্ষত জৰ্জৰিত ছ'মালিয়াৰ গৃহযুদ্ধত অংশগ্ৰহণ তথা ৰুছিয়াৰ লগত আণৱিক অস্ত্ৰ হ্ৰাসকৰণৰ গুৰুত্বপূৰ্ণ চুক্তি ইত্যাদি প্ৰসংগবোৰে ক্লিণ্টনৰ লগ এৰা নিদিব। বৈদেশিক নীতিৰ প্ৰসংগত তেওঁ স্পষ্টকৈ একো নক'লেও জৰ্জ বুশ্বৰ বৈদেশিক নীতিকেই যে তেওঁ অৱলম্বন কৰিব তাৰ আভাস ইতিমধ্যে পোৱা গৈছে। তেওঁ ঘোষণা কৰিছে যে "সম্ভৱপৰস্থলত শান্তিপূৰ্ণ কূটনীতি আৰু প্ৰয়োজনসাপেক্ষে শক্তি" প্ৰয়োগ কৰি আমেৰিকাই বিশ্বৰ নেতৃত্ব

**বিশ্বত আমেৰিকান সাম্ৰাজ্যবাদৰ আগ্ৰাসী ভূমিকাৰ যে অকণো পৰিৱৰ্তন ঘটোৱাত ক্লিণ্টন আগ্ৰহী নহয় বৰং আমেৰিকাৰ অৰ্থনৈতিক সংকট মোচনৰ বাবে তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত অধিকতৰ শোষণ জাপি দিয়া হ'ব সেই বাৰ্তাকে তেওঁ বিশ্ববাসীলৈ প্ৰেৰণ কৰিছে**

পোৱা উচিত। ফেচিবাদ আৰু সাম্যবাদৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত থাকিব বুলি তেওঁ পুনৰ দোহাৰিছে। "কিউবান ডেম'ক্ৰেচি এক্ট" যিখন আইনৰ দ্বাৰা আমেৰিকাই কিউবাৰ ওপৰত বাণিজ্যিক নিষেধাজ্ঞা আৰোপ কৰি ৰাখিছে সেইখন আইনক ক্লিণ্টনে পূৰ্ণ সমৰ্থন জনাইছে। ইয়াৰ দ্বাৰা বিশ্বত আমেৰিকান সাম্ৰাজ্যবাদৰ আগ্ৰাসী ভূমিকাৰ যে অকণো পৰিবৰ্তন ঘটোৱাত ক্লিণ্টন আগ্ৰহী নহয় বৰং আমেৰিকাৰ অৰ্থনৈতিক সংকট মোচনৰ বাবে তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত অধিকতৰ শোষণ জাপি দিয়া হ'ব সেই বাৰ্তাকে তেওঁ বিশ্ববাসীলৈ প্ৰেৰণ কৰিছে।

ক্লিণ্টনৰ সন্মুখত এতিয়া এশএবুৰি সমস্যা। ৰাজনৈতিক বিশেষজ্ঞসকলে ঠিকেই মন্তব্য কৰিছে যে ১৯৮০ চনত ৰোনাল্ড ৰেগানে তিনিটা ম্যাদৰ বাবে শাসনৰ পাতনি মেলা সময়তকৈ ক্লিণ্টনে অধিক জনবহুল, বিশৃংখল আৰু প্ৰদূষিত পৃথিৱী এখনৰ সন্মুখীন হৈছে। সম্প্ৰতি সমগ্ৰ বিশ্বই হৈ পৰিছে অস্থিৰ। চাৰিওফালে কৰ্মহীনতা, দৰিদ্ৰতা, অনাহাৰ, সন্ত্ৰাস আৰু তাৰ লগে লগে বাঢ়ি অহা জাতীয় আন্দোলনসমূহৰ তীব্ৰতা তথা মৌলবাদৰ প্ৰসৰাতাক ক্লিণ্টনে কেনেদৰে মোকাবিলা কৰে তাক চাবলৈ সমগ্ৰ বিশ্বই এতিয়া আগ্ৰহৰে বাট চাই আছে। ইউৰোপত নতুন শক্তিৰ অভ্যুদয় তথা এচিয়াত জাপানৰ শক্তিশালী অৱস্থিতিয়ে অনাগত দিনত আমেৰিকান সাম্ৰাজ্যবাদক তীব্ৰ প্ৰত্যাহ্বান জনোৱাৰ সম্ভাৱনা প্ৰবল। বজাৰ দখলৰ বাবে স্বাভাৱিকতে আমেৰিকাৰ লগত বিশ্বৰ অন্যান্য সাম্ৰাজ্যবাদী শক্তিসমূহৰ সৰুসুৰা বাণিজ্য যুদ্ধ চলি থাকিব। এনে পৰিপ্ৰেক্ষিতত তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত মাধমাৰ মাৰি আমেৰিকাৰ আভ্যন্তৰীণ সমস্যাসমূহ ক্লিণ্টনে কিছু পৰিমাণে সমাধা কৰিব পাৰিলেও বিশ্ব ৰাজনীতিত কিন্তু গুণগত পৰিবৰ্তন সাধন কৰিব পৰাৰ সম্ভাৱনা ক্ষীণ।

## জন মেজৰ ভাৰতলৈ কিয় আহিছিল?

বৃটিছ প্ৰধানমন্ত্ৰী জন মেজৰ আহিছিল ভাৰতলৈ। চলিত বছৰৰ গণৰাজ্য দিৱসত তেওঁ প্ৰধান অতিথি হিচাপে যোগদান কৰি গৈছে। ছোভিয়েট ৰুছিয়াৰ পতনৰ লগে লগে বিশ্ব ৰাজনীতিত যি আমূল পৰিবৰ্তন সাধিত হৈছে তাৰ পৰিপ্ৰেক্ষিতত বৃটেইনে এতিয়া ভাৰতক গুৰুত্ব দিবলৈ বাধ্য হৈ পৰিছে।

দক্ষিণ আৰু দক্ষিণ-পূব এচিয়াৰ ৰাজনীতিৰ লগত বৃটেইনৰ এতিয়া গভীৰ স্বাৰ্থ জড়িত হৈ আছে। কিয়নো বিশ্বত এতিয়া কেৱল কমিউনিষ্ট শাসিত ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিয়েই ভাগি পৰা নাই, উন্নত পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিও এতিয়া বিপৰ্যয়ৰ গৰাহত। অৰ্থনৈতিক মন্দাই বিশ্ববিন্যাসসমূহ এতিয়া ক্ৰমে সলনি কৰিবলৈ ধৰিছে। এই পৰিবৰ্তনকামী সোঁতত বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই নিজৰ স্থানৰ সংজ্ঞা পুনৰনিৰ্দ্ধাৰণ কৰিব লগা হৈছে আৰু কেতবোৰ অঞ্চলত নতুন সম্পৰ্ক স্থাপন আৰু আন কেতবোৰ অঞ্চলত পুৰণি সম্পৰ্ক এৰাই চলিবলৈ বাধ্য হৈছে।

বজাৰৰ সন্ধানতেই বৃটেইনে এতিয়া দক্ষিণ-পূব এছিয়াৰ ওপৰত চকু দিছে। কিয়নো আমেৰিকাৰ লগত বৃটেইনৰ এটা মধুৰ সম্পৰ্ক আছে যদিও চতুৰ মেজৰে ভালদৰেই লক্ষ্য কৰিছে যে সংকট-জৰ্জৰিত আমেৰিকান অৰ্থনীতি এতিয়া আৰু বৃটেইনৰ বাবে নিৰ্ভৰযোগ্য স্থান হৈ থকা নাই। জাপান আৰু জাৰ্মানীকে ধৰি ইউৰোপৰ উঁমেহতীয়া শক্তিয়ে আমেৰিকান সাম্ৰাজ্যবাদক তীব্ৰ প্ৰত্যাহ্বান জনাইছে। জাপান আৰু জাৰ্মানীৰ অৰ্থনীতিয়ে মাৰ্কিন বজাৰক দ্ৰুতগতিত গিলিব ধৰিছে। দক্ষিণ এছিয়াত আমেৰিকাৰ প্ৰভাৱ অবিশ্বাস্য গতিত হ্ৰাস পাইছে আৰু জাপানৰ প্ৰভাৱ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

আমেৰিকান সাহায্য প্ৰতিখন দেশতে কমিবলৈ ধৰিছে। ১৯৮৮ চনত জাপানে ভাৰতলৈ দিয়া ১৭৯ মিলিয়ন ডলাৰৰ সাহায্যৰ বিপৰীতে আমেৰিকান সাহায্য আছিল মাত্ৰ ৯১ বিলিয়ন ডলাৰ। ইফালে 'ইউৰোপীয়ান কমিউনিটি'য়ে ইউৰোপৰ বাৰখন ৰাষ্ট্ৰক চামিল কৰি অৰ্থনীতি আৰু বিনিময় মুদ্ৰাৰ ভিত্তিত এখন যুক্তৰাষ্ট্ৰ গঠন কৰিবৰ বাবে পূৰ্ণোদ্যমে প্ৰচেষ্টা চলাই আছে। এখন সংযুক্ত ইউৰোপ মূলধন, সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত বিশ্বৰ সৰ্ববৃহৎ একক বজাৰ হৈ উঠিব আৰু ই আমেৰিকাৰ বাবে গভীৰ প্ৰত্যাহ্বান হ'ব।

এই প্ৰসংগত আমেৰিকা শংকিত হৈ একত্ৰীকৰণ প্ৰক্ৰিয়াটো বিঘ্নিত কৰিবলৈ বৃটেইনক শিখণ্ডীৰূপে ব্যৱহাৰ কৰিবলৈ লৈছে। ইয়াত বৃটেইনে প্ৰথম অৱস্থাত সন্মতি জনাইছিল যদিও সম্প্ৰতি কথাবোৰ কিছু অন্যধৰণে চিন্তা কৰিবলৈ লৈছে। যিহেতু পুৰণি সাম্ৰাজ্যবাদী শক্তি হিচাপে বৃটেইনৰো বিশ্বজোৰা আকাংক্ষা আছে। আমেৰিকান সাম্ৰাজ্যবাদলৈ অহা প্ৰত্যাহ্বানৰ লগে লগে ইউৰোপীয় উঁমেহতীয়া বজাৰে আনিব পৰা সম্ভাব্য সুবিধাকণৰ উপযুক্ত ব্যৱহাৰ কৰিবলৈ বৃটেইনে এতিয়া প্ৰস্তুতি চলাইছে। সেয়ে বৃটেইনক এতিয়া প্ৰয়োজন হৈছে ভাৰতক। দক্ষিণ-পূব আৰু দক্ষিণ এছিয়াৰ বজাৰত বেপৰোৱাভাৱে প্ৰৱেশ কৰাটো বৃটেইনৰ বাবে জৰুৰী হৈ পৰিছে। কাৰণ ইউৰোপীয় উঁমেহতীয়া বজাৰে ইয়াৰ উদ্যোগবোৰলৈ যথেষ্টখিনি সুবিধা আনি দিছে যদিও সেই সুবিধা গ্ৰহণ কৰিব পৰাকৈ বৃটেইনৰ অৰ্থনীতি সুস্থ নহয়। অন্যহাতে ৰুছিয়া আৰু পূব ইউৰোপৰ ৰাষ্ট্ৰসমূহেও ইউৰোপৰ উঁমেহতীয়া শক্তিৰ লগত চামিল হ'ব বুলি দোহাৰিছে। গতিকে এতিয়া গোটেই বিশ্বত বৃটেইনৰ বাবে আছেগৈ দক্ষিণ এছিয়া। আমেৰিকাৰ লগত সহযোগিতাৰে দক্ষিণ এছিয়াৰ বজাৰত প্ৰৱেশ কৰাই বৃটেইনৰ এতিয়া মূল উদ্দেশ্য। সেয়ে বৃটেইনৰ দৃষ্টিত ভাৰতৰ গুৰুত্ব এতিয়া অপৰিসীম।


অন্যহাতে সাম্প্ৰতিক বিশ্বত মুছলিম মৌলবাদে ব্যাপক প্ৰসাৰতা অৰ্জন কৰিছে। জৰ্জ বুশ্বৰ শেহতীয়া ইৰাক আক্ৰমণত মুছলিম ৰাষ্ট্ৰসমূহে আমেৰিকাৰ পক্ষ লোৱা নাই। গতিকে অদূৰ ভৱিষ্যতে মুছলিম ৰাষ্ট্ৰসমূহ ঐক্যবদ্ধ শক্তিলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা প্ৰবল। যিটো হ'বলৈ হ'লে বৃটেইন আৰু আমেৰিকা দুয়োপক্ষৰ বাবেই সুবিধাজনক নহ'ব। সেয়ে ধৰ্মনিৰপেক্ষতাৰ দৃষ্টিভংগীৰ ফালৰ পৰা বৃটেইনৰ ওচৰত ভাৰতে গুৰুত্ব লাভ কৰিছে।


গতিকে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ভাৰতৰ গুৰুত্ব যে হ্ৰাস পোৱা নাই বৰং বাঢ়িছেহে মেজৰৰ ভ্ৰমণে সেই ইংগিত দিছে। সদায় সুবিধাজনক ৰাজনীতি কৰি অহা ভাৰতে মেজৰৰ ভ্ৰমণক কেনেদৰে বিবেচনা কৰে তাৰ ওপৰত দক্ষিণ এছিয়াৰ ৰাজনীতি এতিয়া বহু পৰিমাণে নিৰ্ভৰশীল। ❑











# নলৰ পৰা নলনী আৰু কিছু কথা

ৰবীন মৰাণ

১৯১৯ চনৰ কথা। তেতিয়া অঞ্চলটো অটব্য অৰণ্যৰে ভৰপূৰ। বিশেষকৈ কাকবাঁহেৰে পৰিপূৰ্ণ এই ঠাইখন যথেষ্ট ওখ। দ' বুলিবলৈ মুঠেই ডিব্ৰুপাৰৰ ফেকেলানিখন। গেৰেকনি, তিমনি, সকলোতে নল-খাগৰিৰ ৰাজত্ব। বালিচাপৰিত কঁহুৱা বিনয়। প্ৰাকৃতিক শোভাবৰ্দ্ধনকাৰী ডিব্ৰু ফেকেলানিখন কিন্তু খেতিৰ উপযোগী নহয়। ডিব্ৰুপাৰৰ সেউজীয়া নল বনে প্ৰত্যক্ষদৰ্শী সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল, তাকে লৈ ঠাইখনৰ নাম ৰখা হ'ল 'নলনী'।

পোনতে সাতজনমান মানুহে পাম পাতি ভুঁই লৈছিলহি। তাৰে তিনিজন 'মৌপিয়া খাটোৱাল' বংশৰ, আহিছিল বেবেজীয়া গাঁৱৰ পৰা। চাৰিজন আহিছিল কাকপথাৰ অঞ্চলৰ কুলীপথাৰ নামৰ গাঁৱৰ পৰা; তেওঁলোক আছিল কুকুৰে খোৱা খেলৰ। উক্ত কেউজন লোক আছিল মৰাণ সম্প্ৰদায়ৰ। কোৱা বাহুল্য যে সম্পূৰ্ণ জনজাতীয় বৈশিষ্ট্যৰ অধিকাৰী মৰাণ সম্প্ৰদায়ৰ লোকসকলে সাধাৰণতে পোহৰৰ পৰা ক্ৰমে অন্ধকাৰ দিশে গতি কৰি ভাল পায়। অৰ্থাৎ গাঁওমুখী। অৱশ্যে সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে ইয়াৰ কাৰণ কিছুমান পৰিলক্ষিত

পোৱা উচিত। ফেচিবাদ আৰু সাম্যবাদৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত থাকিব বুলি তেওঁ পুনৰ দোহাৰিছে। "কিউবান ডেম'ক্ৰেচি এক্ট" যিখন আইনৰ দ্বাৰা আমেৰিকাই কিউবাৰ ওপৰত বাণিজ্যিক নিষেধাজ্ঞা আৰোপ কৰি ৰাখিছে সেইখন আইনক ক্লিণ্টনে পূৰ্ণ সমৰ্থন জনাইছে। ইয়াৰ দ্বাৰা বিশ্বত আমেৰিকান সাম্ৰাজ্যবাদৰ আগ্ৰাসী ভূমিকাৰ যে অকণো পৰিবৰ্তন ঘটোৱাত ক্লিণ্টন আগ্ৰহী নহয় বৰং আমেৰিকাৰ অৰ্থনৈতিক সংকট মোচনৰ বাবে তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত অধিকতৰ শোষণ জাপি দিয়া হ'ব সেই বাৰ্তাকে তেওঁ বিশ্ববাসীলৈ প্ৰেৰণ কৰিছে।

ক্লিণ্টনৰ সন্মুখত এতিয়া এশএবুৰি সমস্যা। ৰাজনৈতিক বিশেষজ্ঞসকলে ঠিকেই মন্তব্য কৰিছে যে ১৯৮০ চনত ৰোনাল্ড ৰেগানে তিনিটা ম্যাদৰ বাবে শাসনৰ পাতনি মেলা সময়তকৈ ক্লিণ্টনে অধিক জনবহুল, বিশৃংখল আৰু প্ৰদূষিত পৃথিৱী এখনৰ সন্মুখীন হৈছে। সম্প্ৰতি সমগ্ৰ বিশ্বই হৈ পৰিছে অস্থিৰ। চাৰিওফালে কৰ্মহীনতা, দৰিদ্ৰতা, অনাহাৰ, সন্ত্ৰাস আৰু তাৰ লগে লগে বাঢ়ি অহা জাতীয় আন্দোলনসমূহৰ তীব্ৰতা তথা মৌলবাদৰ প্ৰসৰতাক ক্লিণ্টনে কেনেদৰে মোকাবিলা কৰে তাক চাবলৈ সমগ্ৰ বিশ্বই এতিয়া আগ্ৰহৰে বাট চাই আছে। ইউৰোপত নতুন শক্তিৰ অভ্যুদয় তথা এচিয়াত জাপানৰ শক্তিশালী অৱস্থিতিয়ে অনাগত দিনত আমেৰিকান সাম্ৰাজ্যবাদক তীব্ৰ প্ৰত্যাহ্বান জনোৱাৰ সম্ভাৱনা প্ৰবল। বজাৰ দখলৰ বাবে স্বাভাৱিকতে আমেৰিকাৰ লগত বিশ্বৰ অন্যান্য সাম্ৰাজ্যবাদী শক্তিসমূহৰ সৰুসুৰা বাণিজ্য যুদ্ধ চলি থাকিব। এনে পৰিপ্ৰেক্ষিতত তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত মাধমাৰ মাৰি আমেৰিকাৰ আভ্যন্তৰীণ সমস্যাসমূহ ক্লিণ্টনে কিছু পৰিমাণে সমাধা কৰিব পাৰিলেও বিশ্ব ৰাজনীতিত কিন্তু গুণগত পৰিবৰ্তন সাধন কৰিব পৰাৰ সম্ভাৱনা ক্ষীণ।

## জন মেজৰ ভাৰতলৈ কিয় আহিছিল?

বৃটিছ প্ৰধানমন্ত্ৰী জন মেজৰ আহিছিল ভাৰতলৈ। চলিত বছৰৰ গণৰাজ্য দিৱসত তেওঁ প্ৰধান অতিথি হিচাপে যোগদান কৰি গৈছে। ছোভিয়েট ৰুছিয়াৰ পতনৰ লগে লগে বিশ্ব ৰাজনীতিত যি আমূল পৰিবৰ্তন সাধিত হৈছে তাৰ পৰিপ্ৰেক্ষিতত বৃটেইনে এতিয়া ভাৰতক গুৰুত্ব দিবলৈ বাধ্য হৈ পৰিছে।

দক্ষিণ আৰু দক্ষিণ-পূব এচিয়াৰ ৰাজনীতিৰ লগত বৃটেইনৰ এতিয়া গভীৰ স্বাৰ্থ জড়িত হৈ আছে। কিয়নো বিশ্বত এতিয়া কেৱল কমিউনিষ্ট শাসিত ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিয়েই ভাগি পৰা নাই, উন্নত পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিও এতিয়া বিপৰ্যয়ৰ গৰাহত। অৰ্থনৈতিক মন্দাই বিশ্ববিন্যাসসমূহ এতিয়া ক্ৰমে সলনি কৰিবলৈ ধৰিছে। এই পৰিবৰ্তনকামী সোঁতত বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই নিজৰ স্থানৰ সংজ্ঞা পুনৰনিৰ্দ্ধাৰণ কৰিব লগা হৈছে আৰু কেতবোৰ অঞ্চলত নতুন সম্পৰ্ক স্থাপন আৰু আন কেতবোৰ অঞ্চলত পুৰণি সম্পৰ্ক এৰাই চলিবলৈ বাধ্য হৈছে।

বজাৰৰ সন্ধানতেই বৃটেইনে এতিয়া দক্ষিণ-পূব এছিয়াৰ ওপৰত চকু দিছে। কিয়নো আমেৰিকাৰ লগত বৃটেইনৰ এটা মধুৰ সম্পৰ্ক আছে যদিও চতুৰ মেজৰে ভালদৰেই লক্ষ্য কৰিছে যে সংকট-জৰ্জৰিত আমেৰিকান অৰ্থনীতি এতিয়া আৰু বৃটেইনৰ বাবে নিৰ্ভৰযোগ্য স্থান হৈ থকা নাই। জাপান আৰু জাৰ্মানীকে ধৰি ইউৰোপৰ উঁমৈহতীয়া শক্তিয়ে আমেৰিকান সাম্ৰাজ্যবাদক তীব্ৰ প্ৰত্যাহ্বান জনাইছে। জাপান আৰু জাৰ্মানীৰ অৰ্থনীতিয়ে মাৰ্কিন বজাৰক দ্ৰুতগতিত গিলিব ধৰিছে। দক্ষিণ এছিয়াত আমেৰিকাৰ প্ৰভাৱ অবিশ্বাস্য গতিত হ্ৰাস পাইছে আৰু জাপানৰ প্ৰভাৱ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।


আমেৰিকান সাহায্য প্ৰতিখন দেশতে কমিবলৈ ধৰিছে। ১৯৮৮ চনত জাপানে ভাৰতলৈ দিয়া ১৭৯ মিলিয়ন ডলাৰৰ সাহায্যৰ বিপৰীতে আমেৰিকান সাহায্য আছিল মাত্ৰ ৯১ বিলিয়ন ডলাৰ। ইফালে 'ইউৰোপীয়ান কমিউনিটি'য়ে ইউৰোপৰ বাৰখন ৰাষ্ট্ৰক চামিল কৰি অৰ্থনীতি আৰু বিনিময় মুদ্ৰাৰ ভিত্তিত এখন যুক্তৰাষ্ট্ৰ গঠন কৰিবৰ বাবে পূৰ্ণোদ্যমে প্ৰচেষ্টা চলাই আছে। এখন সংযুক্ত ইউৰোপ মূলধন, সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত বিশ্বৰ সৰ্ববৃহৎ একক বজাৰ হৈ উঠিব আৰু ই আমেৰিকাৰ বাবে গভীৰ প্ৰত্যাহ্বান হ'ব। এই প্ৰসংগত আমেৰিকা শংকিত হৈ একত্ৰীকৰণ প্ৰক্ৰিয়াটো বিঘ্নিত কৰিবলৈ বৃটেইনক শিখণ্ডীৰূপে ব্যৱহাৰ কৰিবলৈ লৈছে। ইয়াত বৃটেইনে প্ৰথম অৱস্থাত সন্মতি জনাইছিল যদিও সম্প্ৰতি কথাবোৰ কিছু অন্যধৰণে চিন্তা কৰিবলৈ লৈছে। যিহেতু পুৰণি সাম্ৰাজ্যবাদী শক্তি হিচাপে বৃটেইনৰো বিশ্বজোৰা আকাংক্ষা আছে। আমেৰিকান সাম্ৰাজ্যবাদলৈ অহা প্ৰত্যাহ্বানৰ লগে লগে ইউৰোপীয় উঁমৈহতীয়া বজাৰে আনিব পৰা সম্ভাব্য সুবিধাকণৰ উপযুক্ত ব্যৱহাৰ কৰিবলৈ বৃটেইনে এতিয়া প্ৰস্তুতি চলাইছে। সেয়ে বৃটেইনক এতিয়া প্ৰয়োজন হৈছে ভাৰতক। দক্ষিণ-পূব আৰু দক্ষিণ এছিয়াৰ বজাৰত বেপৰোৱাভাৱে প্ৰৱেশ কৰাটো বৃটেইনৰ বাবে জৰুৰী হৈ পৰিছে। কাৰণ ইউৰোপীয় উঁমৈহতীয়া বজাৰে ইয়াৰ উদ্যোগবোৰলৈ যথেষ্টখিনি সুবিধা আনি দিছে যদিও সেই সুবিধা গ্ৰহণ কৰিব পৰাকৈ বৃটেইনৰ অৰ্থনীতি সুস্থ নহয়। অন্যহাতে ৰুছিয়া আৰু পূব ইউৰোপৰ ৰাষ্ট্ৰসমূহেও ইউৰোপৰ উঁমৈহতীয়া শক্তিৰ লগত চামিল হ'ব বুলি দোহাৰিছে। গতিকে এতিয়া গোটেই বিশ্বত বৃটেইনৰ বাবে আছেগৈ দক্ষিণ এছিয়া। আমেৰিকাৰ লগত সহযোগিতাৰে দক্ষিণ এছিয়াৰ বজাৰত প্ৰৱেশ কৰাই বৃটেইনৰ এতিয়া মূল উদ্দেশ্য। সেয়ে বৃটেইনৰ দৃষ্টিত ভাৰতৰ গুৰুত্ব এতিয়া অপৰিসীম।

অন্যহাতে সাম্প্ৰতিক বিশ্বত মুছলিম মৌলবাদে ব্যাপক প্ৰসাৰতা অৰ্জন কৰিছে। জৰ্জ বুশ্বৰ শেহতীয়া ইৰাক আক্ৰমণত মুছলিম ৰাষ্ট্ৰসমূহে আমেৰিকাৰ পক্ষ লোৱা নাই। গতিকে অদূৰ ভৱিষ্যতে মুছলিম ৰাষ্ট্ৰসমূহ ঐক্যবদ্ধ শক্তিলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা প্ৰবল। যিটো হ'বলৈ হ'লে বৃটেইন আৰু আমেৰিকা দুয়োপক্ষৰ বাবেই সুবিধাজনক নহ'ব। সেয়ে ধৰ্মনিৰপেক্ষতাৰ দৃষ্টিভংগীৰ ফালৰ পৰা বৃটেইনৰ ওচৰত ভাৰতে গুৰুত্ব লাভ কৰিছে।

গতিকে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ভাৰতৰ গুৰুত্ব যে হ্ৰাস পোৱা নাই বৰং বাঢ়িছেহে মেজৰৰ ভ্ৰমণে সেই ইংগিত দিছে। সদায় সুবিধাজনক ৰাজনীতি কৰি অহা ভাৰতে মেজৰৰ ভ্ৰমণক কেনেদৰে বিবেচনা কৰে তাৰ ওপৰত দক্ষিণ এছিয়াৰ ৰাজনীতি এতিয়া বহু পৰিমাণে নিৰ্ভৰশীল। ❑







# নলৰ পৰা নলনী আৰু কিছু কথা

ৰবীন মৰাণ

১৯১৯ চনৰ কথা। তেতিয়া অঞ্চলটো অটব্য অৰণ্যৰে ভৰপূৰ। বিশেষকৈ কাকবাঁহেৰে পৰিপূৰ্ণ এই ঠাইখন যথেষ্ট ওখ। দ' বুলিবলৈ মুঠেই ডিব্ৰুপাৰৰ ফেকেলানিখন। গেৰেকনি, তিমনি, সকলোতে নল-খাগৰিৰ ৰাজত্ব। বালিচাপৰিত কঁহুৱা বিনয়। প্ৰাকৃতিক শোভাবৰ্দ্ধনকাৰী ডিব্ৰু ফেকেলানিখন কিন্তু খেতিৰ উপযোগী নহয়। ডিব্ৰুপাৰৰ সেউজীয়া নল বনে প্ৰত্যক্ষদৰ্শী সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল, তাকে লৈ ঠাইখনৰ নাম ৰখা হ'ল 'নলনী'।

পোনতে সাতজনমান মানুহে পাম পাতি ভুঁই লৈছিলহি। তাৰে তিনিজন 'মৌপিয়া খাটোৱাল' বংশৰ, আহিছিল বেবেজীয়া গাঁৱৰ পৰা। চাৰিজন আহিছিল কাকপথাৰ অঞ্চলৰ কুলীপথাৰ নামৰ গাঁৱৰ পৰা; তেওঁলোক আছিল কুকুৰে খোৱা খেলৰ। উক্ত কেউজন লোক আছিল মৰাণ সম্প্ৰদায়ৰ। কোৱা বাহুল্য যে সম্পূৰ্ণ জনজাতীয় বৈশিষ্ট্যৰ অধিকাৰী মৰাণ সম্প্ৰদায়ৰ লোকসকলে সাধাৰণতে পোহৰৰ পৰা ক্ৰমে অন্ধকাৰ দিশে গতি কৰি ভাল পায়। অৰ্থাৎ গাঁওমুখী। অৱশ্যে সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে ইয়াৰ কাৰণ কিছুমান পৰিলক্ষিত

হয়। সর্বজনবিদিত যে মৰাণ সম্প্ৰদায়ৰ লোকসকলৰ অভ্যন্তৰীণ নীতি-নিয়ম বা অন্ধবিশ্বাস আদি অন্য জাতি বা সম্প্ৰদায়. তুলনাত সৰহ। বৰ্তমান হোলোং বোকাপথাৰ সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীজয়ৰাম মূৰ্তি দেৱৰ পিতৃগুৰু স্বৰ্গীয় পদ্মমূৰ্তি (দীঘলা গোসাঁই) দেৱে নকৈ মাটি খোলা নলনী গাঁৱত সত্ৰ পাতিবৰ বাবে মাটিবাৰী চাবলৈ তিনি বুঢ়াক পাচিলে। কেউদিশ লক্ষ্য ৰাখি ডিব্ৰুপৰীয়া প্ৰায় ৯ বিঘা বাম মাটি সত্ৰ স্থাপনৰ বাবে স্থান নিৰ্বাচন কৰি সীমা বান্ধিলে। যথা ৰীতি তামোল-পাণ কাটি ধৰ্ম খুটিও পুতিলে। তাৰপাচত দ' মাটিৰ অন্বেষণত ডিব্ৰু নৈৰ কাষ পালেগৈ। দেখিলে, নল-খাগৰীৰে ভৰা এখন অগাধ জংঘল। ডিব্ৰুৰ ফেকেলানি খেতি খোৱাৰ বাবে উপযুক্ত নোহোৱাত নলনীত সত্ৰ পতা নহ'লগৈ। উক্ত মাটিডোখৰ আজিও সংৰক্ষিত অৱস্থাতেই আছে। যিহেতু সেই ঠাইত সৰ্বসাধাৰণলোকে খেতি কৰা দূৰৈৰ কথা, বৰ্তমান সত্ৰৰ সত্ৰাধিকাৰেও পিচহুঁহকিব লগা হৈছে। 'কালিকা' (মায়া) লগা উক্ত মাটিত শৌচ-প্ৰস্ৰাৱ কৰি যমৰ দুৱাৰমুখ দেখি পোৱা মানুহৰ উদাহৰণ কেইবাটাও আছে।

নকৈ খোলামাটিত ভিন্ন তৰহৰ শস্য উৎপাদন কৰা হৈছিল। মুঠতে কেৰাচিন তেল, নিমখ আদি কেইপদমান বস্তুৰ বাদে সকলোবোৰ ব্যৱহাৰ্য বস্তুৱেই উৎপাদন কৰি লৈছিল নিজ হাতেৰে। আহুধান, খৰমৌ (ৰঙালাও), কোমোৰা, আদা, কাঠআলু, গৈ আলু, জলকীয়া, বেঙেনা, কল, কুঁহিয়াৰ, চাহপাত, সৰিয়হ ইত্যাদি শস্য উৎপাদন কৰা হৈছিল। উল্লেখযোগ্য যে আহুধানৰ তলীত বীজ ধানৰ সৈতে মিহলাই দিয়া হৈছিল তিয়ঁহ, ঘিমৌ, ৰামজিকা, ছিৰাল, তৰমোজ, লেছেৰা মাহ, খৰমৌ, তিতা কেৰেলা, গোমধান আদিৰ বীজ। খেতি ছপোৱাৰ ঠিক পিচতে উক্ত মিশ্ৰিত শস্যসমূহৰ ফচল ক্ৰমান্বয়ে ছপোৱা হয়। পোনতে সুমথিৰা, তামোলৰ দৰে স্থায়ী ফচল কৰা নাছিল। কাৰণ তেতিয়া পামবিলাক স্থায়ী নাছিল। ভ্ৰাম্যমান আছিল তেতিয়াৰ মানুহ। দুই-এবছৰ খেতি খাই মাটি পলস নোহোৱা যেন পালেই সেই ঠাই ত্যাগ কৰি অন্য ঠাইত ভুঁই লৈছিলগৈ।

উক্ত ব্যক্তিকেইজনে অৱশ্যে নলনীত নিগাজীকৈ থাকি স্থায়ী কৃষি কৰিবলৈ ল'লে। নলনী গাঁওখন অনেকৰ তুলনাত ওখ। ডিব্ৰুপাৰৰ সীমিত দ' মাটিকেইডৰা খেতিৰ বাবে বিশেষ উপযুক্ত নাছিল। অৱশ্যে, প্ৰয়োজনতকৈ অধিক পলসুৱা বাম মাটি এনেয়ে পৰি থকাত দ' মাটিৰ প্ৰয়োজন অনুভৱেই কৰা নাছিল। কালক্ৰমত, জনসংখ্যাৰ সীমিত সীমা অতিক্ৰম কৰি জনবসতি ঘন হৈছিল, লগে লগে অগাধ কাকনিৰ ঠাইত আম-কঠাল, তামোল-পাণ আদি ঘৰচীয়া গছ-গছনি, তৰু-তৃণই সেউজীয়া কৰিলে নলনী নামৰ সৰু গাঁওখনক।

তেতিয়া ইঘৰৰ পৰা সিঘৰলৈ কাকতলৰ লুংলুঙীয়া বাটেদি যাবলগা হৈছিল। ক্ৰমে নিজৰ নিজৰ বাৰীৰ সীমা কাটি ঢাপ মৰাৰ ব্যৱস্থা কৰি লৈছিল। ঢাপত ৰুইছিল তিতাফুল নতুবা মেজেঙা-মেছাকি ইত্যাদি। শৰপহুৰ মঙহৰ সৈতে মেজেঙা-মেছাকিৰ সম্পৰ্ক আছে। শৰপহুৰ মাংস কেৰাহিত খৰলিয়াই মেছাকিৰ ফুল আৰু সুগন্ধি মেজেঙাৰ দুটামান আগ দি ভাজিলে মাংসৰ তৃপ্তিয়েই সুকীয়া হৈ পৰে।

প্ৰথমে গাঁওখনত কুকুৰে খোৱা পৰিয়ালৰ এজন বুঢ়াৰ হাতত এটা খজা বন্দুক আছিল। বন্দুকটোৰ তেতিয়াৰ ক্ৰয়মূল্য আছিল মাথো বিশ টকা। পিচলৈ অৱশ্যে কেইবাটাও বন্দুক গোট খায়। টকা-পইচা বা খোৱা-লোৱাৰ ক্ষেত্ৰত অভাৱ অনুভৱ নোহোৱালৈকে চিকাৰৰ পহু, গাহৰি আদিৰ মাংস বিক্ৰী কৰা নাছিল। গাঁৱৰ সকলোৱে ভাগ-বিতৰণ কৰি খাইছিল।

জাকৈ বাই অনা সৰু সৰু মাছবোৰ পাতত দি খোৱাৰ উপৰিও শুকটি কৰিছিল। মাছখিনি বাছি বাঁহৰ চুঙাত ভৰাই ধানখেৰৰ সোপা দি মাটিত গাঁত খান্দি ওভতাই পুতি থোৱা হয়। দুই-তিনিদিন তেনেদৰে থোৱাৰ পাচত মাছখিনি কোমল হৈ পৰে। কোমল মাছখিনি ডলা বা চালনিত উলিয়াই ৰ'দ বা ধোঁৱা চাঙত শুকুৱাই ঢেকীত খুন্দি চুঙাত ভৰাই সংৰক্ষণ কৰি থয়। সেই গুৰিমাছক শুকটি বোলা হয়। মদ, গাহৰি আদি মৰাণৰ নিষিদ্ধ বস্তু। কিন্তু বনৰীয়া গাহৰিৰ ক্ষেত্ৰত সেই নিষেধাজ্ঞা নাই।

১৯৬৭ চন। ডিগবৈৰ শ্ৰীধৰ বৰঠাকুৰে চাহবাগান খুলিবলৈ নলনীত মাটি চালেহি। চাহবাগানৰ বাবে উপযুক্ত আৰু যথেষ্ট পৰিমাণৰ মাটি এনেয়ে পৰি থকা পাই ডিমাপুৰীয়া নগাক হাবি ঝুৰা (হাবি কটা) কামত লগাই দিলে। গাঁৱৰ দুজনমান ব্যক্তিয়ে উক্ত কামত নগাক লগোৱা কথাটো বৰ ভাল নাপাইছিল। গতিকে নগাক খেদাই স্থানীয় হিচাপে দাবী কৰি মাটি খোলা কামটো উক্ত ব্যক্তিকেইজনেই ল'লে। পদ্মধৰ চাহকোম্পানীৰ অন্তৰ্গত উক্ত বাগানখনৰ নাম জানেকীপুৰ চাহবাগিচা। কিন্তু দুখৰ বিষয় বাগান কৰ্তৃপক্ষই নলনী ৰাইজক আজি পৰিমিত একো এটাই নিদিলে, আনকি আহ-যাহৰ বাবে জৰাজীৰ্ণ অৱস্থাত থকা মাত্ৰ এক কিলোমিটাৰ পথকো নিৰ্মাণ কৰি লোৱা নাই।

সম্প্ৰতি নলনী গাঁৱৰ প্ৰতিজন কৃষকৰে একোখনকৈ সুমথিৰা টেঙাৰ বাৰী আছে। গাঁৱৰ ভালেকেইজন কৃষকে সুমথিৰা তথা চিত্ৰনলাৰ উপৰিও চাহখেতি কৰিবলৈ আৰম্ভ কৰিছে। প্ৰায় ত্ৰিশ বিঘা পৰ্যন্ত একো একোখন ক্ষুদ্ৰ চাহবাগিচা নলনী গাঁৱৰ কৃষকৰ হাতত গঢ় লৈ উঠিছে। কিন্তু গাঁৱৰ সুমথিৰা টেঙাসমূহ চহৰৰ ব্যৱসায়ীয়ে অতি কম মূল্যত ক্ৰয় কৰি শোষণ কৰি আছে। অৱশ্যে সহজ-সৰল আমাৰ নিৰক্ষৰ কৃষকসকলৰ গাতো দুখ নথকা নহয়। এক নিৰ্দিষ্ট পৰিমাণৰ হাৰত এবছৰৰ বাবে বাৰীৰ মালিক আৰু বেপাৰীৰ মাজত চুক্তি সম্পাদন কৰা হয়। পুনৰ এবছৰ নৌহওঁতেই টকাৰ প্ৰয়োজন হ'লে বেপাৰীৰ কাষ চাপিব লগা হয়। বেপাৰীয়েও বিনাদ্বিধাই বাৰীৰ মালিকক পূৰ্বচুক্তি অনুসাৰে টকা ধাৰলৈ দিয়ে। কোনোবাই দ' মাটি কিনিবলৈ, কোনোবাই জীয়েক বা পুতেকৰ বিয়া পাতিবলৈ, কোনোবাই হয়তো শ্ৰাদ্ধ পাতিবলৈ, আন কোনোবাই পকীঘৰ সজাবলৈ নতুবা গাড়ী কিনিবলৈ শকত পৰিমাণৰ ধন বিচাৰিও বেপাৰীৰ কাষ চাপে। উক্ত কাৰণত চাৰি-পাঁচ বছৰ পৰ্যন্ত বাৰী বন্ধকত ৰাখি কৃষকে ধন আনিব লগা হয়। গতিকে পুলিবাৰীৰ পৰা পুৰঠ বাৰীলৈ উন্নীত হোৱাৰ পিচতো বাৰীখন একেটা দৰতেই দি থাকিব লগা হয়। অৱশ্যে অন্য কোনো ক্ষেত্ৰতে নোপোৱা তেনে কিছুমান সুবিধা পোৱাৰ বাবে কৃষকসকল একপ্ৰকাৰ উপকৃতই হৈছে। কিন্তু প্ৰাপ্য হিচাপে ফচলৰ বাবদ উচিত মূল্য কোনোদিনেই পোৱা নাই।

ক্ৰমে বিদেশী পুঁজিপতি ব্যৱসায়ীসকলে কৃষকৰ পৰা ফচলসহ ভূমি আত্মসাৎ কৰাৰ কৌশলো অৱলম্বন কৰা দেখা গৈছে। নলনী গাঁৱৰে ধৰ্মেশ্বৰ মৰাণৰ সুমথিৰা বাৰীখন বন্ধকত ৰাখি ৰাখি শেষত কিছু নগদ টকা দি বাৰীখনকে হস্তক্ষেপ কৰিলে তিনিচুকীয়া চহৰ চুৰেল হুদা নামৰ ব্যৱসায়ীজনে। তেনে উদাহৰণ কেইবাটাও আছে। উক্ত বিষয়টো স্থানীয় ৰাইজ তথা ছাত্ৰ সংগঠনৰ দৃষ্টিগোচৰ হৈছে। কাৰণ উক্ত বাৰীখন ক্ৰয় কৰিবৰ বাবে চুক্তি সম্পাদনৰ বেলিকা এজনো স্থানীয় লোক সাক্ষী হিচাপে উপস্থিত নাছিল। আনহাতেদি উক্ত বাৰীখন কিনিবলৈ শক্তি থকা ব্যক্তি গাঁৱতে থকা সত্ত্বেও গোপন চুক্তিৰ দ্বাৰা এজন বিদেশী ব্যৱসায়ীক বিক্ৰী কৰি দিয়া হ'ল। সদৌ অসম মৰাণ ছাত্ৰসন্থাৰ কেন্দ্ৰীয় সমিতিয়ে উক্ত বিষয়টোৰ এক সুমীমাংসা বিচাৰি শ্ৰীহুদালৈ কেইবাবাৰো আবেদন পত্ৰ প্ৰেৰণ কৰিছিল। এইক্ষেত্ৰত জিলা প্ৰশাসনৰ লগতো যোগাযোগ অব্যাহত ৰখা হৈছিল। কিন্তু পৰিতাপৰ কথা আজি ৩/৪ বছৰেও সকলো নিমাত হৈ বহি ৰ'ল। সেইমৰ্মে 'আমছু'ৰ দুজনমান বিষয়ববীয়াই এক সিদ্ধান্তত উপনীত হৈ উক্ত বাৰীৰ সুমথিৰা টেঙা নিজে ছিঙি নৱগঠিত সমবায় সমিতিক বিক্ৰী কৰাৰ কথা ভাবিলে। স্থানীয় ৰাইজৰ সৈতে আৰু আঞ্চলিক তথা শাখাসমূহৰ সৈতে সংগঠিত নোহোৱাকৈয়ে ফচল ছিঙিবলৈ আৰম্ভ কৰি দিয়াত যোৱা ছয় ডিচেম্বৰ (১৯৯২) তাৰিখে ডিগবৈ আৰক্ষী থানাৰ চক্ৰ পৰিদৰ্শকে সন্থাৰ তিনিজন বিষয়ববীয়াক ঠাইতে কৰায়ত্ত কৰে। অৱশ্যে পিচদিনাখন উক্ত তিনিজন ছাত্ৰনেতাক জামিনত মুক্তি দিয়া হয়। এইক্ষেত্ৰত সংগঠনটোৰ সাংগঠনিক দুৰ্বলতা প্ৰকট হৈ পৰা দেখা যায়।


ইমান পুৰণি এখন গাঁৱৰ বাট-পথ বাৰিষাৰ দিনকেইটাত একাঁঠু বোকা হৈ পৰাটো অতি দুখজনক কথা। গাঁওখনৰ দুটা মূৰে দুখন প্ৰাথমিক বিদ্যালয় আছে এজনীয়া শিক্ষকৰ, সিও জৰাজীৰ্ণ অৱস্থাত। জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয় নামকৰণেৰে এখন মজলীয়া বিদ্যালয় স্থাপন কৰা হয়– ১৯৮৫ চনতে। যোৱা ১৯৯১ চনত বিদ্যালয়খনে চৰকাৰী স্বীকৃতি লাভ কৰে। এই বছৰ (১৯৯৩) জ্ঞানোদয় উচ্চ মাধ্যমিক বিদ্যালয় নামেৰে এখনি বিদ্যালয় স্থাপনৰ দিহা কৰা হৈছে। উল্লেখযোগ্য যে নলনী গাঁৱত কলেজত পঢ়ি থকা ছাত্ৰৰ সংখ্যা মুঠেই চাৰিজন আৰু ছাত্ৰী কেৱল এগৰাকী।

বিশেষভাবে উল্লেখ কৰিব পাৰি যে বৰ্তমান বিতৰ্কিত নলনী সংৰক্ষিত বনাঞ্চলখন নলনীৰ প্ৰাণকেন্দ্ৰস্বৰূপ। সকাম-নিকামৰ বাবে খৰি-পাতকে আদি কৰি বিভিন্ন গছ-পাত, লত-লতিকা, নিজৰ ব্যৱহাৰৰ বাবে বিশুদ্ধ মৌৰস ইত্যাদি অত্যাৱশ্যকীয় সামগ্ৰীখিনি উক্ত বনাঞ্চলৰ পৰা সহজে পাব পাৰি। অসংখ্য মূল্যবান গছ-গছনিৰ পৰা আৰম্ভ কৰি ভালেমান প্ৰয়োজনীয় বস্তুৰ উৎসস্থান তথা বিভিন্ন বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয় স্থলস্বৰূপ এই জাতীয় সম্পদৰ ঠাইত বিদেশী পুঁজিপতিক চাহবাগান খুলিবলৈ অনুমতি দিয়াটো অসম চৰকাৰৰ চৰম দুৰ্বলতাৰ নিদৰ্শন। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আনুমানিক ১৯২৮/২৯ চনতে উক্ত বনাঞ্চলৰ একাংশ অসম চৰকাৰে দুৱাৰমাৰা চাহবাগিচাৰ কৰ্তৃপক্ষৰ (ইংৰাজ) নামত আবণ্টন দিছিল; কিন্তু কোনো এক কাৰণত সেই ভূমিখণ্ডত চাহবাগিচা পতা নহ'ল। ঠিক ১৯৫৭/৫৮ চনত উক্ত মাটিখিনি বনবিভাগত অন্তৰ্ভুক্ত হয়।



নলনীৰ আশে-পাশে প্ৰায় ন/দহখন গাঁও আছে য'ত এটা ডাকঘৰ নাই, য'ত নাই এটা স্বাস্থ্যকেন্দ্ৰ। আজি কিছুদিনৰ আগৰ পৰা নলনীৰ দৰে এচুকীয়া গাঁৱতো নগৰ-চহৰত প্ৰতি মুহূৰ্ততে হৈ থকা প্ৰদূষণৰ দৰে বিষক্ৰিয়া বিয়পি পৰা দেখা গৈছে। কোনোবা দুষ্কৃতিকাৰীয়ে ডিব্ৰু নৈত বিহ দি (কীটনাশক ঔষধ) সমস্ত জলচৰ প্ৰাণীকে ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ উপৰিও ভয়াবহ এক প্ৰদূষণৰ সৃষ্টি কৰিছে। কাৰণ সৰ্বজনবিদিত যে ডিব্ৰু নৈৰ পৰাই 'নাজিৰাটিং ৱাটাৰ পাম্প'ৰ দ্বাৰা সমগ্ৰ ডিগবৈ তৈলনগৰী তথা দাঁতিকাষৰীয়া গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা হয়। গতিকে তেনে এখন গুৰুত্বপূৰ্ণ নৈত দুটা মাছৰ লোভত বৰবিহ ঢালি হাজাৰ হাজাৰ মানুহৰ ক্ষতি হ'ব পৰা নীচ কাম কৰিবলৈ দুঃসাহস কৰাসকলক বিচাৰি উলিয়াই বৃহত্তৰ স্বাৰ্থৰ খাতিৰত উপযুক্ত শাস্তি দিয়াটোয়েই উচিত হ'ব বুলি ৰাইজে ভাবে। ☐

# মেৰিনাৰ মৰমেৰে মাদ্ৰাজ



"সাগৰতীৰত পৰি ৰ'লো আমি....." (ফটো ঃ মৌচম হাজৰিকা/জি-এন-এন)

ৰাণু বৰুৱা

যোৱাবাৰ 'পথেক'ত আমাৰ ভ্ৰমণ অন্ত পৰিছিল কন্যাকুমাৰীত। কন্যাকুমাৰী দৰ্শনৰ পাচত এইবাৰ আহক মাদ্ৰাজলৈ।

যিসকল ভ্ৰমণকাৰীয়ে গুৱাহাটীৰ পৰা পোনে পোনেই ত্ৰিবান্দ্ৰমলৈ নগৈ মাদ্ৰাজৰ পৰাই দক্ষিণ ভাৰত ভ্ৰমণ আৰম্ভ কৰিব বিচাৰে তেখেতসকলৰ বাবে কিছু তথ্য–

গুৱাহাটী আৰু মাদ্ৰাজৰ মাজৰ ৰেল যোগাযোগ সুন্দৰ আৰু সুবিধাজনক। গুৱাহাটীৰ পৰা যাত্ৰা কৰা ২৬৭৪ নং বাংগালোৰ এক্সপ্ৰেছ, ২৬৫০ নং কোচিন এক্সপ্ৰেছ আৰু ২৬০২ নং ত্ৰিবান্দ্ৰম এক্সপ্ৰেছ এই তিনিওখন ৰেলেই মাদ্ৰাজ হৈ যায়। গুৱাহাটীৰ পৰা বাংগালোৰ এক্সপ্ৰেছখন প্ৰতি মঙ্গলবাৰে, কোচিন এক্সপ্ৰেছখন প্ৰতি শুকুৰবাৰে আৰু ত্ৰিবান্দ্ৰম এক্সপ্ৰেছখন প্ৰতি দেওবাৰে যাত্ৰা কৰে। সেয়ে মাদ্ৰাজলৈ যাবলৈ আপুনি ইয়াৰ যিকোনো এখনত গ'লেই হ'ব।

বিমানেৰে মাদ্ৰাজলৈ যাবৰ বাবে কলিকতাৰ পৰা ইণ্ডিয়ান এয়াৰলাইন্সৰ পোনপটীয়া সেৱা আছে। বিমানত আহিলে কলিকতাৰ পৰা মাদ্ৰাজলৈ সময় লাগে দুঘণ্টা। বিমানকোঠৰ পৰা মাদ্ৰাজ মহানগৰলৈ আহিবলৈ অসংখ্য টেক্সি, অট', বাছ পাব। আধাঘণ্টাত অতিক্ৰম কৰিবলগা ইয়াৰ বাবে টেক্সীৰ ভাৰা পৰিব প্ৰায় ১৫০ টকা।

ইণ্ডিয়ান এয়াৰ লাইন্সৰ অনুসন্ধান কক্ষ (মহানগৰ)ৰ টেলিফোন নং– ৪৭৭৯৭৭ আৰু উৰণ তথ্যকেন্দ্ৰৰ টেলিফোন নং– ২৩৪৫১৪৪

**মাদ্ৰাজৰ পৰা কেইখনমান উল্লেখযোগ্য ঠাইৰ পথ দুৰত্ব ঃ**

| | | |
|---|---|---|
| বাংগালোৰ | ৩৩৪ | কিলোমিটাৰ |
| হায়দৰাবাদ | ৬৬৯ | ,, |
| কোডাইকানাল | ৪৯৮ | ,, |
| পণ্ডিচেৰী | ১৬২ | ,, |
| ৰামেশ্বৰম | ৬১৯ | ,, |
| কাঞ্চীপুৰম | ৭১ | ,, |
| কন্যাকুমাৰী | ৭১২ | ,, |
| মাদুৰাই | ৪৮০ | ,, |
| ত্ৰিবান্দ্ৰম | ৭০৯ | ,, |
| উটি | ৫৩৫ | ,, |

এই ঠাইকেইখনলৈ যাবৰ বাবে বাছৰ সুন্দৰ যোগাযোগ ব্যৱস্থা আছে। মহানগৰৰ মুখ্য তথা আন্তঃৰাজ্যিক বাছ আস্থানটোৰ পেৰীজ কৰ্ণাৰৰ ওচৰতে। বাছ আস্থানটোৰ নাম ঃ থিৰুভাল্লাভাৰ বাছ আস্থান।

অনুসন্ধানৰ বাবে বাছ আস্থানৰ টেলিফোন নম্বৰ ঃ–
থিৰুভাল্লাভাৰ ট্ৰেন্সপ'ৰ্ট কৰ্পোৰেশ্যন
৫৬৪১০৮, ৫৬১৮৩৫, ৫৬১৮৩৬
পল্লভন ট্ৰেন্সপ'ৰ্ট কৰ্পোৰেশ্যন ৫৬৬০৬৩

## ক'ত থাকিব ?

| | হোটেলৰ নাম | শীততাপ নিয়ন্ত্ৰিত | সাধাৰণ |
|---|---|---|---|
| ১। | হোটেল প্ৰেছিডেণ্ট<br>১৬, ডঃ ৰাধাকৃষ্ণ চালাই<br>টেলি ঃ ৮৩২২১১<br>ফেক্স ঃ (০৪৪) ৮৩২২৯৯ | ৩৯০ টকা (এজনীয়া)<br>৬০০ টকা (দুজনীয়া)<br>৭০০ টকা (চুট) | |
| ২। | স্বাগথ<br>২৪৩, ৰয়পেটাহ হাইৰোড<br>টেলি ঃ ৮৬৮৪২২ | ২৬৫ (দুজনীয়া) | ১৬১ টকা (এঃ)<br>১৯৫ টকা (দুঃ) |
| ৩। | হোটেল নিউ উদলেণ্ডচ্<br>৭২-৭৫, ডঃ ৰাধাকৃষ্ণ চালাই টেলি ঃ ৪৭৩১১১, ৪৭৪৭৬৭ | ২৮০ টকা (দুঃ)<br>৩৫০ (ডিলাক্স) | ১৪০ টকা (এঃ)<br>৫৫০ টকা (কটেজ) |
| ৪। | হোটেল কাঞ্চী<br>২৮, কমাণ্ডাৰ ইন চীফ ৰোড টেলি ঃ ৪৭১১০০ | ২৮০ টকা (এঃ)<br>৩০০ টকা (দুঃ) | ২২০ টকা (এঃ)<br>২২৫ টকা (দুঃ) |
| ৫। | হোটেল পীকক<br>১০৮৯, পুন্নামহল হাইৰোড<br>টেলি ঃ ৩৯০৮১, ৩০০৯১ | ২৮০ টকা (এঃ)<br>৩৯০ টকা (দুঃ) | ১৮৪ টকা (এঃ)<br>২৮৮ টকা (দুঃ) |

## কি কি চাব আৰু ক'ত ক'ত ফুৰিব ?

মাদ্ৰাজ মহানগৰৰ দৰ্শনীয় স্থানসমূহ আপুনি বাৰু নিজেই চাব বিচাৰে নে 'কণ্ডাক্টেড টুৰ' এটাৰ যোগেদি ভ্ৰমণ কৰিব বিচাৰে ? বিশেষ কোনো কষ্ট নোপোৱাকৈ আৰু অতিৰিক্ত অৰ্থব্যয় নঘটাকৈ ভ্ৰমণৰ আনন্দ ল'ব বিচাৰিলে আপুনি চৰকাৰী বা বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিচালিত 'কণ্ডাক্টেড্ টুৰ' এটাৰ আশ্ৰয় লোৱাই উচিত হ'ব। বহুতো বেচৰকাৰী সংস্থাৰ উপৰিও তামিলনাডু চৰকাৰৰ পৰ্যটন উন্নয়ন নিগমে নিয়মীয়াকৈ দৈনিক এনে 'কণ্ডাক্টেড্ টুৰ'ৰ আয়োজন কৰে। মাদ্ৰাজ মহানগৰ দৰ্শনৰ বাবে প্ৰতিজন ব্যক্তিয়ে দিব লাগে শীত-তাপ নিয়ন্ত্ৰিত বাছত ৬০ টকা আৰু সাধাৰণ ডিলাক্স বাছত ৪৫ টকা।

অনুসন্ধান আৰু আসন সংৰক্ষণৰ বাবে আপুনি তামিলনাডু পৰ্যটন উন্নয়ন নিগমৰ নিম্নোক্ত স্থানসমূহত খবৰ কৰিব পাৰে। টিটিডিচি চেলচ কাউণ্টাৰ, ১৪৩, আন্নাচালাই মাদ্ৰাজ টেলিফোন ঃ ৮৩০৩৯০, ৮৩০৪৯৮। তামিলনাডু টুৰিষ্ট ইনফৰ্মেশ্যন অফিচ, টেলি ঃ ৫৬১৯৮২। এক্সপ্ৰেছ বাছ ষ্টেণ্ড, টেলি ঃ ৫৬১৯৮২, এয়াৰপ'ৰ্ট ইনফৰ্মেশ্যন কাউণ্টাৰ ৪৬৫৫৬৯।

**মাদ্ৰাজৰ দৰ্শনীয় স্থানসমূহ ঃ** দ্ৰাবিড় স্থাপত্যৰ এক অন্যতম নিদৰ্শন কপিলাশ্বৰৰ শিৱ মন্দিৰ। মাদ্ৰাজৰ সবাতোকৈ বৃহৎ মন্দিৰ। অষ্টম শতিকাত পল্লৱসকলৰ দ্বাৰা নিৰ্মিত ভগৱান কৃষ্ণৰ প্ৰতি উৎসৰ্গিত শ্ৰীপাৰ্থসাৰথি মন্দিৰ। ফৰ্ট চেণ্ট জৰ্জ– ১৬৪০ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিৰ্মাণ কৰা প্ৰথম দুৰ্গ। বৰ্তমান ইয়াত তামিলনাডু বিধানসভা আৰু সচিবালয় অৱস্থিত। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মাদ্ৰাজত থকা কালছোৱাৰ বিভিন্ন সামগ্ৰীৰ প্ৰদৰ্শনৰে ফৰ্ট মিউজিয়াম এটি উল্লেখযোগ্য যাদুঘৰ।

ক্ষুদ্ৰ জেঠী জাতীয় সৰীসৃপৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰকাৰৰ সাপ প্ৰদৰ্শনৰ বাবে থকা সৰীসৃপ উদ্যান (Snake Park) এখন আকৰ্ষণীয় পৰ্যটন স্থান। যিসকল ব্যক্তি শাস্ত্ৰীয় নৃত্য, সংগীত, পৰম্পৰাগত বস্ত্ৰ-বয়ন ইত্যাদিৰ প্ৰতি আগ্ৰহী তেখেতসকলে 'কলাক্ষেত্ৰ' নামৰ প্ৰতিষ্ঠানটোত এভুমুকি মাৰিব পাৰে। শাস্ত্ৰীয় কলাৰ উৎকৰ্ষ সাধন কৰিবলৈ ১৯৩৬ চনতেই ৰুক্মিণী দেৱী আৰুণ্ডুলেই এই শিক্ষানুষ্ঠানখনৰ স্থাপন কৰিছিল। ইয়ালৈ অহাৰ পূৰ্বে আগতীয়া অনুমতিৰ প্ৰয়োজন।

ধৰ্মীয় স্থান, যাদুঘৰ ইত্যাদি চাই চাই যদি আপুনি বিৰক্তি অনুভৱ কৰিছে তেন্তে এইবাৰ আহক মাদ্ৰাজৰ বিখ্যাত 'মেৰিনা বীচ'লৈ। প্ৰায় ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই মেৰিনা বীচ পৃথিৱীৰ দ্বিতীয় দীৰ্ঘতম বীচ্। বীচৰ কাষতেই আছে এটা একুৱাৰিয়াম। ইয়াৰ ওচৰত থকা 'লাইট হাউছ'টোতো আপুনি এপাক মাৰি আহিব পাৰে।

মাদ্ৰাজৰ পৰা আৰু দুই এঠাইলৈ গৈ আপুনি ভ্ৰমণ কৰি আহিব পাৰে। তেনে কেইখনমান ঠাই হৈছে তিৰুপতি, মামালাপুৰম (পূৰ্বৰ মহাবলিপুৰম) আৰু কাঞ্চীপুৰম। এইকেইখন ঠাই সামৰিও 'কণ্ডাক্টেড্ টুৰ' নিয়মীয়াকৈ কৰা হয়।

ভাৰততে থাকি ঐশ্বৰ্যশালী ফৰাচী জাতিৰ সভ্যতা-সংস্কৃতিৰ যদি কিছু আভাস ল'ব বিচাৰিছে তেন্তে মাদ্ৰাজলৈ আহিলে এবাৰ এৰাতিৰ বাবে পণ্ডিচেৰীলৈ আহক। মাদ্ৰাজৰ পৰা পণ্ডিচেৰীলৈ পাঁচ-দহমিনিটৰ অন্তৰে অন্তৰে বাছৰ যোগাযোগ আছে। নহ'লেও ভাৰালৈ সহজতে টেক্সী ইত্যাদি পোৱা যায়।

১৯৫৪ চনলৈকে প্ৰায় তিনিশ বছৰ সুদীৰ্ঘ কাল পণ্ডিচেৰী ফ্ৰান্সৰ দখলত আছিল। ১৯৫৪ চনতহে পণ্ডিচেৰী ভাৰত চৰকাৰৰ অধীনলৈ আহে। সমগ্ৰ চহৰখন এপাক মাৰিলেই আপুনি ইয়াত ভাৰতীয় সভ্যতা-সংস্কৃতিতকৈ ফৰাচী সংস্কৃতিৰ গোন্ধ অধিক পাব। ইংৰাজ-ফৰাচী যুদ্ধৰ বিখ্যাত সেনাপতি ডুঁপ্লে আৰু মহীয়সী নাৰী জোৱান অব আৰ্কৰ প্ৰতিমূৰ্তি, আৰক্ষী লোকসকলৰ মূৰত ফৰাচী আৰ্হিৰ ৰঙা 'কেপিজ', কমকৈ হ'লেও ফৰাচী ভাষাৰ উচ্চাৰণ ইত্যাদিয়ে আপোনাক অতীতৰ ফৰাচী শাসনৰ স্মৃতি সোঁৱৰাই দিব। ডিম্বাকৃতিৰ নগৰখনো এনেকৈ সজাই পৰাই তোলা হৈছে যে ই যেন ঠিক এখন ভূমধ্যসাগৰৰ পাৰৰ ফৰাচী নগৰহে !

নিশাটো কটাবৰ বাবে যথেষ্ট হোটেল পোৱা যায়। হোটেলৰ উপৰিও উপলম ৰোড আৰু ইন্দিৰা নগৰত থকা চৰকাৰী টুৰিষ্ট বাংলো, শ্ৰীঅৰবিন্দ আশ্ৰমৰ আন্তৰ্জাতিক অতিথিশালাতো থকাৰ সুবন্দৱস্ত আছে।

ঋষি অৰবিন্দৰ সাধনাস্থলী পণ্ডিচেৰীত অৰবিন্দৰ স্মৃতি বিজড়িত অৰবিন্দ আশ্ৰমলৈ আপুনি যাব পাৰে। দৰ্শন কৰিবলগীয়া আন এডোখৰ স্থান হ'ল পণ্ডিচেৰী মিউজিয়াম। সমুদ্ৰত যদি সাঁতুৰি চাব খুজিছে বা ৰৌদ্ৰস্নান কৰিব বিচাৰিছে তেন্তে পণ্ডিচেৰীৰ সমুদ্ৰ উপকূল অতি সুৰক্ষিত আৰু মনোৰম স্থান।

## বজাৰ-সমাৰ ক'ত আৰু কি কৰিব ?

মাদ্ৰাজতে সোণ আৰু চিল্ক কিনিবৰ বাবে উৎকৃষ্ট ঠাই থ্যাগৰায় নগৰ। ভাৰতৰ প্ৰধান কাপোৰ মিলকেইটাৰ বস্ত্ৰ খুচুৰাকৈ কিনিবৰ বাবে আহক মাউণ্ট ৰোডলৈ। এই মাউণ্ট ৰোড এলেকাতে পাব বিভিন্ন হস্তশিল্পৰ অত্যাধুনিক বিপণীবোৰ। ইয়াত পাব আপুনি ৰজউদ, চন্দনকাঠ, হাতীদাঁত, ব্ৰঞ্জ আৰু ৰূপৰ নিৰ্মিত বিভিন্ন আৰ্হিৰ হস্তশিল্প আৰু লগতে চামৰাৰ সামগ্ৰী, পাট-কাপোৰ আৰু হাতেৰে বোৱা কাপোৰ। বিদেশী সামগ্ৰীৰ প্ৰতি আসক্তি থাকিলে আপুনি অৱশ্যেই মাদ্ৰাজৰ বিখ্যাত 'বাৰ্মিজ বজাৰ'ত এভুমুকি মাৰক। কিন্তু লগতে বিদেশী সামগ্ৰীৰ নামত নকল সামগ্ৰী ক্ৰয়ৰ পৰা সাৱধানে থাকিব।

(জি-এন-এন আৰু ডেষ্টিনেশ্যনৰ সৌজন্যত)

OKDISCD

থকা নাই…… কলিজালৈ (মোৰ ল'ৰাটোৰে মাংসৰ কলিজা ফ্ৰা… খাই ভাল পায়…… সি কেইবাদিনো ধৰি মোক বন্দুক এটাৰ বাবে কুটুৰি …ছে !) ৰূপান্তৰ হৈছে। আঙুলিৰ নখকেইটালৈ চালে…… গভীৰভাৱে চকু ফুৰালে। তিনিটামান সৰু সৰু বগা দাগ পৰিছে…… (সৰুতে বগলীৰ বগা ফুট বুলিছিলে)। হঠাৎ সি ভাবিবলৈ ধৰিলে…… এইখিনিতে (নখৰ আগটো) গজালেৰে ফুটাই দিলে… কিমানলৈ সহ্য কৰিব পৰা যাব…… গজালটো নখৰ আগেদি কিমানদূৰ সোমাই গ'লে সি তাৰ স্বাধীনতা সিহঁতৰ (শান্তিৰ বেপাৰীবোৰৰ) ভৰিত সমৰ্পণ কৰিব ?…… গজালটোৰ তীব্ৰ বিষে তাৰ মগজুৰ যুক্তিবোৰৰ (যুক্তিবোৰ হেনো মগজুত সৃষ্টি হয় !) সৌধবোৰ ভাঙি চুৰমাৰ কৰি দিব…… আৰু বুকুৰ, মগজুৰ ভিতৰত অতদিনে সাঁচি থোৱা স্বাধীনতাবোৰ সিহঁতৰ ভৰিৰ কাষত বতিয়াই দিব !!

স্বাধীনতা, গণতন্ত্ৰ, সমানতা শব্দবোৰেৰে সি নিজৰ দেহাটোৰ ওপৰত জৰীপ কৰিব ধৰিলে। যুৱকটোৱে তাৰ দেহাটো আৰু লগে লগে ময়ো (তাৰ ছাঁ !) মোৰ শৰীৰটোত স্বাধীনতা, গণতন্ত্ৰ আদি কথা বা শব্দবোৰ বিচাৰি ফুৰিবলৈ ধৰিলো। আন্ধাৰত থাকিলে বাস্তৱতাবোৰে অদ্ভুত ৰূপ লয়…… আমাক কোনেও নেদেখে…… এইখিনি সময়ত নগ্ন হয়ো থাকিব পাৰি, লাজ নামৰ অনুভূতিটোৰ ইয়াত অস্তিত্বই নাই।

মনত পৰিল, ককাদেউতাৰ অনুজ্জ্বল চকুহাল, লগ পালেই তাহানিৰ স্বাধীনতাৰ যুঁজৰ কথা কৈছিল, "অৱশেষত স্বাধীনতা পালো দে…। বৰ কষ্টত দিনবোৰ পাৰ হৈছিল…… কেতিয়াবা দুই-তিনিদিন একো নোখোৱাকৈ পাৰ হৈ গৈছিল…… গমেই নাপাইছিলো। আজিকালিৰ তহঁতৰ নেতাবোৰে আকৌ এয়াৰ কণ্ডিশ্যন ৰুমত শান্তি, স্বাধীনতা… দেশপ্ৰেমৰ ফৰ্মূলা বনাই…… !!"

ডেকাটোৱে (এতিয়া ঘোপমৰা আন্ধাৰ…… আমি, মানে মই আৰু ডেকাটো অভিন্ন হৈ পৰিছো) নিজৰ হাতখনলৈ চালে…… বুকুখন চুই চাব ধৰিলে…… আঙুলিকেইটা বুলাই বুকুৰ কামিহাড়কেইডাল গণিব (কেইডাল বা আছে) লৈ ধৰিলে।

…… বিশ, ত্ৰিশডালমান আছে চাগৈ। ইয়াৰ মাজেৰে যদি ক'ৰবাৰ পৰা উৰি অহা সৰু বুলেট এটা পাৰ হৈ যায়… (!)… হু-হুৱাই স্বাধীনতা, গণতন্ত্ৰ…… ডাঙৰ, ডাঙৰ লেকচাৰবোৰ মম গলাদি গলি যাব (থুই ঃ চাল্লা !)। এইবাৰ সি বুকুৰ নোম এডাল জোৰেৰে টানিলে…… আৰু কিমান সহ্য কৰিব পাৰি তাৰ পৰীক্ষা কৰিবলৈ ধৰিলে। মই ফুচফুচাই তাক সুধিলোঁ, "কিমান দুখ পালে মই মোৰ স্বাধীনতাটো বিক্ৰী কৰি দিয়াটো লাভজনক (!?)…। আঙুলিৰ আগ এটাত আলপিন এটা হাতুৰীৰে মাৰিলে…… কিমানদূৰ মঙহত পিনটো সোমালে মই সিহঁতৰ আগত আঁঠুকাঢ়ি মোৰ বন্ধুবোৰৰ দিনলিপিবোৰ এফালৰ পৰা কৈ দিম !!

দিনকাল যি পৰিছে…… দুখৰ (!), ওহোঁ নহয়… দুখ হ'ল হৃদয়ৰ বস্তু…… কষ্টৰ এটা মাপকাঠি ৰখা ভাল !!

মোৰ আঙুলিটো, ভৰি দুখন, হাত দুখন, মোৰ পেট, বুকুৰ কামিহাড়কেইডালেৰে সৰকি যোৱা এটা বুলেটৰ কান্ধত উঠি "পৰাধীনতা" মোৰ অৱস্থিতিৰ ভিতৰলৈ সৰীসৃপৰ দৰে বগাই আহিব (!!) পাৰে।

আজি কিছুদিন ধৰি মিলিটেৰীবোৰে বন্দুকবোৰ কোনোবা অজান শত্ৰুৰ ফালে টোঁৱাই ঘূৰি ফুৰিছে। স্বাধীনতা, শান্তি…… আদি যাদুকৰী ভাষাবোৰ ৩০ মিঃ মিঃ, ৪৭ মিঃ মিঃ…… আদি টেকনিকেল শব্দলৈ পৰিণত হৈছে……। সকলোতেই আচল কথা…… বুলেটৰ ব্যাস…… আৰু মানুহৰ দেহৰ যিকোনো অংশত (?!…) মিঃমিঃ ব্যাসাৰ্দ্ধৰ ফুটা কৰি দিব পৰা ক্ষমতা।

হঠাৎ লাইট আহিল…। গোটেই পাৰ্কখন পোহৰ হৈ গ'ল। লগে লগে মই যুৱকজনৰ ছাঁলৈ পৰিণত হ'লো।

যুৱকজন হঠাৎ বহা বেঞ্চৰ পৰা উঠিল আৰু দৌৰি যোৱাৰ নিচিনাকৈ খোজ দিলে…… ময়ো তাৰ পাচে পাচে, প্ৰায় গাত লগাৰ দৰে বেগাই যাব ধৰিলো। পাৰ্কখনৰ কাষৰ ড্ৰেইনটোৱেদি সি জাপ মাৰিলে।

তাহানিৰ বজাৰখন আকৌ অতিশয় ব্যস্ত হৈ পৰিল। দোকানবোৰৰ শ্বকেচবোৰ লোভনীয় হৈ উঠিল। কেতিয়াবা মই আগবাঢ়ি যাওঁ, তেতিয়া ডেকাটো মোৰ ছাঁ হৈ পৰে। আকৌ কেতিয়াবা সি আগবাঢ়ি যায় মই তাৰ ছাঁ হওঁ। এইদৰেই এটা মুহূৰ্তত সি মোৰ অস্তিত্ব গ্ৰাস কৰে, আকৌ কেতিয়াবা মই তাৰ। অথনিৰ দোকানখনত পুনৰ সোমালো। দোকানখনৰ বস্তুবোৰ বিজুলীৰ পোহৰত জিলিকি আছে……।

মই আগবাঢ়ি যোৱা দেখি অথনিৰে ছেলছ্‌মেনজন আকৌ আগবাঢ়ি আহিল, ……মোক দেখি যেন ভয় খাই গ'ল। হাঁহো-নেহাঁহোকৈ কোনোমতে মাত ফুটাই ক'লে, "আচ্‌লি বন্দুক নাই কিন্তু… !"

"কোনেনো আচ্‌লি বন্দুক বিচাৰিছে ? কিনো কৰিম আচ্‌লি বন্দুকেৰে…… মোৰ সৰু ল'ৰাটোক পুতলা বন্দুকহে লাগে…… তাৰ হাতত আচ্‌লি বন্দুক তুলি দিয়া মই মূৰ্খ বাপেক নেকি ?…… বাৰুদৰ ধোঁৱাৰে তাৰ ধুনীয়া মুখখন ক'লা কৰি পেলাব।" মোৰ কথাত খুবসম্ভৱ কিছু বিৰক্তিৰ সুৰ। ছেলছ্‌মেনটোৱে মোৰ হাতত অথনিৰ পুতলা-বন্দুকটো তুলি দিলেহি।

শ্ব'কেচৰ আইনাৰ পাচফালে ডেকাটোৰ মুখখন ভাহি আহিল। তালৈ কেৰাহিকৈ চালোঁ। অথনিৰ পৰা যদিও সি মোৰ এ‌েকবাৰে কাষতে ঘূৰি ফুৰিছিল…… এতিয়াহে (বিজুলীৰ পোহৰ) তাৰ মুখখন স্পষ্টকৈ দেখা পালোঁ। "উৱা… ই কি ? ডেকাটো দেখোন ময়েই… মোৰ প্ৰতিবিম্ব !!"

ইতিমধ্যে কাৰ্ফিউৰ সময় চাপি আহিল। মিলিটেৰীবোৰে নিজৰ নিজৰ পজিচন ল'বলৈ আৰম্ভ কৰিলে। দোকানৰ দুৱাৰৰ ফাকেদি সিহঁতৰ বন্দুকৰ নলীবোৰ দেখা পোৱা যায়।

মই (লগে লগে ডেকাটোৱেও একে স্বৰেৰে সোধো-নোসোধোকৈ ছেলছ্‌মেনটোক সুধিলো, "আচ্ছা, এই বন্দুকটো লৈ গ'লে 'আচল' বুলি মিলিটেৰীবোৰে মোলৈ গুলীয়াই দিব নেকি ?"

শ্ব'কেচৰ আইনাখনত উজ্জ্বলভাৱে প্ৰতিফলিত হোৱা ডেকাটোৰ মুখখনে ফুচফুচাই কৈ উঠিল, "কিমান দিনলৈ তোমাৰ সৰু ল'ৰা বুমনক পুতলা বন্দুক দি ঠগাবা,…… কিছুদিনৰ পাচতেই সি ডাঙৰ হ'ব আৰু আচ্‌লি বন্দুক বিচাৰিব…… নাজানা নেকি… ? গুলীওৱাটো এতিয়া নতুন খেল হৈ পৰিছে…… ফাকুৱাৰ ফিচ্‌কাৰী মৰা খেল……!!"

হঠাৎ ক'ব নোৱৰাকৈ নিজে নিজে কৈ উঠিলো, "থাওক দিয়ক, এইটো (পুতলা বন্দুকটো ছেলছ্‌মেনজনৰ হাতত তুলি দিলো) এতিয়া নিকিনো, কিছুদিনৰ পাচত আকৌ আহিম,…… মোৰ ল'ৰাটো ডাঙৰ হওক…… এইবাৰ আচ্‌লি বন্দুক এটা আনি থৈ দিব।" ……দোকানৰ পৰা খৰখেদাকৈ বাহিৰলৈ ওলাই আহিলো আৰু ঘৰলৈ দৌৰিবলৈ ধৰিলো…। কাৰ্ফিউৰ সময় আগবাঢ়ি আহিছে।

আমাৰ বিৱৰ্তন হৈছে।
হৃদয়খন অলিন্দ, নিলয়লৈ,
মগজুটো ক্ৰোধলৈ,
মাতবোৰ বাৰুদৰ শব্দলৈ
বিৱৰ্তিত হৈছে…… ক্ৰমান্বয়ে…… ❑





# পয়াণ

অৰুণ গোস্বামী



১৬

মই যে গাঁৱৰ ঘৰত আছোহি, মোৰ যে এটা পৰিয়াল আছে সেই কথা এইকেইদিন মই পাহৰিয়েই আছো। অৱশ্যে ঘৰত থাকিলেও পৰিয়ালৰ লগত মোৰ কোনো বিশেষ সম্পৰ্ক নাই। সেই একেই বহি থকা। একেখন চকী, একেডোখৰ ঠাই, একেখন বাৰাণ্ডা আৰু সেই একেদৰেই বহি থকা। কেতিয়াবা এসপ্তাহ ধৰি কাৰো লগতেই মাত-বোল নহয়। মাতিবলৈ কোনো হেতু নাই। খাবলৈ যদি থাকে খাওঁ। যি দিয়ে তাকে খাওঁ। ইয়াত পিচে ভতিজাকেইটাই মোৰ খোৱাৰ ওপৰত চকু ৰাখিছে। বিধৱা নবৌৱে যদিও নিজে মাছ-মাংস নাখায় তথাচ আমাক ৰান্ধি-বাঢ়ি দিয়ে। মাছেৰে বা মাংসৰে ভাত খালে মোৰ বেমাৰী মানুহজনীলৈ মনত নপৰা নহয়। পৰে। ডিম্ব কাইদেউনে ? অ' হয় ডিম্ব কাইদেউ। কাইদেউ আহক। মই আপোনালোকৰ ফালে একাপ মাৰো বুলি ভাবিহে আছো।

তুমি অহাৰ গম পাওঁ। পিচে কি কৰিবা, বৰকৈ খোজ কাঢ়িব নোৱাৰো– হাইফাই কৰে। আজি বোলো নহয় কোন দিনা চকু মুদো ঠিক নাই। তেওঁ আহিছে যেতিয়া যেনেতেনে এবাৰ চাই আহোঁ। পিচে ভালে আছা ?

–বৰ ভাল নহয় কাইদেউ। যেনে-তেনেহে ঢকা কোবাই আছো !

–এ ক'ত ভাল হ'ব ? আজিকালিৰ দিনত দুখীয়া মানুহৰ ভাল হ'বলৈ হ'লে কুলক্ষণ বুলিব লাগিব। ভাল কেনেকৈ হ'ব সকলোতে ভেজাল। বস্তুতো ভেজাল, আইনতো ভেজাল, শাস্ত্ৰতো ভেজাল ! এৰা, তোমাৰ ঘৰত কেনেকুৱা ?

–একেই কাইদেউ।

–এৰা একেই হ'ব। আমাৰ বুঢ়ীয়ে যেনিবা যোৱা বছৰ মুক্তি পালে। ময়ো বোলো যা– এই নৰকখনত জীয়াতু ভুগি থকাতকৈ মৰি শান্তি পা। পিচে সমাজে আমাৰ ঘৰখন এৰি থৈছে নহয়।

ডিম্ব কাইদেউৰ ঘৰখন সমাজে এৰি থৈছে। ডিম্ব কাইদেউৰ পুতেকে কলিতাৰ ছোৱালী এজনী আনি নিজে নিজৰ মাটিত হাল বাবলৈ ল'লে। এতেকে সমাজে বামুণৰ ঘৰ এৰি থৈছে। বামুণৰ ল'ৰাই হাল বোৱাটো বোলে দেশৰ কাৰণে অমংগল। তাতে কলিতাৰ ছোৱালী আনি ঘৰ সুমুৱাইছে। ক'ৰ্টত চিভিল মেৰেজ কৰিছে। সংসাৰখনত বামুণৰ ছোৱালী এজনী নাপালেনে ? মেট্ৰিক পাছ কৰি চাকৰি এটা নাপালেনে ? হাল বাইছে ! পিচৰ উঠি অহা চামলৈ কি আদৰ্শ থ'লে। দেশত অমংগল নহ'ব কেলেই। ৰাম গোসাঁইৰ পুতেক সৌটোৱে দেখোন মেট্ৰিক পাছ কৰি অভাৰচিয়াৰ হ'ল। পদূলিলৈকে চাবানে ভিতৰলৈকে চাবা ? পদূলিমুখতো ফুমাৰি ভাত খাব পাৰি। অঁ বহি খাব পাৰি। গোটেইখন তেনেই ৰম্যপুৰী। এতিয়া বোলে গাঁৱত ইলেক্ট্ৰিক আনিবলৈ সিয়েই

দৰ্খাস্ত কৰি আছে। আনিবও। লগাব, ঘৰত লাইট লগাব! হওক হওক। ঈশ্বৰে মোৰ বুলিছে। সেইবুলি জানো অহংকাৰ হৈছে। এই বোলে আজি সত্যনাৰায়ণ পূজা, এই বোলে আজি পালনাম, এই বোলে আজি গ্ৰহ পূজা– ৰাইজক মাতি খুৱাইছে। উৱাহে-পিয়াহে লাগ বুলিলে টকাকে দিছে ধাৰলৈ। মাৰোৱাৰী গোলাত মাটি বন্ধক দিয়াতকৈ গাঁৱতে চকুৰ আগতে গোসাঁইৰ ল'ৰাৰ হাততে মাটি টুকুৰা আছে। কিনো বেয়াটো হৈছে। এতিয়া বোলে কোনোবা হাকিমৰ ছোৱালী এজনীহে বিয়া কৰাব। কৰাবই। ৰাজকুমাৰৰ বাবে ৰাজকুমাৰী, বন্দীলৈ বেটী। গাঁৱৰ খেহৰোগে খোৱাটোৰ নাটেশ্বৰী জীয়েক কি নাম কয় ৰুণুনে কি তাই আকৌ উলিয়াই ফুৰিছে বোলে তাৰ ফালৰ হেনো তাই দুটা নষ্ট কৰিছে। নেওচা-কেওচা দিবলৈ বহি। তোৰ লাজ নালাগিলনে? তাইৰ আকলটোও কম নহয়। বুঢ়ী, জলকীয়া গছত হাকুতি লগাব লাগে হাত মেলি আনিব খোজে পূৰ্ণিমাৰ জোন। তাই আকৌ সোধো চপাব খুজিছিল– ৰায়তখনে কাম নিদিলে নহয়।

–খুৰাদেউ, জেললৈ মাইকী মানুহো নিছে। তৰুণী ভতিজাটোৱে কাপোৰ পিন্ধি পিন্ধি আহি মোৰ ওচৰত বৈ ক'লে।

–অঁ কি? মাইকী মানুহো নিছেনে? ক'ত নিছে?

–কালি টাউনৰ বুঢ়ী এগৰাকী এৰেষ্ট কৰিছে।

–হেৰ' তাহানি দেখোন বৃটিছেও মাইকী মানুহক বৰকৈ এৰেষ্ট কৰা নাছিল।

–তাহানি বৃটিছৰ দিনত জেইল খোৱাবোৰ এতিয়া বেছিভাগেই জেলত আছে। আপুনি ইয়াত আছেহি ভালেই কৰিছে। ভতিজাটোৱে তামাচা কৰি ক'লে।

–হে'ৰ বৃটিছৰ দিনত জেইল খোৱাবোৰে আকৌ কি অপকাৰ কৰিলে? আকৌ বৃটিছ সোমালেহি নেকি?

–বৃটিছ সুমুৱা হ'লে ভালেই আছিল। এতিয়া হিটলাৰ সোমালেহি।

–কালি কোন মাইকী মানুহ এৰেষ্ট কৰিলে?

–বালিচাপৰিৰ ফালৰ। এস্ নামটো চিনি পাওঁ এতিয়াহে পাহৰিছো। আজি দুবছৰমানৰ আগলৈকে কংগ্ৰেছী আছিল। গুৱাহাটী কংগ্ৰেছ অধিবেশনৰ পৰা অহাৰ পাচতহে পাৰ্টি এৰিলে। কিবা বোলে যুৱৰাজৰ অভিযেকহে হৈছিল হেনো তাত।

–অলপ ওখকৈ লাহী মানুহজনী হয়নে?

–হয় হয় বয়সীয়া মানুহ। চুলি পকিছে।

–তেনেহ'লে কিৰণ, কিৰণ দেৱী। পূৰ্বতে উত্তৰপাৰৰ বিহপুৰীয়াত ঘৰ তাইৰ।

–অঁ হয় হয়, কিৰণ দেৱী। মনত পৰিছে। খুৰাদেৱে চিনি পায়নেকি?

–হেৰ কিয় নাপাম। কিৰণক কোনে চিনি নাপায়! কিৰণক চিনি নোপোৱা মানুহ আছেনে? তাই মানুহ নহয় গোসাঁনী।

গৰীয়া, শুনিছা সকমইনাক নিয়াদি আমাৰ কিৰণকো বোলে পুলিচে জেললৈ নিলে। কিৰণেও আকৌ ক'ৰবাত গান্ধীৰ মূৰ্তিত আলকাতৰা ঢালিছিল নেকি? তাহানি কিৰণ আমাৰ মাজত গোসাঁনী আছিল! এঘাৰ বছৰ বয়সত বিয়া হৈ বাৰ বছৰ বয়সত স্বামীৰ ঘৰলৈ নোযোৱাকৈ বিধৱা হ'ল। বামুণৰ বিধৱা, দ্বিতীয়বাৰ বিয়া হ'লে বেদ শাস্ত্ৰত দপদপাই জুই জ্বলিব। কেনেবাকৈ কিৰণ ভলণ্টিয়াৰ হ'ল। কনকলতাক যিদিনা গহপুৰত গুলীয়াইছিল, সেইদিনা তাই ৰাউচি জুৰি কান্দিছিল। আমি বুজালত ক'লে বোলে তাই বেজাৰত কন্দা নাই, তাই ঈৰ্ষাতহে কান্দিছে। কনকলতাৰ ভাগ্যখনৰ বাবে তাইৰ হিংসা লাগিছে। মনে মনে সেই সৌভাগ্যৰ বাবে হেনো তাইহে বাট চাই আছিল। চাৰু গোসাঁয়ে ক'লে এইজনী বৰ অদ্ভুত ছোৱালী। বিধৱা হোৱাৰ পিচতহে তাই গাভৰু হৈছিল। কি অপূৰ্ব চেহেৰা। কিন্তু কি সাহস আৰু সততা। গোটেই ডেকা মানুহজাকৰ মাজত অকলে অকলে ঘূৰি ফুৰে অথচ কোনেও বেয়া ভাব এটা কৰি তাইলৈ চাব নোৱাৰে। চাৰু গোসাঁই, ঠানু ভূঞা, তিলক শইকীয়া আৰু মই মনে মনে আলচ কৰো এই ভৰ গাভৰুজনী আকৌ কাৰোবালৈ বিয়া দি দিব নোৱাৰিনে? চাৰু গোসাঁয়ে ক'লে বিয়া দিব পাৰিলেও তাইক সুধিব কোনে? অথবা বিয়া কৰাবলৈ গুণাভিৰামৰ দৰে ইমান সাহসী মানুহ ওলাব জানো পবিত্ৰ হিন্দুৰ মাজত? জীৱেশ্বৰ শৰ্মাই কৈছিল ককাইদেউ কথাটো মই বহুতদিন ভাবিছো। আমাৰ তায়ো অকলশৰীয়া। তাইৰ একমাত্ৰ পো মোক পুলিচে কেতিয়াবা গুলীয়াই মাৰো বুলি বৰ চিন্তা। গতিকে কিৰণকে তাইক চমজাই দিব পাৰিলে ভাল হ'ব। মই মনে মনে এই কথাটো আলচি কিৰণক কম বুলিও পাঙিছো। কিন্তু তাইৰ মুখলৈ চালে, চকুহাল দেখিলে মই বাঘ দেখা গৰুৰ দৰে ভয়ত পেঁপুৱা লাগো। তাই যেন চকুৰে মোৰ মনৰ ভিতৰখন দেখিছে। মই খোনাবলৈ ধৰো। আৰু যদি তেতিয়াই জীৱ ককাইদেউ বুলি মাতি দিয়ে মোৰ তাইৰ ভৰিত দীঘল দি পৰি ক্ষমা খুজিবলৈ মন যায়।" জীৱেশ্বৰৰ মনৰ কথা গম পাই আমি বহুতদিন কিৰণক বুদ্ধি কৰি জীৱেশ্বৰৰ লগত অকলে এৰিও চাইছো। কিন্তু জীৱেশ্বৰে আমাক পিচত আপত্তি কৰিবলৈ ধৰিলে, কিৰণৰ লগত সি অকলে ফুৰিবলৈ ভয় কৰে। শেষলৈ আমি কিৰণৰ কথা ভাবিবলৈ এৰি দিলো। জীৱেশ্বৰেও তাৰ মনৰ ভাবটো মাৰি পেলালে। সি আৰু কোনোদিনে সেই কথা নুলিয়ালে। সেই জীৱেশ্বৰ শৰ্মা বাৰু কেনি গ'লগৈ? কমাৰগাঁৱৰ জীৱেশ্বৰ শৰ্মা। হয়নে গৰীয়া? গৰীয়াই ক'ব পাৰিলেহেঁতেন। এদিন আমি অবাক হ'লো। কমাৰগাঁও থানাত পতাকা তুলিব লাগে। দুপৰীয়া বাৰ বজাত সমদল গৈ আছে। হাতত ত্ৰিৰংগ পতাকা। আমিবোৰ দলটো ভাগি যায় বুলি দীঘল শাৰীটোৰ মাজে মাজে ঘাইখুটাৰ দৰে গৈ আছো। থানাৰ চৌহদত সোমাবলৈ যাওঁতেই লাঠীচাৰ্জ। কোবাই কোবাই মানুহ বগৰাই দিলে। মানুহবোৰ ফৰিংছিটিকা দিলে। কোবাই কোবাই বগৰাই দিয়াকেইটাৰ মাজত পৰি আছে চাৰু গোসাঁই, জীৱেশ্বৰ, ভীমকান্ত আৰু বগৰা। আৰু কোনোবা কোনোবা আছিল মনত নাই। মই আৰু ৰিধাই মহাজনে মূৰ্চ্ছা গৈ থকা মানুহবোৰক টানি-আঁজুৰি আনিবলৈ চেষ্টা কৰিছো। ক'ৰবাৰ পৰা কিৰণ দৌৰি আহিল। তাই গাৰপৰা চাদৰখন এৰুৱাই চেৰেক চেৰেককৈ ফালি টুকুৰা-টুকুৰ কৰিলে। তাৰপাচত কাপোৰৰ টুকুৰাৰে মাটিত পৰি থকা মানুহবোৰৰ তেজ ওলোৱা ঠাইবোৰ বান্ধি দিলে। অৱশ্যে তাইৰ গাত তেতিয়াও মুগাৰ ৰিহা এখন আছিল। তাই হাতদীঘল বগা চোলাও পিন্ধিছিল। পুলিচ এটাই বন্দুক এটা লৈ তাইৰ ফালে খেদা মাৰি আহিছিল। তাই ঘা বান্ধি থকাৰ পৰাই থিয় হৈ পুলিচটোৰ সন্মুখত থিয় হৈ বুকুখন আগবঢ়াই দি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে– "মাৰ, মাৰ কুকুৰহঁত। বৃটিছৰ ভৰি চেলেকি থকা অসমীয়া কুকুৰহঁত মোৰ বুকুত গুলী মাৰ। নামাৰ কিয়, কি চাই আছ? মোক মাৰি পেলাই পুৰস্কাৰ লৈগে য়া। মাৰ হেৰ নৰাধম কুকুৰহঁত গুলী নামাৰ কিয়?" আমি আৰু থকাতে থৰে থৰে কঁপিছো। বোলো এইক এতিয়া গুলী কৰিব। কি আচৰিত ঘটনা! ভাবিলে আজিও কিবা মেজিক মেজিক যেনহে লাগে। ক'ৰপৰানো হিলদল ভাঙি বানপানী অহাদি মানুহ আহিল আমি ত'তেই ধৰিব নোৱাৰিলো। মানুহবোৰে হাতে হাতে দা-যাঠী, দুৱাৰ-ডাং, ম'হৰ টাকোন লৈ আহি গিৰগিৰকৈ থানালৈ সোমাই গ'ল। থানাত ডেৰকুৰিমান পুলিচ আছিল। চকুৰ আগতে প্ৰচণ্ড যুদ্ধ হ'ল। তাৰপাচত পুলিচে গুলী চলাবলৈ ধৰিলে। কুৰি মিনিটমানৰ পাচত মানুহ পলাল। থানাৰ চোতালত বহুত মানুহ লুটি খাই খাই পৰি ৰ'ল। ৰাজেন শইকীয়াই ক'লে বোলে যেয়ে য'তে আছা পলোৱা পলোৱা নহ'লে সকলোকে এৰেষ্ট কৰিব। আমি পলালো। ৰাতি একমান বজাত গড়মৰা নামঘৰত আটাইকেউজন বহিলোগৈ। তেতিয়াহে গম পালো পোন্ধৰ বছৰীয়া পোনাৰাম নামৰ ল'ৰা এটা আৰু প্ৰায় আঢ়ৈকুৰি বছৰীয়া গেজাই দাস নামৰ মানুহ এটা গুলীত মৰিল। পুলিচে শ দুটাৰ সৈতে চোতালত পৰি থকা আটাইজাককে বস্তা জপাদি জাপি সদৰলৈ লৈ গ'ল। অ' আমাৰ কিৰণ কেনি গ'ল, কিৰণ? ৰিধাই মহাজনে কোৱাৰ পিচতহে আমি ভাবিলো। বোলো কিৰণ দেখোন সঁচাকৈয়ে নাই। যদি পুলিচৰ হাতত পৰিছে সেইজনী আৰু ছোৱালী হৈ থাকিবনে সেইজাক ৰাংকুকুৰৰ মাজত? আমি নৰলোৱেই। ভাগে ভাগে কিৰণৰ অনুসন্ধানত ওলালো। তিনি বজাত আমি কিৰণৰ সন্ধান পালো। জীৱেশ্বৰক বিচাৰি মাক থানালৈ দৌৰি গৈছিল। কোনোবাই বোলে উলিয়াই দিলে জীৱেশ্বৰ পুলিচৰ গুলীত মৰিল। মাকজনী কানি-কাচুতি এৰি ঢপলিয়াই গৈছিল। অৱশ্যে পুলিচে জীৱেশ্বৰক গাড়ীত ভৰোৱা কিৰণে নিজে দেখিছিল কিন্তু গুলীত মৰা নাই। কিৰণে মানুহজনীক ধৰি ৰাখিব পৰা নাই। শেষত বুজাই-বঢ়াই ধৰি-মেলি আনিলে। ক'লে বোলে পুলিচে মৰিওৱা মানুহবোৰক হাস্পতালত ভৰ্তি কৰাবৰ বাবেহে জীৱেশ্বৰ পুলিচৰ লগত সদৰলৈ গৈছে। মাকে কথাটো নাজানিলে যে জীৱেশ্বৰ নিজে হাস্পতালত ভৰ্তি হ'বই লাগিব। জ্ঞান ঘুৰাই পাইছেনে নাই তাৰো ঠিক নাই। কিৰণে বুঢ়ীক ধৰি থকাদি আছে। আমি তেনেকুৱা অৱস্থাতে কিৰণক পাই বৰ সন্তোষ পালো। কিৰণৰ বিষয়ে আৰু বহুত গল্প আছে। এবাৰ আমাৰ পাৰ্টিৰ টকাৰ বৰ অভাৱ হৈছিল। ক'ৰপৰা যে টকা আহিব আমি ভাবি পাৰ পোৱা নাছিলো। কিছুপৰৰ পাচত কিৰণে ক'লে, টকাৰ কাৰণে ভাবিব নালাগে কাৰণ তাইৰ হাততে টকা আছে। তাই ক'লে কাইলৈৰ ভিতৰতে তাই টকা দিবহি। হয় পিচদিনাখন তাই চাৰু গোসাঁইৰ হাতত ৰূপ বাৰকুৰি দিলেহি। আমি আটাইজাকে তাইক বেঢ়ি বেঢ়ি সুধিলো বোলো তুমি টকা ক'ত পালা? তাই কোনোপধ্যেই নকয়। আমিও নেৰিলো। শেষত ক'লেগৈ। জোৰোণত দিয়া দুগদুগী থুৰিয়া আঙঠি-খাৰু আছিল সেইবোৰকে বেচি তাই টকা আনিছে। আমি শুনি বৰ দুখ পালো। ফুলতে বিধৱা হোৱা ছোৱালীজনীৰ সম্বল বুলিবলৈ সেইকেইপদ বস্তুকেই আছিল তাকো বিক্ৰী কৰি দিলে তাই। কিন্তু তাইক আৰু একো কথা কোৱাৰ উপায় নাই। আৰু ক'বলৈ গ'লে সৰু ছোৱালী এজনীৰ দৰে চুলি-তুলি আঁজুৰি-পিজুৰি ছিঙি হাওঁহাওঁকৈ কান্দিবলৈ ধৰিব। সেয়েহে আমি একোকে নক'লো। কিৰণে আমাৰ মাজৰ ডাঙৰবোৰক ককাইদেউ আৰু সৰুবোৰক নামকাঢ়ি মাতিছিল। সেই কিৰণকে কালি পুলিচে এৰেষ্ট কৰি নিলে।

দুপৰীয়া ভাত খাই উঠি মই সেই একেখন চকীতে বহিলো। চ'ৰাঘৰটোৰ এনে ঠাইত মই বহা চকীখন আছে যে তাৰপৰা দুৱাৰমুখৰ বাটটো বহুত দূৰলৈকে দেখি থাকি। গাঁৱৰ মাজৰ প্ৰধান আলিবাট। এই আলিবাটৰ পৰাই ৰাতি ৰাতি শিলগুটি কঢ়িয়াই কঢ়িয়াই মাষ্টৰ গোসাঁয়ে পকাঘৰ সাজিছিলগৈ। সংস্কৃতৰ মাষ্টৰ তেওঁ। দুপৰীয়া আলিবাটটোত মানুহ নাই। নিজম পৰি আছে। ইপিনে তমোময় ৰ'দ। মোৰ আকৌ কিৰণলৈ মনত পৰিছে। ভালেকেইবছৰ মই কিৰণক দেখা নাই। তাই চাগৈ ভালেমান বুঢ়ী হ'ল। ধোৱা বেলপাত এটাৰ দৰেই তাই পবিত্ৰ। এই বুঢ়ীকালত তাইক জেইল হাজোতত বা পুলিচে কি কৰিছে! সোণে কোৱা কথাই সঁচা নেকি? তেনেহ'লে দেশত জাকে জাকে বৃটিছৰ ঠাইত হিটলাৰ সোমালহি নেকি?

এই, কোন? কোন সেয়া? কোন দপ্‌দপাই আহিছে? কোন ঔ? কোন ঔ? মই লাখুটিডাল লৈ থিয় হ'লো। দপ্‌দপনি শুনি নবৌও ভিতৰৰ পৰা ওলাই আহি দুৱাৰমুখ পালেহি।

–কোনহে? কোনে কাক খেদি নিছে?

–জানো। দপ্‌দপাই খেদি নিয়াহে দেখিলো। আমি খৰ খোজেৰে নঙলামুখ পালোগৈ। ডেকা মানুহ দুটাই অন্য মানুহ এটাক খেদি নিছে। কি আচৰিত কাণ্ড সিহঁতৰ পিচে পিচে শিৱ বৰাই হাত দাঙি দাঙি ইনকিলাব জিন্দাবাদ, ইনকিলাব জিন্দাবাদ বুলি দৌৰি গৈছে। আমাৰ মুখৰ আগেদিয়েই শিৱ বৰা পাৰ হৈ গ'ল। ডেকা মানুহ দুটাৰ হাতত দুডাল হোলোঙা মাৰি। সিহঁতৰ গোটেই গাত বোকা। নবৌৱেহে ক'লে বোলে খেদি নিয়া মানুহটো মহম্মদ আলি। এম-এল-এৰ ভায়েক। ইয়াৰ আঞ্চলিক পঞ্চায়তৰ প্ৰেছিডেণ্ট। খেদি যোৱা দুটাৰ এটাৰ নাম বোলে কাফ্‌নুৰ, এটাৰ নাম বোলে সোণাৰাম। আমি চাই থাকোতেই দেখিলো কাফ্‌নুৰে প্ৰথম মাৰটো মহম্মদ আলিৰ কঁকালত মাৰিলে। দুখোজমান গৈ আমলখি জোপাৰ তলত মানুহটো বাগৰি পৰিলত দ্বিতীয় মাৰটো মাৰিলে সোণাৰামে। নবৌৱে ভয়তে চিঞৰিবলৈ ধৰিলে। চিঞৰি চিঞৰি তেওঁ নঙলা দুডাল মাৰি দিলে। মই লাখুটিডাল খামোচ মাৰি ধৰি কঁপিবলৈ ধৰিছো। মানুহটো বাগৰি পৰাৰ পাচতেই "ইনকিলাব জিন্দাবাদ" চিঞৰি যোৱা শিৱ বৰাই চকু দুটা হাতেৰে ঢাকি পুলিচ পুলিচ বুলি উভতি দৌৰি আহিল। মোৰ আগেদিয়েই শিৱ বৰাই পুলিচ পুলিচকৈ দৌৰ মাৰিছে। মই চিঞৰিলোহে চিঞৰিলো শিৱ বৰাৰ কাণত নোসোমাল। মোৰ মূৰটোৰ ভিতৰৰ যেন ঘিউবোৰ উতলিবলৈ ধৰিলে। কাণ দুখন তপত লোৰ দৰে গৰম হৈ আহিল। মই ক'ব নোৱাৰাকৈ মুখৰ পৰা ওলাই আহিল– হেৰ' কাফ্‌নুৰ, হেৰ' সোণাৰাম হোলোঙা মাৰিৰে মাৰি মাৰি দিয়াতকৈ তাক খোচ মাৰি মাটিৰ লগত চিলাই পেলাহঁত। হেৰ' চিলাই পেলাহঁত। বহুত মানুহ গোট খালে। মোৰ বৰ ভয় লাগিল। মই কঁপি কঁপি ভিতৰ সোমাই চকীখন টানি একাষৰীয়াকৈ বহি দুৱাৰখন জপাই কানি-দুৱৰী কৰি থলো। নবৌৱে পিচফালৰ ঢাপৰ পৰা কাৰোবাৰ লগত চিঞৰি চিঞৰি কথা পাতিছে। মোৰ বৰ ভয়

OKDISCD

লাগিল । নবৌৰ পৰাহে গম পালো । মহম্মদ আলিৰ দুকুৰি পূৰা মাটি আছে । কাফ্‌নুৰ আৰু সোণাৰামহঁতে তাৰ মাটিৰ অলপ আধিকৈ ৰোৱে । এইবাৰ সিহঁত দুটাৰ পৰা মাটি এৰুৱাব খুজিছিল । সিহঁতে নেৰিলে বোলে দুপুৰুষ সেই মাটি সিহঁতেই ৰুই আহিছে । হাল বাই ৰোওঁতেই মহম্মদ আলিৰ মানুহে গৈ ৰোৱাবোৰ মহতিয়াই পেলাওঁতে সিহঁতে পথাৰলৈ নগৈ আলিৰ ঘৰতে ধৰিলেগৈ । আৰু খেদি খেদি আনি সেই অৱস্থা কৰিলে । আও সিহঁতে কম দপদপনি মাৰি খেদি গৈছেনে ? খোজৰ ভৰত যেন ধৰণী কঁপি উঠিছে । তেনেহ'লে সিহঁতৰ খোজৰ শব্দ নেকি বাৰু ? কাফ্‌নুৰ আৰু সোণাৰামৰ খোজৰ শব্দ নেকি বাৰু অহৰহ যে মোৰ কাণত বাজি থাকে ? আপোনালোকেও শুনা নাইনে ? ইয়াৰ পাচত কি হ'ব বাৰু ? পুলিচ । পুলিচ আহিব । শিৱ বৰা ক'লৈ লৰ মাৰিলে ? পুলিচ কেতিয়া আহিব ? এইপিনে আমাৰ ঘৰৰ আগেদিয়েই পুলিচ যাব নেকি ?

\+ + + +

ক'ৰবাৰ পৰা ফোপাই-জোপাই আহি বাপ সোমালহি । সি দুৱাৰখন হেঁচা মাৰি দিলত মই উচপ খাই উঠিলো । বাপে কলেজতে খবৰটো পালে বোলে । সি বৰ দুখ কৰিছে । সোণাৰামহঁতে বোলে হাতৰ কুঠাৰ ভৰিত মাৰিলে । এতিয়া বোলে জাকে জাকে পুলিচ আহিছে । সঁচাকৈয়ে পুলিচ আহিল । গাঁওখন প্ৰায় বেঢ়ি ধৰিছে । কেলেই, কিনো বেয়া কাম কৰিলে সোণাৰামহঁতে বাপ ? হুলক হুলেৰেহে কাঢ়িব লাগে । বাপে ক'লে বোলে সমানে সমানে নহ'ল । মহম্মদ আলিৰ ধনবল জনবল দুয়োটা আছে । তাৰ বাহিৰেও ধন থাকিলেই আইন আৰু ঘৰতে এম-এল-এও আছে । অৰ্থাৎ আইনখনো হাততে আছে । কিন্তু সোণাৰামহঁতৰ একো নাই । টকা নাই । এতিয়া গাঁৱৰ মানুহৰ কথা বাদেই, নিজৰ ককাই-ভাইকেঘৰেই সিহঁতক সমৰ্থন নিদিলে । এতিয়া এৰেষ্ট কৰিলে উকীল এজন ধৰ্বিবলৈ মানুহ এটা নাই । মহম্মদ আলি প্ৰতাপী মানুহ । গতিকে মহম্মদ আলিৰ বিৰুদ্ধে কোন যাব ?

–পুলিচ আহিলেই নেকি বাপ ?

–আহি ঘেৰাও কৰি আছে ।

এইফালে যাতে পুলিচ নাহক তাকে মই মনে মনে ঈশ্বৰক প্ৰাৰ্থনা কৰিলো । বাপহঁতে বহুত খবৰ ৰাখে । ইমাৰ্জেন্সিৰ ভিতৰত বোলে ঘোচ খাবলৈ সুবিধাহে হ'ল । কেনেকৈ ? সেই কোনোবা এজন বোলে কলেজৰ প্ৰফেচৰৰ ঘৰত চিমেন্ট লুকাই ৰাখিছিল । ক'ৰবাৰ ঠিকাদাৰ এজনৰ পৰা ব্লেকত আনিছিল । তাকে পুলিচে ধৰিলেহি । ঠিকাদাৰে টকা দুকুৰি দিছিল । পুলিচে নিলে দহকুৰি । কিন্তু এনেয়ে হোৱা হ'লে দুকুৰিতে মান্তি হ'লহেঁতেন । এতিয়া ইমাৰ্জেন্সিৰ ভিতৰত দহকুৰি ল'লে । কাৰণ কোন ধাৰাত কি পেলাই দিয়ে ঠিক নাই নহয় । আগতে হোৱা হ'লে প্ৰফেচাৰে ক'লেহেঁতেন এই টকা দুকুৰি দিছো, ল'লে লওক নল'লে যি কৰে কৰক ? প্ৰফেচৰ পাৰ্টিৰ মানুহ । ক'ৰ্টত কেচ দিবও নোৱাৰি । দিলেও ফাক-ফুক হ'ব । গতিকে তাকে ভাবি লৈ গ'লহেঁতেন ।

–সোণ আহিলি নেকি ?

–আহিলো খুৰাদেউ ।

–তই কিৰণৰ কিবা খবৰ পালিনে ?

–অ' তেখেতে হেনো ক'ৰবাৰ মহিলা মেল এখনত মহিলাক জাগিবৰ বাবে আহ্বান জনাইছিল । অন্যায়ৰ প্ৰতিবাদ কৰিবৰ বাবে বোলে মহিলাৰ বহুত শক্তিশালী অস্ত্ৰ আছে । উদাহৰণ দিছিল এইবুলি হেনো– এতিয়া দেশত জৰুৰীকালিন অৱস্থা ঘোষণা কৰিছে । জৰুৰীকালিন অৱস্থা যদি বেয়া তেনেহ'লে মহিলাসকলেও প্ৰতিবাদ কৰিব লাগে । এইবোৰ কথাৰ কাৰণেই এৰেষ্ট কৰিলে বোলে । আজিকালিনো এৰেষ্ট কৰাটো কি কথা । আমাৰ ইয়াৰো বোলে আজি এজাকক নিছে । আওমৰণে মৰা বোলে ।

মোৰ আজি সঁচাকৈয়ে বৰ ভয় লাগিছে । পুলিচৰ ভয়টো আছেই । তাৰ বাহিৰেও আজি মই আকৌ অন্য এটা কথাহে ভাবি আছো । কিৰণৰ নিচিনা মানুহেও যেতিয়া পাৰ্টি এৰি বিৰুদ্ধে কথা ক'ব পাৰে তেতিয়াহ'লেনো আমাৰ দিনৰ মানুহ পাৰ্টিত কোন আছে ? তাহানি বিয়াল্লিছৰ দিনৰ কোনোবা মানুহ পাৰ্টিত আছেনে ? লোকাই নেওগে এবাৰ নগৰতে লগ পাই কৈছিল বোলে বুইছা মাষ্টৰ, এসময়ত সিন্ধি খন্দাবোৰ এতিয়া ধনভঁৰালী । কেলেই দণ্ডলৈ নোচোৱা কিয় ? আমি স্বৰাজত লাগোতে দণ্ডই পুলিচত ডাঁৰৰ বাতৰি ডাঁৰে জনাই আছিল । আমি ঘৰলৈ কেতিয়া যাওঁ, আমাৰ ঘৰ চলাবলৈ কোনে ক'ৰপৰা পইচা পঠাইছে এইবোৰ কথা দণ্ড আৰু ৰমা মাষ্টৰেই পুলিচত খবৰ দি থকা নাছিল জানো ? অ' এতিয়া দণ্ড ৰাজধানীত মন্ত্ৰী হ'ল আৰু ৰমা মাষ্টৰে তাম্ৰপত্ৰ পাই মাহেকত আঢ়ৈশ নে তিনিশ পেন্সন পায় । ঘৰ সাজিবলৈ চৰকাৰী টকা ধাৰ কৰি আনি পিচত পলিটিকেল চাফাৰাৰ বুলি মাফ কৰি ল'লে । কিন্তু মোৰ ছোৱালীজনীৰ প্ৰথম সন্তানটোৰ অশৌচ লাগোতে মোৰ ঘৰতে আছিলহি । কেঁচুৱাটো বৰষুণৰ পৰা বচাবলৈ কোঠাটোত ঠাই অকণ নাই । বৰষুণ দিলেই বাহিৰতকৈ ভিতৰত পানী আগতে পৰে । সঁচা কথা ক'বলৈ আৰু কি লাজটো আছে ? কেতিয়াবা চাহ-পানী অকণ খাবলৈ ঘৰত চাহপাত এৰোজৰ যোগাৰ কৰিব নোৱাৰো । বহুত ভাবি-চিন্তি এবাৰ পেন্সনটোৰ কাৰণে গৈছিলো । উ– যিমানবোৰ কাকতপত্ৰ লগা হ'ল– মুঠতে হায়ৰাণ । বাদ দিলো । শেষত মন্ত্ৰীৰ আগতে ক'লো বোলো মোৰ চাৰ্টিফিকেট-টাৰ্টিফিকেট নাই । পুলিচে সংগীনেৰে খোচা এইটো দাগ চাওক পিঠিত আছে । জেলত অনশন কৰাৰ কাৰণে মৰিয়ালত আমি কেইটামানে জেলৰ গেট ভাঙিবলৈ চেষ্টা কৰোতেই এই অৱস্থা । ছমাহৰ পিচতহে পিঠিৰ ঘা শুকাইছে । মই পিঠিটো বখলিয়াই দেখুৱাই দিলো । কেঁচা কোমোৰাৰ নিচিনা মন্ত্ৰীটোৱে হাঁহি এটা মাৰি ক'লে বোলে ঘাডোখৰেই যথেষ্ট নহয় । কি ঠিক আছে ক'ৰবাত অন্য কাৰণতো ঘা লাগিব পাৰে । মোৰ খঙে মূৰৰ চুলি পাইছিল এই মন্ত্ৰীটো বোলে মন্ত্ৰী হোৱাৰ আগতে কলেজৰ প্ৰফেচৰ আছিল । মোৰ এনে এটা খং উঠিছিল বোলো দিওঁ নেকি কাণতলীয়া চৰ এটা । বহুত ভাবি-চিন্তি ওলাই আহিলো । তুমি পাইছা জানো পেন্সন ? নাই পোৱা নহয় ? কেনেকৈ পাবা ? চুৰ নকৰিলে নহ'ব ।


লোকাই নেওগে মোক ঘৰুৱা খা-খবৰ সুধিছিল । এৰা মই কাইলৈ ঘৰলৈ যাবগৈ লাগিব । কোন ? কোন ? বাপ অ' সোণ, পুলিচ আহিছে । সঁচাকৈয়ে পুলিচ আহিছে ।

–আপুনি ইয়াৰ গৃহস্থ নহয় নেকি ?

❑ (ক্ৰমশঃ)



# যদিও ব্যক্তিগত



*'পষেক'ৰ কাৰ্যালয়লৈ কিছু পাঠকৰ ব্যক্তিগত সমস্যা সমন্বিত চিঠি-পত্ৰ মাজে মাজে আহি থাকে । এই চিঠিবোৰৰ দুখনমানৰ সংক্ষিপ্ত ৰূপ আমাৰ উত্তৰেৰে সৈতে এই শিতানত সন্নিবিষ্ট কৰা হ'ল । যথাসম্ভৱ সমবেদনা আৰু সহমৰ্মিতাৰে আগলৈকো এনে চিঠি আৰু আমাৰ সমাধান এই শিতানত ছপোৱা হ'ব বুলি থিৰাং কৰা হৈছে । গতিকে পাঠক-পাঠিকাই দ্বিধাহীনভাবে নিজা নিজা ব্যক্তিগত সমস্যা এই শিতানলৈ লেখি পঠিয়াব পাৰে । আছুতীয়া অনুৰোধ থাকিলে প্ৰেৰকৰ নাম ঠিকনা উহ্য ৰখাৰ ব্যৱস্থা কৰা হৈছে । ঠিকনা ঃ 'যদিও ব্যক্তিগত' মাৰফৎ ঃ পষেক । সাদিন কাৰ্যালয়, মণিৰাম দেৱান পথ, গুৱাহাটী-৭৮১০০৩ ।*

এক ॥ "মই স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ । মই বি-এ পঢ়ি থকা অৱস্থাত সহপাঠী এজনীক গভীৰভাবে ভাল পাইছিলো । সেই সময়ত তাইৰ পৰা মই বহুত মৰম আৰু প্ৰেৰণা পাইছিলো । দুৰ্ভাগ্য যে ছোৱালীজনীক আগৰ ভালপোৱা এজনে প্ৰতাৰণাৰে তাইৰ সৈতে দুদিনমান একত্ৰে কটোৱাৰ পাচত ঘৰৰ মানুহে ঘূৰাই আনি বৰ্তমান ঘৰতে ৰাখিছে । কিন্তু বৰ্তমান মোৰ বন্ধু তথা ঘৰৰ মানুহবোৰে মোক ছোৱালীজনী পুনৰ গ্ৰহণ কৰাত আপত্তি কৰিছে । আমি কিন্তু ভৱিষ্যতৰ বাবে দুয়ো দুয়োকে অসংখ্য প্ৰতিশ্ৰুতি দিছিলো । বৰ্তমান সাময়িকভাবে আমাৰ সম্পৰ্ক ৰত যদিও মই বাৰু ছোৱালীজনী পুনৰ গ্ৰহণ কৰাটোত আপুনি সন্মতি প্ৰকাশ কৰেনে নকৰে ? আপোনাৰ পৰামৰ্শৰ বাবে বাট চাই ৰলোঁ ।

ডিঃ বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰ ।

– তোমাৰ সমস্যাটো বেছ জটিল । এতিয়া দুটা কথা নিৰ্ভুলকৈ চালিজাৰি চাব লাগিব । তোমাৰ ফালৰ পৰা ছোৱালীজনীৰ পিনে ভালপোৱা আগৰ দৰেই নিখুঁত হৈ আছে নে নাই । ছোৱালীজনীক প্ৰতাৰণা কৰা হৈছিল । পূৰ্ব প্ৰেমিকজনৰ ছলাকলাত ভোল গৈ ছোৱালীজনীয়ে যি কৰিবলৈ বাধ্য হৈছিল তাৰ বাবে তাইক দোষী কৰিব নোৱাৰি । তথাপিও তোমাৰ প্ৰতি তাইৰ মৰম-ভালপোৱাত কিবা চেকা পৰিছে নেকি সেই কথাও চালিজাৰি চাব লাগিব । যদি তুমি সঁচাই ছোৱালীজনীক ভাল পাইছিলা তেনেহ'লে তাইক পুনৰ প্ৰেমৰ আশ্বস্তি প্ৰদান কৰি তাইৰ ওচৰলৈ যোৱাত কোনো আপত্তি নেদেখো । আমাৰ পৱিত্ৰতাৰ সমুখত দৈহিক তত্ত্ববোৰত গুৰুত্ব আৰোপ কৰাটো মূৰ্খামিৰ কথা ।

দুই ॥ মই নৱমমানৰ পৰাই এজনী ছোৱালীক খুব ভাল পাইছিলো । এবাৰ তাইক মই স্কুলতে এখন চিঠি দিছিলো । তাই বিমুখ কৰাত তাইৰ মনৰ পৰিবৰ্তনৰ বাবে অপেক্ষা কৰি কৰি মই সম্পূৰ্ণৰূপে হতাশ হৈ পৰিছিলো । শেষত মই নিজকে মাতৃভূমিৰ বাবে উছৰ্গা কৰি সংযুক্ত মুক্তি বাহিনী (অসম)ত ভৰ্তি হ'লো । এইবাৰ মই হাইস্কুল শিক্ষান্ত পৰীক্ষা দি উঠি পূৰ্ণোদ্যমে বাহিনীৰ কামত লাগিম বুলি ভাবিছো । কিন্তু সিদিনা বান্ধৱী এজনীৰ যোগে গম পালো যে, তাই হেনো এতিয়া মোক ভাল পায় । ফলত মোৰ মনত বৰ্তমান আকৌ অস্থিৰতাই দেখা দিছে । বহু চেষ্টা কৰিও মই মনটোক স্থিৰ কৰিব বা বুজাব পৰা নাই । মই বৰ্তমান চিন্তা দোমোজাত পৰি মানসিক অশান্তিত ভুগিছো । এইক্ষেত্ৰত আপোনালোকৰ পৰা অলপ দিহা-পৰামৰ্শ পাম বুলি আশা ৰাখিলো ।

–নাম-ঠিকনা অনুৰোধক্ৰমে উহ্য

– তোমালোকৰ সংগঠনৰ প্ৰেমৰ ওপৰত কি ধৰণৰ নিয়ম-কানুন আছে নেজানো । কিন্তু ইতিহাসৰ বিভিন্ন বিক্ষোভ বিপ্লৱৰ মাজত অগ্ৰণী সৈনিকসকলক বিভিন্নজনে নিস্বাৰ্থ প্ৰেম আগবঢ়োৱাৰ নিদৰ্শন আছে । এনে ক্ষেত্ৰবোৰত প্ৰেমে দায়িত্ববোধত বাধা হিচাপে নহয় উদগনি হিচাপেহে দেখা দিয়ে । বান্ধৱীৰ সৈতে এই বিষয়ে খোলাখুলিকৈ কথা পাতি লোৱাহে উচিত হ'ব । শুভেচ্ছা থাকিল ।

তিনি ॥ মই বৰ্তমান স্নাতক ২য় বৰ্ষৰ ছাত্ৰ । সকলো মানুহৰ জীৱনলৈ অহা প্ৰেম নামৰ জয়ঢোলডাল মোৰো ডিঙিত ওলমিলে । প্ৰেমত পৰিলো মোতকৈ এবছৰে সৰু এজনী ছোৱালীত । প্ৰেমেই বোলে নে নাটকেই বোলে সেইখিনিৰ সোৱাদ যোৱা দুবছৰে পালো । এতিয়া কিন্তু আমুৱাইছে । কাৰণ ছোৱালীজনীয়ে বেলেগ ল'ৰালৈ দিয়া এখন চিঠি মোৰ হাতত পৰিছে । সেই চিঠিখন পঢ়ি মোৰ এনে ধাৰণা হ'ল যে মোতকৈ ল'ৰাজনকহে বেছি ভাল পায় । আকৌ ল'ৰাজনে ভাবিছে (কৈছে) যে তেওঁলোকৰ মিলনৰ হেঙাৰস্বৰপ এতিয়া ময়েই বোলে থিয় দিছো । ছোৱালীজনীৰ সৈতে কি



OKDISCD

কৰিম ? আৰু ল'ৰাজনক কি ক'ম ? আপোনাৰ মতামত বিচাৰিলো ।

বিতোপন শৰ্মা (স্নাতক ২য় বৰ্ষ বিজ্ঞান), বি-এন কলেজ, ধুবুৰী

চাৰি ॥ মই এজন ল'ৰাৰ প্ৰেমত পৰিছো । কিন্তু এতিয়া মই জানিব পাৰিছো ল'ৰাজনৰ অন্য প্ৰেমিকা আছে । এইকেইদিন মোৰ মানসিক অৱস্থা বৰ শোচনীয় । মই উপায়বিহীন হৈ পৰিছো । পৰীক্ষা ওচৰ চাপিছে । মই কি কৰো ভাবি পোৱা নাই । কেতিয়াবা ভাবো সকলো সংঘাতৰ মাজেৰেই ধৈৰ্যৰে নিজকে লক্ষ্যত উপনীত কৰাম । কিন্তু পিচমুহূৰ্ততেই মই ভাগি পৰো । মই বাৰু ল'ৰাজনক সুধিম নেকি ভালপোৱাৰ বিনিময়ত মোক কিয় প্ৰলোভন কৰিলে । নে নীৰৱে বিৰহকে জীৱনৰ সম্বল বুলি নিজকে কষ্ট দি জীয়াই থাকিম । মোৰ এই অশান্ত মনটোক বুজাব নোৱাৰিলে মৃত্যুৰ বাহিৰে মোৰ অন্য উপায় নাই ।

মিচ তিৰু গগৈ
লেঙেৰী, ডিব্ৰুগড়

প্ৰেমে সদায় আদান-প্ৰদানতহে পূৰ্ণতা লভে । আনপক্ষ যদি সুস্থিৰ নহয় তেনেহ'লে তাৰবাবে নিজকে আত্ম-গ্লানিত ডুবাই দিয়াৰ কোনো কাৰণ নাই । আপোনালোক দুয়ো নিজকে দুৰ্ভগীয়া বুলি ভবাতকৈ এনে দুখজনক অভিজ্ঞতাক ভৱিষ্যতে আধাৰ হিচাপে লৈ নিজকে বলীয়ান কৰি আগবাঢ়ি যোৱা । জীৱনত বহুজনকেই লগ পাব । কোনোৱে প্ৰেমৰ মূল্য বুজে কোনোৱে নুবুজে । সেইবুলি আনৰ দোষৰ বাবে নিজকে দুৰ্ভগীয়া বা দোষী বুলি ভবাটো দুৰ্বলজনৰহে কাম ।



পাঁচ ॥ মোৰ প্ৰায় সমবয়সীয়া এজন ল'ৰাক মই ভালপাওঁ । আমাৰ দুয়োৰে মাজত গভীৰ ভালপোৱা । দুয়ো বি-এ পাছ কৰি আছো । পিচে ল'ৰাজনৰ ঘৰলৈ কেইবাখনো বিয়েৰিং চিঠি (দুয়োৰো বিৰুদ্ধে) যোৱাত ল'ৰাজনৰ আৰু আমাৰ ঘৰখনৰ মানুহখিনিৰ মাজত তীব্ৰ বিৰোধিতা হয় । ঘৰত ল'ৰাজনৰ প্ৰতি থকা বিশ্বাস হেৰাই যোৱাত তেওঁ আমাৰ ভালপোৱাৰ পৱিত্ৰতা তথা চিঠিবোৰৰ সম্পূৰ্ণ ভিত্তিহীন কথাবোৰৰ বিৰুদ্ধে বুজাবলৈ চেষ্টা কৰি হতাশ হৈ পৰিছে । মানে পৰিয়ালক কোনোৱে তাৰ কথা শুনিব নিবিচাৰে ।

সেয়ে আমাৰ দুয়োঘৰৰ মাজত বুজাবুজি হোৱাকৈ তথা আমি দুয়ো যাতে সুখেৰে মিলন হ'ব পাৰো তাৰে এটি গঠনমূলক পৰামৰ্শ আগবঢ়াই অকণমান আনন্দ দিবনে !!

জ'নি কাকতী

তোমালোক দুয়ো দুয়োকে যদি সঁচাই ভালপোৱা, তোমালোকৰ প্ৰেমত যদি সাৰ্থক গভীৰতা আছে, উত্তৰ বৈবাহিক জীৱনৰ প্ৰতি দুয়ো দায়িত্ববোধ সহকাৰে সংস্থান তথা আশ্ৰয়ৰ প্ৰতি প্ৰস্তুত হৈ লোৱা পাৰস্পৰিক বুজাপৰাৰে, তেনেহ'লে ঘৰৰ বিৰোধিতাবোৰ বা আন কুটাঘাতৰূপী আপত্তিবোৰ সহজেই পাৰ হৈ যাব পাৰিবা । দৰকাৰ গভীৰ সংকল্পৰ আৰু মানসিক ধৈৰ্যৰ । শুভেচ্ছা ৰ'ল ।

ছয় ॥ মোৰ বৰ্তমান বয়স ১৯ বছৰ । মই এজন বিজ্ঞান শাখাৰ ছাত্ৰ (দ্বিতীয় বাৰ্ষিক) যোৱাবছৰ মোৰ H.S Final বেয়া হ'ল । মই হতাশাত ভাগি পৰিছিলো । ঘৰখনলৈ খুব ভয় লাগিছিল । লগৰ পাছ কৰা ল'ৰা-ছোৱালীক সমীহ কৰি চলিবলৈ ধৰিলো । তাৰপিচত সকলো প্ৰকাৰৰ হাঁহি-স্ফূৰ্তি কৰিব লওঁতেই আকৌ ১৯৯৩-ৰ H.S Final Exam-পালেহিয়েই । মোৰ বৰ্তমান পঢ়া বিশেষকৈ একোৱেই হোৱা নাই । এইবাৰ Drop দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে । কাৰণ ঘৰখনক আৰু ফাকি দিব নিবিচাৰো । মেট্ৰিক পৰীক্ষাৰ আগতে কিতাপ পঢ়িবলৈ যি আগ্ৰহ, হেঁপাহ আছিল, সেই আগ্ৰহ আজি ক'ত হেৰাল ? কিয় বাৰু এনে হৈছে ? সকলো বুজিও, সকলো জানিও মোৰ পঢ়াত মন বহাব নোৱাৰো । জীৱনত সময়ৰ মূল্য কিমান মই এতিয়াহে উপলব্ধি কৰিছো । মা-দেউতাৰ মোৰ ওপৰত বহু আশা কিন্তু সকলোকে মই ফাকি দিয়েই চলি আহিছো । আৰু এনেদৰেনো কিমানদিন চলিব পাৰিম ! মোৰ Time table-ৰ মতেও পঢ়া কাম কৰিব নোৱাৰো । লোকক ফাকি দিলে মই আনক হাঁহিছিলো কিন্তু আজি মই বাধ্যত পৰি মোৰ শ্ৰদ্ধাৰ, সন্মানীয় কেবাজনক মিছা মাতিবলগীয়া হৈছে । এনে পৰিস্থিতিত মই বাৰু কি কৰা উচিত ? জনাবনে অনুগ্ৰহ কৰি ? এইবাৰ পৰীক্ষা বেয়া হ'লে মোৰ ঘৰৰ স্থানো নাইকিয়া হ'ব ।

দীপক কুমাৰ
দি-এ-এন-এছ এৰিয়া


তোমাৰ এই বিলম্বিত উপলব্ধিয়েই জীৱনত আগুৱাই যাবলৈ উৎসাহ দিব । প্ৰথমবাৰলৈ ডাঙৰ হেঙাৰ এটা আহিলেই আৰু তাত বিফল হ'লেই ঘোৰ নিৰাশা আৰু স্থবিৰতা আহি পৰে । নিৰাশা কাটি পুনৰ উদ্যমেৰে মানসিক শক্তি যোগাৰ কৰি ল'ব পৰাটোতহে পুৰুষত্ব থাকে । তোমাৰ ভুলবোৰত তোমাৰ মা-দেউতা বা পৰিয়ালৰ আন আনজন ব্যথিত হ'ব ঠিকেই; কিন্তু ভুলবোৰ শুধৰাই আকৌ সঠিক পথত খোজ লোৱা দেখিলে একেদৰেই আনন্দিত হ'ব । গতিকে এইবাৰো পৰীক্ষাত কৃতকাৰ্য নহ'লেও ভাগি নপৰিবা । মনোযোগেৰে নিজৰ পঢ়াশুনা চলাই যোৱা । আনে কি কৰিছে বা তোমাৰ বিষয়ে কি ভাবিছে এইবোৰ অবান্তৰ কথা । নিজৰ জীৱন তুমি নিজেহে গঢ়িব লাগিব । মনলৈ সুস্থিৰতা আৰু একাগ্ৰতা আনা । Failures are the pillars of success । ❑





মহিলা

আমাৰ এই আৰ্থ-সামাজিক সমাজত মধ্যবিত্ত ছোৱালীৰ নিজস্ব জীৱনে এতিয়াও কোনো স্থিতি, কোনো স্থায়ী ৰূপ পোৱা নাই । কাৰণ আজিও তেওঁলোকৰ স্থান নিৰ্দ্ধাৰণ কৰা হোৱা নাই । বোলান গংগোপাধ্যায়ৰ এটি প্ৰবন্ধৰ মুকলি অনুবাদ



**আমাৰ সমাজত, এতিয়াও বিবাহ নামৰ ব্যৱস্থাটোৱে ছোৱালী আৰু ল'ৰাৰ বাবে বেলেগ বেলেগ অৰ্থ হৈ আছে । নাৰীৰ জীৱন এতিয়াও বিবাহৰ বাহিৰে সামাজিকভাৱে সাৰ্থক নহয় ।**


# পৰিয়ালটোৰ বাবে আটাইখিনি কৰি তাৰ বিনিময়ত কিমানখিনি পায় ?

এই আলোচনাটো আৰম্ভ কৰিবলৈ লৈয়েই প্ৰথমে মোৰ মনত পৰিছে কৈশোৰত দেখা এগৰাকী নাৰীৰ মুখ । স্কুলীয়া কালত সেই নাৰী মোৰ সহযাত্ৰী আছিল । একে ঠাইৰ পৰা আমি প্ৰতিদিনে বাছত উঠিছিলো, একেলগে বহুদূৰলৈকে গৈছিলো । সেই সূত্ৰে চিনাকি হৈছিলো । মই গম পাইছিলো, স্থানীয় এখন হোষ্টেলত থাকি তেওঁ চাকৰি কৰে । দূৰৰ এখন ঠাইত আছিল তেওঁৰ খুব পঢ়াশুনাত চোকা সৰু ভায়েক– প্ৰতিটো পৰীক্ষাতে ভায়েক প্ৰথম হয় । আছে আৰু বৰ মৰমৰ এজনী সৰু ভনীয়েক । দুৰাৰোগ্য ৰোগত শয্যাশায়ী দেউতাক আৰু মাকো আছিল তাতে । অনুমান কৰিব পাৰি, তেওঁৰ চাকৰিৰ টকাখিনি আছিল পৰিয়ালৰ বাবে অতি প্ৰয়োজনীয় । স্কুলৰ সেই সময় পাৰ হৈ যোৱা বহুদিন হ'ল । মহিলাগৰাকীৰ সৈতে তাৰ পিচত সদায় নহ'লেও মাজে সময়ে দেখা সাক্ষাৎ হৈছে । কুশল বিনিময় হৈছে । শেষবাৰ যেতিয়া লগ পাইছো, তেওঁক যথেষ্ট বয়সস্থা যেন লাগিছিল ।

মোৰ পৰা তেওঁ জানিবলৈ বিচাৰিলে ভাল এখন বৃদ্ধাশ্ৰমৰ ঠিকনা । যদিও সেয়া খুব অপ্ৰত্যাশিত নাছিল তথাপি জানিবলৈ বিচাৰিলো তেওঁৰ প্ৰথম হোৱা ভায়েকৰ কথা আৰু মৰমৰ ভনীয়েকৰ কথা । এতিয়াও উচ্ছ্বসিতভাৱে তেওঁ কৈ গ'ল, তেওঁৰ ভায়েকে আই-আই-টিৰ পৰা কিমান ভাল ৰিজাল্ট কৰি কিমান ডাঙৰ চাকৰি পাইছে । কৈ গ'ল তেওঁৰ সেই ভনী আৰু ভনীজোঁৱাইৰ কথা, তেওঁলোকে কিমান ভালেৰে আছে ।



OKDISCD



ক'ত মাটি কিনিছে, কি কি মূল্যবান সামগ্ৰীৰ মালিক হৈছে, সকলো। কিন্তু সেই ভাই বা ভনীৰ ওচৰলৈ গৈ অৱসৰজীৱন কটোৱাৰ আৰু কোনো প্ৰশ্ন নুঠে। তেওঁলোকেও বায়েকক মাতি নিয়া নাই। সেইবাবেই চাকৰিৰ পৰা অৱসৰ পালে তেওঁ হোষ্টেলৰ পৰা চিধা বৃদ্ধাশ্ৰমলৈ গুচি যাব খোজে।

এই সমস্যা আধুনিক কোনো সমস্যা নহয়। বহু পুৰণি এই সমস্যা। সেই মহাভাৰতৰ সময়ৰ পৰা বয়ঃপ্ৰাপ্ত কন্যাক বিয়া দিব নোৱাৰিলে দেউতাক সমাজত নিন্দিত হৈছিল। আনকি মহাভাৰতত এনেকুৱা কথাও লিখা আছে যে কুমাৰী ছোৱালীৰ বাবে স্বৰ্গত স্থান পোৱাও অসম্ভৱ।

কুনিৰ্গৰ্গ ঋষিৰ কন্যাই বৃদ্ধা বয়সলৈকে তপস্যা কৰিছিল। শেষত তেওঁ যেতিয়া পৰলোকগমন কৰিবলৈ ইচ্ছা কৰিলে, তেতিয়া সেয়া তেওঁৰ বাবে সহজ নহ'ল। নাৰদে বিধান দিলে, অসংস্কৃতা (অবিবাহিতা) কন্যাৰ উৎকৃষ্ট লোকত স্থান নাই। তেতিয়া সেই বৃদ্ধাই প্ৰাক্‌শৃঙ্গবান নামৰ এজন ঋষিকুমাৰক বিয়া কৰাই লোকান্তৰিত হয়। ইমানদিনৰ তপস্যাত যি নহ'ল, বিবাহত তাকে হ'ল, অৰ্থাৎ তেওঁ সংস্কৃতা হ'ল।

নাৰদৰ এই বিধানেই বোধহয় এতিয়াও একবিংশ শতাব্দীৰ দুৱাৰডলিলৈ আহিও নাৰীৰ জীৱন যাপনক নিৰ্দিষ্ট কৰি দিয়াৰ অধিকাৰ লৈ আছে। স্ত্ৰী শিক্ষা প্ৰচলন বা নাৰীৰ ক্ৰমাগত অন্তৰ-বাহিৰৰ সংগ্ৰাম, কোনেও একোতেই যেন শ্বাশ্বত এইবোৰ বিধানক টলাব নোৱাৰিব। যিসকল ভাৰতীয় নাৰীক নাৰী জাতিৰ আদৰ্শ বুলি কোৱা হয়, তেওঁলোক কোনোৱেই কুমাৰী নহয়। যেন বিবাহৰ দ্বাৰা শুদ্ধিকৰণ নহ'লে কোনো নাৰীৰ কোনো মহত্ত্ব নাই। আজিও আমি এই মূল্যবোধৰ দাসত্ব কৰি চলি আছো। সংসাৰত, চাৰিওফালৰ সমাজত আমি যিসকল নাৰীৰ সংস্পৰ্শলৈ প্ৰতিদিনে আহো, তেওঁলোকৰ মাজত বহুতেই অবিবাহিত। কোনো কোনোৱে হয়তো স্বেচ্ছাই, কিন্তু অধিকাংশই বাধ্য হৈ অবিবাহিত হৈ থাকে। সংসাৰৰ গুৰিব'ঠা ধৰোতে ধৰোতে নিজৰ সংসাৰ গঢ়াৰ অৱকাশ তেওঁলোকৰ নহয়, উপায়ো নাথাকে। তেওঁলোকৰ অনলস সাধন আৰু ত্যাগৰ ওপৰত গঢ়ি উঠে কত পুৰুষৰ কেৰিয়াৰ– তাৰ হিচাপ নাই। প্ৰাৰ্থী সমাজ আৰু সংসাৰৰ প্ৰসাৰিত হাতখনক পূৰ্ণ কৰি দিয়াই এওঁলোকৰ কাম। প্ৰতিদান দিয়াৰ দায়িত্ব কাৰো নাই। কাৰণ সেই নাৰীৰ স্বামী বা সন্তান নাই। সমাজ বা পৰিয়ালৰ ওচৰত তেওঁৰ কোনো দাবীও যেন নাই। যি সন্তানৰ বৃদ্ধ মাক দেউতাক বৃদ্ধাশ্ৰমলৈ যাবলগীয়া হয়, সেই সন্তান আমাৰ সমাজত অন্ততঃ এতিয়াও নিন্দিত, কাৰণ সমাজে এতিয়াও পোনে পোনে অস্বীকাৰ কৰিব নোৱাৰে যে, বৃদ্ধ মাক-দেউতাকৰ দায়িত্ব সন্তানৰ। কিন্তু যিগৰাকী বায়েকে ভায়েক ভনীয়েকৰ কাৰণে নিজৰ জীৱনৰ শ্ৰেষ্ঠ সময়খিনি উচ্ছৰ্গা কৰি দিলে, তেওঁৰ বৃদ্ধ বয়সৰ দেখা-শুনাৰ দায়িত্ব যে কাৰ, সেই বিষয়ে স্থিৰ কোনো সামাজিক ৰীতি নাই।

আচলতে আমাৰ সমাজত, এতিয়াও বিবাহ নামৰ ব্যৱস্থাটোৱে ছোৱালী আৰু ল'ৰাৰ বাবে বেলেগ বেলেগ অৰ্থ লৈ আহে। নাৰীৰ জীৱন এতিয়াও বিবাহৰ বাহিৰে সামাজিকভাৱে সাৰ্থক নহয়। আনকি, যদি সেই নাৰী আৰ্থিক আৰু মানসিক দিশৰ পৰা স্বাৱলম্বী হয়, তথাপি এগৰাকী বিবাহিতা নাৰীৰ সামাজিক সত্ত্বা যিমান বিকশিত হয়, এগৰাকী অবিবাহিতাৰ তেনে হোৱাটো কঠিন। বাধা অনেক। মহাভাৰতৰ কালৰে পৰা আৰম্ভ কৰি আজিও বিশ্বাস কৰা হয় যে, নাৰীৰ জীৱন আৱৰ্তিত হয় স্বামী-পুত্ৰৰ চক্ৰত, তেওঁলোকৰেই মঙ্গল কামনাত, অবিবাহিত নাৰীৰ স্বাধীন জীৱন-যাপন, এই ধাৰণাৰ পৰিপন্থী। স্বামী-পুত্ৰ অধীন নৈহে নিজৰ জীৱনক নিজেই পৰিচালিত কৰাৰ ক্ষমতাৰ মাজত যি মানসিক পৰিণতিৰ প্ৰকাশ, সমাজে নাৰীৰ সেই পৰিণতি নিবিচাৰে, তেওঁৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ অনুমোদন নকৰে। নকৰে বুলিয়েই, কুনিৰ্গৰ্গ ঋষিৰ তাপসী কন্যাৰ লোকান্তৰিত হোৱাৰ বাবে যেনেকুৱা জীৰ্ণ বাৰ্ধক্যতো বিয়াত বহিব লাগিছিল, তেনেকৈ এগৰাকী স্বাৱলম্বী নাৰীয়েও আজিৰ দিনত কেৱল সামাজিক জীৱন-যাপনক মানি ল'বলৈকে বিয়াত বহিবলগীয়া হয়। সেই নাৰী ডাক্তৰ, ইঞ্জিনীয়াৰ বা বিজ্ঞানী –যিয়েই হওক লাগিলে। বিয়া নকৰোৱাৰ স্বাধীনতা তেওঁৰ নাই। আৰু যদিওবা যৌৱনৰ যুক্তিবাদিতা, কৰ্মৰ উন্মাদনাত তেওঁ প্ৰাপ্তবয়স্কতাৰ প্ৰকাশ হিচাপে নিজৰ জীৱনক নিজে চালনা কৰাৰ সিদ্ধান্ত লয়, তেনেহ'লে বাৰ্ধক্যত সমাজে তাৰ বাবে প্ৰতিশোধ ল'বলৈ নাপাহৰে।

অৱশ্যে সদায় নাৰীসকলৰ অবিবাহিত থকাৰ ইতিহাসটো যে ইমান স্পষ্ট যুক্তিৰে উদ্ভাসিত এনে নহয়। বাস্তৱিকতে, অধিকাংশ সময়তেই ভাৰতীয় নাৰীৰ জীৱন নিৰ্দ্ধাৰিত হয় সংসাৰৰ অভিভাৱকৰ, আপোনজনৰ সিদ্ধান্তত। সেই সিদ্ধান্ত বহু সময়ত যিমানখিনি সংসাৰৰ স্বাৰ্থত, সিমানখিনি ছোৱালীজনীৰ ব্যক্তিস্বাৰ্থত কিন্তু নহয়। তৃপ্তি নামৰ এগৰাকী মধ্যবয়সীয়া নাৰীৰ কথা মনত পৰিছে এই প্ৰসঙ্গত। বি-এত অনাৰ্ছ লৈ পাছ কৰিছে তেওঁ। ওস্তাদৰ ওচৰত গান শিকিছিল প্ৰায় বাৰ বছৰ। কিন্তু তেওঁ গ্ৰেজুৱেট হোৱাৰ বছৰেই এটাৰ পিচত এটাকৈ হোৱা বিপৰ্যত তেওঁলোকৰ পাৰিবাৰিক জীৱনটো প্ৰায় পঙ্গু হৈ পৰে। প্ৰয়োজন হয় এগৰাকী গৃহিণীৰ। তৃপ্তিয়ে ঘৰৰ ডাঙৰ ছোৱালীৰ দায়িত্ব পালন কৰিবলৈ গৈ গান, পঢ়াশুনা সকলো বিসৰ্জন দিয়ে। প্ৰথম বিশ-বাইশ বছৰৰ সংসাৰৰ ৰূপটো এতিয়া সলনি হৈ গৈছে। এতিয়া পিতৃ সংসাৰৰ গৃহিণীৰ পদটি ভায়েকৰ পত্নীসকলৰ দখলত আছে সঙ্গত কাৰণত আৰু স্বাভাৱিক ভাৱেই। সেইবাবে তৃপ্তি এতিয়া অপ্ৰয়োজনীয় হৈ পৰিছে। টকাৰ অভাৱ সিমান নাই। অভাৱ নিজৰ স্থানৰ। অভাৱ কামৰ।

তৃপ্তিক যেনেকৈ সংসাৰে শুহি লৈছে, তেনেকৈ শুহি লোৱাৰ অনেক কাহিনীয়েই আমাৰ চাৰিওকাষে বিয়পি আছে। ঘৰৰ কোনো ছোৱালীয়ে যদি চাকৰি কৰে, আৰু সেই টকাখিনি যদি সংসাৰত খুব প্ৰয়োজনীয় হৈ পৰে, তেতিয়া সেই ছোৱালীগৰাকীৰ অভিভাৱকেই তেওঁৰ বিবাহৰ বিৰুদ্ধে যায়। কিন্তু সংসাৰত সেই ছোৱালীজনীৰ ত্যাগে সিমান মূল্য নাপায়, যিমান পোৱা উচিত। ক'ত হ'ব তেওঁৰ স্থান? এই প্ৰশ্নৰ কোনো সমাধান পোৱা নাযায়।



যিসকল ভাৰতীয় নাৰীক নাৰী জাতিৰ আদৰ্শ বুলি কোৱা হয়, তেওঁলোক কোনোৱেই কুমাৰী নহয়। যেন বিবাহৰ দ্বাৰা শুদ্ধিকৰণ নহ'লে কোনো নাৰীৰ কোনো মহত্ত্ব নাই।

এসময়ত আমাৰ যৌথ পৰিয়ালবোৰত এক বা একাধিক বাল-বিধবা আছিল। তেওঁলোকে দিনে-ৰাতিয়ে খাটিছিল আৰু চাহিদা আছিল খুবেই কম। অনেকেই আছিল একাহাৰী। এওঁলোকৰ দৰে আজিকালি মূলতঃ নিউক্লিয়াৰ সংসাৰত কুমাৰী নাৰীসকলক ব্যৱহাৰ কৰা নাযায়। নাযায়, কাৰণ এওঁলোকৰ মাজত ব্যক্তিত্ব নামৰ এটি গুণ (বা দোষ ?) ইতিমধ্যে আহি পৰিছে। আৰু সমগ্ৰ জীৱন ধৰি যিয়ে অৰ্থ উপাৰ্জন কৰে, বাহিৰৰ জগতত কাম কৰে, পৃথিৱীখন দেখে, ভাল-বেয়াৰ নিজস্ব ধাৰণা তেওঁলোকৰ তৈয়াৰ হয়। আজিও কোনো ছোৱালীৰ এই নিজস্ব ধাৰণাটো আমাৰ অভিপ্ৰেত নহয়। সংসাৰত তেনে ছোৱালীৰ ওজন বৰ গধুৰ, বৰ দুৰ্বহ।

আমাৰ এই আৰ্থ-সামাজিক সমাজত মধ্যবিত্ত ছোৱালীহঁতৰ নিজস্ব জীৱনে এতিয়াও কোনো স্থিতি, কোনো স্থায়ী ৰূপ পোৱা নাই। কাৰণ আজিও তেওঁলোকৰ স্থান নিৰ্দ্ধাৰণ কৰা হোৱা নাই। সামন্ততান্ত্ৰিক কিছু ধাৰণা, যি কাৰ্যতঃ শ্বাশ্বত বুলি ধৰা হৈছে, আৰু তাৰ লগতে আধা-ধনতান্ত্ৰিক ব্যৱস্থাৰ দাবীয়ে মধ্যবিত্ত জীৱনবোধত যি টনা-আঁজোৰাৰ সৃষ্টি কৰিছে, এইবোৰ সমস্যা তাৰেই বহিঃপ্ৰকাশ। বস্তুতঃ আমি যিহেতু নাৰীৰ নিজৰ জীৱনত নিজৰ সিদ্ধান্ত লোৱাৰ অধিকাৰক মানি ল'ব নোৱাৰো, গতিকে অৰ্থনৈতিক স্বাৱলম্বনেও কোনো অবিবাহিত নাৰীক আকাংক্ষিত সামাজিক জীৱন-যাপনৰ নিজস্ব ধৰণ আনি দিব নোৱাৰিব। আৰু সেইবাবেই কুমাৰী হৈ থকাৰ অধিকাৰো প্ৰতিবাদ হিচাপে, স্পৰ্ধা হিচাপে গণ্য কৰা হয়।

*(আনন্দবাজাৰৰ সৌজন্যত)*



# আয়ুৰ্বেদিক বিধানত ৰূপচৰ্চা আৰু শৰীৰ চৰ্চা

**প্ৰকৃতিয়ে উদাৰ দাক্ষিণ্যৰে আমাৰ চাৰিওফালে নানান উপাদান উপহাৰ দিছে। আমি আমাৰ কামত তাক লগাব জানিলেই হ'ল।**

আয়ুৰ্বেদ অনুযায়ী ৰোগৰ শ্ৰেণীবিভাগ কৰা হয় দুই ভাগত ঃ শৰীৰৰ ৰোগ আৰু মনৰ ৰোগ। শৰীৰৰ ৰোগৰ কাৰণ, ত্ৰিদোষ– বায়ু, পিত্ত, কফ। মানসিক ৰোগৰ কাৰণ ৰজঃ আৰু তম। শৰীৰৰ ৰোগৰ পৰা মানসিক ৰোগ হ'ব পাৰে, মানসিক ৰোগৰ পৰাও শৰীৰৰ ৰোগ হ'ব পাৰে। দুয়োটাই পৰস্পৰ সম্পৰ্কযুক্ত।

প্ৰকৃতিৰ ঋতুপৰ্যায়ত বিসৰ্গকালৰ আৰম্ভণিতে অৰ্থাৎ বৰ্ষাকালত আৰু আদানকালৰ শেষত অৰ্থাৎ গ্ৰীষ্মত মানুহ বলহীন হৈ থাকে। বিসৰ্গ আৰু আদানৰ মধ্যবৰ্তী সময়– শৰৎ আৰু বসন্ত ঋতুত মানুহ মধ্য বলযুক্ত হয় আৰু বিসৰ্গকালৰ শেষ আদানকালৰ প্ৰথম হেমন্ত ঋতুত মানুহ হয় শ্ৰেষ্ঠ বলযুক্ত। প্ৰকৃতিৰ সৌন্দৰ্য বসন্ত কালত, কিন্তু মানুহৰ দেহগত সৌন্দৰ্য প্ৰকাশ হয় শীতকালত। এই সময়ত পাচকাগ্নি (ডাইজেছটিভ জুছ) জঠৰাগ্নি (হজম ক্ষমতা) আদি যথেষ্ট ক্ৰিয়াশীল হোৱাৰ বাবে যথেষ্ট খাদ্য খাব লাগে। তাকে নকৰিলে শৰীৰৰ ক্ষয় বেছি হৈ দুৰ্বল হৈ পৰে।

আয়ুৰ্বেদ অনুযায়ী শীতকালত কফৰ বৃদ্ধি আৰু বায়ুৰ ৰুক্ষতাৰ বাবে পিত্তৰ ৰোগ বেছি হয়। কফ আৰু পিত্ত' বিকাৰৰ বাবে নানা ধৰণৰ চৰ্মৰোগ হয়। হাত-ভৰি ফটা, ওঁঠ ফটা, ছালত কৰ্কশ ভাব, খজুৱতি, উফি আদি বেছি হয়। ইয়াৰ উপৰিও যিবিলাক ৰোগ শীতকালত বৃদ্ধি পায় সেইবোৰ হ'ল হাঁপানী, কাঁহ, পানীলগা, পেপটিক আলচাৰ, মেৰিব্ৰো ভাচকুলাৰ এক্সিডেণ্ট আদি। এই সকলোবোৰৰ প্ৰতিকাৰ আৰু প্ৰতিবিধানৰ বাবে আয়ুৰ্বেদত বিধান আছে। কফৰ অসুখৰ বাবে শিলিখা আৰু তেতেলীৰ গুড়ি খাব লাগে। পিত্তৰ বিকাৰ কমাবলৈ অলপ অলপ তিতা বস্তু সদায় খোৱা ভাল। তিতা খাদ্য বোলোতে নিমপাত, শেৱালি ফুল, উৰহী, কেৰেলা আদি পিত্ত প্ৰশসক খাদ্য খোৱা উচিত।

**শৰীৰৰ ৰোগৰ কাৰণঃ বায়ু, পিত্ত, কফ।**
**মানসিক ৰোগৰ কাৰণঃ ৰজঃ আৰু তম।**

## গাৰ ছালখনৰ সাতোটা স্তৰ

প্ৰকৃতিয়ে বয়সভেদে শৰীৰৰ নানা ধৰণৰ ভঙাগঢ়া কৰে। এই ভঙাগঢ়াত লাৱণ্য, সুষমা হেৰাই যায়। আয়ুৰ্বেদত যি বয়সৰ যেনে ধৰণৰ লাৱণ্য থকা উচিত, তেনেধৰণেই ৰাখিবলৈ কিছু ব্যৱস্থা আছে।

লাৱণ্য বোলোতেই প্ৰথমে ছালখনৰ কথাৰেই আৰম্ভ কৰিব পাৰি। নানা কাৰণত ছালৰ উজ্জ্বলতা বিনষ্ট হয়। ৰোগৰ বাবে ছালৰ নানান ক্ষতি হয়। দেহৰ ছালৰ উপৰিভাগত যি ৰোগ দেখা যায়, সেয়া ৰোগৰ বহিঃপ্ৰকাশ মাত্ৰ। ৰোগৰ মূল কাৰণ থাকে গভীৰত। পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ এটি হ'ল গাৰ ছালখন। ই আমাৰ স্পৰ্শ শক্তিক ধাৰণ কৰে। আয়ুৰ্বেদ অনুযায়ী ছালৰ সাতটা স্তৰ আছে। প্ৰত্যেক স্তৰৰ ৰোগ বেলেগ বেলেগ ধৰণৰ। ছালৰ ওপৰত আৰু প্ৰকাশ বিভিন্ন ধৰণৰ। ত্বকৰ 'অৱভাষিণী' স্তৰত হোৱা ৰোগ সাধাৰণতে খজুৱতি, খৰ, পকতীয়া আদি। দ্বিতীয় 'লোহিতা' স্তৰত জৰুল, তিল, মেচেতা আদি দোগ পৰে। তৃতীয় স্তৰ 'শ্বেতী'।

বগা আৰু পাতল এই স্তৰৰ ৰোগ হ'ল শ্বেতী, একজিমা আৰু অন্যান্য চৰ্মৰোগ। 'তাম্ৰ স্তৰ' ৰঙা আভাযুক্ত তামৰ দৰে বৰণৰ। এই স্তৰত হোৱা ৰোগ ভাল কৰাটো কষ্টকৰ। এই স্তৰৰ ৰোগ একপ্ৰকাৰৰ শ্বেতী, কুষ্ঠৰোগ। এই ৰোগত ছালৰ ফোলাভাব থাকে। 'বেদেনী' স্তৰত কেশ আৰু কেশমূলৰ জন্ম। আমাৰ স্পৰ্শবোধ অনুভূত হয় এই স্তৰত।

এই স্তৰত কুষ্ঠ হ'লে স্পৰ্শবোধ হেৰাই যায়। বেদনাবোধ ভিতৰত থাকে ওপৰলৈ উঠি নাহে। কষ্টদায়ক ফোঁহা, কাৰ্বাঙ্কল, ইৰিছিপ্লাছ আদি এই স্তৰত হয়। 'ৰোহিণী' স্তৰত অৰ্বুদ বা টিউমাৰ হয়। এই ৰোগ অতি যন্ত্ৰণাদায়ক। কেন্‌চাৰৰ বহিঃপ্ৰকাশ এই স্তৰৰ পৰা আৰম্ভ হয়। সপ্তম বা মাংসল স্তৰটি গুৰুত্বপূৰ্ণ। এই স্তৰ মাংসৰ সতে মিলি থাকে। এই স্তৰৰ ৰোগ হ'ল অৰ্শ, ভগন্দৰ বা পলিপ।



মুখমণ্ডলত ৰুক্ষতা দেখা দিলে বুটৰ দাইলৰ বেচন সানিব লাগে। শঙ্খৰ গুড়ি, চন্দনৰ গুড়ি একেলগে মাখন বা গাখীৰৰ সৰৰ লগত মিহলাই সপ্তাহত দুদিন সানিব লাগে। কেঁচা হালধি, কোমল নিমপাত আমলখীৰ সতে সম পৰিমাণত বটি সৰিয়হৰ তেলৰ সতে মিহলাই গাত সানি ভালকৈ গাটো ধুই পেলালে গাৰ মলি পৰিষ্কাৰ হয়। ছালৰ ৰুক্ষতা আৰু ছালৰ ৰোগ নাথাকে। শীতকালত বহু সময়ত গাৰ আৰু ভৰিৰ ছাল ফাটি তেজ ওলায়। এনে অসুবিধা দূৰ কৰিবৰ বাবে বগা ধূনাৰ গুড়ি খুব মিহি কৰি লৈ তাৰ লগত নাৰিকল তেল মিহলাই হাতত লৈ বহুপৰ ধৰি ফেটি থাকিলে সেই মিশ্ৰণখিনি দেখিবলৈ বগা মলমৰ নিচিনা হ'ব। এই মলম সদায় গাত, ভৰিত সনা ভাল। ৰাতি সনাই ভাল। এই বগা মলমত অলপ কেঁচা হালধি আৰু চন্দন তেল মিহলাব পাৰি। গাৰ ছাল খেৰখেৰীয়া হ'লে অশোক গছৰ সিজোৱা পানী অলপ ঘনকৈ গাত লগাই আধা ঘণ্টাৰ পিচত গা ধুব লাগে।

**গাৰ ছালখনত সাতোটা স্তৰ আছে**

## মনৰ সৈতে দেহৰ কোমলতাৰ সম্পৰ্ক আছে

মূৰৰ বাহিৰৰ স্তৰটোত প্ৰতিদিনে ছালৰ টুকুৰা-টুকুৰি অংশ এৰাই আহে। ইয়াকে আমি উফি হোৱা বুলি কওঁ। আগদিনাই তিয়াই থোৱা ৰিঠা আৰু শুকান আমলখীৰ পানীৰে পিছদিনা পুৱা মূৰটো ভালকৈ ঘঁহি দিব লাগে। এনে কৰিলে উফি ভাল হোৱাৰ উপৰিও চুলিও উজ্জ্বল হয়। ছালৰ সংগঠন বা স্কিন ষ্ট্ৰাকচাৰৰ ওপৰত ছালৰ উজ্জ্বলতা নিৰ্ভৰ কৰে। মনৰ সৈতে ত্বকৰ মসৃণতা, কোমলতাৰ সম্পৰ্ক আছে। যি পৰিবেশত মানুহে কাম কৰে, সেই পৰিবেশৰ প্ৰভাৱ গাৰ ছালৰ ওপৰতো পৰে। ধূলি, ধোঁৱা ৰ'দ আদিত কাম কৰি থকা মানুহতকৈ ঘৰৰ ভিতৰত থকা মানুহৰ গাৰ ছালৰ কোমলতা, বৰণ আদি ভাল হয়। শৰীৰৰ উষ্মাৰ সৈতে ত্বকৰ সম্পৰ্ক আছে। বস্ত্ৰ, অলংকাৰৰ ব্যৱহাৰেও ত্বকৰ বিপৰ্যয় ঘটাব পাৰে। অনিয়মিত যাতায়াত, বিহাৰ ভ্ৰমণত ত্বকৰ অনিষ্ট হয়।

শৰীৰৰ স্বাস্থ্য যেনেকুৱা হয় ত্বকৰ স্বাস্থ্যও তেনেকুৱাই হয়। প্ৰসাধনৰ সহায়েৰে ত্বকৰ উপৰিভাগলৈ উজ্জ্বলতা আনিলেও সেয়া স্থায়ী নহয়। উজ্জ্বল, মসৃণ, কোমল ত্বক ৰোগ দোষহীন, সুস্বাস্থ্যৰ প্ৰতীক। বগা বা ক'লা যিধৰণৰ ছালেই নহওক।

স্বাভাৱিক, নীৰোগ দেহতো লাৱণ্য নাথাকিব পাৰে, শৰীৰটো বুঢ়াৰ দৰে হৈ পৰিব পাৰে, সেই ক্ষেত্ৰত সদায় ৰাতিপুৱা এক গ্ৰাম পৰিমাণৰ পলাশৰ বীজ একুৱাই মৌ আৰু গৰু ঘিউৰ সতে বটি খালে অলপ দিনৰ পাচতে চেহেৰা পুনৰ আগৰ অৱস্থালৈ আনিব পাৰি। পলাশ বীজ, বগা সৰিয়হ, মৌ, তিলতেল সমান মাত্ৰাত বটি দুয়োবেলা খালে অকাল বাৰ্ধক্য দূৰ হয়।

## গাৰ ছালখন ধুনীয়া কৰিব পাৰি

গাৰ ছালৰ কৰ্কশ ভাব দূৰ কৰিব পাৰি। কেঁচা দুবৰি, কেঁচা হালধি বটি গাত সানিলে গাৰ ছাল মসৃণ হয়। মৌ, কেষ্টৰ অইল, নেমুৰ ৰস মিলাই সানিলে ভাল। গ্লিচাৰিণ, নেমুৰ ৰস, গোলাপজল আদিয়ে কৰ্কশ ভাব দূৰ কৰে।

বহু সময়ত দেখা যায় শৰীৰৰ কোনো কোনো অংশত জুয়ে পোৰাৰ দৰে দাগ হয়। তেনেকুৱা অৱস্থাত পাণপাত সিজোৱা পানী বা ধৃতকুমাৰী সিজোৱা পানীৰে ধুলে লাহে লাহে সেই দাগ আঁতৰি যায়।

গৰমকালত ঘামচিৰ আমনিৰ পৰা হাত সাৰিবলৈ শুকান মানকচু পুৰি তাৰ ছাই কেঁচা শঙ্খৰ গুড়িত মিহলাই দিনে দুই-তিনিবাৰ লগালে ঘামচি ভাল হয়। তিতাবাহক বা বাহক পাতৰ ৰস বা বেল পাতৰ ৰস শঙ্খৰ গুড়িৰ লগত মিহলাই গাত সানিলে গাৰ দুৰ্গন্ধ দূৰ হয়। মুখৰ ছালত ব্ৰন, সৰু সৰু ঘা, বিস্ফোটক জাতীয় অসুখ হ'লে শিমলু গছৰ কাঁইট গাখীৰত তিয়াই বটি লৈ মুখত লগালে ব্ৰন কমে। মূৰৰ ছালৰ ৰোগতো এই বস্তুটো বিশেষ কাৰ্যকৰী।

ডাব নাৰিকলৰ পানী, গোলাপজল, শঙ্খৰ গুড়ি, নেমুৰ ৰস আদি মিলাই ব্যৱহাৰ কৰিলে ব্ৰন, শালমন আদি ভাল হয়। অশ্বগন্ধামূল, কটকফল আদি সিজাই বাৰে বাৰে ব্ৰনৰ ক্ষত অংশত লগালে আৰোগ্য লাভ কৰা যায়।

ৰ'দে পোৰাৰ ফলত মুখত ক'লা ৰঙা দাগ হ'লে ১০০ গ্ৰাম সৈন্ধৱ লৱন, ৫০ গ্ৰাম নহৰু মিলাই বটিব লাগে। সৈন্ধৱ লৱন নহৰুৰ ৰসত মিলি যাব লাগিব। পিচত চালনিৰে সেই বটি লোৱা মিশ্ৰণখিনি চালিব লাগিব। আধা চামুচ বা এক চামুচ চেনি লৈ নেমু ৰসৰ সতে জালুকৰ গুড়ি দি দিনে তিনিবাৰ চৰবত ৰূপে খালে এই দাগবোৰ কমি যাব।

মুখৰ দাগ কমাবলৈ বা নোহোৱা কৰিবলৈ কৰ্পূৰ গৰমপানীত দি সেই ভাপেৰে সেকাটোও এটা উত্তম উপায়।

ছালৰ বলি ৰেখা বহু লোকৰ অকালতে পৰা দেখা যায়। এই অস্বস্তিকৰ অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ হ'লে নহৰু এফুটা সৈন্ধৱ লৱনৰ লগত ভাতৰ প্ৰথম গৰাহতে চোবাই খোৱা উচিত। বয়সৰ ছাপ ৰোধ কৰিবলৈ হ'লে সদায় এফুটা নহৰু জালুকৰ গুড়িৰে খাব লাগে।

### মেদ কমাওক

শৰীৰৰ সৰ্বাঙ্গীন সুষমা ৰক্ষাত মেদ বৃদ্ধি এক প্ৰধান অন্তৰায়। গৰম ভাতৰ মাৰৰ লগত ভাত মিহলাই খালে মেদৰ বৃদ্ধি কমে। শৰীৰ পাতল হয়। শুকান মূলা মৌৰে খালে মেদ বৃদ্ধি ৰোধ হয়। ইয়াৰ বাহিৰেও ১ গ্ৰাম শিলিখা, কেষ্টৰ অইল বা এৰণ্ড তেলত ভাজি সমান পৰিমাণৰ তেতেলী সৈন্ধৱ লৱনত মিহলাই গৰম পানীৰে খালে মেদ কমি যাব।

### যত্ন ল'লে চুলিৰ স্বাস্থ্য ভালে থাকে

চুলি বা কেশৰ মূল ছালত যি স্তৰ থাকে তাৰ নাম বেদেনী স্তৰ। আয়ুৰ্বেদ অনুযায়ী এই বেদেনী স্তৰতেই চুলিৰ আৰম্ভণি। শাৰীৰিক কাৰণত চুলি সৰে, বেয়া হয়। এই চুলি সম্বন্ধীয় ক্ষতি সম্পূৰ্ণ ভাল কৰিব নোৱাৰিলেও যত্ন ল'লে চুলিৰ স্বাস্থ্য ভালে থাকে। গ্ৰহণী, যকৃতৰ দোষ শ্বেতস্ৰাৱত শৰীৰৰ সাধাৰণ স্বাস্থ্যৰ ক্ষতি হয়, চুলিৰ ক্ষতি হয়। যকৃত ভালে ৰাখিবলৈ কালমেঘ, জোৱান মৌৰী উপকাৰী। যকৃত ভালে ৰাখিবলৈ আয়ুৰ্বেদ মতে তৈয়াৰী লিভাৰ টনিক বিশেষ উপকাৰী। চুলিৰ পৰম শত্ৰু হ'ল উফি। উফিৰ বাবে ৰিঠা (মণিছালৰ গুটি) আৰু আমলখী সমানে তিয়াই থৈ পিছদিনা তাৰে মূৰ ধুব লাগে। উফিৰ বাবে সপ্তাহত দুই তিনি দিন সিকাকাইৰে মূৰ ধুলে ভাল ফল পোৱা যায়। আমৰ গুটিৰ ভিতৰৰ বগা অংশ আৰু শিলিখা একেলগে তিনিদিন তিয়াই ৰাখি সিজাই লৈ মূৰত লগালে তিনি-চাৰিদিনতে সুফল পোৱা যায়।

মূৰত চুলি কম হ'লে জিৰা, জালুক, আমলখী, সৰু পিঁয়াজৰ ৰস সপ্তাহত তিনিদিন লগোৱা ভাল। চুলি বেছি হ'বৰ বাবে ভৃঙ্গৰাজৰ পাত, কেশুত, আমলখী, জষ্টিমধু, জবাফুলৰ কুঁহি, নীলা অপৰাজিতা ফুল বটি মূৰত লগাব লাগে।

বগা চুলি ক'লা কৰিবৰ বাবে ত্ৰিফলা (শিলিখা, আমলখী, বহেৰা) নীল গছৰ পাত (শৰ পুংখা) ভৃঙ্গৰাজৰ পাত আৰু মণ্ডুৰ ভস্ম লোহাৰ কেৰাহীত তিনিদিন তিয়াই ৰাখি চুলিত দিলে চুলি ক'লা হয়।

তপা হোৱাটো কিছু ক্ষেত্ৰত বংশগত। কিন্তু যদি হঠাতে তালুৰ চুলি নাইকিয়া হ'বলৈ আৰম্ভ কৰে, তেতিয়া হাতীৰ দাঁতৰ ভস্ম, বটগছৰ জৰী একেলগে সিজাই তালুত ঘঁহিলে উপকাৰ পোৱা যায়। ৰসাঞ্জন ধাতু (ক'লা এন্টিমনি) বটি ছাগলীৰ গাখীৰত মিহলাই তালুত লগালে তালুত চুলি গজিবলৈ আৰম্ভ কৰে।

### দাঁতৰ পৰা নখলৈ

সুৰগা, ফিটকিৰিৰে আঁখে তৈয়াৰ কৰি দাঁত আৰু আলু ঘঁহিলে দাঁত আৰু আলু ভালে থাকে। মধুৰী আমৰ পাত চোবাই দাঁত ঘঁহিলে দাঁত ভালে থাকে। নিমখ আৰু সৰিয়হৰ তেলেৰে দাঁত ঘঁহিলে ভাল।

চেলাউৰি পাতল হ'লে মেডিকেটেড কেষ্টৰ অইল ব্যৱহাৰ কৰিব লাগে।

নখৰ ৰোগ হ'লে গান্ধাৰী গছৰ ছাল বটি লগাব লাগে। নখৰ গুৰি পকি গ'লে বেঙেনাৰ কিছু অংশ কাটি আঙুলিৰ বিষয়াই থকা অংশখিনিত বান্ধি ৰাখিলে বিষ উপশম হয়। লিভাৰৰ বা যকৃতৰ ৰোগতো নখ খেৰখেৰীয়া হয়।

শৰীৰৰ ভিতৰ আৰু বাহিৰৰ প্ৰায় প্ৰত্যেকবিধ ৰোগৰ প্ৰতিকাৰ আৰু সুস্বাস্থ্যৰ বিধান আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰতি পাতে পাতে পোৱা যায়। *(সংকলন)*





*উপন্যাসৰ দৰে মনোৰম চিত্ৰাভিনেত্ৰীৰ জীৱনৰ কাহিনী*

# হলিউডৰ ৰাজকুমাৰী অড্ৰে হেপ্‌বাৰ্ণ

সংকলন আৰু অনুবাদঃ
ৰূপকাৰ চিনে এণ্টাৰপ্ৰাইজ

২য় খণ্ড

(যোৱা সংখ্যাৰ পিচৰ পৰা)



### এক্সট্ৰা হিচাপে অড্ৰে হেপ্‌বাৰ্ণ


ইটালীৰ চলচ্চিত্ৰ পৰিচালক মাৰিঅ' জাম্পি তেতিয়া লণ্ডনলৈ আহিছিল তেওঁৰ নতুন ছবি 'লাফটাৰ ইন্ পেৰেডাইচ' ছবিখনৰ বাবে এগৰাকী নায়িকা বিচাৰি। লণ্ডনত তেতিয়া ৰবাৰ্ট লেনাৰ্ড আছিল কাষ্টিং ডিৰেক্টৰ। ৰবাৰ্টে মাৰিঅ'ক ছিৰোৰ নাইট ক্লাবলৈ লৈ গ'ল। অড্ৰেৰ নাচ দেখি মাৰিঅ' মুগ্ধ হ'ল। চিত্ৰনাট্যকাৰো লগত আছিল। দুয়ো ঠিক কৰিলে, নায়িকাৰ চৰিত্ৰ অড্ৰেকেই দিব। অড্ৰেক কথাটো জনোৱাত খুব আনন্দিত হ'ল। হঠাৎ চাৰিদিনমান পিচত এখন চিঠিৰে ব্যক্তিগত কাৰণত ছবিত কাম কৰিব নোৱাৰিব বুলি জনাই অড্ৰেই সকলোকে অবাক কৰি দিলে। ছবিত অভিনয় নকৰাৰ আচল কাৰণটো হ'ল অড্ৰেই প্ৰিয় বন্ধু মাৰ্চেলৰ সৈতে বাহিৰত কাবাৰে শ্ব' কৰিবলৈ যাব কিছুদিনৰ বাবে। কিন্তু অড্ৰেৰ কপাল বেয়া। সেই শ্ব' স্থগিত ৰখা হ'ল।



OKDISCD

তাকে লৈ অড্ৰে আৰু মাৰ্চেলৰ তৰ্কাতৰ্কি হ'ল। শেষত এই ঘটনাৰ পৰাই দুয়ো পৰস্পৰৰ পৰা বিদায় ল'ব লগা হ'ল। মাৰ্চেল আমেৰিকালৈ গ'ল।

অড্ৰেই এছোচিয়েটেড বৃটিছ পিকচাৰ্চলৈ গৈ মাৰিঅ' জাম্পিক দেখা কৰিলেগৈ। অড্ৰেই জনালে মাৰিঅ'ৰ ছবিত তেওঁ অভিনয় কৰিব। কিন্তু মাৰিঅ'ই চাৰি-পাঁচদিন আগতেই আন এগৰাকী অভিনেত্ৰী লোৱা বুলি কোৱাত অড্ৰে হতাশাত ভাগি পৰিল। মাৰিঅ'ৰ বেয়া লাগিল। ভৱিষ্যতে



তেওঁৰ ছবিত সুযোগ দিয়াৰ প্ৰতিশ্ৰুতি দিলে। তাৰপিচত মাৰিঅ'ই সেইখন ছবিৰে সৰু চৰিত্ৰ এটি কৰিবলৈ কোৱাত অড্ৰে লগে লগে মান্তি হ'ল। ১৯৫১ চনত নিৰ্মিত সেই ছবিখনত অড্ৰে হৈছিল এগৰাকী চিগাৰেট বিক্ৰী কৰা ছোৱালী। সংলাপ আছিল এটা ঃ 'কোনে চিগাৰেট বিচাৰিছে ? এদিনৰ কাম।

কিন্তু অড্ৰেই সেই এটা সংলাপেৰেই এছোচিয়েটেড বৃটিছ কোম্পানীৰ সৈতে সাত বছৰৰ বাবে অভিনেত্ৰী হিচাপে চুক্তিবদ্ধা হ'ল। পাইনউড্ ষ্টুডিঅ'ৰ মালিকে হেনো দৃশ্যটোৰ ৰাশ্ব চায়েই মন্তব্য কৰিছিল- 'নতুন নায়িকা আহিছে।'

লগে লগে অড্ৰেৰ আৰ্থিক অৱস্থাৰো উন্নতি হ'ল। বেম্বাৰ্টৰ চাঁদত থকা ঘৰ এৰি মাক-জীয়েক চাউথ এডলি ষ্ট্ৰীটৰ এটা দুমহলীয়া ঘৰলৈ গুচি আহিল। তলত ৰেষ্টোৰাঁ, ওপৰত ঘৰ।

এছোচিয়েটেড বৃটিছ কোম্পানীয়ে চুক্তি কৰিলেও অড্ৰেই বৰ ভাল চৰিত্ৰ পোৱা নাছিল। 'ওৱান ৱাইল্ড কেট' ছবিখনত চুপাৰ এক্সট্ৰা হ'ল অড্ৰে। পৰিচালক হেনৰি কেচে এক্সট্ৰাৰ কামত সন্তুষ্ট হৈ নিজৰ 'ইয়ং ওৱাইডছ টেইল' ছবিখনত অলপ ভাল চৰিত্ৰ এটা অড্ৰেক দিলে। সেইখন ছবিতে অভিনয় কৰা ডেৰেক ফাৰৰ সৈতে অলপ ঘনিষ্ঠতাও হ'ল।

কিন্তু অড্ৰেৰ আচল ঘনিষ্ঠতা হ'ল এজন বেলেগ পুৰুষৰ সৈতে বান্ধৱী এগৰাকীৰ পাৰ্টি এটাত। কেইদিনমান আগতে 'ইয়ং ওৱাইডছ টেইল' ছবিৰ শ্বুটিং শেষ হৈছিল। হাতত পানীয়ৰ গ্লাচ লোৱা ছফুট চাৰি ইঞ্চি ওখ যুৱকজনক দেখাৰ লগে লগেই অড্ৰেই প্ৰেমত পৰিল। যুৱকজনৰ নাম জেমছ হানছন। বয়স আঠাইশ। সুপুৰুষ আৰু সুন্দৰো। বিৰাট ধনী। নিজৰ হেলিকপ্টাৰৰ পৰা জেট্ বিমানলৈকে আছে। ৰাতি হ'লেই নাইট ক্লাবৰ নতুন নতুন সুন্দৰীক সংগ দিয়াটো দৈনিক ৰুটিনৰ ভিতৰত পৰে। এনেকুৱা এজন প্লে-বয়ৰ সৈতে সহজ-সৰল অড্ৰেৰ গভীৰ প্ৰেম হৈ গ'ল।

সেই পাৰ্টিৰ পিচৰ পৰাই কানাডা বা আমেৰিকাৰ ব্যৱসায় চাবলৈ নগ'লে দুয়ো সকলো সময়তে একেলগে আছিল। 'মিৰৰ' আৰু 'মেইল' কাকতত অড্ৰে আৰু হানছনৰ, ছবিৰ সৈতে ওলোৱা নানান গুজবৰ প্ৰতিবাদ কিন্তু তেওঁলোকে কেতিয়াও কৰা নাছিল।

জেমছৰ সৈতে গভীৰ প্ৰেম চলিছিল যদিও অড্ৰেই অভিনয়ৰ প্ৰতিও সমানেই মনোযোগ দিছিল। এ-বি-চি কোম্পানীৰ চুক্তিত চহী কৰিও বিশেষ ভাল কাম পোৱা নাছিল। এলেক গিনেছৰ সৈতে 'লেভেণ্ডাৰ হিল মব' নামৰ এখন ছবিত সৰু এটা চৰিত্ৰ কৰিছিল। অড্ৰেৰ সেইকণ অভিনয় দেখিয়েই এলেক মুগ্ধ হৈছিল। নিজৰ এজেন্টক ফোন কৰি অড্ৰেক কোনোবাই ভাল চৰিত্ৰ দিব নেকি চাবলৈ কৈছিল। আনকি তেওঁৰ বন্ধু পৰিচালক মেৰভিন লি ৰয়ক অনুৰোধ কৰিছিল 'কুয়ো ভেদিছ' ছবিখনৰ নায়িকা লিগিয়া চৰিত্ৰটোত অড্ৰেক ল'বলৈ। পিচে সেইটো নহ'ল।

ইতিমধ্যে অড্ৰেই নিজস্ব এজেন্ট ৰাখিব পৰাকৈ উপাৰ্জন আৰম্ভ কৰিছিল। মাকেও ফুলৰ দোকানত কাম কৰিবলগা নহ'ল। মাকে বেৰনেছৰ মৰ্যদা নাপালেও আৰ্থিক নিৰাপত্তা পালে।

'দি চিক্ৰেট পিপাছ' নামৰ এখন ছবিত তিনি নম্বৰ নাৰী চৰিত্ৰটো কৰি অড্ৰে ছবিজগতৰ মানুহৰ মাজত অধিক জনপ্ৰিয় হ'ল। তেতিয়াই বহুতে কৈছিল- সোনকালেই অড্ৰেলৈ হলিউডৰ পৰা আমন্ত্ৰণ আহিব।

## নাটকৰ পীঠস্থান ব্ৰডওৱেত

সেই সময়তেই এজেন্ট কেনেথ হাৰ্পাৰে বেছ শকত পৰিমাণৰ পাৰিশ্ৰমিকত অড্ৰেৰ বাবে বন্দৱস্ত কৰিলে ৰে ভেন্টুৰাৰ ছবি 'ৱেণ্ডি ফ'ৰ দা পাৰ্ছন'ৰ এটা চৰিত্ৰ। পিচত নাম সলনি কৰি হৈছিল 'মন্টেকাৰ্লো বেবি' আন ছবিৰ কাম বাদ দি সেইখন ছবিত কাম কৰিবলৈ অড্ৰে মান্তি হ'ল।



মন্টেকাৰ্লোৰ হোটেল দু-পাৰিত আছিল অড্ৰে। হোটেলত শ্বুটিং চলাৰ মাজতেই এদিন বিখ্যাত ফৰাচী ঔপন্যাসিক মাদাম কোলেটৰ চকুত পৰিল অড্ৰে। ৭৮ বছৰীয়া বৃদ্ধাই অড্ৰেক দেখি চমকি উঠিল। তৰুণী অড্ৰেক কোলেটে নিজৰ ঘৰলৈ মাতি পঠাইছিল। তেওঁৰ গল্প 'গিগি'ক লৈ ব্ৰডওৱেত নাটক হ'ব। গল্পৰ নায়িকা ব্যক্তিত্ব থকা এজনী ছোৱালী, শিশুৰ দৰে সৰল অথচ ব্যক্তিত্বত দৃঢ়। যোৱা দুবছৰ ধৰি ইউৰোপ, লণ্ডন, হলিউড, ব্ৰডওৱে আদিত বিচাৰিও 'গিগি'ৰ নায়িকাগৰাকী পোৱা নাই। কিন্তু অড্ৰেক সেইদিনা অকণমান সময়ৰ বাবে দেখিয়েই তেওঁৰ এনে লাগিল ইমানদিনে বিচাৰি থকা ছোৱালীজনী এইজনীয়েই। নাটকৰ প্ৰযোজক গিলবাৰ্ট মিলৰলৈ তেওঁ নিজে টেলিগ্ৰাম পঠাইছিল- ষ্টপ লুকিং ফৰ 'গিগি'। আই হেভ ফাউণ্ড হাৰ।

খবৰটো পাই অড্ৰেই তেতিয়া কান্দিব নে হাঁহিব বুজিব পৰা নাছিল। সমগ্ৰ বিশ্বৰ নাটকৰ এক পীঠস্থান ব্ৰডওৱেৰ নাটকৰ নায়িকাৰ চৰিত্ৰ কেনেকৈ কৰিব ? অভিনয়ৰ কি জানে ? ভয়তে চকুপানী ওলাই আহিছিল। মাডাম কোলেটেই অড্ৰেক বুজাইছিল ঃ তুমি নাচিব জানা, পৰিশ্ৰম কৰিব পাৰা। গতিকে আৰু অলপ পৰিশ্ৰম কৰিলেই মঞ্চৰ নায়িকাৰ অভিনয় শিকি পেলাব পাৰিবা।

গিলবাৰ্ট মিনাৰৰ সৈতে চুক্তি হ'ল ব্ৰডওৱেত 'গিগি' নাটকৰ নায়িকাৰ চৰিত্ৰ কৰিব লাগিব। চুক্তিৰ কাগজত চহী কৰাৰ পিচত আৰম্ভ হ'ল অতি ব্যস্ত জীৱন। পেৰিচলৈ দৌৰিব লগা হ'ল কষ্টিউম কৰাবলৈ, নাট্যকাৰ এনিটা লুজৰ সৈতে বহি সংলাপ লৈ ৰিহাৰ্চেল। তদুপৰি সাংবাদিক সকলৰ সমুখত বহি ইণ্টাৰভিউ। সেই খবৰৰ পিচত অড্ৰে লণ্ডনতো যথেষ্ট জনপ্ৰিয় হ'ল।

## হলিউডৰ পৰা আমন্ত্ৰণ

হলিউডত তেতিয়া এজন অচিনাকি মানুহৰ কাহিনীৰে 'ৰোমান হলিডে' নামৰ এখন ৰোমান্টিক ছবি কৰাৰ পৰিকল্পনা কৰিছে পাৰামাউন্ট কোম্পানীয়ে। প্ৰথমতে ছবিখন পৰিচালনা কৰাৰ কথা আছিল ফ্ৰাংক কাপ্ৰাৰ। নায়ক, নায়িকা হ'ব কেৰি গ্ৰাণ্ট আৰু এলিজাবেথ টেইলৰ। কিন্তু এলেন উইলিয়াম ওৱেলাৰে পৰিচালনাৰ দায়িত্ব লৈয়েই কৈছিল, ছবিখনৰ উচ্ছল, প্ৰাণৱন্ত সুন্দৰী ৰাজকুমাৰীৰ চৰিত্ৰত তেওঁ চিনাকি মুখ নলয়। নতুন মুখ বিচাৰিব আৰু শ্বুটিং ৰোমত কৰিব। ওৱেলাৰে নিজেই ইউৰোপত নতুন নায়িকাৰ সন্ধান কৰিছিল। এলিং ষ্টুডিঅ'ত 'দি চিক্ৰেট পিপল'ৰ কিছু অংশ দেখি অড্ৰে হেপ্বাৰ্ণক তেওঁৰ পছন্দ হ'ল। লণ্ডনৰ অফিচৰ জৰিয়তে নিউয়ৰ্কলৈ অড্ৰেৰ নামটো পঠাইছিল।

লণ্ডন অফিচৰ প্ৰডাকচনৰ কৰ্ণধাৰ ৰিচাৰ্ড মিলাণ্ডে পৰিচালক থৰোল্ড ডিকিলচনৰ দ্বাৰা স্ক্ৰীনটেষ্ট লৈছিল। এদিন পিচতেই প্ৰিণ্ট নিউয়ৰ্কলৈ পঠালে। পেৰামাউণ্ট কোম্পানীৰ সভাপতি বাৰ্ণে বালাবান, সহ-সভাপতি ফ্ৰেংক ফ্ৰিমেন, প্ৰডাকচন চীফ ডন্ হাৰ্টমেন আৰু কোম্পানীৰ টেলেণ্ট বিভাগৰ প্ৰধান মাইকেল জন এওঁলোক চাৰিওজন স্ক্ৰীন টেষ্ট চাবলৈ বহিছিল। এওঁলোকৰ কাষত বহিছিল ছবিৰ হ'বলগীয়া নায়ক গ্ৰেগৰী পেক। স্ক্ৰীন টেষ্ট চাই আটায়ে উৎফুল্লিত। লণ্ডনলৈ খবৰ গ'ল ঃ অড্ৰেক চুক্তিবদ্ধা কৰোৱা।

লগতে পেৰামাউণ্টৰ পৰা খবৰ গ'ল অড্ৰে হেপ্বাৰ্ণ নামটোৰ পৰা 'হেপ্বাৰ্ণ' শব্দটো সলাবলৈ যাতে কোৱা হয়। কাৰণ হলিউডত তেতিয়া আন এগৰাকী হেপ্বাৰ্ণ আছে। তেওঁ হ'ল কেথৰিণ হেপ্বাৰ্ণ। অড্ৰেই কিন্তু 'হেপ্বাৰ্ণ' শব্দটো সলাবলৈ মান্তি নহ'ল।

অকল সেয়ে নহয়, লণ্ডনতে থাকি অড্ৰেই পেৰামাউণ্টক নিজৰ আনবোৰ

OKDISCD

চৰ্তো মাস্তি কৰাইছিল । অড্ৰেই ছবিত কাম কৰাৰ সময়ত নিয়মিত থিয়েটাৰতো অভিনয় কৰিব । টেলিভিশ্যনৰ বাবে কাম নকৰে । 'গিগি' নাটক শেষ নোহোৱালৈকে 'ৰোমান হলিডে'ৰ শ্বুটিং কৰিব নোৱাৰে ।

## সফল মঞ্চাভিনেত্ৰী অড্ৰে

ব্ৰডওৱেৰ নাটক আৰু পেৰামাউণ্টৰ ছবিৰ চুক্তিপত্ৰৰ সৈতে অড্ৰে হেপ্‌বাৰ্ণে মাকৰ পৰা বিদায় লৈ নিউয়ৰ্কলৈ জাহাজেৰে ৰাওনা হ'ল । প্ৰেমিক জিমিয়ে কথা দিলে অড্ৰেৰ নাটক চাবলৈ তেওঁ আমেৰিকালৈ যাব ।

ওঠৰ দিনৰ জাহাজ যাত্ৰাত অড্ৰেই দহবাৰমান 'গিগি' নাটকখন পঢ়ি নিজৰ সংলাপ মুখস্থ কৰি পেলালে ।

নাটকৰ প্ৰযোজক গিলবাৰ্ট মিলাৰৰ পত্নী কিটিয়ে অড্ৰেক জাহাজঘাটৰ পৰা নি মজলীয়া ধৰণৰ হোটেল ব্লেকষ্টোনত আগবঢ়াই থৈছিল । পিচদিনাৰ পৰাই ৰিহাৰ্চেল আৰম্ভ হৈছিল । অড্ৰেই ঘণ্টাৰ পিচত ঘণ্টা ৰিহাৰ্চেল কৰিছিল । কিন্তু গিলবাৰ্টক যেন সন্তুষ্ট কৰিব পৰা নাছিল ।

২৪ নৱেম্বৰ । ফৰ্টি ছিক্সথ ষ্ট্ৰিটৰ ফুলটন থিয়েটাৰৰ নিঅ'নছাইনত লিখা হ'ল ঃ **গিগি উইথ অড্ৰে হেপ্‌বাৰ্ণ ।**

সকলোৱে নতুন ছোৱালীজনীৰ অভিনয় দেখি স্তব্ধ । নাটকৰ পিচৰ ফালৈ অলপ নাৰ্ভাচ হৈ হঠাৎ সংলাপ পাহৰি গৈছিল যদিও কেইচেকেণ্ডমানতে স্বাভাৱিক হৈ পৰিছিল অড্ৰে, অৰ্থাৎ গিগি । দৰ্শকে তুমুল হাতচাপৰিৰে অভিনন্দন জনাইছিল অড্ৰেক । পিচদিনা পুৱা হোটেললৈ আহি হলিউডৰ ছুপাৰষ্টাৰ ডেভিড নিভেনে অড্ৰেৰ সমুখত থিয় হৈ গালত স্নেহৰ চুম্বন আঁকি অভিনন্দন জনাইছিল ।

সন্ধিয়া থিয়েটাৰলৈ আহি অড্ৰেই দেখিছিল গিলবাৰ্টে আটাইবোৰ বাতৰিকাকতৰ কাটিংবোৰ সজাই থৈছে নিজৰ টেবুলত । নিউয়ৰ্ক টাইমছ, হেৰল্ড ট্ৰিবিউন, টেলিগ্ৰাফ, ছান আটাইবোৰ কাকতেই হেপ্‌বাৰ্ণৰ প্ৰশংসাত পঞ্চমুখ । ট্ৰিবিউনত লিখিছিল— 'হাৰ পাৰফৰমেন্স কামছ লাইক এক ব্ৰেথ অৱ ফ্ৰেছ এয়াৰ ইন এ ষ্টিফলিং ছিজন ।'

সাতদিন পিচতেই হলৰ সমুখৰ নিঅ'নছাইনৰ লিখা সলনি হৈ গৈছিল । লেখা হৈছিল ঃ 'অড্ৰে হেপ্‌বাৰ্ণ ইন গিগি ।' এৰাতিৰ ভিতৰতে অড্ৰে ব্ৰডওৱেৰ ষ্টাৰ হৈ গ'লেও অভিনয়ৰ পাৰফেক্চনৰ বাবে দৈনিক কেইবাঘণ্টাও ৰিহাৰ্চেল কৰিছিল । নাটকৰ পাচত কোনো পাৰ্টি বা আড্ডালৈ যোৱা নাছিল ।

প্ৰায়ে মনত পৰিছিল জেমছ হানছনৰ মুখ । হানছনৰ ফটো এখন সদায় নিজৰ লগত ৰাখিছিল । ইফালে লণ্ডনৰ 'টাইমছ'ত অড্ৰে আৰু হানছনৰ এনগেজমেণ্টৰ বাতৰিও ওলাল ।

'গিগি' শেষ হ'লেই ৰোমলৈ যাব লাগিব । তাতে পুৰা দুমাহ 'ৰোমান হলিডে'ৰ শ্বুটিং হ'ব । তাৰপৰা আকৌ নিউয়ৰ্কলৈ আহিব লাগিব । 'গিগি' নাটকৰ বাবে গোটেই আমেৰিকা ভ্ৰমণৰ চুক্তি হৈ আছে । গতিকে এতিয়া বিয়া কৰোৱাৰ সময় ক'ত ? হানছনক ফোন কৰি বিয়াখন পিচুৱাই দিবলৈ অড্ৰেই কৈছিল । বিয়াৰ পাচত এটামান বছৰ অড্ৰেই অভিনয় কৰিব নিবিচাৰে । বাধ্য হৈ হানছনে বিয়াখন পিচুৱাই দিবলগা হ'ল । নিউয়ৰ্কৰ পৰা লণ্ডনলৈ আহি অড্ৰেই মাক আৰু হানছনৰ সৈতে কেইদিনমান থাকি গ'লহি ।

## ৰোমত 'ৰোমান হলিডে'

'ৰোমান হলিডে' সম্পূৰ্ণ ছবিখনৰ শ্বুটিং ৰোম চহৰতে হৈছিল । ৰাজকুমাৰী এনৰ চৰিত্ৰত অড্ৰে হেপ্‌বাৰ্ণৰ অভিনয় এতিয়া ইতিহাস । কিন্তু প্ৰথম দুদিনমান নতুন ছোৱালীজনীয়ে কেনে অভিনয় কৰিব তাকে ভাবি নায়ক গ্ৰেগৰী পেক চিন্তিত হৈছিল । দুদিন শ্বুটিং কৰাৰ পিচত বুজিছিল, ছোৱালীজনীৰ প্ৰচুৰ সম্ভাৱনা আছে । তেওঁৰ দৰে প্ৰতিষ্ঠিত অভিনেতাৰ সৈতে সমানে অভিনয় কৰি গৈছে । অকণো নাৰ্ভাচ হোৱা নাই, কেমেৰা সম্পৰ্কেও কোনো সচেতনতা নাই ।

ঠিক কৰা হৈছিল, ছবিৰ প্ৰচাৰত প্ৰথমে গ্ৰেগৰি পেকৰ নাম থাকিব, পিচত অড্ৰেৰ । কিন্তু গ্ৰেগৰী পেকে ফোন কৰি এজেন্ট আৰু পাব্লিচিটি বিভাগক কৈছিল— অড্ৰেই বৰ সুন্দৰ অভিনয় কৰিছে । ছবিৰ আচল ষ্টাৰ অড্ৰেহে । গতিকে অড্ৰেৰ নাম গ্ৰেগৰী পেকৰ সৈতে একেলগে যেন থাকে ।

পিচত এইবোৰ কথা লৈ গ্ৰেগৰী পেকৰ পৰিয়ালটোত গণ্ডগোল হয় । শ্বুটিঙৰ মাজতে এদিন কাজিয়া-পেঁচাল কৰি গ্ৰেগৰীৰ পত্নী গ্ৰেটাই ল'ৰা-ছোৱালী তিনিটাক লৈ ফিনলেণ্ডৰ দেউতাকৰ ঘৰ পালেগৈ । কিছুদিন ধৰি তেওঁলোকৰ সম্পৰ্কটো ভাল নাছিল । অভিনয় কৰিবলৈ গৈ অড্ৰে আৰু গ্ৰেগৰী হয়তো অলপ বেছি ওচৰ চাপি গৈছিল । ইউৰোপ আমেৰিকাৰ আটাইবোৰ কাকতত তেওঁলোকৰ প্ৰেমৰ কাহিনী প্ৰকাশ হ'ল । কিন্তু এই বিষয়ে অড্ৰেক সোধাত সেইবোৰ মনেসজা কাহিনী বুলি জনাইছিল । কিন্তু জেমছ হানছনে বুজিব পাৰিছিল, অড্ৰেৰ বহুত পৰিবৰ্তন হৈছে । অভিনয় এতিয়া তেওঁৰ প্ৰথম ভালপোৱা । জেমছ হানছনৰ 'জিমি' নামটো লাহে লাহে অড্ৰেৰ মনৰ পৰা মচ খাই আহিছে ।

কেইবাখনো চহৰত 'গিগি'য়ে আলোড়নৰ সৃষ্টি কৰি শেষ শ্ব' কৰিলে লছ এঞ্জেলছত । তাৰপৰা অড্ৰে উভতি আহিল লণ্ডনৰ ছাউথ অড্লি ষ্ট্ৰীটৰ সেই সৰু ফ্লেটলৈ । মাক তাত অকলে আছে । জেমছ এতিয়া ক'ত নাজানে । গ্ৰেগৰী পেকে তেতিয়া লণ্ডনৰ ফ্লেটত বিশ্ৰাম লৈছিল । সন্ধিয়াৰ আড্ডাৰ বন্ধু হ'ল অভিনেতা-পৰিচালক মেল্ ফেৰাৰ । অড্ৰে লণ্ডনলৈ ঘূৰি অহা বুলি শুনি মাক-জীয়েক দুয়োকে এদিন সন্ধিয়া গ্ৰেগৰী পেকে গ্ৰহভেনাৰ স্কোয়াৰৰ ফ্লেটলৈ মাতি পঠাইছিল । তাত মেলো আছিল । গ্ৰেগৰী আৰু মেলে কালিফোৰ্নিয়াত এটা ভাল থিয়েটাৰ কৰাৰ কথা ভাবিছিল । সেইদিনা তাকে আলোচনা কৰা হ'ল । অড্ৰেৰ মেলক ভাল লাগিল । কথা-বতৰা, কামৰ বিষয় লৈ গভীৰ আলোচনাৰ আগ্ৰহৰ পৰা বুজিছিল— মানুহজন বেয়া নহয় । অনুভূতিশীল, বুদ্ধি আছে । ইয়াৰ উপৰিও কথা হ'ল, মেল নিজে অভিনেতা, নাটক ভাল পায় । অড্ৰেই মাথোন কৈছিল— ভাল নাটক পালে পঠায় যেন । তেওঁ অভিনয় কৰিব ।

কিন্তু পিচদিনা সন্ধিয়াই মেল ফেৰাৰেই গাড়ী লৈ অড্ৰেৰ ফ্লেটত উপস্থিত হৈ অড্ৰেক থিয়েটাৰ চাবলৈ লগ ধৰিছিল । অড্ৰেই একো নকৈ মেলৰ সৈতে সেই সন্ধিয়া নাটক চাইছিল । নাটক চোৱাৰ পিচত আৰু কিছুসময় কটাই মাজৰাতি ঘৰলৈ আহিছিল ।

## আকৌ হলিউডত

কেইদিনমান পিচতে অড্ৰেই হলিউডলৈ উভতি যাব লগা হৈছিল । পেৰামাউণ্ট কোম্পানীয়ে নতুন ছবি আৰম্ভ কৰিবলৈ বিচাৰিছিল । পৰিচালক বিলি ৱাইল্ডাৰ । ছবিৰ নাম 'ছাব্ৰিনা' । মূল চৰিত্ৰত অড্ৰে হেপ্‌বাৰ্ণৰ বিপৰীতে নায়ক দুজন । উইলিয়াম হোল্ডেন আৰু হামফ্ৰে বোগাৰ্ট । হামফ্ৰে বোগাৰ্টৰ যে মগজু গৰম হৈ থাকে সকলোৱে জানে । চিত্ৰনাট্য পঢ়াৰ পৰা বোগাৰ্টৰ ৱাইল্ডাৰৰ লগত মতবিৰোধ । শ্বুটিং আৰম্ভ হোৱাৰ পৰা ছেঁটত দৈনিক গণ্ডগোল । বোগাৰ্ট শক্তিশালী অভিনেতা কিন্তু ছুপিৰিয়ৰিটি কম্প্লেক্সগ্ৰস্ত ভোগা মানুহ । কাকোৱেই সহ্য কৰিব নোৱাৰে । এইবোৰৰ বাবে মাজতে অড্ৰেৰ বিপদ হৈছিল । এইদৰে সদায় অশান্তিৰ মাজেৰেই কাম আগবাঢ়িছিল । তেতিয়া অড্ৰেই উইলচায়াৰ বুলেভাৰৰ এটা ফ্লেটত আছিল । ভাৰা এশ কুৰি ডলাৰ । ষ্টুডিঅ'ৰ পৰা মাহে পাৰিশ্ৰমিক পাইছিল বত্ৰিশ শ ডলাৰ । দিন ভালেই চলিছিল ।

ডিচেম্বৰ মাহত 'লণ্ডন টাইমছ' কাকতত বিজ্ঞাপন ছপাই গোটেই পৃথিৱীকে জনাই দিছিল জেমছ হানছনৰ সৈতে অড্ৰে হেপ্‌বাৰ্ণৰ এনগেজমেণ্ট বাতিল কৰা হ'ল । অভিনেতা উইলিয়াম হোল্ডেনে এক ফৰাচী সাংবাদিক ভেৰোনিকাক বিয়া কৰাইছিল । 'ছাব্ৰিনা' ছবিখন কৰাৰ সময়ত হলিউডৰ কাকতবোৰত গুজব ওলাইছিল যে অড্ৰেই উইলিয়াম হোল্ডেনক বিয়া কৰাব । যেতিয়াই অড্ৰেই গম পালে যে, দুটা সন্তানৰ পিচত উইলিয়ামে ভেছেক্টমী কৰিছে তেতিয়া লাহে লাহে অড্ৰেই নিজেই তেওঁৰ ওচৰৰ পৰা আঁতৰি আহিছিল ।

## আকৌ ব্ৰডওৱেৰ 'ষ্টাৰ' অড্ৰে

অড্ৰেই এদিন হঠাৎ মেল ফেৰাৰেৰ পৰা 'অ'নডিন' নামৰ এখন নাটকৰ পাণ্ডুলিপি পালে । দুগৰাকী বিপৰীত চৰিত্ৰৰ গাভৰুক এজন যুৱকে ভাল পায় । এগৰাকী শীতল, আনগৰাকী উচ্ছল । অড্ৰেই নাটকখন পঢ়ি ভাল পালে । অভিনয় কৰিবলৈ মান্তি হ'ল । প্ৰযোজনাৰ দায়িত্ব ল'লে ব্ৰডওৱেৰ প্লেৱাইটছ কোম্পানীয়ে । মেল ফেৰাৰে নিজে নায়কৰ চৰিত্ৰটো কৰিব । চুক্তি হ'ল সাপ্তাহিক পাৰিশ্ৰমিকৰ উপৰিও টিকট বিক্ৰীৰ অংশ এটাও পাব । পৰিচালনাৰ বাবে অনা হ'ল আলফ্ৰেদ লুনতক । 'ছাব্ৰিনা'ৰ শ্বুটিং শেষ কৰি অড্ৰেই নিউইয়ৰ্ক পালেহি । সৰু ঘৰ এটা ল'লে । লগতে ৰাখিলে নিজৰ চেক্ৰেটাৰী হেলেন গুডমেনক ।

নাটকৰ ৰিহাৰ্চেল আৰম্ভ হ'ল । অড্ৰে আৰু মেলৰ সঁচা-সঁচি প্ৰেমৰ নাটকো আৰম্ভ হৈছিল । মেল অড্ৰেতকৈ বাৰ বছৰমান ডাঙৰ আছিল । খুব আশাবাদী মানুহ । অভিনেতা, নাট্যকাৰ, পৰিচালক ব্যৱসায়ী আটাইবোৰ একেলগে হ'ব বিচাৰিছিল । অথচ পৰা নাছিল । পোছলি কেৰণৰ সৈতে 'লিলি' ছবিখন কৰাৰ পিচত অলপ নাম হৈছিল । আগতেও কেইখনমান ছবি কৰিছিল কিন্তু আটাইবোৰ ফ্লপ । মেলে অড্ৰেৰ



জৰিয়তে জীৱনত সফল হোৱাৰ সপোন দেখিছিল । মেলে আগতে তিনিবাৰ বিয়া কৰাইছিল যদিও এখনো বিয়া সুখৰ নহ'ল । প্ৰথমা পত্নী ফ্ৰান্সিছ পিলচাৰ্ডক দুবাৰ বিয়া কৰাইছিল আৰু বিবাহ-বিচ্ছেদো দুবাৰ হৈছিল । এটা ল'ৰা আৰু এজনী ছোৱালী হোৱাৰ পিচত প্ৰথমা পত্নীক এৰি বাৰাবাৰা ট্ৰিপক বিয়া কৰাইছিল । তেওঁকো দুটা সন্তান উপহাৰ দি বিচ্ছেদ হৈছিল । তাৰপিচত বিচ্ছেদ হোৱা প্ৰথমা পত্নী ফ্ৰান্সিছৰ কথা পুনৰ ভাবিছিল । কিন্তু ইয়াৰ মাজতেই অড্ৰেৰ লগত গ্ৰেগৰী পেকৰ ফ্লেটত মেলৰ প্ৰথম সাক্ষাৎ হৈ গৈছিল । কাগজত গুজব ওলাইছিল, অৱশেষত ফ্ৰান্সিছৰ সৈতে মেলৰ বিচ্ছেদ হ'ল । 'অ'নডিন' নাটক সফল হ'ল । দ্বৈত ভূমিকাত অড্ৰেৰ অভিনয় দেখি সকলো মুগ্ধ । নাটকৰ পিচত মেৰিলিন ডিয়েট্ৰিচে অভিনন্দন জনাইছিল অড্ৰেক । ফৰাচী দূতবাসে এটা বিৰাট পাৰ্টি দিছিল । মাক আৰু মেলৰ সৈতে অড্ৰে পাৰ্টিত উপস্থিত আছিল ।

এদিন যিগৰাকী ছোৱালীয়ে কান্দি কান্দি কৈছিল অভিনয় কৰিব নোৱাৰে, সেই অড্ৰেই মাত্ৰ দুই-আঢ়ৈ বছৰৰ ভিতৰতে অস্কাৰ, টনি এৱাৰ্ড, বৃটিছ একাডেমী পুৰস্কাৰ, নিউইয়ৰ্ক ফিল্ম সমালোচকসকলৰ বঁটা— আটাইবোৰ লাভ কৰিছিল । আৰু ব্ৰডওৱেত আলোড়নৰ সৃষ্টি কৰিছিল প্ৰথম নাটক 'গিগি' কৰি । তেওঁৰ সফলতাত যে ফাকি নাই তাৰ প্ৰমাণ হ'ল 'অ'নডিন' নাটক । *(আগলৈ)* ❑

OKDISCD

**দিৱাৰ (১৯৭৫)**

শিল্পী ঃ শশী কাপুৰ, অমিতাভ বচ্চন, নীতু সিং, পৰবীন বাবী।

যশ চোপ্ৰাই অমিতাভ বচ্চনক এণ্টি হিৰো হিচাপে লৈ চালিম জাভেদৰ চিত্ৰনাট্যৰে ছুপাৰ-হিট হিচাপে দৰ্শকক দিয়া ছবি।

**ধৰ্মাত্মা (১৯৭৫)**

শিল্পী ঃ ফিৰোজ খান, হেমা মালিনী, ৰেখা, প্ৰেমনাথ।

এইখন ছবিৰ যোগেদিয়েই ফিৰোজ খানে 'দি গড ফাদাৰ'ক প্ৰথম ভাৰতলৈ আমদানি কৰে। ফিৰোজ খানৰ আন এখন ছুপাৰহিট ছবি হ'ল 'কোৰবানি'।

**ডিস্কো ডান্সাৰ (১৯৮২)**

শিল্পী ঃ মিথুন চক্ৰৱৰ্তী কিমি।

এছ সুভাষে ডিস্কো জনপ্ৰিয় কৰাই নহয়, মিথুনকো অধিক জনপ্ৰিয় কৰা এইখন ছুপাৰহিট ছবি।

**দোস্তি (১৯৬৪)**


শিল্পী ঃ সুশীল কুমাৰ, সুধীৰ কুমাৰ, সঞ্জয় খান।


অন্ধ আৰু খঞ্জক লৈ ৰাজশ্ৰী প্ৰডাকচনৰ আৱেগমধুৰ ছুপাৰহিট ছবি। প্ৰতিষ্ঠা লাভ কৰে লক্ষ্মীকান্ত প্যাৰেলালে। ৰাজশ্ৰীৰ আন দুখনমান ছবি ঃ জীৱনমৃত্যু, উপহাৰ, পিয়া কা ঘৰ, মেইনে প্যাৰ কিয়া।


**একবাৰ ফিৰ (১৯৮০)**

শিল্পী ঃ সুৰেশ অবেৰয়, দীপ্তি নাভাল।

পৰিচালক বিনোদ পাণ্ডেই দৰ্শকক নাৰী চৰিত্ৰৰ এক নতুন ভূমিকা পৰিৱেশন কৰে। এইখন ছবিয়েই মহেশ ভটক 'আৰ্থ'ৰ দৰে ছবি কৰিবলৈ অনুপ্ৰাণিত কৰে। পাণ্ডেৰ পিচৰ ছবি 'ইয়েহ নজদীকিয়াঁ' বা 'এক নয়া ৰিস্তা'ত সেই প্ৰতিভা দেখা নগ'ল।




**এক দুজে কে লিয়ে (১৯৮১)**

শিল্পী ঃ কামাল হাচান, ৰতি অগ্নিহোত্ৰী।

উত্তৰ আৰু দক্ষিণ ভাৰতৰ বিভিন্নতাক লৈ কে বালাচন্দৰে নিৰ্মাণ কৰা ছবিখন ছুপাৰহিট হয়। কামাল হাচানক প্ৰথম হিন্দী ছবিৰ দৰ্শকে গ্ৰহণ কৰে। লক্ষ্মীকান্ত-প্যাৰেলালৰ সংগীতো আছিল ছবিখনৰ বিশেষ আকৰ্ষণ।

**ফৰ্জ (১৯৬৭)**

শিল্পী ঃ জীতেন্দ্ৰ, ববিতা।

জেমছ বণ্ড অনুপ্ৰাণিত ছবিখনে জীতেন্দ্ৰক ভাল প্ৰতিষ্ঠা দিয়ে।

**গংগা যমুনা (১৯৬১)**

শিল্পী ঃ দিলীপ কুমাৰ, বৈজয়ন্তী মালা, নাচিৰ খান, কানহাইলাল।

বিহাৰৰ গাঁৱৰ পটভূমিত ডকাইত ককায়েক আৰু ভায়েক পুলিচ ফৰমূলাৰ সম্পূৰ্ণ বিনোদন ছবি।

**গাইড (১৯৬৫)**

শিল্পী ঃ দেবানন্দ, ওৱাহিদা ৰহমান, কিশোৰ চাহু।

প্ৰেমৰ ছবি হৈও বিষয়বস্তুত বৈচিত্ৰ্য থকা নবকেতনৰ বেনাৰত বিজয় আনন্দ পৰিচালিত 'গাইড' আজিও জনপ্ৰিয় ছবি। জনপ্ৰিয় হৈ আছে এছ-ডি বৰ্মন সুৰাৰোপিত গীতবোৰ। আৰ-কে নাৰায়ণৰ কাহিনীৰে নিৰ্মিত ছবিখনত দেবানন্দেও সু অভিনয় কৰিছিল।

**হীৰৰঞ্জা (১৯৭০)**

শিল্পী ঃ ৰাজ কুমাৰ, প্ৰিয়া ৰাজবংশ।

লোক প্ৰেম কাহিনীৰ ভেটিত চেতন আনন্দৰ অতি জনপ্ৰিয় ছবি। মদনমোহনৰ সংগীত এক বিশেষ আকৰ্ষণ।



**হিৰো (১৯৮৩), কৰ্জ (১৯৮০), ৰাম লখন (১৯৮৯)**

শিল্পী ঃ জেকী শ্ৰুফ, মীনাক্ষি শেষাদ্ৰী, ঋষি কাপুৰ, অনিল কাপুৰ, মাধুৰী দিক্ষিত।

ৰাজ কাপুৰৰ পিচতে হিন্দী ছবিৰ শ্বমেন হিচাপে খ্যাত সুভাষ ঘাইৰ ছবি। এক বিদ্ৰোহীৰ কাহিনী হিচাপে 'হিৰো' অধিক সফল। ঘাইৰ আন দুখন ছবি 'কৰ্মা' আৰু 'সৌদাগৰ' ব্যৱসায়িক সফল ছবি।

**ইনকাৰ (১৯৭৭)**

শিল্পী ঃ বিনোদ খান্না, বিদ্যা সিনহা।

জাপানী কাহিনী এটিৰ অনুসৰণত ৰাজ এন চিপ্পিয়ে ছবিখন নিৰ্মাণ কৰি প্ৰতিষ্ঠা লাভ কৰে। 'চাট্টে পে চাট্টা'ৰ বাহিৰে কিন্তু পিচৰ ছবিবোৰত চিপ্পি সফল নহ'ল। চিপ্পিৰ দৰে কাৰিকৰী দিশত গুৰুত্ব দিয়া পৰিচালক মুকুল আনন্দ আৰু জে-পি দত্তই নিৰ্মাণ কৰা আইটাবাৰ, সুলতানাত, হাম, খুদা গৱাহ, ইনচাফ, গোলামী, হত্যাৰা দুৰ্ভাগ্যক্ৰমে ছুপাৰহিট নহ'ল।

**জুৱেল থীফ (১৯৬৭)**

শিল্পী ঃ দেবানন্দ, বৈজয়ন্তী মালা, তনুজা, অশোক কুমাৰ।


ষাঠিৰ দশকৰ সৰ্বাধিক জনপ্ৰিয় ৰোমাণ্টিক থ্ৰিলাৰ। বিজয় আনন্দ পৰিচালিত ছবিখনৰ এছ-ডি বৰ্মন সুৰাৰোপিত গীত (আশমান কে নিচে, ৰুলা কে গয়া স্বপ্না মেৰা, হাতোঁ পে এইসি বাত) কেইটি আজিও জনপ্ৰিয়।


**জনী মেৰা নাম (১৯৭০)**

শিল্পী ঃ দেবানন্দ, হেমা মালিনী, প্ৰাণ, প্ৰেমনাথ।

নতুন অভিনেতাসকলৰ হিন্দী ছবিজগতত প্ৰবেশ হোৱা সত্ত্বেও আগৰ চামৰ দেবানন্দ অভিনীত এইখন ছুপাৰহিট ছবিৰ ফৰমূলাৰে পিচত ভালেমান ছবি হৈছে।




**লাভ ষ্টৰী (১৯৮১)**

শিল্পী ঃ কুমাৰ গৌৰব, বিজয়েতা পণ্ডিত।

একশ্যন ছবিৰ মাজত এইখন সম্পূৰ্ণ ৰোমাণ্টিক ছবিৰ সফলতা অভাৱনীয়। এই এখন ছবিৰেই কুমাৰ গৌৰব ছুপাৰষ্টাৰ হ'ল আৰু তাতেই শেষ। প্ৰযোজক ৰাজেন্দ্ৰ কুমাৰে ছবিখনৰ পৰিচালক ৰাহুল ৰাৱেলক স্বীকৃতি নিদিলে। কিন্তু ৰাহুলে আন এখন ৰোমাণ্টিক ছবি 'বেতাব' কৰি নিজৰ প্ৰতিভা দেখুৱাই দিলে আৰু ছবিৰ নায়ক সানি দেউলক প্ৰতিষ্ঠা কৰিলে। ৰাহুল ৰাৱেলৰ পিচৰ ডকাইত, মস্ত কলন্দৰ, বেখুদী আদি এখনো পিচে হিট নহ'ল।

**মধুমতী (১৯৫৮)**

শিল্পী ঃ দিলীপ কুমাৰ, বৈজয়ন্তী মালা।

'দো বিঘা জমিন'ৰ পৰিচালক বিমল ৰায়ৰ পূৰ্ণজন্মৰ ওপৰত নিৰ্মিত ৰোমাণ্টিক হিট ছবি 'মধুমতী'ৰ (দি পোৰ্টেট অব জেনী' অনুপ্ৰাণিত) দিলীপ-বৈজয়ন্তী যুটিৰ অভিনয়ৰ উপৰিও বিশেষ আকৰ্ষণ সলিল চৌধুৰীৰ সংগীত। 'মধুমতী'তকৈও এসময়ত এনে কাহিনীৰে জনপ্ৰিয় হৈছিল অশোক কুমাৰ-মধুবালা অভিনীত 'মহল'।

**মেইনে প্যাৰ কিয়া (১৯৮৯)**

শিল্পী ঃ চালমান খান, ভাগ্যশ্ৰী।

ভয়ানক একশ্যন ছবিৰ যুগত এইখন ছবিৰে ৰাজশ্ৰী প্ৰডাকচনে নতুন নায়ক-নায়িকা লৈ প্ৰেমৰ ছবি কৰাৰ এটা ধাৰাৰ সৃষ্টি কৰে। হিট হয় সংগীত পৰিচালক ৰাম-লক্ষ্মণ।

**মেৰা গাঁও মেৰা দেশ (১৯৭১)**

শিল্পী ঃ ধৰ্মেন্দ্ৰ, বিনোদ খান্না, আশা পাৰেখ।

গুৰু দত্তৰ স্কুলৰ বহুকেইখন হিট ছবিৰ পৰিচালক ৰাজ খোচলাৰ এখন উল্লেখযোগ্য বিনোদন ছবি।



সাহিব বিবি ঔৰ গোলাম

### মিৰ্চ্ছ মছালা (১৯৮৭)

শিল্পী ঃ ওম পুৰী, স্মিতা পাটিল, নাচিৰুদ্দিন শ্বাহ ।

লোককাহিনী 'ভবানী ভবাই'ৰ পৰিচালক কেতন মেহতাৰ এখন উল্লেখযোগ্য ছবি ।

### মাদাৰ ইণ্ডিয়া (১৯৫৭)

শিল্পী ঃ নাৰ্গিচ, ৰাজ কুমাৰ, সুনীল দত্ত, ৰাজেন্দ্ৰ কুমাৰ ।

মেহবুব খানৰ নিজৰে ছবি 'আউৰত'ৰ ৰি-মেক 'মাদাৰ ইণ্ডিয়া' কাঁন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হয় । সকলোতে প্ৰশংসিত হয় নাৰ্গিচৰ অভিনয় ।

### মিঃ ইণ্ডিয়া (১৯৮৭)

শিল্পী ঃ অনিল কাপুৰ, শ্ৰীদেৱী, অমৰীশ পুৰী ।

'দি ইনভিজিবল্ মেন' অৱলম্বনত শেখৰ কাপুৰৰ ফেণ্টাচী ছবি 'মিঃ ইণ্ডিয়া' এখন উল্লেখযোগ্য বিনোদন ছবি ।

### মুঝে জিনে দো (১৯৬৩)

শিল্পী ঃ সুনীল দত্ত, ওৱাহিদা ৰহমান ।

ডকাইতৰ ওপৰত এতিয়ালৈকে নিৰ্মিত হিন্দী ছবিসমূহৰ ভিতৰত সম্ভৱতঃ সুনীল দত্তৰ এইখন ছবি বেলেগ দৃষ্টিকোণৰ পৰা নিৰ্মিত শ্ৰেষ্ঠ ছবি ।

### মোগল-ঈ-আজম (১৯৬০)

শিল্পী ঃ পৃথিৰাজ কাপুৰ, দিলীপ কুমাৰ, মধুবালা, অজিৎ, দুৰ্গা খোটে ।

চেলিম-আনাৰকলী কাহিনীক লৈ বহু টকা ব্যয়েৰে নিৰ্মিত কে আচিফৰ এইখন ছবি নাটকীয় উৰ্দু সংলাপ, নৌচাদৰ সংগীত, জাকজমকীয়া ছেট, অভিনয় আদিৰে এখন বিৰাট ছবি । এনেদৰে ছবি নিৰ্মাণ কৰাটো সম্ভৱ হোৱা নাই । কামাল আমৰোহিয়ে 'ৰেজিয়া চুলতানা'ত চেষ্টা কৰি অসফল হয় ।

### নমক হাৰাম (১৯৭৩)

শিল্পী ঃ অমিতাভ বচ্চন, ৰাজেশ খান্না, ৰেখা ।

এখন বিদেশী ছবিৰ অনুপ্ৰেৰণাত নিৰ্মিত হৃষিকেশ মুখাৰ্জীৰ এইখন ছবিত অভিনয় দৌৰত ৰাজেশ খান্নাক যি অমিতাভ বচ্চনে পিচ পেলালে তাৰ পিচত আৰু ৰাজেশ খান্না আগবাঢ়িব নোৱাৰিলে ।

### পাকিজা (১৯৭১)

শিল্পী ঃ অশোক কুমাৰ, মীনা কুমাৰী, ৰাজ কুমাৰ ।

মীনা কুমাৰীৰ শেষ স্মৰণীয় ছবি আৰু কামাল আমেৰোহিৰো জীৱনৰ উল্লেখযোগ্য ছবি । গোলাম মহম্মদ আৰু নৌচাদৰ সংগীত ছবিখনৰ অমূল্য সম্পদ ।

### ফুল ঔৰ পাথৰ (১৯৬৬)

শিল্পী ঃ ধৰ্মেন্দ্ৰ, মীনা কুমাৰী ।

ধৰ্মেন্দ্ৰই ইতিমধ্যে ভালেমান ছবিত অভিনয় কৰিলেও অ'পি ৰলহানৰ এইখন ছবিয়ে ধৰ্মেন্দ্ৰক বিনোদন ছবিৰ নায়ক হিচাপে পূৰ্ণ প্ৰতিষ্ঠা দিয়ে । অশোক কুমাৰৰ 'কিসমেৎ' (১৯৪৩) ছবিৰ পিচত অমিতাভ বচ্চনতকৈও আগতে ধৰ্মেন্দ্ৰক এণ্টি-হিৰো চৰিত্ৰ দিয়ে ৰলহনেই ।

### কিয়ামত সে কিয়ামত তক (১৯৮৯)

শিল্পী ঃ আমিৰ খান, জুহি চাওলা ।

মনচুৰ খানৰ ৰোমিঅ'-জুলিয়েট ভাৰ্চন 'কিয়ামত সে কিয়ামত তক' ছবিখনে জনপ্ৰিয়তাৰ শীৰ্ষত উঠে নতুন চামৰ নায়ক-নায়িকা আৰু আনন্দ-মিলিন্দৰ সংগীতৰ বাবে ।

### ৰজনীগন্ধা (১৯৭৪)

শিল্পী ঃ অমল পালেকাৰ, বিদ্যা সিনহা ।

বাসু চেটাৰ্জীয়ে 'সাৰা আকাশ'ৰ দৰে ছবি কৰাৰ পিচত ব্যৱসায়িক ছবি কৰা আৰম্ভ কৰে । 'চোটি সি বাত' আৰু 'পতি, পত্নী ঔৰ ৱহ'ৰ দৰে কম বাজেটৰ বক্স অফিচ হিট কৰা ছবি হ'ল 'ৰজনীগন্ধা' । পিচলৈ বাসু চেটাৰ্জীৰ সুনাম নৰ'ল । তথাপি হৃষিকেশ মুখাৰ্জী আৰু বাসু চেটাৰ্জীয়ে মধ্যবিত্ত শ্ৰেণীৰ বাবেই ছবি কৰি থাকে ।

### ৰাম ঔৰ শ্যাম (১৯৬৭)

শিল্পী ঃ দিলীপ কুমাৰ, ওৱাহিদা ৰহমান, মমতাজ, প্ৰাণ ।

'কহিনুৰ' আৰু 'আজাদ'ৰ পিচত 'ট্ৰেজেডি কিং' দিলীপ কুমাৰৰ কমেডি অভিনয়ৰ ছবি । 'দি প্ৰিন্স এণ্ড দি পোপাৰ' অৱলম্বনত এইখনেই নহয়, 'সীতা ঔৰ গীতা', 'চালবাজ' আৰু 'কিষেণ কানহাইয়া' আটাইকেইখনেই ছুপাৰহিট ছবি ।

### ...ৱ বিবি ঔৰ গোলাম

...২)

...ল্পী ঃ গুৰু দত্ত, ওৱাহিদা ..., মীনা কুমাৰী, ৰেহমান ।

...দিও পৰিচালক হিচাপে আববাৰ ...ৰ নাম ৰখা হৈছিল, সকলোৱে 'সাহিব বিবি ঔৰ গোলাম'ৰ ...ছিকুৱেন্সত গুৰু দত্তৰ স্পৰ্শ ... 'মিঃ এণ্ড মিছেছ ফিফটি ...'ৰ দৰে ব্যৱসায়িক ছবি কৰা ...দত্তই 'প্যাসা', কাগজ কে ফুল' 'সাহিব বিবি ঔৰ গোলাম'ৰ ...ছবি কৰি ছিৰিয়াছ ছবি নিৰ্মাতা ...প প্ৰতিষ্ঠা লাভ কৰে ।

### ... (১৯৭৫)

...ল্পী ঃ সঞ্জীৱ কুমাৰ, অমিতাভ ... ধৰ্মেন্দ্ৰ, হেমা মালিনী, আমজাদ

...ন্দী ছবি উদ্যোগৰ ৰমেশ ...ৰ 'শোলে' এতিয়ালৈকে সৰ্বাধিক প্ৰদৰ্শিত আৰু ছুপাৰ-ডুপাৰ হিট ...হৈ আছে । সঞ্জীৱ কুমাৰৰ দৰে ... অভিনেতাৰ বিপৰীতে নৱাগত ...য়ক আমজাদ খানৰ আৱিষ্কাৰ ... চিপ্পিৰ কৃতিত্ব । কুৰোচোৱাৰ ...ন চামুৰাই' বা হলিউডৰ 'দি ...নিফিচেন্ট ছেভেন'ৰ অনুপ্ৰেৰণাত ...ল'ৰ চিত্ৰনাট্য চালিম-জাভেদৰ ।

### ...ৰি কসম (১৯৬৬)

...শিল্পী ঃ ৰাজ কাপুৰ, ওৱাহিদা ...ন ।

...বাসু ভট্টাচাৰ্যৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ ...া 'তিসৰি কসম'ত চাবলগা হ'ল ...ক-নায়িকাৰ অভিনয় । বাসু ...চাৰ্যৰ আনবোৰ ছবি হ'ল ঃ ...ৰ, আৱিষ্কাৰ আৰু গৃহপ্ৰবেশ ।

### ...ৰি মঞ্জিল (১৯৬৬)

...শিল্পী ঃ শ্যামী কাপুৰ, আশা ...খ, প্ৰেমনাথ ।

...বিজয় আনন্দ পৰিচালিত ৰহস্য ...খনৰ জনপ্ৰিয়তাত অধিক বৰঙণি ...াইছিল আৰ-ডি বৰ্মনৰ ...তে ।

### ত্ৰিশূল (১৯৭৮)

শিল্পী ঃ সঞ্জীৱ কুমাৰ, শশী কাপুৰ, অমিতাভ বচ্চন, ওৱাহিদা ৰহমান, হেমা মালিনী ।

যশ চোপ্ৰাই 'দিৱাৰ'ৰ পিচত আৰু এঢাপ আগুৱাই নিৰ্মাণ কৰে 'ত্ৰিশূল' । যশৰ শেহতীয়া ছবি 'লমহে' ব্যৱসায়িক দিশত অসফল হয় ।

### উপ্‌কাৰ (১৯৬৭)

শিল্পী ঃ মনোজ কুমাৰ, আশা পাৰেখ, প্ৰাণ ।

দৰ্শকে মনোজ কুমাৰৰ 'দেশপ্ৰেম'ৰ চানেকি পায় প্ৰথম এইখন ছবিতে । মনোজ কুমাৰৰ ইমেজ সেইটোৱেই হৈ গ'ল পিচৰ 'পূৰব ঔৰ পশ্চিম', 'ৰোটি কপড়া ঔৰ মকান' আৰু 'ক্ৰান্তি' ছবিৰ যোগেদি । প্ৰাণে খলনায়কৰ পৰা এইখন ছবিতে ভাল চৰিত্ৰ পাবলৈ লয় ।

### ভিক্টোৰিয়া নং ২০৩ (১৯৭২)

শিল্পী ঃ অশোক কুমাৰ, প্ৰাণ, নবীন নিশ্চল, সাইৰা বানু ।

জেমছ হেডলি ছেজৰ উপন্যাস 'দেয়াৰ ইজ এ হিপ্পি অন দা হাইওৱে'ৰ অৱলম্বনত নিৰ্মিত ব্ৰীজ পৰিচালিত হিট কমেডি ছবি ।

### ৰক্ত (১৯৬৫)

শিল্পী ঃ সুনীল দত্ত, সাধনা, ৰাজ কাপুৰ, শৰ্মিলা ঠাকুৰ, শশী কাপুৰ, বলৰাজ সাহনি ।

বি-আৰ চোপ্ৰাৰ ভালেমান হিট ছবিৰ এইখনো এখন ।

### জঞ্জীৰ (১৯৭৩)

শিল্পী ঃ অমিতাভ বচ্চন, জয়া ভাদুৰী, প্ৰাণ, অজিৎ ।

প্ৰকাশ মেহৰাই এইখন ছবিৰেই অমিতাভ বচ্চনক 'ষ্টাৰ' হিচাপে থিয় কৰায় । প্ৰকাশ মেহৰাৰ পৰৱৰ্তী 'মুকদ্দৰ কা চিকন্দৰ', 'শাৰাবী', 'নমক হালাল', 'হেৰাফেৰি', 'খুন পচিনা', 'যাদুগৰ' আটাইবোৰতে অমিতাভ আছিল । শেষৰখনৰ বাহিৰে বাকীবোৰ হিট ছবি ।

তালিকাৰ বাহিৰতো আন ভালেমান উল্লেখযোগ্য ছবি নথকা নহয় । শেহতীয়াকৈ বক্স অফিচ হিট ছবিৰ ভিতৰত আছে ঃ বেটা, চাঁদনী, দিৱানা, খিলাড়ী, ফুল ঔৰ কাঁটে, সড়ক ।□



মোগল-ঈ-আজম

OKDISCD




## ৰসেশ্বৰ হাজৰিকা

**অৰূপ কুমাৰ বৰা**
*যোৰহাট, গড়মূৰ ন-পাম গাঁও*
? আপোনাৰ জীৱনৰ শেষ আশা কি ?
ঃ LIGHT, MORE LIGHT.

**জগদীশ বৰ্মন**
*পুব চক, বৰমা*
? ৰাইজে নিৰ্বাচিত কৰি পঠিওৱা মন্ত্ৰী এজনে সেই ৰাইজৰ মাজলৈকে আহোতেও আগে-পিচে সোঁৰে-বাঁৰে এসোপা ধেমাধৰা ৰক্ষী লৈহে আহিব লাগে কিয় ?
ঃ নহ'লে ৰক্ষা নাই, ৰাইজে যে তেওঁলোকক ৰক্ষা নকৰে, সেইটো নিশ্চিত হৈ পৰা বাবেহে ইমানকৈ ৰক্ষীৰ সহায়ত ৰক্ষা পৰি আছে। অথচ ৰক্ষীৰ কাম আছিল ৰাইজক ৰক্ষা কৰাহে।

**অৱনী কুমাৰ বৰুৱা**
*হাউলী, মোহনপুৰ, মঙ্গলদৈ*
? জীৱনৰ কিছুমান কথা, কিছুমান ঘটনা পাহৰি যাবলৈ চেষ্টা কৰিলেও পাহৰিব পৰা নাযায় কিয় ?
ঃ সেইবোৰ কথা আৰু সেইবোৰ ঘটনাই মগজুত প্ৰতিক্ৰিয়া কৰি থাকে বাবে। তেতিয়া হয় ভাল লাগে, নহ'লে দুখ লাগে।

**যতীন মেধি**
*নলবাৰী*
? এজনী ছোৱালীয়ে এজন ল'ৰাক ভাল পায় কিন্তু সেই ছোৱালীয়ে অইন এজন ল'ৰাৰ লগত দেহটো উপভোগ কৰিব পাৰিবনে ?
ঃ পাৰ্মিচন যেনিবা নিদিলোৱেই, শুনে কোনে ?

**ৰুদ্ৰকান্ত নাথ**
*দীঘলদাৰি, ৰহা*
? এজনী ছোৱালীক ভাল পাবৰ বাবে বহুত চেষ্টা কৰিলো, বেজ-মন্ত্ৰ প্ৰয়োগ কৰিও চালো। তথাপি নহ'লগৈ। জীৱনটো অৰ্থহীন যেন লাগিছে। কি কৰো এতিয়া ?
ঃ দীঘলদাৰিত দীঘল ডাঢ়ি ৰাখি আশ্ৰম খোলক। এনেকৈ বহুতো 'বাবা' বিখ্যাত হৈ গৈছে। জীৱনটো অৰ্থহীন হৈ নাথাকে, 'অৰ্থ' আহি যাব। দুয়োহাতে উৰাব পাৰিব।

**এছ এছ গগৈ**
*বাঘমৰিয়াল, সাপেখাতী*
? প্ৰেমৰ আচল সোৱাদ ক'ত ?
ঃ সাময়িক বিৰহত।

**অৱন্তী বৰা**
*ওভাৰ-পাঠৰী, নগাঁও*
? শুনিছো, আপোনাৰ ভূএগ ছাৰে বোলে স্বৰ্গদেউক হেংদাংখন উপহাৰ দিছে ?
ঃ ভূএগ ছাৰৰ কলমডালেই হেংদাং। সেইডাল উপহাৰ দিলে ছাৰৰ অস্তিত্ব থাকিল ক'ত ?



**দিগন্ত গগৈ**
*শিৱসাগৰ মহাবিদ্যালয়*
? 'প্ৰতিশ্ৰুতিৰে নহয়, কামৰ দ্বা আগবাঢ়ি যোৱা।' এই উক্তিটো প্ৰে মে ত প্ৰযোজ্য হয়নে ?
ঃ প্ৰেমত 'ভাব'হে থাকে। 'কাম' বি লোভ-মোহ-কাম —এইবোৰ প্ৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়, কামু ক্ষেত্ৰতহে প্ৰযোজ্য।

**মনেশ্বৰ সোণোৱাল**
*তিনিচুকীয়া কলেজ*
? প্ৰকৃত প্ৰেমৰ ৰহস্য কি ?
ঃ ৰহস্য একো নাই। বায়লজি যো কালচাৰ।

**মণি সাগৰিকা শইকীয়া**
*শিয়ালমাৰী, বিজনী*
? মাছ নাপালেও পানী ঘোলা কৰি থাকোতে হঠাৎ কেনেবাকৈ শিঙি মা বিন্ধিলে। কি অসহ্য বিষ! উপা এটা দিবনে নিৰাময়ৰ বাবে ?
ঃ পানীত কিমানলৈকে নমা হৈছিল আৰ ক'ত বিন্ধিলে সেইটোও লগে ল জনাব লাগিছিল। ভৰিৰ তলুৱা বিন্ধিলে, সেইটোৰ বেলেগ চিকিৎসা তাৰ ওপৰত বিন্ধিলে, সেইটোৰে বেলেগ চিকিৎসা। তাৰো ওপৰ বিন্ধিলে, সেইটোৰো আকৌ বেলে ব্যৱস্থা।

**লাচিত কুমাৰ কলিতা**
*লোণপুৰীয়া গাঁও, শিৱসাগৰ*
? ৩১ ডিচেম্বৰৰ পৰা গুৱাহাটী কেন্দ্ৰ সকলো অনুষ্ঠান সমগ্ৰ অসমতে প্ৰচা কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীয়ে কৈছিল কি নহ'ল। কেন্দ্ৰীয় চৰকাৰে অসমক মাই আইৰ চকুৰে চোৱা এইটো আন এট প্ৰমাণ নহয়নে ?
ঃ মাহী আয়ে বাৰু কিবা এটা দিম বুলি নিদিলে। নিজৰ মাকজনী দেখোন আছেই, তেওঁনো ন্যায্য বস্তু এটা আনি দিব নোৱাৰেনে ?

**পুলিন নেওগ**
*তিনিচুকীয়া কলেজ, তিনিচুকীয়া*
? বৰ্তমান স্বৰ্গদেউ হিতেশ্বৰ শইকীয়াৰ অতীতৰ স্বৰ্গদেউ ল'ৰাৰজাৰ লগত ৰিজাব নোৱাৰিনে ?
ঃ নোৱাৰি। ল'ৰা ৰজাৰ বয়স যথেষ্ট কম আছিল। সেইটো বয়সত মানুহে কিছু দুষ্টালি কৰেই।

**…াই ৰাজবংশী**
*…াৰতালুক, ধমধমা, নলবাৰী*
? আমি কেইজনমান ডেকা উদ্যোক্তাই 'আলু' (AALU) মানে ALL ASSAM LOVERS UNION নামে এটি সংগঠন খোলাৰ কথা ভাবিছো। আপোনাক প্ৰধান পৃষ্ঠপোষক পতাৰ ইচ্ছা কৰিছো। আপোনাৰ মতামত কেনে ?
ঃ মালকড়ি Cash হ'বনে Kind ?

**ছালে আহমেদ**
*ঢেকিয়াজুলী, ৱাৰ্ড নং ৬*
? মোক এজন প্ৰকৃত বন্ধুৰ দৰকাৰ। ঠিক আপোনাৰ দৰে, যাতে মোক সকলো বিষয়তে প্ৰেৰণা দিব পাৰে। আপুনি মোৰ বন্ধুত্ব স্বীকাৰ কৰিবনে ?
ঃ স্বীকাৰ কৰিলো বাৰু। কিন্তু কি বিষয়ত প্ৰেৰণা দিব লাগিব ? পঢ়াশুনাত ? নোৱাৰিম, সেইটো কামেই জীৱনত আটাইতকৈ কম কৰা হ'ল। প্ৰেমত ? নোৱাৰিম, একোটা বয়সৰ কথা আছে। টকা-পইচা গোটোৱাত ? নোৱাৰিম, জানিলে মই নিজেই নিজকে প্ৰথমে প্ৰেৰণা দিম।

**ইমৰুল হাচান**
*কটন কলেজ*
? Andrew Marvell-ৰ Metaphysical Peotry-ত 'Vegetable-Love' বুলি এষাৰ কথা আছে। এই Vegetable-Love অসমৰ ক'ত পোৱা যাব অনুগ্ৰহ কৰি ক'বনে ?
ঃ Vegetable-Love একেলগে পাব যে সন্দেহ আছে। Love পাব পাৰে কিন্তু Vegetable-ৰ দাম এতিয়া যথেষ্ট বেছি।

**…ধ্ৰুৱ সিংহ সন্দিকৈ**
*মৰাণ, পথালিবাম*
? বৰ্তমান অসমৰ বিভিন্ন সংবাদ-পত্ৰসমূহে চৰকাৰৰ কামকাজবোৰৰ বহুতো গঠনমূলক সমালোচনা কৰি আৰু চৰকাৰৰ পৰা সেই সম্পৰ্কত স্পষ্টীকৰণ বিচাৰে, কিন্তু চৰকাৰে দেখোন কোনো মতামতেই নিদিয়ে ?
ঃ মৌনম সম্মতি লক্ষণম। মনে মনে থকা মানেই মানি লোৱা হয়। মিছাতে সময় নষ্ট নকৰি ভাল কামেই কৰিছে।

**বিপুল শৰ্মা**
*জাপাৰকুছি, নলবাৰী*
? প্ৰতিশ্ৰুতি ভংগ কৰাতকৈ ডাঙৰ অপৰাধ আৰু কিবা আছেনে ?
ঃ আছে। প্ৰতিশ্ৰুতি দিয়াটো।



**মৃন্ময় কৃষ্ণ গোস্বামী**
*দলগোমা, গোসাইবড়ী, গোৱালপাৰা*
? বৰ্তমান শীতল যুদ্ধৰ সামৰণি পৰিছে। কিন্তু ভৱিষ্যতে কি যুদ্ধ আৰম্ভ হ'ব ?
ঃ যুদ্ধ আৰম্ভ হৈ গৈছে। লুণ্ঠনৰ যুদ্ধ। ক'ৰবাত বিদেশী ফৌজ নামিছে, ক'ৰবাত বিদেশী বেপাৰী নামিছে। কোনো বাধা নাই। ব্যক্তিগত ফয়দাৰ বাবে তেওঁলোকক মালা পিন্ধাই অভ্যৰ্থনা জনোৱা হৈছে।

**পুলিন নেওগ**
*তিনিচুকীয়া কলেজ*
? 'মনে মনে'ত আপোনাৰ ছবিখন চাই আপোনাক পাঁচজন জোঁৱায়েকৰ শহুৰেক যেন লাগে। মোৰ ধাৰণা শুদ্ধনে ?
ঃ ইমান বয়সস্থ যেন লাগেনে ? ঠিক আছে, এই সংখ্যাৰ পৰা চন্দন চুতীয়াৰ হতুৱাই নিয়মিত চুলিত কলপ দিয়াব লাগিব।

**মদন কুমাৰ শীল**
*গোসাঁইবৰী, গোৱালপাৰা*
? মানুহৰ দৈহিক নগ্নতা কেৱল লজ্জাকৰ বা অস্বস্তিকৰ। কিন্তু মানসিক নগ্নতা, সি এটা ভয়ঙ্কৰ কথা। আপুনি কি কয় ?
ঃ ছোমালিয়াৰ বা অনতিপলমে এইখন দেশতো হ'ব লগা দুৰ্ভিক্ষপীড়িত গাভৰুগৰাকীৰ নগ্নতা আৰু সেই পৰিণতিলৈ লৈ যোৱা কৰ্ণধাৰসকলৰ মানসিক নগ্নতাক তুলনা কৰিব পাৰে।

**ৰূপক কুমাৰ ৰাজবংশী**
*সুন্দৰপুৰ, ধমধমা*
? বৰ্তমান অসমত বাতৰিকাকত-আলোচনীৰ বিস্ফোৰণ ঘটিছে। কিন্তু কিছুমান দুৰ্নীতিগ্ৰস্ত ব্যক্তিৰ মালিকানাত জন্ম লোৱা কাকত-আলোচনীবোৰে এই শক্তিশালী গণমাধ্যমটোক কলুষিত কৰা নাইনে ?
ঃ এই গণমাধ্যমটোক স্থায়ীভাবে কোনেও কলুষিত কৰিব নোৱাৰে। এইটো মাধ্যমক সঠিকভাবে জীয়াই ৰাখিবলৈ যুঁজাই যুঁজিয়েই আহিছে। হিটলাৰে পাৰ্যন্ত বাধা দিব নোৱাৰিলে। বাকীবোৰ কোন ? চেলা-চামুণ্ডাহে।

**তপেশ্বৰ, বিপুল**
*বটাবাৰী, দীঘিৰপাৰ, দৰং*
? নাৰীৰ খেল, জুৱা খেল আৰু ৰাজনীতিৰ খেল, এই তিনিটাৰ ভিতৰত কোনটো বেছি ভয়ানক ?
ঃ ৰাজনীতিৰ খেল– তাৰ যহতে নাৰীৰ পৰা জুৱালৈকে আহি যায়। ▫



লেণ্ড– দুয়োখন ৰাজ্যতে
চলালে কংগ্ৰেছে।
ং চি মাৰাকৰ নেতৃত্বত
াৰ শপত গ্ৰহণ হৈ গ'ল
ৰুৱাৰীত। মেঘালয়ৰ ২৪
(ই) বিধায়িনী দলৰ
নেতা নিৰ্বাচিত কৰা
আগেয়ে। আনহাতে
ন্সনীয়া বিধানসভাৰ ৩৪
লত ৰাখি চতুৰ্থবাৰলৈ
ই) দলে শাসন ক্ষমতা
ছ-জি জমিৰৰ নেতৃত্বত
খলপীয়া কংগ্ৰেছ (ই)
ফেব্ৰুৱাৰীত শপত গ্ৰহণ
হিচাপে নাগালেণ্ডৰ মৰ্যাদা
ৰ ১৬তম মুখ্যমন্ত্ৰী।
ৱাৰীত পদত্যাগ কৰিলে
মুখ্যমন্ত্ৰী সুধাকৰ ৰাও
নৰেশ্বৰ মাহৰ পৰা
কংগ্ৰেছ (ই) বিসম্বাদৰ

এক অধ্যায়ৰ অন্ত পৰিছে এই ঘটনাৰ লগে লগে। উল্লেখযোগ্য যে ৰাজ্যখনৰ পূৰ্বৰ মুখ্যমন্ত্ৰী শাৰদ পাৱাৰ কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পিচত নায়কে মুখ্যমন্ত্ৰীত্ব লাভ কৰিছিল।

কিন্তু ঘটনাই এই ৰূপ ল'লৈগে যে পাৱাৰৰ ঘনিষ্ঠ নায়কৰ মাজত সম্পৰ্কৰ চৰম অৱনতি ঘটিল। আৰু আনকি নায়কে শাৰদ পাৱাৰক পদত্যাগৰ দুদিন আগতে কংগ্ৰেছ দলৰ পৰাই বহিষ্কাৰ কৰিব লাগে বুলি দাবী জনালে।

সুদীৰ্ঘ আঠ বছৰৰ আন্দোলনৰ পিচত যোৱা ২০ জানুৱাৰীত আন্দোলনৰ নেতৃবৃন্দ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত এক চুক্তি স্বাক্ষৰিত হৈছে। সেইমৰ্মে এতিয়া প্ৰায় ২০০০ খন গাঁও আৰু ২৫ খন চাহবাগিচা সামৰি এখন বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হ'ব। ৪০ জন সদস্যক লৈ গঠিত হ'বলগা পৰিষদত ৩৫ জন নিৰ্বাচিত সদস্য আৰু ৫ জন ৰাজ্যপালৰ দ্বাৰা মনোনীত সদস্য থাকিব। পৰিষদ গঠনত অনুমোদন জনাবলৈ আগত বিধান সভাৰ অধিবেশনত এখন বিল উত্থাপন কৰা হ'ব। চুক্তিৰ সকলো দিশ এই পৰ্যন্তও পৰিষ্কাৰ নহয় যদিও জনোৱামতে কৃষি, বন, শিক্ষা, পশুপালন আৰু নিয়োগকে ধৰি কিছুমান বিভাগক লৈ পৰিষদখন এখন ক্ষুদ্ৰ মন্ত্ৰীসভাৰ লেখীয়া হ'ব। আইন-শৃংখলাৰ বিষয়টো ৰাজ্য চৰকাৰৰ হাতত থাকিব। অহা সাত মাৰ্চত হেনো কোকৰাঝাৰত এখন গণ সমাবেশ অনুষ্ঠিত হ'ব য'ত উপস্থিত থাকিব মুখ্যমন্ত্ৰী, মন্ত্ৰীসভাৰ অন্যান্যসকল আৰু কেন্দ্ৰীয় গহদপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰাজেশ পাইলট।




বহু বাধা-নিষেধ সত্বেও ৰাজ্য চৰকাৰে ২১ ফেব্ৰুৱাৰীত গুৱাহাটীত বি-জে-পিৰ এখন সমাবেশ অনুষ্ঠিত কৰিবলৈ দিলে। (সিদিনা গুৱাহাটীৰ পেট্ৰোল পাম্পবোৰ কিবা কাৰণত চৰকাৰী বাধা-নিষেধত বন্ধ থাকিল !!) সমাবেশত বি-জে-পিৰ নেতা অটল বিহাৰী বাজপেয়ীয়ে তেওঁৰ ভাষণত ৰাজ্য চৰকাৰে বিদেশী নাগৰিকৰ সমস্যা সম্পৰ্কত লোৱা ভূমিকাৰ তীব্ৰ সমালোচনা কৰাই নহয় শীঘ্ৰে বাংলাদেশৰ পৰা হোৱা অনুপ্ৰবেশ লৈ কঠোৰ ব্যৱস্থা লোৱাৰ দাবী কৰে। নেতাগৰাকীয়ে তাৎপৰ্যপূৰ্ণভাবে ক'লে যে বাংলাদেশী নাগৰিকসকল দলে দলে অসমত সোমাই প্ৰথমে ৰেচন কাৰ্ড লয় আৰু তাৰ পিচত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি এম-এল-এ, এম-পি হ'বলৈ আগবাঢ়িছে। বাজপেয়ীয়ে কেন্দ্ৰীয় চৰকাৰে অসমত বলৱৎ কৰা অবৈধ প্ৰব্ৰজনকাৰী আইনখনত (আই-এম-ডি-টি) যথেষ্ট আসোঁৱাহ আছে আৰু শীঘ্ৰে এই আইনখন সলনি কৰা উচিত বুলি মত প্ৰকাশ কৰিছে।

তাৎপৰ্যপূৰ্ণভাবে বাজপেয়ীয়ে কৈছে যে অলপতে গুৱাহাটী প্ৰেছ ক্লাবত আৰক্ষীয়ে সাংবাদিক-বুদ্ধিজীৱীক কৰা অত্যাচাৰৰ ন্যায়িক তদন্ত হ'ব লাগে। নেতাগৰাকীৰ মতে এই ঘটনাৰ বাবে অসমৰ মুখ্যমন্ত্ৰীজনাই সাংবাদিকসকলক ক্ষমা খুজিব লাগে আৰু আটকাধীনসকলক মুক্তি দিব লাগে।

❑ অৰুণাভ দুৱৰা

# ক'ব জনাৰ মুখ চিলচিলীয়া

ভদ্ৰ বৰা



"ধন্য চৰকাৰ! ধন্য জ্ঞান-বুদ্ধি!" তেওঁলোকে কৈছে যে পুলিচ–চি-আৰ-পিকহে বোলে সাংবাদিক-বুদ্ধিজীৱীয়ে নগুৰ শাস্তি কৰিলে। মহিলা-পুলিচক অশালীন ব্যৱহাৰ কৰিলে। অৱশ্যে ধৰ্ষণ, বুদ্ধিজীৱীৰ প্ৰহাৰত চিৰদিনৰ বাবে ঘুণীয়া হোৱা পুলিচৰ পৰিয়ালৈলে সাহায্য আগবঢ়োৱাৰ বাতৰি আমালৈ অহা নাই। হয়তো আহিব। কাৰণ চৰকাৰী হৰণলুকিৰ মায়া অসীম।

অসমীয়াত কথা এষাৰ আছে ঃ
ক'ব জনাৰ মুখ চিলচিলীয়া,
খাব জনাৰ পেট তুলতুলীয়া।

কথা কোৱাৰ এটা ভংগী আছে। সেই ভংগী আয়ত্ত কৰি লোৱা লোকসকলে ভাৰন্তত চাউল একঠা খাবই! তেওঁলোকেই "শুষ্কং কাষ্টং" নুবুলি 'নিৰস তৰুবৰ" বুলি কাণত মৌ বৰষে। কিছুমান লোকে কথাত মৌ-ঘিউ সানি পৰবেৰ্শন কৰে। ডাক্তৰসকলে বোধকৰো চেনিৰ প্ৰলেপ দি কুইনাইন পৰিবেশন কৰাৰ কৌশলটো এনে লোকৰ পৰাই গ্ৰহণ কৰিছে।

পুত্ৰৰ গুণাগুণৰ বিচাৰ কৰিও পণ্ডিতসকলে সিদ্ধান্ত কৰিছে মুখ 'বজাব' পৰা পোৱে পেটত গামোচা বান্ধিব নেলাগে।

নাই পো গোঁফে,
নাই পো মুখে,
নাই পো লনি
নাই পো ধনী।

মুখ নাথাকিলে অৱশ্যে গোঁফ থাকিলেও চলে। প্ৰকাণ্ড একোছা গোঁফো যদি নাই তেনেহ'লে চকুত লগা হ'লেও কাম চলে। কিবা কাৰণত যদি চেহেৰাটো চকুত লগা নহয় তাৰ বিকল্প হিচাপে পুত্ৰ ধনী হ'ব লাগিব। ধনৰ প্ৰতাপত আন গুণ নহ'লেও পুত্ৰৰ বিপদ নাই। ধনৰ বলত তেওঁ হয়তো গোঁফ গজাব নোৱাৰিব; কিন্তু মনে মনে থাকিলেও তেওঁৰ হৈ মাত মাতোতা ওলাব আৰু কুৰূপ হ'লেও লনি কইনাৰো অভাৱ নহ'ব! মুখ চলাব জানিলেতো বিপদৰ প্ৰশ্নই নুঠে; বৰং তেওঁহে আনক বিপদৰ পৰা ত্ৰাণ কৰিব পাৰে।

আমাৰ উকীল আৰু ৰাজনীতিবিদ-সকলে মুখৰ বলতেই হাঁহে-মাহে একঠা খাই আছে। তেওঁলোকে কথাত বঁটা পাইছে। অৱশ্যে সজাই-পৰাই চিলচিলীয়াকৈ ক'ব নোৱাৰাসকল কটাও গৈছে। আজিৰ যুগত মানুহ সঁচা-সঁচিকৈ কটা নেযায় যদিও অদৰকাৰী কথা কৈ গতা খোৱা মানুহৰ সংখ্যাও উলাই কৰিব পৰা বিধৰ নহয়।

এজন অমায়িক আৰু ভদ্ৰ সন্ত্ৰাসবাদীৰ কাহিনী এটি কওঁ। এজন বৰ ধনীলোক এবাৰ এখন আওহতীয়া ঠাইত গাড়ী ৰখাবলগীয়া হ'ল। এনেতে এজন হৃষ্ট-পুষ্ট লোক সেইখিনি পালেহি। তেওঁ মিচিকিয়া হাঁহি এটি মাৰি বৰ অমায়িকভাৱে ভদ্ৰলোকৰ পৰা সাহায্য ভিক্ষা কৰিলে ঃ

"চাওক বৰ দুখীয়া মানুহ। নিজৰ লগতে ৰাইজৰো কিছু কাম কৰি দিব লাগে। অথচ তেনে সম্বল নাই। এই অঞ্চলত ভিক্ষা কৰিবলৈ কোনো ধনী মানুহ নাই। নিশ্চয় আপুনি মন কৰিছে চিঞৰ মাৰিলেও ইয়াত মাত এষাৰ লগাবলৈ মানুহ এজন বিচাৰি নেপায়।"

অনুগ্ৰহ-প্ৰাৰ্থীৰ মুখত হাঁহি দেখি মানুহজনৰ অলপ সাহ বাঢ়িল। পৈতৃক ভেমটোৱেও আমনি কৰাত তেওঁ গতানুগতিক উপদেশ বৰ্ষণ কৰিলে ঃ

"ডেকা মানুহ কাম কৰি খাব নোৱাৰা? তোমালোকৰ দৰে কত ল'ৰাই ব্যৱসায় কৰি ধনী হৈছে! ভিক্ষা কৰিবলৈ লাজ নেলাগেনে?"

মানুহজনে অত্যন্ত লজ্জিত হোৱাৰ ভংগীৰে উত্তৰ দিলে ঃ

"সঁচাকৈয়ে বৰ লাজ লাগে। এইবাৰ এটা ডাঙৰ ব্যৱসায় কৰিম বুলি ভাবিছো। সেয়ে আপোনাৰ পৰা সাহায্য বিচাৰিছোঁ। চাওক মোৰ জেপৰ সকলো বস্তু উলিয়াই দেখুৱাইছো। লগত ফুটাকড়ি এটিও নাই। মোৰ পেন্টৰ জেপত থকা এই চীনদেশত নিৰ্মিত পিষ্টল আৰু ছয় জাঁই গুলীৰ বাহিৰে মূলধন বুলিবলৈ আন একোৱেই নাই। দুখীয়াৰ একমাত্ৰ সম্বল এই গুলীকেইটিও অযথা খৰচ কৰিব খোজা নাই। গতিকে টকা ভৰাই অনা চুটকেছটো দি এই দুখীয়াক সহায় কৰক।"

'কিলৰ্লে বাসুদেউ উঁৰায়'। পিষ্টল দেখা পালে কাৰ গাৰ কঁপনি নুঠে? ভদ্ৰলোকে সুৰসুৰকৈ টকা ভৰা চুটকেছটো 'ভিক্ষাৰী'ৰ ফালে আগুৱাই দিলে।

কেতিয়াবা আকৌ চোৰ-ডকাইতৰ মাজতো আঞ্জাৰ মাছ ধৰি খাব নজনা বিধৰ লোক পোৱা যায়। এবাৰ তেনে এজন অমায়িক লোকে বিচাৰকক অনুৰোধ জনালে ঃ

"হে ধৰ্ম অৱতাৰ! এই নিচলাক দয়া কৰক। বুদ্ধিভ্ৰষ্ট হৈ সামান্য মৰাপাটৰ ৰচি এডাল বুটলি লোৱাৰ বাবে কোনো শাস্তি নিদিয়ে যেন।"


বিচাৰকৰ মনটো কুমলিল। কিন্তু প্ৰতিপক্ষৰ জেৰাতহে আচল কথাটো ওলাই পৰিল। শেষত বিচাৰকৰ প্ৰশ্নৰ উত্তৰত চোৰে নিজ ভাষ্য দাঙি ধৰিলে ঃ

"ধৰ্মাৱতাৰ! মিছা নেমাতো। মই নিওঁতে সামান্য ৰচি বুলিয়েই বুটলি লৈ গৈছিলো; কিন্তু ৰচিডালৰ আগত কোনোবাই যে গৰু এটা বান্ধি থ'ব সেই কথা মই ভাবিবই পৰা নাছিলো। গতিকে অজানিতে হোৱা ভুলৰ বাবে ক্ষমা কৰে যেন!"

ৰাজনীতিৰ লগত জড়িত লোকসকলৰ মুখখন এটা ডাঙৰ সম্পদ। অৱশ্যে জিভাৰ নিয়ন্ত্ৰণসাপেক্ষে। বক্তৃতাৰ ফট্‌কা ফুটাই থাকোতে যাতে চকুৰে-মুখে নপৰে, তাৰবাবে সাৱধান হোৱা উচিত। নহ'লে পঞ্চাশভাগ আমেৰিকান মূৰ্খ বুলি কৈ জৰ্জ বাৰ্ণাড শ্বৰ দৰে বিপদত পৰিব লাগিব। শ্বৰ দৰে তীক্ষ্ণধী ৰাজনীতিজ্ঞসকলৰ মাজত খুব কমেই ওলাব যিজনে নাকটি মোহাৰিয়েই বুধি উলিয়াই ক'ব পাৰিব–

'শতকৰা পঞ্চাশভাগ আমেৰিকানেই জ্ঞানী।'

ব্যক্তিগতভাৱে প্ৰশংসা ভাল নোপোৱা মানুহ বিৰল। আনকি প্ৰশংসা কৰিলে খং উঠা মানুহজনকো যদি "জানো আপুনি প্ৰশংসা কৰিলে বেয়া পায়, তথাপি ভালক ভাল নুবুলিতো উপায় নাই" বুলি আওপকীয়াকৈ প্ৰশংসা কৰিলে তেওঁৰ মুখত হাঁহি বিৰিঙি উঠিব। ঠিক একেদৰেই দায়-দোষ ধৰিলে প্ৰায়বোৰ মানুহেই বেয়া পায়। শুধৰাই ভাল কৰাৰ উদ্দেশ্যে দোষবোৰ দেখুৱাই দিলেও তেওঁলোক ক্ষুন্ন হয়। অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰত আৱেগৰ তীব্ৰতা নেথাকে।



অৱশ্যে হিটলাৰৰ জাৰ্মেনী বা ষ্টেলিনৰ ৰুছিয়াৰ সময়ৰ কথা সুকীয়া। বৰ্তমান আমাৰ অসমত কিন্তু এটা সুকীয়া পৰিস্থিতিয়ে দেখা দিছে। কোনোবাই ডাঙৰকৈ কাহ এটা মাৰিলেও চৰকাৰে কিবা এখন আইনৰ সহায়ত জেলৰ ভাত খুৱাব খোজে। এয়া আমাৰ সৰ্বসাধাৰণৰ কথা। সাংবাদিকসকলক আমি এখন উচ্চ আসন দিওঁ এইবাবেই যে তেওঁলোকে ব্যক্তিগত স্বাৰ্থলৈ নেচাই দহৰ হিতৰ বাবে কাম কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ জোলোঙাৰ মেকুৰী আৱিষ্কাৰ কৰি সেই দেশৰ সাংবাদিকে বঁটা পায় আৰু সঁচা দোষ আঙুলিয়াই দি আমাৰ সাংবাদিক-বুদ্ধিজীৱীয়ে গতা খায়। কিন্তু সেইবোৰ মোৰ ঘাই বক্তব্যৰ ভিতৰুৱা নহয়। ঘাই কথা হল– চৰকাৰে চিলচিলীয়া মুখেৰে দিয়া শ্ৰুতিমধুৰ ব্যাখ্যাসমূহ।

অলপতে সাংবাদিক-বুদ্ধিজীৱী, ছাত্ৰ-শিক্ষকসকলে কাকত এখনৰ সম্পাদকক গ্ৰেপ্তাৰ, সাংবাদিকক হাতকেৰেয়া লগোৱা কাৰ্যৰ প্ৰতিবাদৰ বাবে একগোট হ'ল। এই নিৰীহ লোকক গণতান্ত্ৰিক পদ্ধতিৰে 'ধোলাই' কৰা হ'ল। পুলিচ–চি-আৰ-পিয়ে তেওঁলোকৰ দৈনন্দিন "প্ৰেক্‌টিচ" শেষ কৰিলে। পিচদিনা বাতৰিকাকতত চৰকাৰী ভাষ্য দেখি ভাবিলো "ধন্য চৰকাৰ! ধন্য জ্ঞান-বুদ্ধি!" তেওঁলোকে কৈছে যে পুলিচ–চি-আৰ-পিকহে বোলে সাংবাদিক-বুদ্ধিজীৱীয়ে নগুৰ শাস্তি কৰিলে। মহিলা-পুলিচক অশালীন ব্যৱহাৰ কৰিলে। অৱশ্যে ধৰ্ষণ, বুদ্ধিজীৱীৰ প্ৰহাৰত চিৰদিনৰ বাবে ঘুণীয়া হোৱা পুলিচৰ পৰিয়ালৈলে সাহায্য আগবঢ়োৱাৰ বাতৰি আমালৈ অহা নাই। হয়তো আহিব। কাৰণ চৰকাৰী হৰণলুকিৰ মায়া অসীম।

এইবোৰ দেখি অসমীয়া বচনফাঁকিলৈ মনত পৰিছে। চিলচিলীয়াকৈ ক'ব পৰা মুখ নেথাকিলে আজিৰ দিনৰ চলা টান। টান মানে বৰ টান।

চৰকাৰী ব্যাখ্যাসমূহ বেদ-বাক্য বুলি মানিবলৈ শপত গ্ৰহণ কৰোতাসকলে তেনে ব্যাখ্যা শুনি বুদ্ধিজীৱী, ছাত্ৰ-শিক্ষকে পুলিচ, চি-আৰ-পিক কৰা অবৰ্ণনীয় অত্যাচাৰৰ কথা শুনি চকুলো টোকে; নাৰী পুলিচৰ ভৱিষ্যৎ ভাবি চিন্তাত টোপনি ক্ষতি কৰে আৰু চৰকাৰী উদাৰতাৰ প্ৰশস্তি ৰচনা কৰি পদ্মশ্ৰী পোৱাৰ ব্যৱস্থা কৰে। চিলচিলীয়া মুখৰ ইমানেই প্ৰতাপ। ❑

OKDISCD